


# Al-Ameen

*Twelfth Anniversary Souvenir, 2015*

## Al-Ameen Welfare Society

# LIVING ISLAM IN A FAMILY

1 

## Make home a place for the family to worship Allah

- Make your homes become lively during prayer times
- Engage in frequent Quran recitation and remembrance of Allah

2 

## Keep Satan out of the house

- Say the salutation of "Assalamu Alaikum" when entering a house
- Say بسم الله توكلت على الله لاحول ولا قوة إلا بالله (In the name of Allah, I put my trust in Allah, there is no help and no strength except in Allah),'" when exiting a house
- Recite Surah Al-Baqara in the house

3 

## Let respect, kindness and trust rule a family's affairs

- Avoid disputes and argumentation
- Uphold the trust of family members and their matters

4 

## Foster a culture of Islamic learning and knowledge

- Engage in Islamic learning sessions
- Discuss and be aware of matters of halal and haram
- Instill the love of Islamic literature and books

5 

## Make family decisions through mutual consultation

- Involve the family in critical decisions and problem solving
- Avoid blame by staying focused on devising solutions

6 

## Fulfill responsibilities toward other family members

- Learn the rights of each of the family members
- Fulfill the rights of others and don't take them for granted

*Collected by : Inamul Islam*

বিছমিল্লাহিৰ ৰাহমানিৰ ৰহিম

# AL-AMEEN
## (Trustworthy)
# আল্-আমিন

‘‘আল্লাহে কোনো জাতিৰ অৱস্থা পৰিবৰ্ত্তন ক’ৰি নিদিয়ে যেতিয়ালৈকে সিহঁতে সিহঁতৰ অন্তৰত যি আছে সেয়া পৰিবৰ্ত্তন নক’ৰে’’

**(কোৰান ১৩ঃ১১)**

**সম্পাদক ঃ**
**আব্দুল ৰাছি**

**আল্-আমিন জন-কল্যাণ, সমাজ, গুৱাহাটী**
২০১৫

আল-আমিন জন কল্যাণ সমাজৰ হৈ সভাপতি ডাঃ তৌফিকুৰ ৰহমান বৰবৰা আৰু সচিব প্ৰধান  ফকিল আহমদ বৰাৰ দ্বাৰা প্ৰকাশিত।

বেটুপাত ঃ ব্ৰহ্মপুত্ৰত সূৰ্যোদয়, ডিব্ৰুগড়

বেটুপাতৰ পৰিকল্পনা ঃ কমৰুজ্জামান আহমদ
আছলাম  আহমদ

প্ৰকাশ  ঃ ১৪ জুন ২০১৫

বৰঙণি ঃ ১০০ টকা
(আল-আমিন জন কল্যাণ পুঁজিৰ বাবে শুভেচ্ছামূলক বৰঙণি)

মুদ্ৰণ ঃ  মাইক্ৰ কম্প-টেক
জয়ানগৰ পথ, ছয়মাইল, গুৱাহাটী-৭৮১০২২,
ফোন-৯৮৬৪০-৭২৯৬৯, ৯৫০৮৭-৮০৪৬৭

# অসমীয়া শাখা

# সূচীপত্র

| | | | |
|---|---|---|---|
| ⋊ | আমাৰ কবলগীয়া --- | | |
| ⋊ | শ্ৰদ্ধাঞ্জলিঃ তাহেৰ ছাৰৰ প্ৰতি | আবু নাছাৰ চাঈদ আহমদ | ৫ |
| ⋊ | প্ৰফেচাৰ ড° মহম্মদ তাহেৰলৈ শ্ৰদ্ধাঞ্জলি | হীৰেন্দ্ৰনাথ দত্ত | ৯ |
| ⋊ | অনুৰণন - তিনিটা কবিতাৰ | মহম্মদ তাহেৰ | ১২ |
| ⋊ | অসম সাহিত্য সভাৰ ত্ৰিসপ্ততিতম কলিয়াবৰ অধিৱেশনৰ সভাপতি ডাঃ ধ্ৰুৱজ্যোতি বৰাৰ অভিভাষণৰ নিৰ্বাচিত অংশ | ডাঃ ধ্ৰুৱজ্যোতি বৰা | ১৭ |
| ⋊ | সন্ত্ৰাসবাদ, মুছলমান, মাদ্ৰাছা আৰু শিক্ষা | আব্দুল মান্নান | ৩০ |
| ⋊ | নগঞা সশস্ত্ৰ সংগ্ৰামী যুটী চফিউন নেচা আৰু কৃষ্ণকান্ত গোস্বামী | দ° দেৱব্ৰত শৰ্মা | ৩৩ |
| ⋊ | জিকিৰ আৰু জাৰীৰ অমিয়া সুৰ | ড° পইনুৰুদ্দিন আহমদ | ৩৭ |
| ⋊ | ৰুমীৰ মছনবীৰ গল্প আৰু কবিতা | চফিউৰ ৰহমান শইকীয়া | ৪৪ |
| ⋊ | জহি-খহি যাব ধৰা শ্ৰেণীকোঠাটো আৰু মানৱ সম্পদ গঢ়া কমাৰশালৰ কমাৰজন | অনন্ত মোহন শৰ্মা | ৪৯ |
| ⋊ | অসমীয়া জাতিৰ ডাঙৰ প্ৰত্যাহ্বান ঃ ধৰ্মীয় মেৰুকৰণ | তুফেল জিলানী | ৫৩ |
| ⋊ | মুছলমান বন্ধু সকললৈ এটা আহ্বান | বিমল ফুকন | ৫৬ |
| ⋊ | দুখন জগতৰ কাহিনী | ছাঈদুল ইছলাম | ৬১ |
| ⋊ | ‘জিহাদ’ শব্দটোৰ অপপ্ৰয়োগ হৈছে নেকি? | চন্দ্ৰকান্ত দাস | ৬৪ |
| ⋊ | জিহাদ ঃ কিছু চিন্তা | কমৰুজ্জামান আহমদ | ৬৭ |
| ⋊ | অসমীয়া মুছলমান সমাজ আৰু বিহু | ৰাজিদুৰ ৰহমান | ৭০ |
| ⋊ | অসমীয়া মুছলমান সমাজৰ কইনাৰ সাজপাৰ সম্বন্ধীয় কিছু কথা | দেবিৰা চুলতানা আহমদ | ৭৩ |
| ⋊ | তালাক | হাচিবুৰ ৰহমান | ৭৫ |
| ⋊ | গীবত (পৰচৰ্চ্চা) | মাচুম আৰা ৰহমান | ৭৮ |
| ⋊ | পোহৰৰ সন্ধানত | চৈয়দ হাৰোনাৰ ৰহমান | ৮১ |
| ⋊ | ইছলাম শান্তি প্ৰতিষ্ঠাৰ এক আন্দোলনহে | ছফিকুল ইছলাম | ৮৩ |
| ⋊ | জীৱনজোৰা বঁটাৰে সন্মানিত আব্দুল মজিদ আৰু আমাৰ সম্বৰ্দ্ধনা | | ৮৮ |
| ⋊ | সাধাৰণ সম্পাদকৰ প্ৰতিবেদন | | ৮৯ |
| ⋊ | বিত্ত সচিবৰ প্ৰতিবেদন | | ৯৩ |

# আমাৰ কবলগীয়া....



বিভিন্ন ক্ষেত্ৰত অভিজ্ঞতাৰেপুষ্ট কেইগৰাকীমান সমাজ সচেতন ব্যক্তিৰ আলোচনাৰ ফলশ্ৰুতিত ২০০৩ চনৰ জুন মাহত ‘‘আল আমিন জন কল্যাণ সমাজ’’ নামৰ এই ধৰ্মনিৰপেক্ষ অৰাজনৈতিক সংগঠনটোৰ জন্ম হয়। ইতিমধ্যে সংগঠনটোৱে বাৰটা বছৰ পূৰ্ণ কৰিছে।

আজি সংগঠনটোৰ দ্বাদশ বৰ্ষপূৰ্তি অনুষ্ঠান। আজিৰ কাৰ্যসূচীৰ এক বিশেষ তাৎপৰ্য্য হৈছে. আল-আমিন সমাজে অসমৰ মুছলমানৰ ক্ৰমবিকাশ আৰু অসমীয়া সমাজ, সাহিত্য আৰু সংস্কৃতিলৈ অসমৰ মুছলমান সকলে আগবঢ়োৱা অৱদানৰ ওপৰত প্ৰকাশ কৰিবলৈ লোৱা এলানি গৱেষণামূলক গ্ৰন্থ প্ৰকাশ পৰিকল্পনাৰ তৃতীয় খণ্ডৰ আনুষ্ঠানিক উন্মোচন আৰু চতুৰ্থখন স্মৃতিগ্ৰন্থ উন্মোচন।

এইখিনিতে উল্লেখ থাকিল যে আমাৰ সংগঠনটোৱে গ্ৰন্থ প্ৰকাশৰ আঁচনিত প্ৰথম আৰু দ্বিতীয় খণ্ড যথাক্ৰমে (১) অসমৰ মুছলমান ঃ ইতিহাস আৰু সমাজ আৰু (২) অসমৰ মুছলমান ঃ অসমীয়া সাহিত্য আৰু সংস্কৃতিলৈ অৱদান শীৰ্ষক দুটা খণ্ড ইতিমধ্যে প্ৰকাশ কৰিছে আৰু এই দুখন গ্ৰন্থই ৰাইজৰ বিপুল সঁহাৰি লাভ কৰিছে। ইয়াৰ আগতে সংগঠনটোৱে ইয়াৰ জনপ্ৰিয়তাৰ গতি ক্ৰমান্বয়ে বৃদ্ধি হৈ অহাত দুখীয়া জনসাধাৰণৰ মেধাৱী ছাত্ৰ-ছাত্ৰীলৈ শিক্ষা আহৰণত বিত্তীয় সাহায্য দিয়াৰ উপৰিও দুখীয়া পৰিয়ালৰ জটিল ৰোগত আক্ৰান্ত লোকৰ চিকিৎসাৰ বাবে বিত্তীয় সহায় কৰাৰ আমাৰ উদ্দেশ্যক আৰু বিস্তৃত কৰিবলৈ আলোচনী প্ৰকাশৰ সিদ্ধান্ত লৈ ২০০৬ চনত প্ৰথমখন আলোচনী প্ৰকাশ কৰা হয়।

তাৰ পাছত আমাৰ সংগঠনটোৰ প্ৰতিষ্ঠাপক সভাপতি, প্ৰাকৃতিক তেল সম্পদৰ বিজ্ঞানী, কমৰুজ্জামান আহমদ চাহাবে তেখেতৰ সুযোগ্যা পত্নী দেবিৰা চুলতানা আহমদৰ যুটীয়া প্ৰচেষ্টাত আৰু তাহেৰ চাহাবক উপদেষ্টা ৰূপে লৈ নিজা সম্পাদনাৰে ‘‘স্মৃতিৰ জিলঙনিত কেইগৰাকীমান অসমৰ মুছলমান’’ শীৰ্ষক দুটা খণ্ড ২০০৯ আৰু ২০১১ চনত আল-আমিনৰ যোগেদি প্ৰকাশ কৰে।

আমাৰ গ্ৰন্থ প্ৰকাশ আঁচনিৰ মূল হোতা আৰু সংগঠনটোৰ Friend, Philosopher and Guide আছিল অসমৰ স্বনামধন্য আন্তৰ্জাতিক খ্যাতিসম্পন্ন বহুগুণ বিশিষ্ট শিক্ষাবিদ, সাহিত্যিক আৰু ভূগোল বিজ্ঞানী মহম্মদ তাহেৰ চাৰ। আল-আমিনৰ জন্ম লগ্নৰে পৰা উপদেষ্টা হিচাপে আমাক মৰম আৰু উপদেশেৰে আগুৱাই যাবলৈ বাট দেখুৱাই যোৱা মানুহজন হঠাৎ আমাৰ মাজৰ পৰা চিৰদিনৰ বাবে হেৰাই গ’ল যোৱা ২৪ ফেব্ৰুৱাৰী ২০১৫ত। তেখেতৰ বিয়োগত সাহিত্য আৰু বিজ্ঞান জগতৰ এক অপূৰণীয় ক্ষতি হোৱাৰ লগতে সংগঠনটোৰ যি ক্ষতি হ’ল সেয়া প্ৰকাশ কৰিবলৈ আমি অপাৰগ। চাৰে আমাক কৰ্ম্মপন্থাকে ধৰি সংগঠনটোৰ উত্তৰণৰ বাবে আমি কেনেদৰে সমিল মিলেৰে কাম কৰি দেশ আৰু ৰাইজৰ সেৱা কৰি যাব পাৰোঁ মৃত্যুৰ আগ মুহূৰ্তলৈকে সকলো উপদেশমূলক দিহা পৰামৰ্শ দি গৈছে। তেখেতে আমাক বহুত দি গ’ল। আমি একোৱেই দিব নোৱাৰিলোঁ। প্ৰতিদান হিচাপে আজি আমাৰ গ্ৰন্থ প্ৰকাশৰ তৃতীয়টো খণ্ড তেখেতৰ নামত উৰ্ছগা কৰি আমাৰ ঋণ সামান্য পৰিশোধ কৰিব বিচাৰিছোঁ। লগতে তাহেৰ চাৰৰ নিজা অভিমতৰ এটি লেখনি প্ৰকাশেৰে আৰু তেখেতৰ ওপৰত বিশিষ্ট সাহিত্যিক শিক্ষাবিদে লেখা প্ৰবন্ধৰ উপৰিও বিভিন্ন সাহিত্যিকে আমাৰ অনুৰোধ মৰ্মে পঠোৱা প্ৰবন্ধৰ এলানি লেখনি সন্নিবিষ্ট কৰি আজি প্ৰকাশ পাব লগা আমাৰ চতুৰ্থখন স্মৃতিগ্ৰন্থ স্মৰণিকা হিচাপে তাহেৰ চাৰৰ নামত প্ৰকাশ কৰিবলৈ প্ৰয়াস কৰিছো।

ভূল ত্ৰুটি মাৰ্জনা কৰিব লগতে আল্লাহৰ দৰ্গাহত মোনাজাত কৰিছো তেখেতে যেন বেহেস্তত শান্তিত থাকে আৰু তেখেতৰ সুযোগ্য পুত্ৰ কন্যা, বোৱাৰী, নাতি-নাতিনীক বিদেহী আত্মাৰ শান্তিৰ বাবে কৰিব লগা ধৰ্মীয় সকলো কাম-কাজ কৰি যাবলৈ মনোবল আৰু ধৈৰ্য্য দিয়ে।

ৰাজ্যখনৰ পিছপৰা অঞ্চলৰ অনুন্নত অশিক্ষিত শ্ৰেণীৰ দুৰ্দশাগ্ৰস্ত মানুহ চামৰ আৰ্থ সামাজিক অৱস্থাৰ উন্নতি সাধি তেওঁলোকৰ মেধাবী ল'ৰা ছোৱালী খিনিক মানৱ সম্পদ হিচাপে ৰাজ্যখনৰ উন্নতি আৰু প্ৰগতিত সহায়ক হোৱাকৈ গঢ়ি তোলাৰ প্ৰয়াসেৰে আজি বাৰটা বছৰে আল-আমিন সমাজে বিভিন্ন আঁচনিৰ মাজৰে বহু দৰিদ্ৰ ল'ৰা ছোৱালীক মানুহ কৰাৰ বাটত কিছু অৰিহণা যোগাই সমাজ আৰু দেশখনক সহায় কৰি আহিছে। এই সকলো বিলাক সচিব প্ৰধান আৰু বিত্তীয় সচিবৰ প্ৰতিবেদনত প্ৰকাশ পাইছে।

আমাৰ অনুৰোধ মৰ্মে বিশিষ্ট লেখক সকলে স্মৃতিগ্ৰন্থখনত প্ৰকাশৰ বাবে আমালৈ পঠোৱা প্ৰবন্ধ সমূহৰ বাবে তেখেত সকললৈ আমাৰ কৃতজ্ঞতা আৰু ধন্যবাদ জনালো। তেখেত সকললৈ সময়ত স্মৃতিগ্ৰন্থখন পঠোৱা হ'ব।

সম্পাদনা কক্ষৰ মাননীয় সদস্য সকলৰ পৰ্যবেক্ষণৰ পাছত এই প্ৰবন্ধবোৰ প্ৰকাশৰ দিহা কৰা হৈছে। প্ৰবন্ধ সমূহৰ মাজত দুটামান প্ৰবন্ধ বিভিন্ন মাধ্যমত আগতে প্ৰকাশ পাইছে। তথাপিও লেখক সকলে আমাৰ অনুৰোধ মৰ্মে প্ৰকাশ কৰিবলৈ অনুমতি প্ৰদান কৰাত আমি কৃতজ্ঞ। ইয়াৰ মাজত কিবা ভুল ত্ৰুটি থাকিলে সম্পাদনা কমিটিৰ হৈ সম্পাদকে নিজেই আগতীয়াকৈ ক্ষমা ভিক্ষা খুজিছো। বৰ্তমান পৰিস্থিতিৰ লগত খাপ খোৱাকৈ প্ৰকাশ কৰা প্ৰবন্ধ সমূহে পঢুৱৈ সমাজে গ্ৰহণ কৰিলে আমি কৃতজ্ঞ হম। সম্পাদকেও মাননীয় সসদ্যসকলে তেওঁক দিয়া এই দায়িত্ব পালনত সফল হৈছে বুলি ভাবিম।

স্মৃতিগ্ৰন্থখন সম্পাদনাৰ ক্ষেত্ৰত মোৰ বন্ধু কমৰুজ্জামান আহমদ চাহাবে লেখা সংগ্ৰহ আৰু বেটুপাতকে ধৰি কিতাপখন সম্পাদনাৰ সকলো ক্ষেত্ৰতে যিখিনি সহায়-সহযোগ আৰু পৰামৰ্শ আগবঢ়ালে তাৰ বাবে তেখেতলৈ মোৰ আন্তৰিক ধন্যবাদ থাকিল। লগতে সম্পাদনা কক্ষৰ সকলো মাননীয় সদস্যকে তেখেতসকলৰ সহায়-সহযোগৰ বাবে ধন্যবাদ জনালো।

যি কেইটা অনুষ্ঠান প্ৰতিষ্ঠানে স্মৃতিগ্ৰন্থখন প্ৰকাশৰ বাবে পঠোৱা বিজ্ঞাপনৰে আমাক সহায় কৰিলে আৰু যে কেইগৰাকী মাননীয় সদস্যই বিজ্ঞাপন সংগ্ৰহত সহায় কৰিলে তেখেত সকলকো ধন্যবাদ জনালো।

সৰ্বশেষত মাইক্ৰ কম্প-টেকৰ স্বত্বাধিকাৰীকে ধৰি সমূহ কৰ্মীবৃন্দলৈ তেখেতসকলৰ সমূহীয়া প্ৰচেষ্টাৰে স্মৃতিগ্ৰন্থখন সময়ত প্ৰকাশ হোৱাত সহায় কৰা বাবে বিশেষ ভাৱে ধন্যবাদ থাকিল।

(আব্দুল ৰাছি)
সম্পাদক, আল-আমিন

গুৱাহাটী
ফোন নং ঃ ৯৯৫৭১৮৩১০৭

# শ্ৰদ্ধাঞ্জলিঃ তাহেৰ ছাৰৰ প্ৰতি

**আবু নাছাৰ চাঈদ আহমদ**



আধুনিক জাৰ্মানীৰ প্ৰতিষ্ঠাপক বিছমাৰ্ক (১৮১৫-১৮৯৮)ৰ বিখ্যাত কথা এষাৰিৰে মহম্মদ তাহেৰ ছাৰৰ (জন্ম এপ্ৰিল ২১, ১৯৩১ মৃত্যু ফেব্ৰুৱাৰী ২৪, ২০১৫) স্মৃতিচাৰণ কৰিবলৈ বিচাৰিছোঁ। বিছমাৰ্কে কৈছিল, "A really great man is known by three signs - generosity in the design, humanity in execution and moderation in success."। এই তিনিওটি অসাধাৰণ গুণৰ অধিকাৰী তাহেৰ ছাৰৰ বিয়োগত তেখেতৰ অলেখ গুণমুগ্ধ ব্যক্তিৰ লগতে আমিও ম্ৰিয়মান হৈছোঁ আৰু লগতে অসমৰ বৌদ্ধিক জগতত এক শূন্যতা অনুভৱ কৰিছোঁ। ২০১৩ চনৰ ২১ এপ্ৰিলৰ *আমাৰ অসম* কাকতত তেখেতৰ জন্মদিন উপলক্ষে আমি তেখেতক শ্ৰদ্ধা নিৱেদন কৰি এটা দীঘলীয়া প্ৰবন্ধ প্ৰকাশ কৰিছিলোঁ। তাত আমি উল্লেখ কৰিছিলোঁ যে সকলো অনুজৰ আদৰণীয় তাহেৰ ছাৰ অসমৰ জাতীয় সম্পদ; এক চলন্ত পুথিভঁৰাল। বহুতৰ মানত তেখেত এগৰাকী অননুকৰণীয় সংস্কৃতিৱান ব্যক্তি। গৱেষক, পণ্ডিত, সাহিত্যিক, সুবক্তা, ওখ-পাখ সুদৰ্শন চেহেৰাৰ, ব্যক্তিগত জীৱনত সুশৃঙ্খল, শান্ত, সৌম্য, ধীৰ-স্থিৰ, অতিকৈ অমায়িক, কাৰো ওচৰত দায়-দোষ ধৰিব নজনা, কীৰ্তিমান শিক্ষক, অনন্য-সুন্দৰ বিৰল ব্যক্তি হিচাপে শতগুণেৰে বিভূষিত লাজকুৰীয়া আৰু প্ৰচাৰ বিমুখ মহান ব্যক্তি তাহেৰ ছাৰে আমাৰ বাবে ভালেমান অনুকৰণীয় নিৰ্মল আৰু পবিত্ৰ আদৰ্শ দাঙি ধৰি থৈ গৈছে। তেখেতৰ বিয়োগৰ পাছত তেখেতৰ সান্নিধ্য লাভ কৰা অনেক ব্যক্তিয়ে বিদেহী আত্মাৰ প্ৰতি আন্তৰিক শ্ৰদ্ধা জনাই বহুতো কথাই প্ৰকাশ কৰিছে। এই লিখনীত আমি লাভ কৰা তেখেতৰ সান্নিধ্য, মৰম, অনুপ্ৰেৰণা, পথ-প্ৰদৰ্শনৰ কিছু কথা আলোকপাত কৰিবলৈ বিচাৰিছোঁ।

ষাঠিৰ দশকত কটন কলেজত পঢ়ি থকাৰ সময়ছোৱাতে কটনিয়ানৰ সম্পাদক তাহেৰ ছাৰৰ কথা জানিবলৈ পাইছিলোঁ। আমি থকা চি এম হোষ্টেলৰ 'চুপাৰ' (Superintendent) আশ্ৰফুৰ ৰহমান ছাৰৰ ঘৰত তাহেৰ ছাৰৰ সম্পাদনাত ১৯৫৩ চনৰ *কটনিয়ান* আলোচনীখন ওপৰে ওপৰে চোৱাৰ লগতে তাত থকা তেখেতৰ ফটো দেখিবলৈ পাইছিলোঁ আৰু লগতে পঢ়িবলৈ পাইছিলোঁ তেখেতৰ সৃজনী-প্ৰতিভাৰে পুষ্ট 'এতিয়া তেওঁলোক সাঁতজন' গল্পটো। তেতিয়া আমাৰ কুমলীয়া মনত তেখেতৰ ব্যক্তিত্বৰ এক ধূসৰ ছবি মনলৈ আনি লৈছিলোঁ। পাছৰ সময়ছোৱাত গুৱাহাটী বিশ্ববিদ্যালয়ত পঢ়িবলৈ পাই তেখেতক বিভাগৰ কোঠাত সাক্ষাৎ কৰিছিলোঁ কোনোবা এটা দিনত। তাৰ পাছত অনেক সময়ত তেখেতক লগ পোৱা, চিনাকি হোৱা আৰু সান্নিধ্য লাভ কৰাৰ সৌভাগ্য হ'ল। আমাৰ নিজৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপকসকলৰ উপৰিও কেইবাগৰাকী শ্ৰদ্ধাভাজন শিক্ষকৰ সৈতে আমাৰ ঘনিষ্ঠ পৰিচয় হৈছিল। তেখেতসকলৰ ভিতৰত

অসমীয়া বিভাগৰ মহেশ্বৰ নেওগ (কবি বন্ধু আনিছ-উজ-জামানৰ যোগেদি) ইংৰাজী বিভাগৰ অমৰেশ দত্ত, হীৰেন গোহাঁই, হীৰেন দত্ত, এম এছ প্ৰভাকৰ, সংস্কৃত বিভাগৰ মুকুণ্ড মাধৱ শৰ্মা, বুৰঞ্জী বিভাগৰ হেৰম্বকান্ত বৰপুজাৰী, অৰ্থনীতি বিভাগৰ সাৰঙ্গপাণি, বাণিজ্য বিভাগৰ মহম্মদ চাকী; নৃতত্ব বিভাগৰ অন্নদা চৰণ ভাগৱতী আৰু ভূগোল বিভাগৰ মহম্মদ তাহেৰ আছিল অন্যতম। স্বকীয় গুণেৰে মহিমামণ্ডিত এইসকল মহান শিক্ষক আৰু মৰমীয়াল ব্যক্তিৰ মৰমভৰা সান্নিধ্যৰ পৰা লাভ কৰা জ্ঞান আৰু জীৱনক ইতিবাচক দৃষ্টিভঙ্গীৰে বুজিবলৈ শিকা আৰু তাৰ লগতে তেখেতসকলৰ পৰা লাভ কৰা সৰু-ডাঙৰ বিনন্দীয়া আশীৰ্বাদ আৰু অনুপ্ৰেৰণাৰে জীৱনক এটা সুস্থ দিশৰ পিনে নিবলৈ প্ৰয়াস কৰিছিলোঁ। শিক্ষা সাং কৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ত অধ্যাপনা কৰি থকা সুদীৰ্ঘ ২৪ বছৰ কালত বিভিন্ন সময়ত অমৰেশ দত্ত ছাৰ আৰু ভাগৱতী ছাৰক সহকৰ্মী আৰু মুকুণ্ড মাধৱ শৰ্মা ছাৰক উপাচাৰ্য হিচাপে পাইছিলোঁ। শ্ৰদ্ধাভাজন এইসকল ব্যক্তিৰ বিষয়ে অনেক মধুৰ কথাই লিখিব লগীয়া আছে। সেয়া আন কেতিয়াবা লিখাৰ অভিলাষ মনতে ৰাখি আজি কেৱল তাহেৰ ছাৰৰ প্ৰতি এই লিখনীৰে আমি কিঞ্চিত শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ।

লক্ষিমপুৰ নগৰৰ পৰা প্ৰায় তিনি কিলোমিটাৰ নিলগত অৱস্থিত খুটাকটীয়া নামৰ এখন সাধাৰণ অসমীয়া গাঁৱত এটি কৃষক পৰিয়ালত তাহেৰ ছাৰ জন্ম হৈছিল, ১৯৩১ চনৰ ২১ এপ্ৰিলত। তেখেতৰ দেউতাক তৈয়ব আলী হাজৰিকা (জন্ম ১৮৯৭) এম ই পাছ কৰি চিলনীজান চাহ বাগানত Second Clerk পদত কাৰ্য নিৰ্বাহ কৰিছিল। বাগানত থাকি সন্তানক উচিত শিক্ষা দিয়াৰ সম্ভাৱনা কম দেখি তৈয়ব চাহেবে চাকৰি বাদ দি খুটাকটীয়া গাঁৱলৈ উঠি আহি তাতে খেতি-বাতি কৰি জীৱন নিৰ্বাহ কৰিবলৈ লৈছিল। তাহেৰ ছাৰৰ জন্মৰ তিনি বছৰৰ পাছতে তৈয়ব চাহেবৰ অকাল মৃত্যু হয়। মাতৃ হামেৰুণ নছাই সন্তানৰ সকলো দায়িত্ব মূৰ পাতি ল'লে। উত্তৰ লখিমপুৰ চৰকাৰী বিদ্যালয়ৰ পৰা সুখ্যাতিৰে মেট্ৰিক পৰীক্ষা পাছ কৰি কটন কলেজৰ পৰা ভূগোলত অৰ্নাচলৈ ওলাই গৈ তাৰ পাছত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা ভূগোলত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰা তাহেৰ ছাৰৰ ছাত্ৰ জীৱন মেধা আৰু তীক্ষ্ণধী কীৰ্তিত্বৰে জাতিষ্কাৰ। এই সম্পৰ্কত ভালে কেইটা তথ্য গধুৰ প্ৰৱন্ধ ইতিমধ্যে প্ৰকাশ হৈছে। ইতিমধ্যে ডঃ অৱনী কুমাৰ ভাগৱতীয়ে যুগুত কৰা তেখেতৰ সাক্ষাৎকাৰ আকাশবাণী গুৱাহাটীয়ে ধাৰাবাহিকভাৱে প্ৰচাৰ কৰিছিল। তাতো তেখেতৰ মুখৰ পৰা নিজৰ কৰ্মময়ী জীৱনৰ বহুতো মনোগ্ৰাহী কথা শুনিবলৈ পাৰা গছিল। বিদ্যায়তনিক দিশত অলেখ অৱদান আগবঢ়াই অহা তাহেৰ ছাৰৰ মৌলিক গৱেষণা আৰম্ভ হৈছিল ১৯৬৩ চনৰ ফেব্ৰুৱাৰী মাহত নিউ জিলেণ্ডৰ অকলেণ্ড বিশ্ববিদ্যালয়ত। অতি কম সময়ৰ ভিতৰত, অৰ্থাৎ দুবছৰ ছয় মাহৰ ভিতৰত, তেখেতে "Asians in New Zealand: A Geographical Review and Interpretation" থিচিচ খনৰ বাবে ডক্টৰেট ডিগ্ৰী লাভ কৰিছিল। অসমীয়া আৰু ইংৰাজী ভাষাত ৰচনা কৰা তখেতৰ ৩৩ খন পাঠ্যপুথি আৰু ভূচিত্ৰাৱলী, কেইবাখনো অনুবাদ গ্ৰন্থ (একেবাৰে শেহতীয়াকৈ আনন্দৰাম বৰুৱাৰ *Ancient Geography of Assam* অসমীয়ালৈ অনুবাদ) ৫২ টা গৱেষণামূলক প্ৰৱন্ধ ৰচনা, ১২ গৰাকীৰ ডক্টৰেট থিচিচৰ গাইড কৰা তাহেৰ ছাৰৰ গৱেষণা জগতলৈ বিশিষ্ট বৰঙণি আছে। তাৰোপৰি, তেখেত এগৰাকী মননশীল গল্পকাৰ আৰু কম সংখ্যক হ'লেও কবিতাৰে তেখেতে কাব্য প্ৰতিভাৰো পৰিচয় দিছিল। ইমান বিলাক গুণৰ অধিকাৰী তাহেৰ ছাৰক যিসকলে নিচেই ওচৰৰ পৰা পাইছে, তেখেতৰ প্ৰখৰ স্মৃতি শক্তি, বিভিন্ন বিষয়ৰ ওপৰত অপৰিসীম দখল, অসামান্য ইতিহাস চেতনাবোধ, বিষয়বস্তুৰ ওপৰত বৌদ্ধিক আৰু নিৰ্মোহ বিন্যাস কৰিব পৰা অসাধাৰণ ক্ষমতাৰ সৈতে তেওঁলোক সুপৰিচিত।

অসম সাহিত্য সভাই ন্যস্ত কৰা বিশ্বকোষৰ দুটা খণ্ডৰ সম্পাদনাৰ দায়িত্ব লৈ থকাৰ সময়ত তাহেৰ ছাৰক নিৰবিচিন্নভাৱে দিনে নিশাই কাম কৰা দেখিছিলোঁ। ছাৰে আমাক দুটা বিষয়ৰ ওপৰত লিখাৰ দায়িত্ব দিছিল আৰু সেইখিনি কাম কৰি দিয়াৰ সময়ত দেখিছিলোঁ যে বিভিন্ন বিষয়ৰ বিশেষজ্ঞক তেখেতে যোগাযোগ কৰি নিৰ্দিষ্ট বিষয়ৰ ওপৰত লিখিবলৈ অনুৰোধ কৰিছিল। সেইসকলৰ

বহুতেই সময়মতে নিজৰ দায়িত্ব পালন কৰিছিল যদিও আন বহুতেই ছাৰৰ বাৰাম্বাৰ অনুৰোধ ৰখা নাছিল। ফলত তেখেতে আন কোনো লোকৰ কাষ চাপিছিল অথবা নিজেই সেই দায়িত্ব পালন কৰিছিল। তাৰ কাৰণে তেখেতে হাড় ভঙা পৰিশ্ৰম কৰিব লগীয়া হৈছিল। আমাৰ ধাৰণা এইদৰে দিনে-নিশাই কল্পনাতীত পৰিশ্ৰম কৰাৰ কাৰণে তেখেতৰ স্বাস্থ্য ভাঙি পৰিছিল, যিয়েই হয়তো সোনকালে তেখেতক মৃত্যুৰ কাষ চপাই দিলে।

দিল্লীস্থ Indira Gandhi National Centre for the Arts ৰ 'আকিদাৎ কে ৰঙ্গ' কাৰ্যসূচীৰ অন্তৰ্গত "Islamic Heritage in India's North East: Assam and Manipur" শীৰ্ষক গৱেষণা আৰু লগতে এই শিতানত এখন তথ্য চিত্ৰৰ কাম আমি হাতত লৈছিলোঁ। তথ্য চিত্ৰ ৰ পৰিচালনাৰ দায়িত্ব অসমৰ বোলছবি আৰু নাট্য জগতৰ পুৰোধা ব্যক্তি আব্দুল মজিদক দিয়া হৈছিল আৰু বিদ্যায়তনিক প্ৰতিৱেদনৰ দায়িত্ব আমি লৈছিলোঁ। ইতিমধ্যে দুয়োটা কাম সম্পূৰ্ণ হৈ গৈছে। তথ্য চিত্ৰখনৰ প্ৰদৰ্শন আৰু বিদ্যায়তনিক প্ৰতিৱেদনৰ উপস্থাপন দিল্লী আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ নৃতত্ব বিভাগত অন্নদা চৰণ ভাগৱতী ছাৰৰ বদান্যতাত কৰা হৈছিল। এই সমগ্ৰ কাম ফেৰাত ভাগৱতী ছাৰ, তাহেৰ ছাৰ আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰসায়ন বিভাগৰ অধ্যাপক ফাৰুখ চাদ-উদ-দিন আহমদৰ অনবদ্য অৱদানৰ কথা আমি এই সুযোগতে কৃতজ্ঞতাৰে স্মৰণ কৰিছোঁ। এই প্ৰজেক্টটোৰ আৰম্ভণিৰে পৰা তাহেৰ ছাৰৰ লগত যোগাযোগ ৰাখি দিহা-পৰামৰ্শ লওঁতে অসমৰ মুছলমানসকলৰ বিষয়ে থকা তেখেতৰ গভীৰ জ্ঞান আৰু সুন্দৰ দৃষ্টিভঙ্গীৰ কথা জানিবলৈ সুযোগ পাইছিলোঁ। তেতিয়া অনুভৱ কৰিছিলোঁ এই সমগ্ৰ বিষয়টোৰ ওপৰত তেখেতৰ সমকক্ষ দখল থকা বোধকৰোঁ আন এজন ব্যক্তি অসমত নাই। আমাৰ বিদ্যায়তনিক প্ৰতিবেদনৰ ২৭৬ পৃষ্ঠাৰ খচৰা তাহেৰ ছাৰক পঢ়ি চাই মন্তব্য আগবঢ়াবলৈ অনুৰোধ কৰিছিলোঁ। সেই সময়ত তেখেতৰ স্বাস্থ্য বৰ ভাল নাছিল। তথাপি, তেখেতে দহোবন কাটি কৰি অতি সযত্নে, প্ৰতিটো বাক্য পঢ়ি, প্ৰতিটো তথ্য আৰু বক্তব্য পুঙ্খানুপুঙ্খভাৱে চালি-জাৰি চাই আমাক কৈছিল, "তোমাৰ কামটো ভাল হৈছে"। এই বাক্যষাৰ আমাৰ বাবে আছিল এক অনাবিল আনন্দ, প্ৰেৰণা আৰু আশীৰ্বাদ স্বৰূপ। তাৰ লগতে তেখেতে আগবঢ়ালে তিনি পৃষ্ঠা জোৰা বিস্তৃত মন্তব্য। তাৰ আৰম্ভণিত তেখেতে লিখিছিল, "It is a comprehensive account of the indigenous Muslims of Assam. I am happy that it tells us the history, legend, traditions and heritage of this group of people in its entirity."। এছিয়ান হাইৱে'ৰ ওপৰত কৰা আমাৰ আন এটা গৱেষণাৰ কামত ছাৰৰ ওচৰত কাষ চাপিছিলোঁ, বিশেষকৈ মেঘালয়ৰ ডাউকিৰ পৰা আৰম্ভ হোৱা তাৰ পাছত অসম নাগালেণ্ড সোমাই আৰু মনিপুৰৰ মৰেহত শেষ হোৱা প্ৰায় ৭২৪ কিলোমিটাৰ দীঘল এই পথচোৱাই কোন কোন জাতি আৰু জনজাতিক স্পৰ্শ কৰি গৈছে, তেওঁলোকৰ পৰম্পৰাগত সামাজিক জীৱন আৰু সংস্কৃতিৰ প্ৰতি এই আন্তঃৰাষ্ট্ৰীয় ৰাজপথে বিপৰ্যয় আনিব পাৰে নেকি, এই সম্পৰ্কত ছাৰৰ সৈতে আলোচনা কৰোঁতে তেখেতে জনগাঁথনিক ভিত্তিত নিজে প্ৰস্তুত কৰা মেপ এখন উলিয়াই দেখুৱাইছিল। তাৰ পৰা আমি বুজিবলৈ বাকী নাথাকিল এই গৰাকী বিদগ্ধ ভূগোলবিদৰ নৃগোষ্ঠীয় বিষয়ৰ ওপৰত থকা বিস্তৰ অধ্যয়ন আৰু জ্ঞানৰ কথা। সেইদৰে ইছলাম সম্পৰ্কত সুগভীৰ বিশ্লেষণ আৰু জ্ঞানৰ পৰিচয় তেখেতৰ বিভিন্ন লিখনীত প্ৰকাশ পাইছে। 'আল-আমিন জনকল্যাণ সমাজ'ৰ উদ্যোগত অসমৰ মুছলমানসকলৰ বিভিন্ন দিশ সামৰি প্ৰস্তুত কৰা এতিয়ালৈকে প্ৰকাশ পোৱা দুটা খণ্ডৰ গ্ৰন্থ, অলপতে পাব লগীয়া আৰু দুটা খণ্ডৰ মুখ্য সম্পাদকৰ দায়িত্ব বহন কৰি তেখেতে নিজৰ যি এক বিস্তৰ অভিজ্ঞতা আৰু জ্ঞান-গৰিমাৰ পৰিচয় দিলে, সেই কথা ভাষাৰে বৰ্ণনা কৰাটো আমাৰ বাবে দুৰূহ কথা। আমাৰ সকলোৰে দুৰ্ভাগ্য যে তেখেতে এই তৃতীয় আৰু চতুৰ্থ খণ্ড দুটি দেখা নোপোৱাকৈ নিজৰ জীৱন যাত্ৰা সামৰণি মাৰিলে

বহুত দিনৰ আগতে তাহেৰ ছাৰৰ সৈতে পূব হিমালয়ৰৰ আংছি গ্লেচিয়াৰৰ পৰা য়াৰলুং ছাংপো নাম লৈ ওলাই অহা আমাৰ ব্ৰহ্মপুত্ৰ আৰু তাৰ উপনদী বিলাকৰ বিষয়ে আলোচনাত বহিছিলোঁ। ছাৰে কাগজ এখন লৈ ব্ৰহ্মপুত্ৰৰ উৎসৰ পৰা আৰম্ভ কৰি বঙ্গোপসাগৰৰ মোহনাত অন্ত হোৱা সুদীৰ্ঘ যাত্ৰা আৰু তাৰ লগতে

উপনদীবিলাকৰ বিস্তৃত মেপ তৎক্ষণাতে আঁকি দি ব্যাখ্যা কৰিলে। সমগ্ৰ উত্তৰ-পূব ভাৰতৰ ভৌগলিক যেন এখন একা বেঁকাকৈ ধীৰ গতিৰে এটা ক্ষণো জিৰণি নোলোৱাকৈ বৈ গৈ থকা নদীৰ দৰে ছন্দময়ী ৰূপত আগবাঢ়ি গৈ অৱশেষত মোহনাত থমকি ৰৈছিল। সেইখন মেপ ইমান নিখুঁতকৈ একেকোবে আঁকি দিয়াৰ পাছত আমি অক্সফৰ্ড এটলাছখনৰ লগত মিলাই চালোঁ। হুবহু একে। মেপৰ ক্ষেত্ৰত এনেকুৱা পাৰদৰ্শিতা আন কাৰোবাৰ আছে বুলি আমি নাজানোঁ।

আজি কিছুদিনৰ আগতে বহুতৰে লগত আমাৰো সৌভাগ্য হৈছিল ব্ৰিটিছ শাসনৰ দিনত প্ৰৱৰ্তন কৰা বহু বিতৰ্কীত 'লাইন প্ৰথা'ৰ ওপৰত তাহেৰ ছাৰৰ এটি বক্তৃতা শুনিবলৈ পোৱাৰ। সেই সময়ৰ চৰকাৰী নথি-পত্ৰ চাই-চিতি যি এক তথ্য সম্বলিত আৰু তাত্ত্বিকভাবে গুৰুত্বপূৰ্ণ আলোচনা তেখেতে আগবঢ়াইছিল সি উপস্থিত সকলোৰে বাবে আছিল পুৰষ্কিত অভিজ্ঞতা। ৰুগ্ন-দেহ আৰু বয়সৰ বাধাক জয় কৰি চৰকাৰী ৰেকৰ্ড অফিচত ঘণ্টাৰ পাছত ঘণ্টা বহি যিদৰে তেখেতে তথ্য উদঘাটন কৰিছিল সেয়া ভাবিলে তবধ মানিব লাগিব। আমাৰ বিশ্বাস 'লাইন প্ৰথা'ৰ ওপৰত ইমান তথ্য নিষ্ঠ আৰু নিৰ্মোহ বিশ্লেষণ তেখেতৰ বাহিৰে আন কোনোৱে কৰা নাই। এই অমূল্য বক্তৃতাটি প্ৰকাশ কৰিব পৰিলে অসমৰ প্ৰাক-স্বাধীনতা কালছোৱাৰ এক গুৰুত্বপূৰ্ণ ইতিহাস উন্মোচিত হ'ব।

সৌ সিদিনালৈকে অৰ্থাৎ ১ ফেব্ৰুৱাৰী তাৰিখলৈকে বয়স আৰু ভগ্ন-স্বাস্থ্যই তাহেৰ ছাৰৰ অদমনীয় মনোবল আৰু কৰ্ম স্পৃহাক কাবু কৰিব পৰা নাছিল। তেখেত নীৰৱে আৰু নিৰবিচ্ছিন্নভাবে জ্ঞান জগতলৈ স্বকীয় ধৰণেৰে অৱদান দি গৈ থকাৰ সাধনাত মগ্ন আছিল। এই ব্যস্ততাৰ মাজতো তেখেতৰ ওচৰলৈ বিদ্যায়তনিক পৰামৰ্শ বিচাৰি অহা কোনো ব্যক্তিকে বিমুখ কৰা নাছিল সেই একে স্বভাৱ-সুন্দৰ সৰলতাৰে এমোকোৰা শিশু সুলভ হাঁহিৰে সকলোকে আদৰি সময় দিয়া তাহেৰ ছাৰ মানসিকভাবে আৰু আচলতে মনে-প্ৰাণে তৰুণহে আছিল। সুক্ষ্ম পৰ্যবেক্ষণ, তীক্ষ্ণধী আৰু সদা-জাগ্ৰত বৌদ্ধিক মন, উদাৰতাবাদী আৰু গণতান্ত্ৰিক দৃষ্টিভঙ্গী, নিভাজ অৰ্থত মৰমীয়াল, সুৰুচিপূৰ্ণ এইগৰাকী জ্ঞানী ব্যক্তি সঁচাকৈয়ে অসমৰ জাতীয় সম্পদ আছিল। তেখেতৰ বিয়োগত আমি বহুতে এক বিৰাট শূণ্যতা অনুভৱ কৰিছোঁ।

তাহেৰ ছাৰৰ প্ৰতি আমাৰ ব্যক্তিগত শ্ৰদ্ধা নিৱেদন কৰি আমাৰ শেহতীয়া গৱেষণা গ্ৰন্থ *Madrasas in Assam* তেখেতৰ নামত উছৰ্গা কৰিছিলোঁ। যোৱা বছৰৰ ২৯ নবেম্বৰৰ দিনা কিতাপখনৰ প্ৰুফ কপি তেখেতক দেখুৱাই কৈছিলোঁ, "এইখন আপোনাৰ নামতে উছৰ্গা কৰিছোঁ।" সদা-পৰিচিত লাজকুৰীয়া মিচিকিয়া হাঁহিৰে তেখেতে মাথোন ক'লে, "কিনো প্ৰয়োজন আছিল?" ছাৰক থোৰতে কৈছিলোঁ, "আপোনাৰ পৰা লাভ কৰা চেনেহ, আপুনি দেখুৱাই দিয়া গণতান্ত্ৰিক, ধৰ্ম-নিৰপেক্ষতাৰ আদৰ্শ, সৎ আৰু সৰল জীৱন যাপনৰ উদাহৰণ, নিজৰ দেশ আৰু ৰাজ্যখনক ভাল পাবলৈ শিকোৱা শিকনিৰ প্ৰতিদান দিবলৈ আমাৰ একো নাই। ভাবিছোঁ এই কিতাপখন উছৰ্গা কৰি কিবা এটা কৰিব পাৰিছোঁ।" আমাৰে দুৰ্ভাগ্য যে কিতাপখন ছপা হৈ অহাৰ সময়ত তেখেত গুৰুতৰভাবে অসুস্থহৈ ইণ্টাৰনেশ্বনেল হস্পিতেলত ভৰ্তি হ'ল। যোৱা ৩ ফেব্ৰুৱাৰীৰ দিনা ছাৰক দেখা কৰিবলৈ গৈ তেখেতৰ সুযোগ্যা পত্নী ছিতাৰা বাইদেউকে কিতাপখন দেখুৱালোঁ; কিতাপখন প্ৰকাশ হ'ল, কিন্তু ছাৰক নিজ হাতে তাৰে এটা কপি দিবলৈ নোপোৱাৰ বেদনা থাকি গ'ল। তেখেতৰ লগত যোৱা চাৰিটাতকৈ অধিক দশক কাল ঘনিষ্ঠতা থকাৰ পাছতো তেখেতৰ জানাজাত আমি উপস্থিত হ'ব নোৱাৰা আন এটা বেদনাৰ পৰা উদ্ধাৰ পাবলৈ আমাৰ চাগৈ বহুত সময় লাগিব। মনতে দৃঢ়তাৰে সংকল্প লৈছোঁ যে তাহেৰ ছাৰে দেখুৱাই যোৱা পথ অনুসৰণ কৰি অসমৰ বৌদ্ধিক জগতত যদি কিঞ্চিত অৱদান দিব পাৰোঁ আৰু অসমৰ বহুজাতিক সংস্কৃতিৰ হকে অকণমান কাম যদি কৰিব পাৰোঁ, সেয়াই হ'ব তেখেতলৈ আগবঢ়াব পৰা আমাৰ প্ৰকৃত শ্ৰদ্ধাঞ্জালি।◆

*ফোন ঃ ৯৪৩৫৪০৭৩৭৬*

# প্ৰফেচাৰ ড° মহম্মদ তাহেৰলৈ শ্ৰদ্ধাঞ্জলি

**হীৰেন্দ্ৰনাথ দত্ত**

যাৰ বিষয়ে এই লেখাটো যুগুতোৱাৰ বাবে প্ৰয়াস কৰা হৈছে, তেওঁ কেইসপ্তাহমান আগতে এই পৃথিৱীৰ পৰা আঁতৰি গৈছে। কিন্তু যিদৰে ফুল মৰহিলেও তাৰ সৌৰভ থাকি যায়, সেইদৰে তেওঁৰ ব্যক্তিত্বৰ সৌৰভ তেওঁক লগ পোৱা প্ৰতিজন ব্যক্তিৰ অন্তৰত আমোলমোলাই আছে। প্ৰফেচাৰ মহম্মদ তাহেৰ বহুগুণসম্পন্ন ব্যক্তিত্বৰ অধিকাৰী আছিল। ভূগোল বিজ্ঞানৰ এজন আন্তৰ্জাতিক খ্যাতিসম্পন্ন পণ্ডিত হিচাপে তেওঁ সুখ্যাতি অৰ্জন কৰিছিল। তদুপৰি জন্মভূমি অসমত তেওঁ গভীৰভাৱে ভাল পাইছিল। অসমৰ প্ৰতিটো অঞ্চল তেওঁৰ নখদৰ্পণত আছিল। কেৱল অসমেই নহয়, পৃথিৱী নামৰ গোলকটোৰ সকলো দেশ-মহাদেশ আৰু সকলো সাগৰ মহাসাগৰৰ বিষয়ে প্ৰফেচাৰ তাহেৰৰ বিস্ময়কৰ জ্ঞান আছিল আৰু সেই জ্ঞান আছিল অত্যাধুনিক বিজ্ঞানভিত্তিক তথ্যৰ দ্বাৰা পৰিশীলিত। নিৰপেক্ষভাৱে সত্যৰ স্বৰূপ উদঘাটন কৰাৰ প্ৰবৃত্তি তেওঁৰ মজ্জাগত আছিল। ধৈৰ্য আৰু যুক্তিনিষ্ঠতা তেওঁৰ কথাই-কামে সৰ্বদা পৰিলক্ষিত হৈছিল। ভাবৰ বলিষ্ঠতা আৰু বিশ্লেষণ ক্ষমতাৰ পৰিপাট্য তেওঁৰ কথা-বতৰা আৰু আচৰণত উজলি উঠিছিল। এই প্ৰতিভাধৰ পুৰুষজনে ছাত্ৰ অৱস্থাত লাভ কৰা কৃতিত্ব আৰু পৰৱৰ্তী কালত শিক্ষক হিচাপে অৰ্জন কৰা বিপুল খ্যাতিৰ গুৰিতে আছিল এক আদৰ্শস্থানীয় মানসিক ভাৰসাম্যতা। লগতে সংযোজিত হৈছিল কৰ্তব্যবোধৰ পৰা নিশ্চিত বিৰল কৰ্মদক্ষতা। ড° তাহেৰৰ লেখেৰি নিছিগাকৈ মানসিক পৰিশ্ৰম কৰিব পৰা ক্ষমতাই আমাৰ সকলোকে চমক খুৱাই থৈ গৈছে। ভূগোল বিজ্ঞানৰ সৈতে সম্পৰ্কযুক্ত বিষয়, তথা বুৰঞ্জী, সমাজ বিজ্ঞান আদি শাখাও তেওঁ বিস্তৃতভাৱে অধ্যয়ন কৰিছিল আৰু সেই কাৰণেই তেওঁৰ লেখাবোৰে বিৰল উৎকৰ্ষ লাভ কৰিছিল। এবছৰমান আগতে নামনি হিমালয়ত হোৱা ভয়ংকৰ ভূমিস্খলনৰ বিষয়ে তেওঁ লিখা এটা পাণ্ডিত্যপূৰ্ণ প্ৰবন্ধত পৱিত্ৰ হিন্দু পীঠস্থানবোৰৰ ক্ৰমিক অৱস্থিতি উল্লেখ কৰি দুৰ্যোগটোৰ বিস্তৃতিৰ বিষয়ে আমাৰ ধাৰণা পৰিষ্কাৰ কৰি দিছিল। 'আমাৰ অসম'ত প্ৰকাশিত এই প্ৰবন্ধটো সাধাৰণ পাঠকক দিয়া অনবদ্য উপহাৰ। সাহিত্য সংস্কৃতিৰ প্ৰতিও তাহেৰ চাহেবৰ গভীৰ অনুৰাগ আছিল। কলেজত পঢ়ি থকা কালতে এজন গল্প লেখক হিচাপে তেওঁ স্বীকৃতি লাভ কৰিছিল। পাছলৈ বিজ্ঞানৰ জগতখনৰ সৈতে নিবিড়ভাৱে জড়িত হৈ পৰা বাবে গল্প লিখা অভ্যাস প্ৰায় এৰি দিলে। কিন্তু পৰিণত বয়সতো সহানুভূতি আৰু কাৰুণ্যৰ মিশ্ৰিত মনোভাবেৰে বাস্তৱ জীৱনৰ একোটাহঁত কাহিনী ৰূপায়িত কৰি পাঠকক মুগ্ধ কৰি ৰাখিছিল। তেতিয়া আমি ভূগোল বিজ্ঞানীজনক এজন মানৱদৰদী কলাকাৰৰ ৰূপত পাওঁ। তদুপৰি দুবছৰমান আগতে তেওঁ সম্পাদনা কৰা অসমীয়া বিশ্বকোষৰ দুটা খণ্ড প্ৰকাশ হৈছে। জ্ঞান অন্বেষণৰ প্ৰতি

অকৃত্রিম স্পৃহাৰ পৰাহে এনে সিদ্ধি সম্ভৱপৰ। এই সাফল্যৰ উপৰি শিক্ষক হিচাপে সমাজখনৰ প্ৰতি থকা দায়িত্বৰ বিষয়ে পূৰ্ণ সচেতন এই অধ্যাপকগৰাকীয়ে অনেকখন সুলিখিত পাঠ্যপুথি আমাক দি গৈছে। প্ৰসংগক্ৰমে উল্লেখ কৰিব খোজো যে এজন সুদক্ষ শিক্ষাসদী প্ৰশাসকৰ ভূমিকাও তেওঁ কৃতিত্বৰে পালন কৰি গৈছে। প্ৰয়োজন হ'লে স্পষ্টভাৱে সজোৰে নিজৰ অভিমত ব্যক্ত কৰাৰ সৎ সাহস তেওঁৰ আছিল। সংকটলৈ তেওঁ ভয় নকৰিছিল।

প্ৰফেচাৰ তাহেৰৰ সুযোগ্য সম্পাদনাত 'অসমৰ মুছলমান (প্ৰথম খণ্ড) ইতিহাস আৰু সমাজ' আৰু 'অসমৰ মুছলমান (দ্বিতীয় খণ্ড) অসমীয়া সাহিত্য আৰু সংস্কৃতিলৈ অৱদান'— এই দুখন সম্যক বিচাৰবোধেৰে সমৃদ্ধ গ্ৰন্থ প্ৰকাশ হৈছে। প্ৰচাৰধৰ্মিতাৰ পৰা যথাযথ দূৰত্বত অৱস্থান কৰি বস্তুনিষ্ঠতাৰে আৰু সুস্থ দৃষ্টিভংগীৰে আৰু উদাৰ ভাবেৰে সম্প্ৰীতিৰ বাৰ্তা এই দুয়োখন কিতাপে বহন কৰিছে। অসমৰ সমাজ-বুৰঞ্জীৰ ক্ষেত্ৰত মূল্যবান গ্ৰন্থ হিচাপে দুয়োখন গ্ৰন্থই স্থান পাব। কিতাপ দুয়োখনৰ প্ৰাসংগিকতাৰ বিষয়ে ড° তাহেৰে এনেদৰে কৈছে। 'অসমৰ মুছলমান বোলা এই বৰ্ণাঢ্য জনগোষ্ঠীটোৰ এহাতে আছে মধ্যপ্ৰাচ্যৰ পৰা অনা ঐছলামিক ধৰ্ম-সংস্কৃতি আৰু আনহাতে আছে অসমৰ সেউজভৰা মৌচুমীয় পৰিৱেশত গঢ়ি উঠা সমৃদ্ধ লোকসংস্কৃতি। এনেকুৱা অৱস্থাত আমাক লাগে ইছলামৰ মূল নীতি আৰু শান্তিবাদৰ শিকনি আৰু নিজ নিজ জন্মভূমিৰ ঐতিহ্যৰে গঢ়ি উঠা আত্মপৰিচয় আৰু আত্মগৌৰৱ। যাক এই আত্মপৰিচয়ে গৰীয়ান কৰে, তাক বিশ্বায়নে সহজে উটুৱাই নিব নোৱাৰে। আমি দেশৰ জনজীৱনৰ মূল সুঁতিৰহে জনগোষ্ঠী। কোনো প্ৰকাৰৰ ৰক্ষণশীল বা মৌলবাদ আমাৰ আদৰ্শনীয় নহয়। মানৱতাৰ ভাবধাৰাৰে সিক্ত উদাৰতাহে আমাৰ আদৰ্শ।' তাহেৰৰ এইখিনি উক্তিৰ মৰ্ম গুৰুত্বসহকাৰে উপলব্ধি কৰাটো বৰ্তমান অসমৰ পৰিস্থিতিত প্ৰতিজন অসমীয়াৰ অৱশ্য কৰ্তব্য। ইতিহাসৰ ছন্দায়িত দীৰ্ঘম্যাদী ক্ৰম নিৰ্মোহভাৱে অনুধাৱন কৰিবলৈ এইখিনি মন্তব্যই আমাক সকীয়ায়। নিজে সম্পাদনা কৰা এই দুখন গ্ৰন্থৰ উপৰি প্ৰফেছৰ তাহেৰে ইছলাম ধৰ্মৰ মূল তত্ত্ববিষয়ক আৰু এখন গ্ৰন্থ আমাক দি থৈ গৈছে। স্বাধীন ভাৰতৰ প্ৰথম শিক্ষামন্ত্ৰী আৰু মহান দেশপ্ৰেমিক মৌলানা আবুল কালাম আজাদে পৱিত্ৰ কোৰানৰ প্ৰাৰম্ভিক চুৰা এটা সন্দৰ্ভত আগবঢ়োৱা বিস্তৃত আৰু সূক্ষ্ম ব্যাখ্যাৰ ইংৰাজী অনুবাদ এটাৰ ভিত্তিত অসমীয়াত টিকা-টিপ্পনীসহ এখন পুথিৰ ৰূপত ড° তাহেৰে ধৰ্ম-তত্ত্বৰ সাৰুৱা আলোচনা কৰিছে। এই কিতাপখন পঢ়িলে ইছলামৰ উদাৰতা, সহনশীলতা আৰু মানৱতাবাদৰ বিষয়ে আমি উপলব্ধি কৰিব পাৰো। ইয়াত কতো মতান্ধতা বা গোড়ামি নাই। সেইবাবেই সকলোৰে বাবেই এই পুথিখন আদৰণীয়।

দৈনন্দিন জীৱন যাপনৰ প্ৰতিটো পদত তাহেৰে উদাৰতা আৰু মানৱ প্ৰেমৰ ওখ আদৰ্শ অৱলম্বন কৰি চলিছিল। সেই কথাৰ এটা উদাহৰণ দিওঁ। ১৯৬০ চনত হোৱা ভাষা আন্দোলনত অসমৰ ঠায়ে ঠায়ে হিংস্ৰতা বিয়পি পৰিছিল। তাহেৰ তেতিয়া গুৱাহাটী বিশ্ববিদ্যালয়ৰ তৰুণ অধ্যাপক। পৰিস্থিতিৰ তীক্ষ্ণতা অনুভৱ কৰি তেওঁৰ একালৰ সহপাঠী আৰু পাছত তেওঁৰ সহকৰ্মী মনতোষ বন্দোপাধ্যায়ক সুৰক্ষা দিবৰ বাবে প্ৰায় এমাহ বন্দোপাধ্যায়ৰ কোৱাৰ্টাৰলৈ ৰাতি ৰাতি গৈ তাত শুইছিলগৈ। সেই সময়ৰ বিশ্ববিদ্যালয়ৰ ভূগোল বিভাগৰ মুখ্য অধ্যাপক প্ৰয়াত ড° হৰিপ্ৰসন্ন দাসে সেই কথাটো জানি খুব সুখী হৈছিল। কাৰণ, তেওঁ নিশ্চয়কৈ জানিছিল যে য'ত তাহেৰ থাকে, সেই ঠাই সম্পূৰ্ণ নিৰাপদ ঠাই। এনেকুৱা আৰু অনেক দৃষ্টান্তৰ কথা এই লেখাটোৰ লেখকে জানে। অভাৱ-অনাটন, ঘাত-প্ৰতিঘাত আদিৰ

সৈতে কঠোৰ সংগ্ৰাম কৰি প্ৰফেচাৰ তাহেৰে জীৱনত প্ৰতিষ্ঠা লাভ কৰিছিল। সেয়ে নিঃস্বজনৰ দুখ-কষ্টৰ কথা তেওঁ মৰ্মে মৰ্মে বুজিছিল। লখিমপুৰ চহৰৰ কাষৰীয়া এখন গাঁৱত তাহেৰৰ পৈতৃক ঘৰ। গাঁৱৰ জীৱনৰ পৰা আহৰণ কৰা মানসিক সম্পদৰাজি মনৰ নিভৃতিত তেওঁ সংৰক্ষণ কৰি ৰাখিছিল। প্ৰফেচাৰ তাহেৰৰ মনৰ উদাৰতা আৰু ছেকুলাৰ দৃষ্টিভংগীৰ কথা তেওঁক চিনি পোৱা প্ৰত্যেকজনেই জানে।

দীৰ্ঘদেহী আৰু সুন্দৰ চেহেৰাৰ এই সুপুৰুষজনৰ তিৰবিৰ চকু দুটা দেখিলেই তেওঁৰ মেধাৰ উমান পোৱা গৈছিল। মাত-কথা সদায় অমায়িক। বিনয় আৰু শিষ্টাচাৰ তেওঁৰ চৰিত্ৰৰ ভূষণ। তেওঁৰ সুযোগ্যা পত্নী বেগম চিতাৰা তাহেৰ এগৰাকী উচ্চশিক্ষিতা আৰু লাৱণ্যময়ী মহিলা। তেওঁলোকৰ দুই গুণৱান পুত্ৰ আৰু একমাত্ৰ জীয়ৰী নিতাই তেওঁলোকৰ পিতৃৰ সজ আচৰণ আৰু বিনয় আদি গুণ সুন্দৰকৈ আহৰণ কৰিছে।

এই লেখাৰে মই ড° তাহেৰলৈ মোৰ পৰম আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিছোঁ। তেওঁৰ বিষয়ে দু-আষাৰ লিখিবলৈ পোৱা সুযোগটোৰ আলম লৈ মই ডাঠি ক'ব খোজো যে অসমীয়া মুছলমান সম্প্ৰদায়ৰ পৰা অহা আৰু সমূহীয়াকৈ সকলো অসমীয়াকে লেখত ধৰি এই কথাটো নিৰূপণ কৰিব পাৰিলে ড° মহম্মদ তাহেৰ আমাৰ অসমীয়া সমাজখনৰ ইতিহাসত এজন প্ৰজ্ঞাৱন্ত সুপুৰুষ হিচাপে ভৱিষ্যতে জিলিকি থাকিব। তেওঁৰ জীৱন-চৰ্যাই সকলোলৈকে এক বিশেষ বাৰ্তা বহন কৰে। পৰিশেষত তাহেৰৰ পৰিয়ালৰ সকলোটিলৈ মোৰ সমবেদনা জনালো। ◆

*ফোন ঃ* ০৩৬১-২২২৮২০৪

# অনুৰণন - তিনিটা কবিতাৰ

**মহম্মদ তাহেৰ**

## পাতনি

বিংশ শতিকাৰ চল্লিশৰ দশকৰ আৰম্ভণি। অসমীয়া সাহিত্যৰ ইতিহাসত এই সময়খিনি কোন যুগৰ অন্তৰ্গত বুলি ক'ম? 'জয়ন্তীৰ যুগ' বুলিবলৈ সামাজিক অৱস্থা আৰু কালৰ ব্যাপ্তিৰ ভিত্তিত এইখন আলোচনীৰ প্ৰভাৱ যথেষ্ট প্ৰসাৰিত আৰু গম্ভীৰ নাছিল। কিন্তু সময়খিনি অসমীয়া জাতীয় জীৱনত তথা ভাৰতীয় জাতীয় জীৱনত এটা আলোড়ণময় সময়। এফালে দ্বিতীয় মহাসমৰ আৰু আনফালে ভাৰতৰ স্বাধীনতা আন্দোলনৰ চুড়ান্ত পৰ্য্যায়। স্বাধীনতা আন্দোলনে সমাজলৈ অভুতপূৰ্ব্ব আলোড়ণ আনিছে। অসমৰ সাহিত্য জগতত জয়ন্তীয়ে সীমিতভাৱে হলেও প্ৰগতিবাদৰ এটা লহৰ আনিছে। অসমীয়া কবিতাত বিষয়বস্তু আৰু আঙ্গিকৰ ফালৰপৰা উত্তৰণ আৰু নতুনত্বৰ পৰীক্ষা-নিৰীক্ষা চলিছে। অম্বিকাগিৰি ৰায়চৌধুৰী, দেৱকান্ত বৰুৱা, হেম বৰুৱা, অমুল্য বৰুৱা, জ্যোতিপ্ৰসাদ আগৰৱালা, আদি সকলে ৰোমাণ্টিক, জাতীয়তাবাদী আৰু প্ৰগতিবাদী ভাৱধাৰাৰ কবিতা লিখিবলৈ লৈছে। এই সময়তে ১৯৪১ চনত তেতিয়া ছেগা-চোৰোকাকৈ প্ৰকাশ পোৱা 'বাঁহী'ত বাইশ বছৰীয়া চফল ডেকা, চৈয়দ আব্দুল মালিকে লিখিলে এটা আবেগ বিমিশ্ৰিত ঐতিহাসিক কবিতা 'মই অসমীয়া'। মালিকৰ এই কবিতাটো যেন মাথোন এটা লালিত্যময় যুগমীয়া কবিতাই নহয়, ই সাত শ বছৰে মূক হৈ থকা অসমীয়া মুছলমানৰ জনগোষ্ঠীৰ মনোভাবৰ স্বতঃস্ফূৰ্ত স্ফূৰণ, আবেগোচ্ছাস।

চৈয়দ আব্দুল মালিকৰ 'মই অসমীয়া' কবিতাটো প্ৰকাশ পোৱাৰ লগে লগে সেই সময়ৰ আন এজন উদীয়মান কবিপ্ৰাণ, চৌবিশ বছৰীয়া অসমীয়া মুছলমান ডেকা এম্ ইব্ৰাহীম আলিৰ দৃষ্টি আকৰ্ষিত হ'ল সেই কবিতাটোলৈ। 'বাঁহী'ৰ অব্যৱহিত পৰবৰ্তী সংখ্যাত আলিয়ে তেওঁৰ পুঞ্জীভূত অনুভুতি প্ৰকাশ কৰিলে। 'তুমি যদি অসমীয়া' শীৰ্ষক কবিতাটিৰে। দুয়োটা কবিতাই কাব্যিক মান আৰু লালিত্যৰ দিশৰ পৰা উচ্চ পৰ্য্যায়ৰ হোৱাৰ বাহিৰেও, কবিতা দুটাত প্ৰকাশ পাইছে অসমৰ প্ৰতি গভীৰ আত্মিকতা আৰু অসমীয়া জাতি গঠনৰ বাবে আৱশ্যকীয় সমন্বয়ৰ সাৱলীল আহবান। মন কৰিবলগীয়া যে চৈয়দ আব্দুল মালিক বা এম্ ইব্ৰাহীম আলিক কোনেও তেওঁলোক যে অসমীয়া তাক প্ৰতিপন্ন কৰিবলৈ প্ৰত্যাহবান জনোৱা নাছিল। এই কবিতা দুটা স্বতঃস্ফূৰ্তভাৱে দুজন অসমীয়া মুছলমান উদীয়মান ডেকা কবিৰ লিখনিত প্ৰতিভাত হৈছিল তেতিয়া, যেতিয়া সমগ্ৰ ভাৰতজুৰি একশ্ৰেণী ৰাজনীতিকৰ প্ৰৰোচনাত সমাজত সাম্প্ৰদায়িকতাৰ বিষক্ৰিয়া আৰম্ভ হৈছিল আৰু সমাজৰ গাঁথনিত ফাট মেলাৰ উপক্ৰম হৈছিল। 'বাঁহী'ত এই কবিতা দুটা পঢ়ি, তেতিয়াৰ

স্বনামধন্যা প্ৰবীনা কবি, নলিনীবালা দেৱীয়ে সেই একে চনতে 'তুমি অসমীয়া, তুমি যদি অসমীয়া' শীৰ্ষক এটি উপলব্ধিমূলক কবিতা লিখিছিল। কবিতা তিনিটাৰ মাজেৰে প্ৰৱাহিত হোৱা মানসিক আত্মীয়তা আৰু সপ্ৰতিভতা প্ৰণিধানযোগ্য বুলিয়েই এই চমু আলোচনাটি আগবঢ়োৱা হ'ল।

**এক**

চৈয়দ আব্দুল মালিকে 'মই অসমীয়া' কবিতাটোৰ আৰম্ভণিতে কৈছে 'সুদুৰ পশ্চিম এৰি/এৰি থৈ স্বৰ্ণপুৰী ৰাজ-অন্তঃপুৰ/ বিজয় সপোন দেখি আহিলোঁ যিদিনা/ উজনি সোতঁত মেলি ভটীয়নি ভুৰ/......এনে আৰম্ভণিৰ পৰা আজিৰ অসমীয়া মুছলমানৰ অধিকাংশই যে দিল্লী আৰু গৌড়ত পাঠান মোগলৰ ৰাজত্ব কালত দিগ্বিজয় অভিযানত আহি ৰৈ যোৱা লোকসকলৰ বংশধৰ সেইটোকেই বুজাইছে। অৱশ্যে ঐতিহাসিক সত্যটো হৈছে যে, সেই ৰৈ যোৱা অভিযাত্ৰীসকল অকল সৈনিকেই নাছিল। সেই সময়ৰ দীৰ্ঘম্যাদী আক্ৰমণ অভিযানবোৰত যোদ্ধাৰ বাহিৰেও কামান আৰু তম্বু মেৰামত কৰা কাৰিকৰ, নাবিক, অশ্ব আৰু অশ্বাৰোহীৰ তত্বাৱধায়ক, বাঢ়ৈ, লিখক, পণ্ডিত, গায়ক, ধৰ্মগুৰু, ধৰ্মপ্ৰচাৰক, দোভাষী আদি শ্ৰেণীৰ লোকো আছিল। এওঁলোকৰ বহুতেই অভিযানৰ শেষত বন্দী হিচাপেই হওক বা নিজ ইচ্ছাতেই হওক, আহোম আৰু কোঁচ, ৰাজ্যত বসতি কৰিবলৈ লৈ বিনাসংঘাতে, অনায়াসে সময়ত অসমীয়া হৈ গৈছিল।

সেইবাবেই এওঁলোকে 'বিজয় সপোন' দেখি বিজয়ৰ তৃষা লৈ লুইত পাৰত 'দৃপ্ত উচ্ছ্বাস'ত বিজয়ৰ গান গাইছিল বুলি মালিকে উল্লেখ কৰিছিল। কিন্তু তেওঁলোকৰ সেই উচ্ছ্বাস আছিল ক্ষন্তেকীয়া । অসমৰ সেউজীয়া দুবৰি বনত ভৰি দি কোনো স্পৰ্ধা দেখুউৱাৰ অৱকাশ তেওঁলোকে পোৱা নাছিল, বৰঞ্চ ইয়াৰ প্ৰাকৃতিক সৌন্দৰ্য্য আৰু প্ৰাণ-প্ৰাচুৰ্য্য আৰু ইয়াৰ মানুহৰ সাহ, দেশপ্ৰেম, আদি দেখি তেওঁলোক মোহিতহে হৈছিল। সেইবাবে মালিকে লিখিছে —

'যিদিনা নামিলোঁ আহি অসমৰ সমৰ-থলীত
মিনাকৰা বনৰ বুকুত
অসমৰ হেংদাং জিলিকিল দুপৰৰ পূৰ্ণ আলোকত—'

সেই কালত অসমীয়া মানুহৰ দেশপ্ৰেম আৰু স্বাধীনতাপ্ৰিয়তাৰ বাবে মোগলৰ দৰে ভাৰত বিজয়ী শক্তিয়েও পৰাভুত মানিব লগা হ'ল। মোগলৰ সেই সমৰত পৰাজয় আৰু প্ৰাকৃতিক সৌন্দৰ্য্য-প্ৰাচুৰ্য্যত মুগ্ধ অৱস্থাটো মালিকে তেওঁৰ স্বাভাবিক কাব্যিক সুষমাৰে এনেকৈ প্ৰকাশ কৰিছে

'মোগলে উভতি চালে
এয়েই অসম, চৌদিশে ধূসৰ পাহাৰ
প্ৰতিটো বনৰ পাত জাংফাই মিনাকৰা, ৰূপ-জাতিস্কাৰ।
দুবৰিৰ পাতে পাতে মুকুতাৰ থোপা, গচকত ভাগে মৰকত,
হাতীৰ দাঁতেৰে কৰে খৰমৰ চুলা,
ভৰি ধোৱে পোৱালৰ ভৰা দলঙত।
বাঘ নখ পিন্ধে খাৰু, ভৰিৰ আঙঠি, ম'হ-শিং পেপাঁটি বজায়
হাহঁ-কণী চাউলেৰে অসমৰ স্বৰ্গদেৱে দেউল সজায়।'

অসমৰ লোকসংস্কৃতিৰ এনে মোহময় বৰ্ণনাত সোণত সুৰগা চৰাই, মালিকে ইয়াৰ প্ৰাকৃতিক পৰিৱেশটো, 'পুঠিয়ে কাণত পিন্ধে সোণৰ থুৰীয়া/ভেকুলীয়ে ফোঁট লৈ সজায় সুৱাগী' বুলি আৰু স্বাভাৱিক কৰি তুলিছে। অসমৰ প্ৰকৃতিৰ এই নিজস্ব বৈশিষ্ট্যবোৰৰ বাহিৰেও, 'বিজয়ৰ সপোন লৈ' আহি ৰৈ যোৱা জনগোষ্ঠীটোক আকৰ্ষিত কৰিছিল ইয়াৰ ভাষা-সংস্কৃতিৰ সুষমাই। মালিকে তাক প্ৰকাশ কৰিছে এনেদৰে -

'মুখৰ মাতত সৰে মৰমৰ মউ
গীত শুনি শিল পমি যায়
এয়েই অসম দেশ জগতত আৰু
এনুৱা অসম দেশ, এনুৱা ৰূপেৰে
নাই, কতো নাই।..........'

তাৰ পাছত অসমতে মুগ্ধ হৈ ৰৈ যোৱা এই

জনগোষ্ঠীটোৰ বাবে আৰম্ভ হ'ল এটা দীঘলীয়া ঐতিহাসিক প্ৰক্ৰিয়া— তেওঁলোকৰ সামাজিক সাংস্কৃতিক স্বাংগীকৰণৰ প্ৰক্ৰিয়া। নিজৰ ধৰ্মীয় পৰিচয় অটুট ৰাখিও, সৰ্বোতোপ্ৰকাৰে তেওঁলোক অসম মাতৃৰ সন্তান বুলি নিজৰ পৰিচয় দিব পৰা হ'ল। মালিকে ইয়াক ব্যক্ত কৰিছে এনেভাৱে —

'সেই দিন ধৰি মই অসমৰ অসমীয়া
ধৰ্ম মোৰ, জাতি মোৰ অসমীয়া প্ৰাণৰ আপোন।'

অন্তৰৰ গভীৰতম প্ৰদেশৰপৰা অহা এনেবোৰ আবেগময় উক্তিৰ পিছতো কবিজনে কৈছে যে জীৱিত কালত তেওঁলোকতো অসমীয়া হয়েই, মৰিলেও তেওঁলোক অসমৰে আৰু 'মৰাৰ পিছতো যদি আহো পুনু কেতিয়াবা/আহিম ইয়ালৈ ঘূৰি/স্মৃতিৰ ইতিহাস লৈ/অসমৰে অসমীয়া হৈ।'

সিমানবোৰ কোৱাৰ পাছতো তেওঁ অনুভৱ কৰিছে যেন হিয়া উদিয়াই যথেষ্ট কোৱা হোৱা নাই। গতিকে তেওঁ কৈছিল, 'অসমীয়া ভাষা মোৰ অসমৰ প্ৰকৃতিয়ে ৰচা' আৰু ই ইমান শুৱলা যে অসমীয়া গীত শুনিলে বিহগ কিন্নৰো নীৰৱ হৈ যায়। তাৰ পাছতো মালিকে এই জনগোষ্ঠীটোৰ অসমীয়া ভাষাৰ প্ৰতি থকা আত্মীয়তা সূচাবৰ বাবে কৈছে, জনমৰ লগে লগে সুৱদী অসমীয়া মাতেৰে 'আই' বুলি চিঞৰিলোঁ আৰু মৰাৰ সময়তো 'যাওঁ' বুলি দুওঁঠ কপাঁই এই ভাষাৰেই বিদায় ল'ম।

মালিকে তেওঁৰ সাৱলীল কাব্যিক ভাবালুতাৰে তেওঁলোক মৃত্যুৰ পাছত সৰগত সুখত ভোল গৈ থাকিলেও কোনোবাই যদি মৰতত তেওঁলোকক অসমীয়া ভাষাৰ সুৰত সোঁৱৰে,তেন্তে চিনি পাব বুলি কৈছে। তেওঁ অসমীয়া মুছলমানসকলৰ হৃদয়ৰ গভীৰ অনুভুতিৰাজি উদঙাই দি নিম্নোক্ত পংক্তিটোৰে কবিতাটোৰ সামৰণি মাৰিছে ..

'জীৱনে-মৰণে মই চিৰদিন অসমীয়া,
অসমীয়া দেহ-প্ৰাণ মন;
জীয়াই থাকোঁতে মই অসমৰ অসমীয়া,
মৰিলেও বৰি লম অসমৰ অমিয়া মৰণ।'

## দুই

মালিকৰ 'মই অসমীয়া 'বাঁহীত', প্ৰকাশ হোৱাৰ লগে লগেই ই প্ৰতিধবনিত হ'ল এম্ ইব্ৰাহীম আলিৰ বুকুত। আলিয়ে তেওঁৰ পুঞ্জীভূত অনুভূতি প্ৰকাশ কৰিলে 'তুমি যদি অসমীয়া' শীৰ্ষক কবিতাটিৰে। কবিতাটিৰ আৰম্ভণি স্তৱকটো হৈছে—

'তুমি যদি অসমীয়া— মই তেনে বিদ্ৰোহী পাঠান।
তেজেৰে ৰাঙলী কৰোঁ বুকু ধৰণীৰ,
ঢালি দিওঁ ৰঙা তেজ জনমভূমিৰ
মঙ্গল কামনা কৰি। অসমৰ চিৰসুখী নন্দনকানন।"

এম্ ইব্ৰাহীম আলিৰ এই কবিতাটি দৰাচলতে মালিকৰ কবিতাটিৰ পৰিপূৰক আছিল— প্ৰত্যুতৰ বা প্ৰতিধ্বনি নাছিল। এইখিনিতে ইতিহাসৰ এটা সাধাৰণ তথ্য উনুকিওৱা উচিত হব। ১২০৬ খৃষ্টাব্দৰ বখ্‌তিয়াৰ খিলজীৰ (বা মুছলমানৰ প্ৰথম) আক্ৰমণৰ পৰা ১৫৯৫ খৃষ্টাব্দলৈ মুছলমানসকলে যি সাতবাৰ অসম আক্ৰমণ কৰিছিল, সেই সাতবাৰৰ আক্ৰমণ হৈছিল পশ্চিমত পাঠানসকলৰ ৰাজত্বকালত। মোগলসকলৰ দ্বাৰা সংঘটিত অসম আক্ৰমণ কোঁচ ৰজা লক্ষীনাৰয়ণৰ দিনত (১৫৯৬ খৃষ্টাব্দত) আৰম্ভ হয়। তাৰ পাছৰপৰা ১৬৮১ চনলৈকে অসমত হোৱা মুছলমানসকলৰ আক্ৰমণবোৰ (১০ বাৰ) দিল্লীত মোগলৰ ৰাজত্বকালত হৈছিল। এই মোগলসকলৰ অসম আক্ৰমণৰ সময়ত, ইতিপূৰ্বে পাঠানৰ আক্ৰমণৰ সময়ত বৈ যোৱা কিছু লোকৰ বংশধৰ অসমীয়া হৈ পৰিছিল আৰু মোগল আক্ৰমণকাৰীসকলৰ বিপক্ষে কোঁচ বা আহোম ৰজাৰ সেনাৰে কান্ধত কান্ধ মিলাই তেওঁলোকেও যুঁজিছিল। ইব্ৰাহীম আলিয়ে ইয়াত আগৰ কালত দিল্লীত চলি থকা মোগল আৰু পাঠানৰ পৰষ্পৰৰ মাজৰ যুগমীয়া শত্ৰুতাৰ জেৰ টানি কৈছে—

'অসমৰ পূণ্যতীৰ্থ শৰাইঘাটত
ফুকনে দিলেহি তুলি এই দুহাতত
অতীত গৰিমা-সনা তীক্ষ্ণ-তৰোৱাল
খেলিলোঁ মোগল স'তে যুগমীয়া খেল।'

চৈয়দ আব্দুল মালিকে সেউজভৰা, কোমল, সমৃদ্ধ, মাটিৰ-স্বৰগৰ বিনন্দীয়া ৰূপৰ এখন অসম আমাৰ চকুৰ আগত উন্মিলিত কৰিছে। এম্ ইব্ৰাহীম আলিয়ে নিজক পাঠান বুলি পৰিচয় দি, তেওঁৰ সিৰা-উপসিৰাত প্ৰৱাহিত বীৰ পঠানৰ ৰক্তৰ পৰিচয়েৰে অসমখন সকলো দিশৰপৰা ৰক্ষা কৰিবৰ বাবে তেওঁ চিৰজাগ্ৰত বুলি কৈছে আৰু অন্তৰত সাহস ৰাখি মানসিক প্ৰস্তুতিৰে কৈছেঃ—

‘কামানৰ গৰজনি শুনি
কাণে মোৰ লভিব জিৰণি।
ঘোঁৰাৰ পিঠিত উঠি উঠা-নমা চেনেহী কোলাত
বজ্ৰৰ মুঠিৰে ধৰি সেই তৰোৱাল
আকৌ-উঠিব মোৰ, পৰাণত সুৰৰ কঁপনি।’

ইব্ৰাহীম আলিয়ে অসমখন সাহসেৰে ৰক্ষা কৰাৰ নিশ্চয়তা দিয়াৰ উপৰিও আমাৰ সংহতি-সমন্বয় স্থাপনৰ কথাও বাৰে বাৰে দোহাৰিছে ঃ

‘মই অসমীয়া
পৰ্ব্বতৰ ভৈয়ামৰ অ’ বীৰ ল’ৰা ।
সকলোৰে গাওঁ আহা একেটি সুৰত
লুইতৰ পাৰে পাৰে বিচাৰি সোণৰ ফুল
খেলোঁ আহা স্বাধীন যুগৰ অভিনৱ বিনন্দীয়া খেল।’

তেওঁ অসমৰ বিভিন্ন জনগোষ্ঠীৰ মাজত মিলা-প্ৰীতি আৰু সংহতি স্থাপনৰ মাজেৰে ‘মৰমৰ অসমী কোলাত মায়াপুৰী কৰোঁ বিৰচণ’ বুলি নিজৰ আবেগ অনুভূতি সৰ্বস্ব উজাৰি দিছিল। বিংশ শতিকাৰ চল্লিশৰ দশকৰ আগভাগত ভাৰতৰ কুটিল ৰাজনৈতিক বতাহ, অসমৰ চিৰকলীয়া সংহতিৰ পৰিৱেশত টিকিব নোৱাৰিব বুলি দৃঢ় আত্মবিশ্বাসেৰে উদাত্ত কণ্ঠেৰে তেওঁ চিঞৰি উঠিছে—

‘আহোম, মোগল, কোচ, কছাৰী-পাহাৰী
পূণ্যময় মিলনৰ বেদী
চিৰ সুন্দৰৰ
চিৰ আদৰৰ
বীৰৰ জননী ৰাণী অসমী সুন্দৰী,
তোমাৰ কোলাতে আই আমি বিৰচিম
বিনন্দীয়া সপোনৰ বাস্তৱ আকাৰ।।”

এম্ ইব্ৰাহীম আলিৰ এই স্মৰণীয় কবিতাটি এইবাবেই মালিকৰ ‘মই অসমীয়া’ৰ পৰিপূৰক যে, মালিকে যদি অসমী আইক প্ৰীতি-ভক্তি যাচিছে, ইব্ৰাহীম আলিয়ে আগবঢ়াইছে সমন্বয় আৰু অভয়ৰ প্ৰতিশ্ৰুতি।

## তিনি

পাতনিতে উল্লেখ কৰাৰ দৰে চৈয়দ আব্দুল মালিক আৰু এম্ ইব্ৰাহীম আলিৰ কবিতা দুটা প্ৰতিধ্বনিত হৈছিল নলিনীবালা দেৱীৰ মাতৃ-উপম হৃদয়ত। অনতিবিলম্বে তেওঁ সেই কবিতা দুটাৰ উত্তৰত লিখি উলিয়ালে, ‘ভুমি অসমীয়া, তুমি যদি অসমীয়া’ শীৰ্ষক কবিতাটি। ১৯৪২ চনত ‘অসমীয়া সাহিত্য মন্দিৰ’, শ্বিলঙৰ পৰা প্ৰকাশ পোৱা তেখেতৰ কবিতা পুথি ‘সপোনৰ সুৰ’ত এই কবিতাটি সন্নিৱিষ্ট হৈছিলেই। কবিতাটিৰ প্ৰথম স্তৱকটো হৈছে —

‘তুমি অসমীয়া, তুমি যদি অসমীয়া
মোগল পাঠান বীৰ
আদি সভ্যতাৰ পৰা
স্বদেশৰ হকে যুঁজি
চিৰদিন ৰাখি আছা
স্বাধীনতা জনমভূমিৰ
আজিও ৰাখিবা, সেই সুঁৱৰি অতীত
স্বাধীনতা,—
মোৰ চিৰচেনেহী জননী
নিৰুপমা ৰাণী জননীৰ।”

কাব্যৰ মাজেৰে এই আহ্বান দিয়াৰ পাছত কবিগৰাকীয়ে যিটো উক্তি ডাঙি ধৰিছে, সেইটো আজিৰ দিনত, ভাৰতৰ ইতিহাসক একশ্ৰেণীৰ লোকে নতুনকৈ ‘মূল্যায়ণ’ কৰিবলৈ ওলোৱাৰ সময়ত, অতি তাৎপৰ্যপূৰ্ণ হৈ পৰিছে। তেওঁ লিখিছে—

অসমৰ প্ৰত্যেকটো জনগোষ্ঠীৰ ওপৰত থকা এই অটল বিশ্বাস আৰু আস্থাই, নলিনীবালা দেৱীক দিছিল মাতৃৰ বা অগ্ৰজ ভগ্নীৰ উদাৰ মনোভাৱ আৰু গভীৰ আত্মবিশ্বাস। তেওঁ সেইবাবে মালিক আৰু ইব্ৰাহীম আলি সমন্বিতে সকলোকে উদ্দেশ্য কৰি কব পাৰিছে —

'জাগা ভাতৃ!
জাগা যত বীৰৰ সন্তান!
লুইতৰ পাৰে পাৰে
বিচাৰি সোণৰ ফুল
মিনাকৰা দুবৰি বনত
সোণৰ কাৰেং সাজা
অসমী বুকুত।'

এই পংক্তিটোত মালিক আৰু ইব্ৰাহীম আলিৰ ভাব আৰু ভাষাৰ প্ৰতিধ্বনি বিদ্যমান। কবিতাটোৰ শেষৰ পংক্তিত থকা নলিনীবালা দেৱীৰ উক্তি অত্যন্ত তাৎপৰ্যপূৰ্ণ আৰু মৰ্ম্মস্পৰ্শী। এই দুজন নবীন কবিক ভাতৃ বুলি বুকুত সাৱটি লৈ তেওঁ গাইছে—

'থলোঁ সাঁচি দুটুপি চকুলো
অসমৰ জীয়াৰীৰ
ৰঙা জবা বুকুৰ তেজৰ
ৰচি দিম অৰ্ঘ্য এটি
জননীৰ সন্ধি পূজাত
ব্যথাতুৰ এই হৃদয়ত।।"

মৰম-চেনেহ, ভাতৃত্ব আৰু সমন্বয়ৰ বেদীত ইয়াতকৈ মৰ্ম্মস্পৰ্শী আৰু আবেগবাংময় প্ৰতিশ্ৰুতি আৰু কি হ'ব পাৰে বাৰু? ◆

'হে বিজয়ী! সেই সিদিনাও
তোমাৰেই বাহুবলে
পুৰাতন ইন্দ্ৰপ্ৰস্থ শোভিছিল
জাতিস্কাৰ হৈ
পৃথিৱীৰ মাজত অকলে।"

শ শ বছৰ ধৰি 'একেলগে বসবাস কৰি থকা এটা সামাজিক জনগোষ্ঠীক আন এটা জনগোষ্ঠীয়ে বুকুৰ আপোন কৰি লোৱাৰ আৰু সুখ-দুখ, গৌৰৱ-পৰাজয়ৰ অংশীদাৰ কৰি লোৱাৰ এনে দৃষ্টান্ত হয়তো পৃথিৱীতেই বিৰল।

মালিক আৰু ইব্ৰাহীম আলিৰ উদাত্ত কণ্ঠৰ ঘোষণাই নলিনীবালা দেৱীৰ অন্তৰত যি মৰ্ম্মস্পৰ্শ কৰিছে তাৰ ফলত তেওঁৰ এই পংক্তিটো স্বতঃস্ফূৰ্ত ভাৱে ওলাই আহিছে —

'আজি তুমি অসমীয়া
কৌটিকলীয়া চিৰগৰৱী দেশৰ
আঁচলৰ মণি তুমি
অসমৰ পুতলা প্ৰাণৰ।।'

তেওঁ আৰু কৈছে ঃ

'অসমীৰ ক্ষীৰ পান কৰি
সমানে হৈছা বৰ
হিন্দু মুছলমান বড়ো
কছাৰী পাহাৰী,
লুইত পাৰৰ যত অসম সন্তান
অমৰণ অভগন
এটি এটি ৰক্তবীজ বিজয়ী যুগৰ।'

*২০০১ চনৰ ফেব্ৰুৱাৰীত 'আমাৰ অসম'ত প্ৰকাশিত একে শিৰোনামৰ এটি প্ৰবন্ধৰ পৰিবৰ্ধিত ৰূপ, 'স্মৃতিৰ জিলিঙনিত কেইগৰাকীমান অসমৰ মুছলমান'ৰ দ্বিতীয় খণ্ডত প্ৰকাশ পাইছিল।*

# অসম সাহিত্য সভাৰ ত্ৰিসপ্ততিতম কলিয়াবৰ অধিৱেশনৰ সভাপতি ডাঃ ধ্ৰুৱজ্যোতি বৰাৰ অভিভাষণৰ নিৰ্বাচিত অংশ

ডাঃ ধ্ৰুৱজ্যোতি বৰা

অসমৰ বিভিন্ন প্ৰান্তৰ ৰাইজৰ পদধূলাৰে পৱিত্ৰ হোৱা ঐতিহ্যমণ্ডিত কলিয়াবৰৰ এই তীৰ্থভূমিত সমবেত সকলোজনলৈ মই মোৰ সশ্ৰদ্ধ প্ৰণিপাত জনাইছো।

মোৰ এই মুহূৰ্তত মনত পৰিছে এই মহতী সাহিত্য সভাৰ মোৰ পূৰ্বৰ মহান কাণ্ডাৰীসকলৰ কথা। পদ্মনাথ গোহাঞিবৰুৱা, লক্ষ্মীনাথ বেজবৰুৱা, কৃষ্ণকান্ত সন্দিকৈ, মহেশ্বৰ নেওগ, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, নলিনীবালা দেৱীকে ধৰি অসমৰ জাতীয় জীৱনৰ এই প্ৰয়াত মহৎ ব্যক্তিসকলৰ পৱিত্ৰ স্মৃতিত মই প্ৰথমেই শ্ৰদ্ধা তৰ্পণ কৰিছো। আমাৰ সকলোৰে আনন্দ বৰ্ধন কৰি আমাৰ মাজত বিদ্যমান সাহিত্য সভাৰ কাণ্ডাৰী শ্ৰীযুত মহিম বৰা, শ্ৰীযুত হোমেন বৰগোহাঞি, শ্ৰীযুত লক্ষ্মীনন্দন বৰা, শ্ৰীযুত নগেন শইকীয়া, শ্ৰীযুত বীৰেন্দ্ৰ নাথ দত্ত, শ্ৰীযুত কনকসেন ডেকা, শ্ৰীযুত ৰংবং তেৰাং, শ্ৰীযুত ইমৰান শ্বাহ ডাঙৰীয়ালৈ মই সশ্ৰদ্ধ সেৱা জনাইছো। তেখেতসকলে দেশ আৰু জাতিৰ আহ্লাদ বৰ্ধন কৰি সবল সুস্থ শৰীৰেৰে দীৰ্ঘায়ু হওক আৰু তেখেতসকলৰ প্ৰজ্ঞা, মেধা আৰু অভিজ্ঞতাৰ আলোকেৰে তেখেতসকলে যেন আমাৰ বৰ্তমানৰ আৰু ভৱিষ্যতৰ কাম-কাজৰ বাবে মাৰ্গদৰ্শক হওঁক, এই কামনা কৰিলো। আপোনালোকে অসমৰ ৰাইজৰ আদৰ সন্মানৰ এই আসনখনিত এই অভাজনক বহুৱাৰ সময়ত মোৰ অনুভৱ হৈছে যে মই এই আসনখনৰ বাবে যোগ্য নহওঁ। কিয়েইবা মোৰ সামান্য লিখনি ! কিমান নগণ্য মোৰ অৱদান! মই এই ক্ষেত্ৰত কেৱল বিনয় প্ৰদৰ্শন কৰা নাই, মই সঁচাকৈ অনুভৱ কৰিছো যে এই আসন অলংকৃত কৰিবলৈ অসমত মোতকৈ সকলো দিশৰ পৰা অভিজ্ঞ, প্ৰাজ্ঞ আৰু জাতীয় জীৱনৰ প্ৰতি অধিক অৱদান আগবঢ়োৱা লেখক, সাহিত্যিক বৰ্তমান। তেখেতসকলে এই দায়িত্বভাৰ ল'বলৈ অপাৰগতা প্ৰকাশ কৰাতহে প্ৰায় অভাৱনীয়ভাৱে মই এই দৃশ্যপটলৈ আহিব লগীয়া হ'ল। মই নিজে কিমান যোগ্য সেই বিষয়ে মই নিজে সচেতন। সেয়েহে দায়িত্ব ভাৰ লোৱাৰ এই মুহূৰ্তত মোৰ নিজস্ব অসম্পূৰ্ণতা আৰু সীমাবদ্ধতাক ৰাজহুৱাভাৱে স্বীকাৰ কৰি আপোনাসৱৰ সমুখত কৃতজ্ঞতা আৰু বিনয়ত শিৰণত কৰাৰ বাহিৰে মোৰ উপায় নাই। আশা কৰো আপোনালোকৰ দিহা-পৰামৰ্শ, সক্ৰিয় যোগদানৰ আশিসেৰে অসম সাহিত্য সভাৰ দৰে মহতী জাতীয় অনুষ্ঠানৰ প্ৰধান সেৱকৰূপে কাম কৰিবলৈ মোক শক্তি দিব আৰু পথ প্ৰদৰ্শন কৰিব।

আৰম্ভণিতেই অসমীয়া ভাষা সাহিত্য অনুৰাগী সকলো লোককে মই আহ্বান আৰু আমন্ত্ৰণ জনাইছো, আপোনালোক সকলোৱে অসমৰ এই জাতীয় সংগঠনটোৰ সদস্য হৈ ইয়াৰ লগত যুক্ত হওক, ইয়াক শক্তিশালী কৰি তোলক। মোৰ আহ্বান বিশেষকৈ অসমৰ নৱ-প্ৰজন্মলৈ - সকলো মহাবিদ্যালয়, বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী,শিক্ষক-শিক্ষয়িত্ৰীসকললৈ। নৱপ্ৰজন্মৰ যোগদানেহে

অনাগত সময়ত সংগঠনটোক ইয়াৰ নতুন প্ৰাণশক্তিৰে নতুন পথ দেখুৱাব। মোৰ আহ্বান বিভিন্ন কাৰণত অসম সাহিত্য সভাৰ লগত সম্পৰ্ক চিন্ন কৰা সকলো সাহিত্য সেৱক, সাহিত্য অনুৰাগী লোকলৈ, শতবৰ্ষৰ প্ৰাক কালত আপোনালোক সকলো এই সংগঠনলৈ সকলো পাহৰি উভতি আহক। সাহিত্য সভাৰ মজিয়াত সকলোৰে বাবে ঠাই আছে। আহক আমি একেলগে ভৱিষ্যতলৈ আগবাঢ়োহক। শতবৰ্ষৰ প্ৰাক্কালত এই জাতীয় অনুষ্ঠানটোৰ ভাষিক, সাহিত্যিক, সামাজিক আৰু ৰাজনৈতিক ভূমিকাৰ এক সাৰ্বিক, বৈজ্ঞানিক, ঐতিহাসিক মূল্যায়ণ কৰাৰ প্ৰয়াস, যাতে আমি আমাৰ জাতীয় জীৱনলৈ সভাৰ সামগ্ৰিক অৱদানক চিনাক্ত কৰি তাৰ তাৎপৰ্য নিৰ্ণয় কৰিব পাৰোহক। এই কামে আমাক ভৱিষ্যতে কোন বাটেৰে বাট বুলিব লাগিব সেই বিষয়েও এক সম্যক ধাৰণা দিব। ভৱিষ্যতৰ দিক-দৰ্শনৰ বাবে আমাক অতীতৰ এক সাৰ্থক মূল্যায়ণ লাগে। যাতে বৰ্তমানে কৰিবলগীয়া কামখিনি আমি যথাসম্ভৱ নিৰ্ভুলভাৱে নিৰ্ণয় কৰিব পাৰো।

অসমীয়া ভাষা সাহিত্য আৰু জাতি গঠনৰ সমগ্ৰ প্ৰক্ৰিয়াটোৰ লগত অসম সাহিত্য সভা প্ৰতিষ্ঠা কৰোঁতা আমাৰ পিতৃপুৰুষসদৃশ সাহিত্য কাণ্ডাৰীসকল আৰু সংগঠনটোও অংগাংগীভাৱে জড়িত হৈ আছে। সাহিত্য সভাই এই ক্ষেত্ৰত প্ৰধান হোতাৰ ভূমিকা পালন কৰি আহিছে। সেয়ে আহিবলগীয়া কালছোৱাৰ এশটা বছৰৰ বাবে সাহিত্য সভাৰ বৰ্তমান আৰু ভৱিষ্যতৰ কাৰ্যসূচী নিৰ্ণয় কৰাৰ বেলিকাও আমি এই ইতিহাসৰ এক বাস্তৱসন্মত আৰু বৈজ্ঞানিক বিচাৰ কৰিব পাৰিব লাগিব। এই বাবেই এই অভিভাষণত আপোনাসকলৰ আজ্ঞা লৈ মই এই কাম কৰিবলৈ প্ৰাথমিক প্ৰয়াস কৰাৰ চেষ্টা কৰিব খুজিছো। এই ক্ষেত্ৰত যি বৌদ্ধিক নাটনি বা অসম্পূৰ্ণতা সেয়া মোৰ নিজস্ব আৰু তাৰ বাবে আগতীয়াকৈ ক্ষমা ভিক্ষা কৰিছো। অন্যান্য প্ৰাচীন ভাৰতীয় ভাষাবোৰৰ দৰে অসমীয়া ভাষাৰো এক সুপ্ৰাচীন আৰু চহকী ঐতিহ্য আছে। সপ্তম শতিকা মানৰ পৰা আমি এই ভাষাৰ এটা ৰূপৰেখা পাবলৈ সক্ষম হৈছো। তেতিয়াৰ পৰা আৰম্ভ কৰি সপ্তদশ শতিকালৈ এই ভাষাই নিৰন্তৰে বিভিন্ন দিশত বিকাশ লাভ কৰি আহিছে। ব্ৰহ্মপুত্ৰ উপত্যকাত ত্ৰয়োদশ শতিকাত আহোমসকলে ৰাজ্য প্ৰতিষ্ঠা কৰি অসমীয়া ভাষাক ৰাজ্যৰ মূল ভাষা হিচাপে গ্ৰহণ কৰি এই ভাষাক তাৰ প্ৰথম ৰাজনৈতিক ভৌগলিকক্ষেত্ৰ প্ৰদান কৰিলে। পৰৱৰ্তী কালত কোচ ৰাজ্যৰ নৃপতিসকলেও এই ভাষাটোক ৰাজকীয় পৃষ্ঠপোষকতা জনাই ইয়াৰ পৰিসৰ ব্যাপক কৰি তুলিলে। আহোম আৰু কোচ শাসনৰ এই ভূমিকাৰ বাবে, বিশেষকৈ আহোম ৰজাসকলে ছশ বছৰৰ ওপৰকাল নিৰৱচ্ছিন্নভাৱে শাসন কৰি অসমীয়া ভাষাৰ কথ্য ৰূপৰ প্ৰতিষ্ঠাৰ লগতে ভাষাটোৰ লিখিত, সাহিত্যিক, প্ৰশাসনিক আৰু কূটনৈতিক ৰূপৰ বিকাশৰ বাটো উলিয়াইছিল। এনেদৰে এই অঞ্চলত অসমীয়া ভাষা আৰু জাতি গঠনৰ স্বাভাৱিক ক্ষেত্ৰখনো প্ৰস্তুত হৈ পৰিল। এই ঐতিহ্য আৰু পৰম্পৰাক আধাৰ কৰিয়েই আমাৰ বৰ্তমানত আধুনিক অসমীয়া ভাষাকো গঢ়ি তোলা হৈছে। এই আধুনিক অসমীয়া ভাষাটো চৰিত্ৰৰ দিশৰ পৰা হ'ল এক আধুনিক জাতীয় ভাষা আৰু পূৰ্বৱৰ্তী অসমীয়া ভাষাৰ সকলো ৰূপতকৈ সুকীয়া এযা স্বয়ংসম্পূৰ্ণ ভাষা।

আধুনিক যুগৰ উন্মেষৰ লগে লগে পৃথিৱীৰ প্ৰতিটো জাতিয়েই এক আধুনিক জাতীয় ভাষা নিৰ্মাণৰ প্ৰয়াস কৰে। এই আধুনিক ভাষা সৃষ্টিৰ ঘটনা আৰু প্ৰক্ৰিয়াটো সদায় জাতীয়তাবাদী চিন্তাধাৰাৰ উন্মেষ আৰু জাতি গঠনৰ লগত অতি নিবিড়ভাৱে জড়িত হৈ থাকে আৰু এটা সময়ত ভাষাটোৰ নিৰ্মাণ তথা বিকাশৰ লগত জাতি গঠনৰ প্ৰক্ৰিয়াটোত সমান্তৰালভাৱে আগবাঢ়ে। সাধাৰণতে নৃগোষ্ঠীগত উৎস বা ধৰ্মতকৈ এটা আধুনিক ভাষাক আধাৰ কৰিয়েই জাতি গঠনৰ প্ৰক্ৰিয়াটো আগবাঢ়ে। অ-সাম্প্ৰদায়িক আৰু ধৰ্মনিৰপেক্ষভাৱেই আধুনিক জাতীয় ভাষাৰ বিকাশ হয়। আধুনিক যুগৰ আগতেও এক নিৰ্দিষ্ট ভূ-খণ্ডত এটা ভাষাৰ বিভিন্ন ৰূপ

থাকে। ভাষাটোৰ বিভিন্ন ৰূপ যেনে কথিত, প্ৰয়োজনবিশেষে এক লিখিত বা মান্য ৰূপ, প্ৰশাসনিক ৰূপ ইত্যাদি। অসমীয়া ভাষাৰ এই ৰূপবোৰৰ কথা কৈ অহা হৈছে। কিন্তু এই এটা ৰূপো ভাষাটোৰ সৰ্বজনগ্ৰাহ্য বা সাৰ্বজনীনৰূপ নহয়। আধুনিক জাতীয় ভাষাৰ নিৰ্মাণ আধুনিক যুগৰ আগতে সম্ভৱপৰো নহয়। বিশেষকৈ ছপাযন্ত্ৰৰ ব্যৱহাৰৰ জৰিয়তে ভাষাটোত গ্ৰন্থ প্ৰকাশ নোহোৱালৈকে আৰু সমাজখনত সাৰ্বজনীন প্ৰাথমিক শিক্ষা ব্যৱস্থা গঢ়ি নোতোলালৈকে, পাঠ্যপুথি, ধৰ্মগ্ৰন্থ, ছপা কিতাপ আৰু আলোচনীৰ ব্যাপক প্ৰচাৰ নোহোৱালৈকে এটা সুষম সাৰ্বজনীন ভাষাৰ কথা চিন্তা কৰাটোও অসম্ভৱ। আধুনিক জাতিৰ দৰে আধুনিক জাতীয় ভাষা এটাৰ ধাৰণাটোও আধুনিক যুগৰে সৃষ্টি— ই এটা নতুন ধাৰণা।

প্ৰথমতে ই এক সুষম ভাষাৰূপ যি ভাষা কোৱা আৰু লেখাৰ মান্যভাষা হিচাপে সকলোৱে গ্ৰহণ কৰে। অসমীয়া ভাষাৰ আধুনিক ভাষাৰূপটো অসমৰ সকলো অঞ্চলৰ মানুহে শদিয়াৰ পৰা ধুবুৰীলৈ নিজৰ ভাষা বুলি গ্ৰহণ কৰা। দ্বিতীয়তে এই ভাষাৰূপটো সাৰ্বজনীন প্ৰাথমিক শিক্ষাৰ মাধ্যম হিচাপে প্ৰতিষ্ঠা কৰি এই ভাষাটো আনুষ্ঠানিকভাৱে পৰৱৰ্তী প্ৰজন্মবোৰলৈ প্ৰবাহিত কৰি দিয়া হয়। ই শিক্ষাৰ মাধ্যম হৈ পৰে, এই ভাষাটোত পাঠ্যপুথিবোৰ লিখি উলিওৱা হয় আৰু প্ৰথমে প্ৰাথমিক পৰ্যায়ৰ পৰা আৰম্ভ হৈ পৰ্যায়ক্ৰমে ই মাধ্যমিক আৰু উচ্চশিক্ষাৰো মাধ্যম হৈ পৰে। তৃতীয়তে এই ভাষাটো আইন আদালত, প্ৰশাসন, ব্যৱসায়কে ধৰি জীৱনৰ ব্যৱহাৰিক সকলো দিশতে প্ৰয়োগ কৰা হয়। চতুৰ্থতে এই ভাষাটোক জাতিটোৰ মনৰ ভাব প্ৰকাশৰ মাধ্যম হিচাপে অৰ্থাৎ সাহিত্যিক ভাষা হিচাপে গঢ়ি তোলা হয়। শিশু সাহিত্য, সাধুকথা, নাটক, গীত, কবিতা, চুটিগল্প, উপন্যাস লগতে নিবন্ধ, বিশ্লেষণাত্মক লিখনি, দৰ্শন, বিজ্ঞান আৰু ধৰ্মীয় তথা আধ্যাত্মিক বিষয় চৰ্চাৰ ভাষা হিচাপে ইয়াক গঢ়ি তোলা হয়। ক্ৰমে এনে ভাষাটো জনপ্ৰিয় হৈ পৰে। সমাজৰ সকলো স্তৰৰ মানুহে ইয়াক গ্ৰহণ কৰিবলৈ আৰম্ভ কৰে। আৰু চাওঁকে চাওঁতে এনেদৰে গঢ়ি তোলা জাতীয় ভাষা এটা মানুহৰ সাংস্কৃতিক ভাষা হৈ পৰি ভাষাটোৱে প্ৰতিষ্ঠা লাভ কৰে।

এই চাৰিটা প্ৰধান দিশৰ পৰা এই নবীন আধুনিক জাতীয় ভাষাটো পূৰ্বৰ সকলো ভাষাৰূপতকৈ সুকীয়া হয়। ইয়াৰ সামাজিক, ৰাজনৈতিক ভূমিকাও বেলেগ হয় আৰু এই জাতীয় ভাষাটোক কেন্দ্ৰ কৰি আগবাঢ়ে জাতি গঠনৰ প্ৰক্ৰিয়া আৰু ইতিহাস। অসমলৈ খৃষ্টধৰ্ম প্ৰচাৰৰ বাবে অহা এমেৰিকান ব্যাপ্টিষ্ট মিছনৰ মিছনেৰীসকলে ১৮৪৬ টনত (শিৱসাগৰত ছপাশাল বহুৱাই) অসমীয়া ভাষাত অৰুণোদই সংবাদ-পত্ৰ প্ৰকাশ কৰিবলৈ আৰম্ভ কৰে। সেই সময়ৰ পৰাই অসমীয়া আধুনিক ভাষা লিখনৰ কৰ্ম-কাণ্ড আৰম্ভ হয় বুলি ক'ব পৰা যায়। এটা কথা ঠিক যে জন্মলগ্নত এই ভাষাটো ইয়াক প্ৰতিষ্ঠা আৰু গঠন কৰা, এই প্ৰক্ৰিয়াক সমৰ্থন কৰা এমুঠিমান শিক্ষিত মধ্যবিত্ত এলিট লোকৰ, লিখকসকলৰ মাজত সীমাবদ্ধ আছিল। প্ৰথমে মূলতে অৰুণোদই সংবাদ-পত্ৰৰ চৌদিশেই এওঁলোকে সমবেশিত হৈছিল। আনন্দৰাম বৰুৱা, আনন্দৰাম ঢেকীয়াল ফুকন, হেমচন্দ্ৰ বৰুৱা, গুণাভিৰাম বৰুৱা, মণিৰাম দেৱান বৰভাণ্ডাৰ বৰুৱা, কমলাবৰীয়া অধিকাৰ কৃষ্ণকান্ত অধিকাৰ গোস্বামী, স্কুল পৰিদৰ্শক উৎসৱানন্দ গোস্বামী, দুৰ্গাপ্ৰসাদ দত্ত, পূৰ্ণানন্দ ৰাজখোৱা আদি পুলিচ ডাৰোগা, মুন্সী কেফায়ৎ উল্লাৰ দৰে মুন্সীফ সদৰামীন, বহু শিক্ষক-হাকিম, মৌজাদাৰ, চিৰস্তাদাৰ, মহাফেজ, ৰাজ্যখনৰ সত্ৰাধিকাৰ, আঢ্যবন্ত শ্ৰেণীটোৰ ৰাজবিষয়া আদি লোকক সামৰি লৈ এই প্ৰচেষ্টা আৰম্ভ হৈছিল আৰু প্ৰথমে তেওঁলোকৰ মাজতেই সীমাবদ্ধও আছিল। এনেদৰে বৃটিছ উপনিবেশিক প্ৰশাসনৰ লগত জড়িত সমাজৰ আগবঢ়া শ্ৰেণীটোৱে পৃষ্ঠপোষকতা কৰা নতুন আধুনিক অসমীয়া ভাষাটো দেশৰ চাহাব শাসকসকলৰ নজৰলৈ আহিল আৰু পৰিচিত হৈ পৰিল। আৰু এনেদৰে গৈ ই সময়ত চৰকাৰী স্বীকৃতিও লাভ কৰিলেগৈ। তেনেদৰে জন্মলগ্নৰে পৰাই কাকতখনক কেন্দ্ৰ

কৰি আৰম্ভ হোৱা অসমীয়া ভাষাৰ পুনৰ প্ৰতিষ্ঠাৰ প্ৰচেষ্টাৰ মাজেদি অসমীয়া ভাষিক জাতীয়তাবাদৰো সূত্ৰপাত হোৱা বুলি ক'ব পাৰি। ভাষাক কেন্দ্ৰ কৰি অসমীয়া সমাজৰ এলীটসকলৰ সচেতন আৰু ঐক্যবদ্ধ প্ৰচেষ্টাৰে কৰা কামটোৰ পৰাই আধুনিক যুগত অসমীয়া জাতি গঠন-পুনৰ গঠনৰ কামো যেন আগবাঢ়িবলৈ ধৰিলে। বহু ৰাজনৈতিক, সামাজিক, ঐতিহাসিক কাৰণত অসমীয়া ভাষাৰ উজনি-উপ-ভাষাটোকে মূল আধাৰ কৰি গঢ়ি লোৱা নতুন ভাষাটো প্ৰায় পাঁচটা দশকৰ ভিতৰত উজনি, মধ্য, নামনি সকলো অঞ্চলতে সকলো প্ৰচলিত উপ-ভাষাৰ সংমিশ্ৰণ আৰু প্ৰভাৱৰ ফলত মান্যভাষা বুলি ইয়াৰ বৰ্তমানৰ আধুনিক ৰূপটো গ্ৰহণ কৰিলে। অৰুণোদইৰ প্ৰথম ভাষাৰূপটোও সলনি লৈ পৰিল। আৰু নতুন মান্য ভাষাটোত পাঠ্যপুথি, ব্যাকৰণ, অভিধান, বিভিন্ন গ্ৰন্থ আদি প্ৰণয়ন আৰু প্ৰকাশৰ জৰিয়তে এই ভাষা সবল, ব্যাপক আৰু সকলোৰে বাবে গ্ৰহণীয় হৈ পৰিল। এইবাৰ অসমৰ এলীট বৰ্গবোৰেই নহয়, এটা ভাষাৰ প্ৰধান শক্তি, অসমৰ ব্যাপক গাঁও অঞ্চলৰ কৃষক সমাজেও এই সমাজৰ স্বাভাৱিক নেতাসকল যেনে মৌজাদাৰ, গাঁওবুঢ়া, গ্ৰামীণ বিদ্যালয়ৰ শিক্ষক আৰু চৰকাৰী কৰ্মচাৰীসকলৰ নেতৃত্বত এই ভাষাটোক নিজৰ বুলি আপোন কৰি ল'লে। অসমীয়া সমাজৰ মংগোলীয় অমংগোলীয় দুটা প্ৰধান গোট তথা সকলো প্ৰধান সম্প্ৰদায়ৰ লোক আৰু অসমৰ খিলঞ্জীয়া জনজাতীয় গোষ্ঠীৰ আগবঢ়া শিক্ষিত লোকসকলেও এই ভাষাটো নিজৰ বুলি গ্ৰহণ কৰিলে। ব্ৰহ্মপুত্ৰ উপত্যকাৰ অসমীয়া ভাষাৰ স্বাভাৱিক ক্ষেত্ৰত এনেদৰেই এই ভাষাটোৱে এক সৰ্বজনগ্ৰাহ্য সাৰ্বজনীন ৰূপ লাভ কৰিলে। ৰাইজৰ আশা-আকাংক্ষা, সামাজিক, ৰাজনৈতিক সমস্যাবোৰ এই ভাষাৰ দ্বাৰা বিভিন্ন পত্ৰ-পত্ৰিকা আদিত উপস্থাপন হোৱাৰ জৰিয়তে এই নৱ নিৰ্মিত আধুনিক অসমীয়া ভাষা ৰাইজৰ (পাছলৈ ৰাজ্যৰ) কেৱল সাংস্কৃতিৰেই নহয়, সামাজিক, ৰাজনৈতিক ভাষাও হৈ পৰিল।

১৯১৭ চনত পদ্মনাথ গোহাঞিবৰুৱাৰ সভাপতিত্বত জন্ম লাভ কৰা অসম সাহিত্য সভাই জন্মলগ্নৰ পৰাই অসমীয়া ভাষা-সাহিত্যৰ বিকাশ, প্ৰতিষ্ঠা আৰু বিস্তাৰৰ বাবে অহোপুৰুষাৰ্থ কৰি আহিছে। অসমীয়া সৃষ্টিশীল লেখক-সাহিত্যিকসকলৰ গৰিষ্ঠসংখ্যকক সভাই কিছুদিনৰ ভিতৰতেই ইয়াৰ চৌদিশে সমাবেশিত কৰি সাহিত্য সৃষ্টি আৰু ক্ৰমে পাছলৈ অসমীয়া জাতীয়তাবাদী ধ্যান-ধাৰণ সৃষ্টিৰ ক্ষেত্ৰতো এক যোগাত্মক আৰু ঐতিহাসিক ভূমিকা লৈ আহিছে। অসমীয়া সাহিত্যৰ কাণ্ডাৰীসকলে অৰুণোদইৰ পাছত জোনাকী, বিজুলী, ঊষা, বাঁহী, চেতনা, আৱাহন আদি সাহিত্য আলোচনীৰ জৰিয়তেই অসমীয়া ভাষা সাহিত্যৰ নিৰ্মাণৰ কামত ব্ৰতী হৈছিল আৰু এওঁলোকৰ বেছিভাগেই সাহিত্য সভাৰ লগতো যুক্ত আছিল। ১৯১৭ চনত অসম সাহিত্য সভাৰ প্ৰথম অধিৱেশনত অসম সাহিত্য সভাৰ প্ৰথম সভাপতি পদ্মনাথ গোহাঞিবৰুৱাদেৱে যিখন লিখিত অভিভাষণ পাঠ কৰিছিল তাত অসমীয়া এলীট বিদ্বান শ্ৰেণীৰ লোকসকলে গঠন কৰা এই সংগঠনটোৰ দিকদৰ্শন বৰ স্পষ্ট ৰূপত উত্থাপন কৰা হৈছিল। ভাষা, সাহিত্য, জাতীয় চেতনা তথা জাতি গঠনৰ মাজৰ সম্পৰ্কৰ কথা বৰ প্ৰাঞ্জল ভাষাত ইয়াত উপস্থাপন কৰা হৈছিল। এই কামখিনি আমাৰ বাবে আজিও শিক্ষাপ্ৰদ। তাৰে কিছু অংশ ইয়াত উদ্ধৃত কৰাৰ লোভ সম্বৰণ কৰিব নোৱাৰিলো। উদ্দেশ্যৰ ক্ষেত্ৰত এনে স্পষ্টতা সঁচাকৈয়ে বৰ বিৰল। গোহাঞিবৰুৱাই স্পষ্ট ভাৱে কৈছিল—

'কোনো এটা জাতিয়ে জাতীয় চিনাকি দিবলৈ হ'লে সেই জাতীয় ভাষা আৰু সাহিত্যইহে আগ ধৰি সেই চিনাকি দিয়ে।' 'আকৌ ভাষাতকৈ সাহিত্য এখোজ আগ। সেই কাৰণে জাতীয়ত্বৰ চিনাকি দিয়াত জাতীয় সাহিত্য তাতোকৈ এখোজ আগুৱাই যায়।' 'সাহিত্যই জাতীয়ত্বৰ আচল চিনাকি, সাহিত্যই জাতীয়ত্বৰ প্ৰকৃত জীৱন। সাহিত্যৰ অবিহনে কোনো জাতিৰ অস্তিত্ব টিকিবৰ সম্ভাৱনা নাই। যি জাতিৰ সাহিত্য নাই, সেই

জাতিৰ ভাষা দোৱান মাথোন' 'যি জাতিৰ সাহিত্য যেতিয়ালৈকে গঢ় নোলোৱাকৈ থাকে সেই জাতিৰ জাতীয় জীৱন তেতিয়ালৈকে অনিশ্চিত হৈ ৰয়।' ভাষাত শিক্ষিতৰ আধিপত্য নৰজে, ই জনসাধাৰণ সম্পত্তি।' তেখেতে আৰু সতৰ্কবাণী শুনাইছিল—'সাহিত্যৰ ৰচনা কঠিন হ'লে, সি ক্ৰমাৎ জনসাধাৰণৰ ভাষাৰ পৰা নিলগ হৈ যায় আৰু শেহান্তৰত সি তাকৰীয়া পণ্ডিত শ্ৰেণীৰ মাজতহে আৱদ্ধ হৈ ৰয়গৈ। গতিকে তাৰ দ্বাৰা এটা জাতিৰ আটাইবিলাক লোক একগোট হৈ জাতীয় জীৱন সুগঠিত হোৱাত অন্তৰায় ঘটে। সেই কাৰণেই আজিকালি উন্নত জাতিসমূহে জাতীয় সাহিত্যত কোৱা ভাষা আৰু লিখা ভাষাৰ মাজত পাৰ্যমানে ওচৰ সম্বন্ধ ৰাখিবলৈ চায়। যি ভাষাৰ সাহিত্য কোৱা ভাষাৰ পৰা নিলগ হৈ যায়, সেই জাতিৰ জাতীয় জীৱন সিমানে ক্ষীণাবলৈ ধৰে আৰু অন্তত কেতিয়াবা তাৰ অস্তিত্বও লোপ পায়গৈ।' ভাষা এটাৰ জৰিয়তে এটা জাতিৰ আটাইবিলাক লোকক একগোট কৰি জাতীয় জীৱন সুগঠিত কৰাৰ গোহাঞিবৰুৱাৰ ধাৰণা অত্যন্ত অগ্ৰগামী ধাৰণা। ধৰ্ম চৰ্চাৰ ভাষাও তেওঁ জনসাধাৰণৰ ভাষা হোৱাটো তেখেতে বাঞ্ছা কৰিছিল। উদাহৰণস্বৰূপে তেওঁ মাৰ্টিন লুথাৰৰ নেতৃত্বত হোৱা প্ৰটেষ্টাণ্ট আন্দোলনত খৃষ্টধৰ্মৰ গ্ৰন্থবোৰ, বিশেষকৈ বাইবেলখন লেটিনৰ পৰা জনসাধাৰণৰ ভাষালৈ অনাতো আৰু অসমত শ্ৰীমন্ত শঙ্কৰদেৱে বৈষ্ণৱ ধৰ্ম সাধাৰণ মানুহৰ ভাষাত প্ৰকাশ কৰি ধৰ্মকো এক নতুন সঞ্জীৱনী শক্তি প্ৰদান কৰা বুলি উল্লেখ কৰিছে। হিন্দুৰ ধৰ্মগ্ৰন্থবোৰ সংস্কৃতৰপৰা আৰু পৱিত্ৰ কোৰাণ আৰবীৰ পৰা অসমীয়ালৈ তৰ্জনা কৰি ব্যৱহাৰ কৰাৰ তেওঁ পৃষ্ঠপোষকতা কৰিছিল। সাহিত্য বুলিলে তাক কেৱল কাব্যলংকাৰ বা সৃষ্টিশীল সাহিত্যৰ মাজতে সীমাবদ্ধ নাৰাখি তাক বহল কৰি দিয়াৰ বিষয়ে তেখেতে কৈছিল— 'সাহিত্যত এফালে যেনেদৰে কাব্য, উপন্যাস, নাটক আদিৰ বিকাশ, আনফালে তেনেদৰে দৰ্শন, বিজ্ঞান, ইতিহাস, পুৰাতত্ত্ব, মানৱতত্ত্ব ইত্যাদিও প্ৰকাশ পাব লাগে, তেহে সাহিত্য সম্পূৰ্ণ বিকশিত হয়, তেহে ইয়াৰ দ্বাৰা জাতীয় জীৱন সবল হ'ব।'

আজি যদি আমি গোহাঞিবৰুৱাৰ ভাষা-সাহিত্য আৰু জাতীয়তা সম্পৰ্কীয় চিন্তাধাৰাক আধুনিক সমাজ বিজ্ঞানৰ দিশৰপৰা বিশ্লেষণ কৰি চাওঁ তেতিয়া সচাঁকৈয়ে বিস্ময়ত আৰু শ্ৰদ্ধাত আমাৰ মূৰ দো খাই আহে। ইমান প্ৰাঞ্জল, পোনপটীয়া, স্পষ্ট আৰু নিৰ্ভুলভাৱে অসমীয়া জাতীয় ভাষা সাহিত্য গঠনৰ জৰিয়তে জাতি গঠনৰ পথ তেওঁ আজিৰ পৰা এশ বছৰৰ আগতেই যেনেধৰণে নিৰ্দেশ কৰিছিল সি সঁচাই তুলনাহীন। পদ্মনাথ গোহাঞিবৰুৱাৰ এই কথাখিনিয়ে এটা কথা স্পষ্টকৈ দেখুৱাই দিয়ে যে অসমীয়া সাহিত্যিকসকলৰ এখন সন্মিলনী গঠন কৰি অসম সাহিত্য সভাৰ জন্ম দিয়াৰ সেই সময়ছোৱাত ভাষা-সাহিত্যৰ সেই কাণ্ডাৰীসকলৰ মনত অসমীয়া ভাষাৰ বিকাশ আৰু প্ৰতিষ্ঠা, অসমীয়া সাহিত্যৰ বিকাশ আৰু এই বাটেদিয়েই অসমীয়া জাতীয় চেতনাৰ বিকাশ ঘটাই জাতীয়তা গঢ়াৰ স্পষ্ট লক্ষ আৰু কাৰ্যসূচী আছিল। অসম সাহিত্য সভাৰ পৰৱৰ্তী সভাপতিসকলেও অসমৰ ভাষা-সাহিত্যৰ, সমাজ জীৱনৰ বিভিন্ন দিশ আৰু সমস্যা ডাঙি ধৰি সভাক এই দিশলৈকে আগবঢ়াই নিছিল। অসম সাহিত্য সভাই জন্মলগ্নৰ পৰা অসমৰ সমাজ জীৱনৰ বিভিন্ন গুৰুত্বপূৰ্ণ সন্ধিক্ষণত অসম, অসমীয়া ভাষা আৰু জাতিৰ হকে মাত মাতি আহিছে। সমাজ জীৱনত ইয়াৰ ভূমিকা ঐতিহাসিকভাৱে অতি গুৰুত্বপূৰ্ণ বুলি ক'লে বঢ়াই কোৱা নহয়। ভাষাৰ স্বীকৃতিৰ ১৫ টা বছৰৰ ভিতৰতে কলিকতালৈ পঢ়িবলৈ যোৱা এমুঠিমান অসমীয়া ছাত্ৰই নিজৰ ভাষা আৰু সাহিত্যৰ উন্নতি ঘটোৱাৰ সংকল্পৰে অসমীয়া ভাষা উন্নতি সাধিনী সভা গঠন কৰে। পাছত অসমত গঢ়ি উঠা এই অঃ ভাঃ উঃ সাঃ সভাৰ শাখাবোৰ অসম সাহিত্য সভা গঢ়াৰ সময়ত ইয়াৰ লগতে চামিল হৈ পৰিল। ইয়াৰ পাছতেই আৰম্ভ হ'ল অসমীয়া ভাষাত নানান আলোচনীকে ধৰি বিভিন্ন ন ন পুথি প্ৰকাশ আৰু লগতে অসমীয়া প্ৰাচীন সাহিত্যৰ পুনৰুদ্ধাৰ আৰু প্ৰকাশৰ কাম। স্কুলীয়া পাঠ্যপুথিৰ লগতে এই সময়ছোৱাত

ব্যাকৰণ, অভিধান, ধৰ্মগ্ৰন্থ, জীৱনী আদি বিভিন্ন দিশত অসমীয়া সাহিত্যৰ চৰ্চা চলিল। ১৯১৭ চনত অসম সাহিত্য সভা গঠন হোৱাৰ লৈ প্ৰথম সাহিত্যিক লিখকসকলৰ আশাশুধীয়া প্ৰচেষ্টাত আধুনিক অসমীয়া ভাষা-সাহিত্যৰ প্ৰথম সৃষ্টিশীল পৰ্যায়টোৱে পূৰ্ণতা পাইছিল। অসমীয়া ভাষাটো আৰু অসমীয়া সাহিত্যৰ কুমলীয়া পুলিটো তেতিয়ালৈ ক্ৰমান্বয়ে এজুপি সুন্দৰ বৃক্ষ হোৱাৰ বাটত আগবাঢ়িছে। আধুনিক জাতীয় ভাষা, জাতীয় সাহিত্য আৰু জাতীয় চিন্তা সচেতনতা নিৰ্মাণৰ প্ৰথম পৰ্যায় সফলতাৰে সম্পাদন হৈছে। এনে এক সময়ত, যি সময়ত অসমৰ লেখক-সাহিত্যিকৰ সমাজ এখন গঢ় লৈ উঠিছে, তেতিয়া ভাষা-সাহিত্য, জাতীয় চেতনাৰ অধিক শ্ৰীবৃদ্ধি, বিস্তাৰ আৰু গভীৰ কৰি তুলিবৰ বাবে সমাজক এক বৌদ্ধিক নেতৃত্ব প্ৰদান কৰি অসমীয়া জাতি গঠনৰ কাম-কাজ আগবঢ়াই নিবৰ বাবে, সাহিত্যিকসকলৰ এখনি স্থায়ী সন্মিলনী 'অসম সাহিত্য সভা' গঠন হোৱাৰ বাস্তৱ পটভূমিও বোধ হয় প্ৰস্তুত হ'ল। সেয়ে ১৯১৫ চনত যোৰহাটত আৰু তাৰ পাছত ডিব্ৰুগড় আৰু গুৱাহাটীতো অসমৰ সাহিত্যিকসকলক লৈ একোখন ডাঙৰ সাহিত্যৰ সভা হয় আৰু এইদৰে গঢ়ি উঠা জনমতৰ মাজেদি ১৯১৭ চনৰ ছেপ্তেম্বৰ মাহত বেৰিষ্টাৰ তাৰাপ্ৰসাদ চলিহা ডাঙৰীয়াৰ সভাপতিত্বত শিৱসাগৰত অনুষ্ঠিত এখন ৰাজহুৱা সভাত ১৯১৭ চনৰ ডিচেম্বৰ মাহত অসমৰ শিক্ষিত আৰু সাহিত্য অনুৰাগী পুৰুষসকলক নিমন্ত্ৰণ কৰি এখন 'সদৌ অসম সাহিত্য সভা' গঠন কৰিবলৈ প্ৰস্তাৱ লোৱা হ'ল। আজি শতবৰ্ষৰ দুৱাৰ ডলিত বৈ আমি যদি প্ৰশ্ন কৰো যে যোৱা এশটা বছৰে সাহিত্য সভাই কি কৰিলে? অসমীয়া জাতীয় জীৱনলৈ ইয়াৰ অৱদান কি? ইয়াৰ সাহিত্যিক, সামাজিক, ৰাজনৈতিক ভূমিকা কেনে? এই প্ৰশ্ন কেইটাৰ উত্তৰ দিবলৈ চেষ্টা কৰিলে বোধ কৰো তলত দিয়া কথাখিনি ক'ব লাগিব। যোৱা এশটা বছৰত অসম সাহিত্য সভাই অসমীয়া ভাষাটোক এক আধুনিক জাতীয় ভাষা হিচাপে নিৰ্মাণ কৰি উলিওৱাত প্ৰধান ভূমিকা ল'লে। অসমীয়া ভাষাক অসমৰ সাংস্কৃতিক ভূমিখণ্ডত এক উন্নত সুষম, সৰ্বজনগ্ৰাহ্য, মান্য ৰূপ দিলে যি ৰূপত সাৰ্বজনীন শিক্ষা ব্যৱস্থা গঢ়ি তোলাৰ জৰিয়তে ভাষাৰ বহুমাত্ৰিক বিস্তাৰ ঘটাটো সম্ভৱ হ'ল, সম্ভৱ হ'ল এই ভাষাটোত সাহিত্য, জ্ঞান-বিজ্ঞানৰ চৰ্চাৰ। সাহিত্য চৰ্চাৰ। সাহিত্য সভাৰ জন্ম আৰু গঢ় দিয়া সাহিত্য কাণ্ডাৰীসকলে আশাশুধীয়া সাধনা আৰু পৰিশ্ৰমেৰে এই কাম সমাধা কৰিলে। আমি এটা আধুনিক জাতীয় ভাষা পালো।

এই জাতীয় ভাষাটোক কেন্দ্ৰ কৰিয়েই এইবাৰ নিৰ্মাণ হ'ল আমাৰ জাতীয় পৰিচয়। এই ভাষাটোক কেন্দ্ৰ কৰিয়েই এই অঞ্চলত বসবাস কৰা সকলো জাতি, নৃগোষ্ঠী, সম্প্ৰদায়, ধৰ্ম আৰু আনকি সুকীয়া ভাষামূলৰ লোকসকলক সামৰি এক উমৈহতীয়া পৰিচয় 'অসমীয়া' গঢ়ি তোলাত অসম সাহিত্য সভাই এক অনন্য আৰু প্ৰধান ভূমিকা গ্ৰহণ কৰিলে। ভাষাটোক কেন্দ্ৰ কৰি এক জাতি বা জাতিসত্তা গঢ়ি উঠিল। অন্য কথাত ক'বলৈ গ'লে অসমীয়া ভাষাক কেন্দ্ৰ কৰি অসমীয়া জাতি গঠনৰ সমগ্ৰ আধুনিক প্ৰক্ৰিয়াটোত অসম সাহিত্য সভাই এক মুখ্য ভূমিকা গ্ৰহণ কৰিলে। অসমীয়া ভাষাটোক প্ৰতিষ্ঠা কৰাৰ প্ৰয়াসেৰে প্ৰথমতে ইয়াক ৰাজ্যভাষাৰ মৰ্যাদা দিয়াৰ ক্ষেত্ৰত অসম সাহিত্য সভাৰ একক অৱদান আছে। ইয়াৰ পৰৱৰ্তী স্তৰতো অসমীয়া ভাষাক উচ্চশিক্ষাৰ মাধ্যম হিচাপে প্ৰতিষ্ঠা কৰাত সাহিত্য সভাৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। ভাষাটোক বিভিন্ন স্তৰত প্ৰতিষ্ঠা কৰিবলৈ যাওঁতে সামাজিক আৰু ৰাজনৈতিক দিশত সাহিত্য সভা সক্ৰিয় হ'বলগীয়া হৈছে। ইতিহাসৰ নানা ঘাত-প্ৰতিঘাতত অসম সাহিত্য সভাৰ এনে জাতীয়তাবাদী দৰ্শন যে নানান প্ৰত্যাহ্বান, ভাবুকি আৰু বিৰোধীতাৰ সন্মুখীন হোৱা নাই তেনে নহয়। বহু সময়ত সভাৰ ভিতৰতো ইয়াৰ বিৰোধিতা হয়তো হৈছে। কিন্তু এনে সকলোধৰণৰ প্ৰৰোচনা আৰু আক্ৰমণৰ সমুখতো অসম সাহিত্য সভাই কেতিয়াবা হয়তো কিছু ভুল ভ্ৰান্তি

হ'লেও কোনোদিনেই আনুষ্ঠানিকভাৱে ইয়াৰ প্ৰতিষ্ঠাপক পিতৃপুৰুষসকলে দেখুৱাই যোৱা উদাৰনৈতিক, গণতান্ত্ৰিক, অসাম্প্ৰদায়িক আৰু ধৰ্ম নিৰপেক্ষ লক্ষ্যৰ পৰা বিচ্যুত হোৱা নাই। ইয়ে সাহিত্য সভাৰ এক অন্যতম প্ৰধান শক্তি আৰু ভৱিষ্যতৰ বাবেও নিৰ্ভুল দিকদৰ্শন। অসম সাহিত্য সভা এক জাতীয় ভাষা, জাতীয় সাহিত্য, জাতীয় সংস্কৃতি, জাতীয় মনন আৰু জাতীয় চেতনাৰ লগত জড়িত এটা জাতীয় সংগঠন। বিকশিত জাতি এটাৰ মাজত যিহেতু বিভিন্ন ৰাজনৈতিক মতাদৰ্শৰ লোক থাকে আৰু এনে লোকসকল বিভিন্ন ৰাজনৈতিক দলতো থাকে, গতিকে সাহিত্য সভাৰ মজিয়াখন দলগত ৰাজনীতিৰ উৰ্দ্ধত ৰখা হৈছে যাতে বিভিন্ন ৰাজনৈতিক মতাদৰ্শৰ লোকে ভাষা-সাহিত্য-সংস্কৃতি আৰু জাতীয় স্বাৰ্থত একেলগে কাম কৰিব পাৰে। গতিকে যোৱা এশ বছৰত সাহিত্য সভাই কি দিলে, কি সামাজিক ভূমিকা পালন কৰিলে এনেবোৰ প্ৰশ্নৰ উত্তৰত ক'ব লাগিব যে সাহিত্য সভাৰ কাম-কাজ আৰু ভূমিকাৰ বাবে আমি এক জাতীয় ভাষা লাভ কৰিলো, জাতীয় সাহিত্য পালো, এক জাতীয় পৰিচয় লাভ কৰি পৃথিৱীৰ বুকুত অসমীয়া বুলি সৰ্গবে পৰিচয় দিব পৰা হলো। অসম সাহিত্য সভাৰ যিটো আৰম্ভণী গীত তাৰ প্ৰথম শাৰীটো হ'ল- 'চিৰ চেনেহী মোৰ ভাষা জননী।' ইয়াত মোৰ বুলি কোৱা এই মইটো কোন? এই মই হ'ল অসমীয়া জাতিৰ সদস্য অসমীয়া এজন ব্যক্তি। তেওঁ আপুনিও হ'ব পাৰে। ময়ো হ'ব পাৰো, সমবেত ৰাইজৰ প্ৰতিজনেই হ'ব পাৰে। এই অসমীয়া 'মই' জন ক'ৰ পৰা জন্ম পালে? জনম পালে চিৰ চেনেহী ভাষা মাতৃৰ পৰা— ভাষা জননীৰ পৰা। এই ভাষা মাতৃ হ'ল অসমীয়া ভাষা। অসমীয়া ভাষাই আমাক অসমীয়া হিচাপে জনম দিলে। অসমীয়া জাতিৰ সদস্য হিচাপে পৰিচয় দিলে। আমি জন্ম পাইছো অসমীয়া ভাষাৰ পৰা। এই ভাষায়ে আমাক বাক, প্ৰাণ, মন আৰু স্থিতি সকলো দিছে। এয়েই হ'ল সাহিত্য সভাৰো মহত্তম অৱদান। প্ৰথম এশটা বছৰত অসম সাহিত্য সভাই গঢ়ি উঠাত সহায় কৰা অসমীয়া ভাষা, সাহিত্য, সংস্কৃতিক অধিক শক্তিশালী, অধিক সমৃদ্ধিশালী হিচাপে গঢ়ি তোলাৰ লগতে অসমীয়া জাতিটো এক লেখত ল'বলগীয়া, উন্নত, সভ্য আৰু শক্তিমন্ত জাতি হিচাপে গঢ়ি তোলাৰ বাট দেখুৱাব পাৰিব লাগিব। বহল অৰ্থত এয়া অসম সাহিত্য সভাৰ সমুখত এক আৱশ্যকীয় কৰণীয় কাম। এই কাম সম্পাদন কৰিবলৈ হ'লে অসম সাহিত্য সভাই ইয়াৰ সকলো দুৱাৰ-খিৰিকি খুলি দি, মন চিন্তা কাম-কাজ সকলো বহল মনৰে, উদাৰভাৱে, লক্ষ্য আৰু আদৰ্শত অবিচলিত হৈ পালন কৰিব লাগিব।

এইখিনিতেই হয়তো আমি অসমীয়া ভাষাক আধাৰ কৰি অসমীয়া জাতি গঠন প্ৰক্ৰিয়াৰ কিছু ৰূপৰেখা বিশ্লেষণ কৰি চাবলৈ চেষ্টা কৰাতো ভাল হ'ব যাতে ভৱিষ্যত দিকদৰ্শনৰ ক্ষেত্ৰত আমি কিছুমান প্ৰয়োজনীয় শিক্ষা গ্ৰহণ কৰিব পাৰো। আধুনিক অসমীয়া জাতীয় ভাষা গঠনৰ জৰিয়তে অসমৰ ঐতিহাসিক সাংস্কৃতিক ক্ষেত্ৰত এক নতুন জাগৰণ আৰু ঐক্যৰ বান্ধোন প্ৰতিষ্ঠা কৰাৰ জৰিয়তেই আধুনিক অৰ্থত অসমীয়া জাতি গঠনৰ প্ৰক্ৰিয়াৰো আৰম্ভণি হয়। এই জাতীয় ভাষাটোৱে সমাজৰ সকলো উপাদানক গোট-পিট খুৱাই এক ঐতিহাসিক পৰিচয় প্ৰদানেৰে জাতি গঠনৰ প্ৰক্ৰিয়া আগবঢ়াই নিছিল। অসমত অসমীয়া জাতি গঠনৰ ঐতিহাসিক ৰূপৰেখালৈ যদি আমি লক্ষ্য কৰো তেনেহ'লে আমি কেতবোৰ অতি গুৰুত্বপূৰ্ণ ঐতিহাসিক শিক্ষা লাভ কৰোহক। এই শিক্ষাবোৰে আমাক নিৰ্ভুলভাৱে ভৱিষ্যতলৈকো পথ নিৰ্দেশ কৰে। অসমত আধুনিক যুগৰ উন্মেষ ঘটা বুলি কোৱা হয় ১৮২৬ চনত ইয়াণ্ডাবু চুক্তিৰ ফলত অসমত বৃটিছ উপনিবেশিক শাসন প্ৰতিষ্ঠা হোৱাৰ লগে লগে। সেই সময়ত অসমীয়া মানুহ আৰু অসমীয়া ভাষাৰ অৱস্থা কেনে আছিল আমি এবাৰ চকু ফুৰাই চোৱাটো ভাল হ'ব। মোৱামৰীয়া গণ অভ্যুত্থানৰ দীঘলীয়া গৃহযুদ্ধৰ কালচোৱা আৰু তাৰ কিছুদিন পাছতেই হোৱা বিদেশী মানৰ আক্ৰমণত আৰু সেই সময়ত হোৱা মাৰি-

মৰক, দুৰ্ভিক্ষ আদিত অসমৰ জনসমাদ থান-বান হৈ পৰিছিল। বহু মানুহৰ মৃত্যু হৈছিল, বহুত দিহিঙে-দিপাঙে পলাই গৈছিল আৰু বহুলোকক মানসকলে ধৰি নিছিল। অনুমান কৰা হৈছে যে সেই সময়ছোৱাত চৌদিশৰ পাহাৰ অঞ্চলকে ধৰি অসমৰ জনসংখ্যা কুৰি লাখ আৰু ব্ৰহ্মপুত্ৰ উপত্যকাৰ জনসংখ্যাৰ পোন্ধৰ লাখ মানহে আছিল। ব্ৰহ্মপুত্ৰ উপত্যকাৰ এই পোন্ধৰ লাখ জনসংখ্যাৰ ভিতৰত অসমীয়া ভাষাই আছিল প্ৰধান ভাষা। এই ভাষাত এটা লিখিত সাহিত্যৰ এক শক্তিশালী ঐতিহ্য আৰু পৰম্পৰা আছিল যদিও এক সুষম সাৰ্বজনীন ভাষা তেতিয়া নাছিল। থকাতোও সম্ভৱপৰ নহয়। কাৰণ সেই সময়ত অসমীয়া ভাষাৰ আধুনিক সাৰ্বজনীন ৰূপটো নিৰ্মাণ হৈ উঠাই নাই আৰু ই এক সাৰ্বজনীন শিক্ষা ব্যৱস্থাৰ জৰিয়তে শিক্ষাৰ মাধ্যম হিচাপে সমাজত বহলকৈ আৰু দকৈ শিপাই পৰিব পৰা নাই। সমাজত তেতিয়া আনুষ্ঠানিক শিক্ষা ব্যৱস্থাও নাই। তদুপৰি অসমৰ বহল জনজাতীয় সমাজখনৰ গৰিষ্ঠ সংখ্যক মানুহে কিন্তু অসমীয়া ভাষা ব্যৱহাৰ নকৰিছিল। বহু পাছৰ কালত শিক্ষাৰ বিস্তাৰৰ পাছৰ পৰাহে জনজাতীয় সমাজৰ মাজত অসমীয়া ভাষাৰ ব্যৱহাৰ বাঢ়ি আছিল। সেই সময়ত অসমীয়া ভাষীৰ সংখ্যা ১৫-২০ লাখৰ বেছি নহয়। আজি অসমীয়া ভাষাৰ অৱস্থা তেনে নহয়। পৃথিৱীৰ তিনিশ মান প্ৰধান ভাষাৰ ভিতৰত অসমীয়া ভাষা হ'ল ৫৭ তম বৃহত্তম ভাষা আৰু এই ভাষা কোৱা বা ব্যৱহাৰ কৰা মানুহৰ সংখ্যা আঢ়ৈৰ পৰা তিনি কোটিৰ ভিতৰত। পৃথিৱীৰ বাঢ়ি অহা ভাষাবোৰৰ ভিতৰত অসমীয়া ভাষাও অন্যতম। অসমীয়া ভাষা ইউৰোপৰ হাংগেৰীয়, চেক, টুইডিছ, ডেনিছ, বুলগেৰীয়, বেলাৰুচ, ইউৰাইলৰ হিব্ৰু ভাষা, আমাৰ চুবুৰীয়া শ্ৰীলংকাৰ চিনহালা ভাষাতকৈ ডাঙৰ ভাষা। ভাষাৰ স্থান নিৰ্ণয় কৰা হয় ভাষাটো কোৱা, ক'ব পৰা মানুহৰ সংখ্যাৰ ওপৰত নিৰ্ভৰ কৰিহে, কিমান মানুহৰ ই মাতৃভাষা তাৰ ওপৰত নহয়। গতিকে ভাষা আৰু মাতৃভাষা সম্পৰ্কে আমাৰ চিৰাচৰিত ধাৰণাবোৰ এবাৰ নতুনকৈ পৰীক্ষা কৰি চাব লগা হৈছে। অসম সাহিত্য সভাৰ দৰে ভাষা সাহিত্যৰ এটা জাতীয় অনুষ্ঠানৰ দায়িত্ব যে অসমীয়া ভাষা কোৱা আৰু ব্যৱহাৰ কৰা এই বিশাল সমাজখনৰ মাজত ঐক্য আৰু মৈত্ৰীবন্দন সুদৃঢ় কৰা আৰু এনেদৰেই অসমীয়া ভাষা আৰু সাহিত্যৰ বিকাশ আৰু বিস্তাৰৰ ক্ষেত্ৰ প্ৰস্তুত কৰা। ইয়াৰ লগতে আন এটা গুৰুত্বপূৰ্ণ কথা হ'ল যে আধুনিক জাতি এটাৰ গঠন আৰু শ্ৰীবৃদ্ধি যিহেতু এটা আধুনিক জাতীয় ভাষাক কেন্দ্ৰ কৰি, এই ভাষা গ্ৰহণৰ জৰিয়তেই মূলতে সম্পাদন হয়, গতিকে বৰ্তমান আৰু ভৱিষ্যতে অসমীয়া জাতি গঠনৰ প্ৰক্ৰিয়াটো আগবঢ়াই নিয়াৰো স্বাভাৱিক ক্ষেত্ৰ এইখনেই। এই দিশটোত সাহিত্য সভাই সদায় মনত ৰখাতো উচিত হ'ব। এই বিষয়ে অধিক আলোচনা কৰাৰ আগতে অসমীয়া ভাষাৰ আৰু জাতিৰ শ্ৰীবৃদ্ধিৰ আন এটা কথা এইখিনিতে উত্থাপন কৰিব খুজিছো। অসমত উপনিৱেশিক যুগৰ সূত্ৰপাত হোৱাৰ সময়ত অসমত অসমীয়া মানুহৰ আৰু অসমীয়া ভাষাৰ অৱস্থাৰ কথা উত্থাপন কৰি অহা হৈছেই। এইটো কথা ঠিক যে সেই এমুঠিমান অসমীয়া ভাষী লোকৰ পৰা স্বাভাৱিক জৈৱিক বংশবৃদ্ধিৰ প্ৰক্ৰিয়াৰে আজিৰ ইমান বৃহৎ অসমীয়া ভাষা জনা আৰু ক'ব পৰা লোকৰ সমাজখন গঠিত হ'ব নোৱাৰে। এই কাম সম্পাদন হ'ল বেলেগ এটা প্ৰক্ৰিয়াৰে। নানান ঐতিহাসিক আৰু সামাজিক-ৰাজনৈতিক কাৰণত বহু যুগৰে পৰা অসমৰ ভূখণ্ডলৈ চামে চামে বাহিৰৰ পৰা মানুহৰ প্ৰব্ৰজন ঘটিছে। এনে প্ৰব্ৰজনৰ ভিতৰত পূৰ্বৰ বংগ এলেকাৰ পৰা অহা ইছলামধৰ্মী খেতিয়কসকল, দেশ বিভাজনৰ সময়ত অহা হিন্দু মুছলমান দুয়োটা ধৰ্মৰে শৰণাৰ্থীসকল, উপনিৱেশিক যুগত চাহ খেতি তথা আন কাম-কাজৰ বাবে অনা ভাৰতৰ বিভিন্ন প্ৰান্তৰ বিভিন্ন আদিবাসী গোষ্ঠীৰ চাহ বনুৱাসকল, চুবুৰীয়া দেশ নেপালৰ পৰা অহা নেপালীসকল আৰু ভাৰতৰ বিভিন্ন প্ৰদেশৰ পৰা জীৱন-জীৱিকা আৰু ব্যৱসায়ৰ তাগিদাত আহি ইয়াত নিগাজীকৈ বসবাস কৰা ৰাজস্থানী, বিহাৰী,

বাঙালী, উত্তৰ প্ৰদেশ আৰু অন্যান্য প্ৰদেশৰ লোকসকল। ইয়াৰ উপৰিও উত্তৰ পূবৰ চুবুৰীয়া ৰাজ্যখনৰ বহু লোক অসমত অতীজৰ পৰা নিগাজীকৈ বা প্ৰব্ৰজন কৰি আহি বসবাস কৰিছেহি। এনে প্ৰব্ৰজনকাৰী লোকসকলৰ বৃহৎ অংশই অসমীয়া ভাষাক সম্পূৰ্ণভাৱে অৰ্থাৎ প্ৰথম ভাষা হিচাপে গ্ৰহণ কৰিছে আৰু এক বৃহৎসংখ্যক লোকে দ্বিতীয় ভাষা, তৃতীয় ভাষা হিচাপে গ্ৰহণ কৰিছে। এই সকলো লোকেই অসমীয়া ভাষাটোৰ অংশীদাৰী হোৱাৰ যোগেদি অসমীয়া জাতিৰো সদস্য হোৱাৰ বাটত অগ্ৰসৰ হৈছে। এই সকলো লোককে লৈ অসমীয়া জাতি গঢ় লৈ উঠিব পাৰে, বাঢ়িব পাৰে আৰু শক্তিশালী হ'ব পাৰে। মন কৰিবলগীয়া যে এজন লোকে ফৰাচী নাগৰিকত্ব লৈ ফৰাচী জাতিৰ অন্তৰ্গত হ'বলৈ প্ৰথমে বাধ্যতামূলকভাৱে ফৰাচী ভাষা গ্ৰহণ কৰিবলগীয়া হয়। তেনেদৰে এমেৰিকান নাগৰিকত্ব লৈ এমেৰিকান জাতিৰ অংশীদাৰ হ'বলৈ বাধ্যতামূলকভাৱে ইংৰাজী ভাষা গ্ৰহণ কৰিব লাগে। ভাষা জাতিয়ত্বাৰ প্ৰথম সোপান। ভৱিষ্যতেও অসমীয়া জাতিৰ কথা ভাবিলে আমি ভাষাৰ বাহিৰে অন্য আধাৰ গ্ৰহণ কৰিব নোৱাৰো। এজন মানুহ যি ভাষামূলক নহওক, যি ধৰ্মমতৰে নহওঁক, যি নৃগোষ্ঠীগত উৎসৰে নহওঁক যি ঠাইৰেই নহওঁক কিয় অসমত অসমীয়া ভাষাক যদি তেওঁ প্ৰথম, দ্বিতীয় বা তৃতীয় ভাষা হিচাপেও আন্তৰিকতাৰে গ্ৰহণ কৰে তেৱেঁই হ'ল অসমীয়া, অসমীয়া জাতিৰ সদস্য আৰু অবিচ্ছেদ্য অংগ। অসমীয়া পৰিচয় অসমীয়া জাতিৰ আধাৰ, ভাষাহে হ'ব লাগিব, ধৰ্ম নহয়। অসমীয়া ভাষা আৰু জাতি গঠন কৰাৰ বেলিকা পূৰ্ববংগ এলেকাৰ পৰা প্ৰব্ৰজন কৰা লোকসকলে ঐতিহাসিকভাৱে এটা গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। এই লোকসকলে এই অঞ্চললৈ অহাৰ পাছত নিজৰ শিক্ষা, কাম-কাজ, ভাৱ প্ৰকাশৰ ভাষা হিচাপে সাহিত্য কৰ্মত, অসমীয়া ভাষাক গ্ৰহণ কৰি আহিছে। এওঁলোকৰ মাতৃভাষা অসমীয়া নাছিল, আছিলে বাংলাৰ বিভিন্ন উপ-ভাষাহে। আজি এই ভাষা মূলতে ঘৰুৱা পৰ্যায়তহে চলি আছে তাৰ বাহিৰে জীৱনৰ সকলো ক্ষেত্ৰতে তেওঁলোক অসমীয়া ভাষাকেই নিৰহ-নিপীনকৈ গ্ৰহণ কৰিছে। ভাষা পৰিৱৰ্তনৰ এনে উদাহৰণ পৃথিৱীত বিৰল। এতিয়া যদি এই লোকসকলক নিজৰ মাজত কথিত ভাষা ব্যৱহাৰ কৰাৰ বাবে নাইবা ধৰ্মীয় আৰু সাম্প্ৰদায়িক দিশৰ পৰা যধে-মধে বাংলাদেশী বুলি কোৱা হয় বা তেনে এখন লেবেল মাৰি অপমানিত কৰা হয় তেতিয়া হ'লে অসমীয়া ভাষাৰ শ্ৰীবৃদ্ধি স্থবিৰ হৈ পৰিব আৰু ইয়াৰ ঋণাত্মক প্ৰভাৱ অসমীয়া ভাষাক নিজৰ বুলি গ্ৰহণ কৰা অন্যান্য জনগোষ্ঠী বা সম্প্ৰদায়সমূহৰ ওপৰতো পৰিব। এই মানুহখিনিয়ে অসমীয়া ভাষা ব্যৱহাৰৰ দ্বাৰা এই ভাষাটোৰ মালিকীস্বত্বও যে লাভ কৰিছে সেই কথা আমি দৃষ্টিৰ আঁৰ হ'বলৈ দিব নালাগিব। অসমীয়া ভাষা কেৱল ভাষিক অসমীয়াৰ সম্পত্তি নহয়। ই এই ভাষা ব্যৱহাৰ কৰা সকলো মানুহৰে উমৈহতীয়া সম্পত্তি।

আমি এই কথাটো জানো যে অসমৰ জাতীয় জীৱনত সাম্প্ৰদায়িক আৰু সংকীৰ্ণ চিন্তাৰ বীজ নথকা নহয়। বাহিৰৰ পৰাও কিছুমান ধৰ্মীয় সাম্প্ৰদায়িক শক্তিয়ে অসমৰ হিন্দু-মুছলমান দুয়োখন সমাজৰ মাজত নিজা নিজা সংকীৰ্ণ স্বাৰ্থত ধৰ্মীয় সাম্প্ৰদায়িক বিভেদকামী চিন্তাৰ সূত্ৰপাত ঘটাবলৈ প্ৰচেষ্টা নকৰা নহয়। সমগ্ৰ অসমবাসীয়ে অসমীয়া ভাষা-সাহিত্য আৰু পৰিচয়ৰ স্বাৰ্থত, শান্তিৰ স্বাৰ্থত এনে চিন্তা এনে প্ৰচেষ্টাক দৃঢ়ভাৱে প্ৰতিহত কৰিব পাৰিবই লাগিব। অসমতো আধুনিক অসমীয়া জাতীয় ভাষাটো অসমীয়া জাতীয় সমাজৰ এটা গোটে ভাবে ভাষিক অসমীয়াৰহে মাতৃভাষা। এওঁলোকৰ মাতৃভাষা আৰু জাতীয় ভাষা একে। কিন্তু আধুনিক অসমীয়া ভাষাটোক কেন্দ্ৰ কৰি জাতীয় সমাজ গঢ়ি তোলাৰ প্ৰক্ৰিয়াটোত এই ভাষাক গ্ৰহণ কৰি অসমীয়া জাতিৰ অংশীদাৰ হৈ পৰা আন জনজাতীয় আৰু অজন-জাতীয় সকলো লোকৰেই মাতৃভাষা বেলেগ। অসমীয়া জাতীয় ভাষাটো তেওঁলোকৰ বাবে দ্বিতীয় বা তৃতীয় ভাষা। তেওঁলোকৰ

নিজৰ মাতৃভাষা অটুত থাকিব পাৰে আৰু এইবোৰ ভাষা সমাজখনত ব্যৱহাৰো হ'ব পাৰে। অসমত এনে হৈছে। অসমীয়া জাতীয় জীৱনক ৰূপ দিয়া আধুনিক অসমীয়া ভাষাটো অসমৰ বড়ো, ৰাভা, মিচিং, কাৰবি, তিৱাকে ধৰি সকলে জনজাতীয় লোকৰ উমৈহতীয়া জাতীয় ভাষা। তেনেদৰে ই অসমত বসবাস কৰা পূৰ্ববংগীয় মূলৰ মুছলিম কৃষকসকলৰ, চাহ বাগিছালৈ কাম কৰিবলৈ অহা আদিবাসী গোষ্ঠীবোৰৰ, অসমত বসবাস কৰা বাঙালী, নেপালী, হিন্দুস্থানী, চুবুৰীয়া ৰাজ্যৰ লোক সকলোৰে উমৈহতীয়া জাতীয় ভাষা। এই ভাষাৰ সাহিত্য সকলোৰে উমৈহতীয়া সম্পত্তি। সেয়ে আমি অসমীয়া ভাষাৰ ক্ষেত্ৰত মাতৃভাষা এই শব্দটো ব্যৱহাৰ কৰোতে বৰ সাবধান হ'ব লাগিব। অসমীয়া ভাষা আৰু মাতৃভাষা এই দুটা সমাৰ্থক কৰি পেলাব নালাগিব। অসমীয়া জাতীয় সমাজৰ বা জাতিৰ অংশীদাৰ হ'বলৈ মাতৃভাষা অসমীয়াই হ'ব লাগিব এনে অৰ্থ যাতে ভ্ৰান্ত আবেগৰ আতিশয্যত আমি নকও। আমি বুজিব লাগিব যে অসমীয়া ভাষা যিসকলৰ মাতৃভাষা তেওঁলোক যেনেদৰে অসমীয়া জাতিৰ অংশ তেনেদৰে আধুনিক অসমীয়া ভাষাটোক গ্ৰহণ কৰা অন্য মাতৃভাষা থকা জনজাতীয় অ-জনজাতীয় সকলোৰেই অসমীয়া জাতিৰ অংশ। অসমীয়া ভাষাৰ উন্মেষ পৰ্ব্বত হয়তো অসমীয়া ভাষা আৰু মাতৃভাষা সমাৰ্থক আছিল, কিন্তু যি সময়ৰ পৰা অসমীয়া ভাষাই সকলোকে সামৰি লৈ এক আধুনিক জাতীয় ভাষা হিচাপে গঢ়লৈ উঠিল, তেতিয়া তাৰ অৰ্থ আৰু তাৎপৰ্য্য ওপৰত কৈ অহাৰ ধৰণে সলনি হৈ গ'ল। অসমীয়া ভাষা বুলিলে আমি আজি বুজো সকলো লোকৰে উমৈহতীয়া সম্পত্তি স্বৰূপ আধুনিক অসমীয়া জাতীয় ভাষাটোকহে। অসমীয়া ভাষা, সাহিত্য জাতীয় চেতনা আৰু জাতীয়তা গঠন সম্পৰ্কীয় ইমানখিনি কথা আলোচনা কৰাৰ প্ৰধান উদ্দেশ্য হ'ল অসমীয়া জাতীয় জীৱনৰ এই ঐতিহাসিক অভিজ্ঞতাক আধাৰ কৰি আমি যাতে আমাৰ ভৱিষ্যতৰ কৰ্তব্য নিৰ্ণয় কৰি কৰ্ম আঁচনি গ্ৰহণ কৰিব পাৰোহক। সাহিত্য সভাৰ দৰে মহতী জাতীয় অনুষ্ঠানে এনেদৰেই ভৱিষ্যতৰ দিকদৰ্শন নিৰ্ণয় কৰিব লাগিব। সভাই যিখিনি কাম কৰিবলৈ হাতত লোৱাতো উচিত তাৰ এখনি তালিকা ইয়াত দিয়া হৈছে। ইয়াৰ বহুতো কাম যে সভাই ইতিমধ্যে কৰা নাই তেনে নহয়, এতিয়া শতবৰ্ষৰ মুহূৰ্তত এই কামসমূহ আৰু পৰিকল্পিতভাৱে কৰা ভাল। এটা কথা এইখিনিতে বিনয়েৰে ক'ব খোজো যে এই উল্লেখ কৰা কথাখিনিয়েই কৰিবলগীয়া একমাত্ৰ কাম নহয়। ই মোৰ সীমিত বিচাৰ-বুদ্ধিৰে আগবঢ়োৱা এখন প্ৰাথমিক প্ৰস্তাৱ মাথো, যাৰ সহায়ত কাম আৰম্ভ কৰিব পৰা যায়। স্বাভাৱিকতে সুধীসকলৰ পৰামৰ্শত ইয়াৰ সংযোজন, বিয়োজন, সংবৰ্ধন ঘটি ই পূৰ্ণাংগ ৰূপ পাব পাৰে। এই কামখিনি মই সভাপতি হৈ থকা দুবছৰীয়া কাৰ্য্যকালতেই যে হ'ব বা কৰিব লাগিব তেনে নহয়। এই কামখিনি এক জাতীয় আঁচনিৰ অংশহে। এক দুবছৰত ইয়াৰ দুই তিনিটামান কাম আৰম্ভ কৰিব পাৰিলেও মোৰ কাম সফল হোৱা বুলি ধৰিম।

১. **অসমীয়া ভাষা ঃ** এবছৰৰ ভিতৰত গণ উদ্যোগেৰে অসমীয়া ভাষা চৰকাৰী কাম-কাজ আৰু কাৰ্যালয়ত ব্যৱহাৰ হোৱাতো নিশ্চিত কৰা। ঃ আলাপ-আলোচনাৰ মাধ্যমেৰে ইংৰাজী মাধ্যমৰ বিদ্যালয়সমূহত অসমীয়া ভাষা শিক্ষাৰ ব্যৱস্থা প্ৰৱৰ্তনৰ বাবে উদ্যোগ গ্ৰহণ কৰা। ঃ অসমীয়া ভাষা নজনা সকলো লোককে এই ভাষা শিকাবৰ বাবে দূৰ সংযোগ পাঠ্যক্ৰম সংসদৰ কাম-কাজৰ বিস্তাৰ ঘটোৱা, শিক্ষা কেন্দ্ৰ স্থাপন কৰা আৰু লগে লগে অসমীয়া ভাষীসকলকো স্থানীয় জনজাতীয় ভাষা শিকোৱাৰ ব্যৱস্থা সম্প্ৰসাৰণ ঘটোৱা। আনকি আধুনিক ম'বাইলফোন যোগেও ভাষা শিক্ষাৰ ব্যৱস্থা কৰা। ঃ অসমীয়া ভাষাত সকলো বিষয়ৰ পৰিভাষা প্ৰস্তুত কৰিবলৈ এক দীৰ্ঘম্যাদী আঁচনি গ্ৰহণ কৰা। বৰ্তমান সময়ত এনে একত্ৰিত পৰিভাষাকোষ অতি প্ৰয়োজনীয় হৈ পৰিছে আৰু আমি ইয়াক এক জাতীয় দায়িত্ব হিচাপে গ্ৰহণ কৰা উচিত। এই ক্ষেত্ৰত ৰাষ্ট্ৰীয় হিন্দী সংস্থানৰ

দ্বাৰা প্ৰকাশিত হিন্দী পৰিভাষা কোষ আমাৰ আৰ্হি হ'ব পাৰে।

২. **অসমীয়া সাহিত্য ঃ** অসম সাহিত্য সভাই অসমীয়া ভাষাত বিভিন্ন বিষয়ৰ গ্ৰন্থ প্ৰকাশ কৰা আৰু এই গ্ৰন্থক ৰাইজৰ ওচৰলৈ লৈ যোৱা আৰু জনপ্ৰিয় কৰাৰ পদক্ষেপ হিচাপে সাহিত্য সভাৰ শাখা সভাসমূহৰ জৰিয়তে ক্ষুদ্ৰ গ্ৰন্থমেলা অনুষ্ঠিত কৰাৰ কাৰ্যসূচী গ্ৰহণ কৰা। ঃ বিশ্ব সাহিত্যৰ অনুবাদৰ জৰিয়তে অসমীয়া সাহিত্যৰ সমৃদ্ধি ঘটোৱাৰ কাৰ্যসূচী গ্ৰহণ কৰা। (এই বিষয়টো সুকীয়াকৈ আলোচনা কৰা হৈছে।) ঃ শিশু আৰু লগতে বিশেষকৈ কিশোৰ সাহিত্যৰ বিকাশ আৰু প্ৰসাৰৰ ক্ষেত্ৰত আমি সৰ্বাধিক গুৰুত্ব প্ৰদান কৰিব লাগিব। এইটো এটা জাতীয় কৰ্তব্য। ঃ অসমীয়া গ্ৰন্থ আৰু সাহিত্যিক যাতে অত্যাধুনিক প্ৰযুক্তিৰ মাধ্যমত উপলব্ধ কৰাব পৰা যায় তাৰ বাবে ই গ্ৰন্থ, এনে গ্ৰন্থৰ প্ৰণয়ন আৰু বিপণন; ফেচবুক আদি সামাজিক মাধ্যমৰ ব্যৱহাৰৰ পথ প্ৰশস্ত কৰি আমি উলিয়াব লাগিব। ঃ সাহিত্য সৃষ্টিত উদ্‌গনি দিবৰ বাবে বিভিন্ন বিষয়ৰ গ্ৰন্থ প্ৰণয়নৰ বাবে লেখকসকলক অনুপ্ৰাণিত কৰা, বৌদ্ধিক, আৰ্থিক দিশত সহায় আগবঢ়োৱা আৰু তেনে গ্ৰন্থ প্ৰকাশৰ ব্যৱস্থা কৰা, তাৰ জনপ্ৰিয় কৰাৰ ক্ষেত্ৰত প্ৰয়োজনীয় মঞ্চ তৈয়াৰ কৰা। ঃ স্তিমিত হৈ পৰা অসমীয়া সাহিত্যৰ বিশ্বকোষ আন্দোলনক পুনৰ নতুন উদ্যমেৰে আগবঢ়াই লৈ যোৱা। এতিয়ালৈকে প্ৰকাশিত কিন্তু শেষ হৈ যোৱা বিস্বকোষৰ খণ্ডবোৰ পুনৰ প্ৰকাশ কৰাৰ ব্যৱস্থা কৰা আৰু নতুন নতুন বিষয়ৰ ওপৰত বিশ্বকোষ প্ৰণয়নৰ ব্যৱস্থা গ্ৰহণ কৰা। ঃ অসমৰ যুৱ প্ৰজন্মৰ লেখক-সাহিত্যিকসকলক লৈ অসমৰ বিভিন্ন স্থানত সৃষ্টিশীল লেখনিৰ ক্ষেত্ৰত বৈজ্ঞানিক প্ৰশিক্ষণ দিয়াৰ বাবে প্ৰশিক্ষণ শিবিৰ, কৰ্মশালা আদিৰ আয়োজন কৰা আৰু যুৱ প্ৰজন্মক লৈ সাহিত্য উৎসৱৰ আয়োজন কৰা। এইবোৰৰ উদ্দেশ্য হ'ব আধুনিক কালত সাহিত্য সৃষ্টিৰ বাবে নৱপ্ৰজন্মৰ লেখকসকলক বিশ্বৰ আগবঢ়া চিন্তা-ভাৱনাৰ লগত চিনাকি কৰি উন্নত সাহিত্য সৃষ্টিৰ বাবে সমৰ্থবান কৰি তোলা।

৩. **অসমীয়া জাতীয় জীৱনৰ শ্ৰীবৃদ্ধি আৰু সমৃদ্ধকৰণ ঃ** উপযুক্ত পৰিৱেশ গঠনৰ প্ৰথম কাম হিচাপে অসম সাহিত্য সভাই দৃঢ়ভাৱে গণতান্ত্ৰিক, উদাৰনৈতিক, অসাম্প্ৰদায়িক আৰু ধৰ্মনিৰপেক্ষ আদৰ্শক সাৱোগত কৰি আগবাঢ়িব লাগিব। অসমীয়া সমাজৰ মাজত কোনো অপশক্তিয়ে যাতে হিন্দু-মুছলমান সাম্প্ৰদায়িক বিভেদ সৃষ্টি কৰি অসমীয়া বান্ধ চ্ছিন্ন কৰিব নোৱাৰে তাৰ বাবে প্ৰতিজন অসমীয়াই সচেতন আৰু সচেষ্ট হ'ব লাগিব। অসম সাহিত্য সভাৰ প্ৰতিখন শাখা, প্ৰতিজন সদস্য এই ক্ষেত্ৰত অধিক দৃঢ় হৈ পথ প্ৰদৰ্শক হোৱা উচিত। মই ইয়াৰ বাবে সভাই বছৰেকত এটা দিন ধৰ্মীয় সাম্প্ৰদায়িকতা বিৰোধী দিন হিচাপে উদ্‌যাপন কৰাতো বাঞ্ছা কৰোঁ। 'অসমীয়া' ভাষা-সাহিত্যৰ এজন সেৱক আজান পীৰ চাহাবৰ জীৱনৰ লগত সংগতিপূৰ্ণ এটা দিন আমি ইয়াৰ বাবে নিৰ্বাচন কৰি ল'ব পাৰোঁহক। ঃ ভাষাৰ ক্ষেত্ৰতো আমাৰ ধাৰণা স্পষ্ট কৰি লোৱাতো প্ৰয়োজন। অসমীয়া এই জাতীয় পৰিচয় গঠন যিহেতু অসমীয়া ভাষাক প্ৰথম দ্বিতীয় তৃতীয় ভাষা হিচাপে ব্যৱহাৰ কৰা জনসমষ্টিক সামৰি লৈ হৈছে আৰু হ'ব সেয়ে ভাষাৰ ক্ষেত্ৰত আমাৰ দৃষ্টিভংগী অধিক উদাৰ হোৱা প্ৰয়োজন। উদাহৰণস্বৰূপে, এমেৰিকান জাতি পৃথিৱীৰ সকলো দেশ, জাতি, ভাষা, সম্প্ৰদায়ৰ লোকক লৈ হৈছে। এই লোকসকলে নিজা নিজা ভাষাক কথা বতৰা, শিক্ষা, সাংস্কৃতিক জীৱন সকলোতে ব্যৱহাৰ কৰিও জাতীয় ভাষা ইংৰাজী গ্ৰহণৰ জৰিয়তে এমেৰিকান হৈছে। ফ্ৰান্স, ইংলেণ্ড, জাৰ্মানী আদি দেশতো সাম্প্ৰতিক বাস্তৱ একে। একেদৰে অসমতো হিন্দীভাষী, বাংলাভাষী, নেপালীভাষী আদি বিভিন্ন লোকে নিজা নিজা ভাষা ব্যৱহাৰ কৰিও অসমীয়া ভাষাক দ্বিতীয় বা তৃতীয় ভাষা হিচাপে গ্ৰহণ কৰিও অসমীয়া জাতীয় সমাজৰ পূৰ্ণাংগ সদস্য হ'ব পাৰে। অসমৰ থলুৱা জনজাতীয় গোষ্ঠীবোৰৰ ক্ষেত্ৰতো একেটা কথাই খাটে। এই সকলো গোটে নিজা নিজা ভাষা সাহিত্যৰ চৰ্চা কৰিও, সাহিত্যৰ সংগঠন

কৰিও অসমীয়া ভাষা গ্ৰহণৰ জৰিয়তে অসমীয়া জাতীয় সমাজৰ অংশীদাৰ হ'ব পাৰে। মই অসমৰ সকলো ভাষা-ভাষী লোকলৈ আহ্বান জনাইছো আপোনালোক অসমীয়া সাহিত্যৰ লগতো জড়িত হওক। অসম সাহিত্য সভাৰ সভ্যসকললৈ মোৰ আহ্বান আপোনালোকে আমাৰ চুবুৰীয়া আৰু স্থানীয় ভাষাবোৰ শিকক, কওক আৰু সেই ভাষা সাহিত্যবোৰৰ উন্নতিৰ প্ৰয়াস কৰিবলৈ সেই সাহিত্য সংগঠনবোৰৰ লগতো সাংগঠনিকভাৱে যুক্ত হওক, সহায় কৰক। অসমীয়া ভাষা-সাহিত্যৰ প্ৰতি আপোনালোকৰ এই কাম হ'ব এক সৰ্বোত্তম দান। এইদৰে মৈত্ৰী বন্ধনৰ পৰিৱেশ সৃষ্টি কৰিব পাৰিলে আমি সকলোৱে শান্তি আৰু ভ্ৰাতৃত্ববোধেৰে হাতত ধৰা ধৰিকৈ একেলগে আগুৱাই যাব পাৰিম। ঃ অসমৰ চৰ-চাপৰি অঞ্চলত বসবাস কৰা বিস্তীৰ্ণ সমাজখনৰ পৰা অসমীয়া ভাষাত সাহিত্য চৰ্চা বাঢ়ি আহিছে। অসমীয়া আধুনিক জাতীয় ভাষাক গ্ৰহণ কৰি অসমীয়া জাতীয় জীৱনৰ অবিচ্ছেদ্য অংগ হৈ পৰা এই সমাজখনৰ লিখকসকলক, প্ৰতিভাসমূহক চিনাক্ত কৰি স্বীকৃতি দিয়া, অসমীয়া সাহিত্যৰ পঠন আৰু লিখনত গুৰুত্ব দিয়া আমাৰ কৰ্তব্য। মোৰ ধাৰণা অসমীয়া ভাষাৰ বহুতো শ্ৰেষ্ঠ লিখক ইয়াৰ পৰা জন্ম পাব, অসম সাহিত্য সভাই ইয়াৰ বাবে উচিত পৰিৱেশ সৃষ্টি কৰাতো প্ৰয়োজন। ঃ অসমৰ বহুকেইজন কবি সাহিত্যিক বিশাল চাহ বাগানত কাম কৰা আদিবাসী গোষ্ঠীবোৰ সদস্য। অসমীয়া সাহিত্যৰ শ্ৰীবৃদ্ধিত তেখেতসকলৰ অৱদান অনস্বীকাৰ্য। অসম সাহিত্য সভাৰ কৰ্তব্য হ'ব এই বিশাল সমাজখনৰ মাজত শিক্ষা, সাক্ষৰতাৰ হাৰ বঢ়োৱাৰ লগতে অসমীয়া সাহিত্যিক জনপ্ৰিয় কৰা, লেখক সকলক উৎসাহিত কৰা আৰু প্ৰতিভাৰ স্বীকৃতি জনোৱা। এইটো সভাৰ এটা জাতীয় কৰ্তব্য।

৪. **সাংস্কৃতিক মৈত্ৰীবৰ্দ্ধন ঃ** সংস্কৃতিৰ দৰে সমাজত মৈত্ৰীবন্ধনৰ সৃষ্টি কৰিব পৰা সামাজিক শক্তি দ্বিতীয় টো নাই। অসমত বসবাস কৰা প্ৰতিটো জন সম্প্ৰদায়, আনকি অতি সৰু গোট এটাৰো লোক-সংস্কৃতিৰ একো একোপদ সম্পদ আমাৰ সকলো অসমীয়াৰেই উমৈহতীয়া সাংস্কৃতিক ঐতিহ্য। লোক-সাংস্কৃতিক এই ঐতিহ্যসমূহ আমি চৰ্চা, সুৰক্ষা আৰু পৰৱৰ্তী প্ৰজন্মলৈ প্ৰবাহিত কৰিবলৈ জৰুৰী ব্যৱস্থা ল'ব লাগিব যাতে বিশ্বায়নৰ বণিক সভ্যতা আৰু সংস্কৃতিৰ টৌৱে আমাক আমাৰ শিপাৰ পৰা চিছিন্ন কৰি উটুৱাই চিন-বিন নাইকীয়া কৰি পেলাব নোৱাৰে। ইয়াৰ বাবে অসম সাহিত্য সভাৰ ভিতৰতে লোক-সংস্কৃতিৰ চৰ্চা, গৱেষণা, সুৰক্ষা আৰু বিকাশৰ বাবে সুকীয়া ব্যাপক মঞ্চ এখনো গঢ়াৰ কথা চিন্তা কৰিব পাৰি। প্ৰতি শাখাৰ লগতে ইয়াৰ পথ প্ৰদৰ্শনত একোখন লোক-সংস্কৃতিৰ শাখা অসম সাহিত্য সভাৰ স্বীকৃত শাখা হিচাপে গঢ়ি তুলি জিলাভিত্তিক সংগঠন জন্ম দিব পৰা যায়। মোৰ ধাৰণা ই বিশ্বায়নৰ যুগত জাতীয় সংস্কৃতিক ৰক্ষা কৰাৰ এক উচিত মাধ্যম হ'ব।

৫. **অসমৰ খিলঞ্জীয়া জনগোষ্ঠীবোৰৰ বাবে ৰাজনৈতিক ব্যৱস্থা** ঃ অসমৰ খিলঞ্জীয়া জনগোষ্ঠীসমূহৰ বাবে অসমতে নিজৰ সাৰ্বিক উন্নয়নৰ সহায়ক হোৱাকৈ এক ৰাজনৈতিক ব্যৱস্থাৰ কথা ভাৰতৰ সংবিধান প্ৰণয়নৰ দিনৰ পৰা উত্থাপিত হৈ আহিছে আৰু এই বিষয়ে কিছু ব্যৱস্থাও গঢ়ি তোলা হৈছে। বিভিন্ন নৃগোষ্ঠীমূলৰ এই বৈচিত্ৰময় জনগোষ্ঠীসমূহৰ বাসস্থান অসমত এনে ব্যৱস্থা যে অপৰিহাৰ্য, সেই বিষয়ে আজি আৰু সন্দেহৰ অৱকাশ নাই। দৰাচলতেই স্বায়ত্ত শাসনৰ দ্বাৰা ৰাজনৈতিক ক্ষমতাৰ ভাগ, দায়িত্ব আৰু কৰ্তৃত্ব খিলঞ্জীয়া জনগোষ্ঠীবোৰক দিয়া আৰু দিব পৰাৰ ওপৰতেই অসমত দীৰ্ঘম্যাদীভাৱে সামাজিক শান্তি, একতা সৌহাদ্য আৰু মৈত্ৰীবন্ধন নিৰ্ভৰ কৰে। এনে এক দৃষ্টিকোণৰ পৰা আমাৰ অসমৰ সমাজৰ আভ্যন্তৰীণ গণতান্ত্ৰিকীকৰণৰ স্বাৰ্থত মই নিজে সদায় এই ব্যৱস্থাৰ সমৰ্থন জনাই আহিছো। জনজাতীয় স্বায়ত্ব শাসনৰ ব্যৱস্থাই অসমৰ সমাজখনক দুৰ্বল কৰি পেলাব পাৰে বুলি আৰু অসমখন ভাগি যাব পাৰে বুলি আমাৰ বহুতৰ মনত এক অহেতুক ভীতি

আছে। বৰঞ্চ ইয়াৰ ওলোটাটোহে সঁচা। কাৰ্যকৰী স্বায়ত্ত সাসন ব্যৱস্থা হ'ল ঐক্যৰ গেৰাণ্টি। অসম সাহিত্য সভাই পৰিস্থিতিৰ পাছত দৌৰাতকৈ এই বিষয়ে এটা সদৰ্থক দৃষ্টিভংগী গ্ৰহণ কৰিলে ই অসমৰ খিলঞ্জীয়া জনজাতিসকলৰ অধিক আস্থা আৰ্জন কৰিব পাৰিব আৰু এনেদৰে অসমীয়া ভাষা-সাহিত্যৰ স্বাৰ্থ ৰক্ষাৰ ক্ষেত্ৰতো অধিক কাৰ্যকৰী ভূমিকা পালন কৰিব পাৰিব। অসমৰ জনগোষ্ঠীসমূহৰ সাহিত্য-সংস্কৃতিৰ সংগঠনবোৰৰ লগত অসম সাহিত্য সভাই উমৈহতীয়া স্বাৰ্থৰ বাবে একোখন উমৈহতীয়া মঞ্চত নিয়মীয়াকৈ সমাবেশিত হৈ সমাজ জীৱনৰ গুৰুত্বপূৰ্ণ দিশবোৰত একেলগে কাম কৰাটো ভাল হ'ব। সাহিত্য সভাই অনতি পলমে এই ব্যৱস্থা গঢ়ি তোলাটো প্ৰয়োজন। দৰাচলতে জনগোষ্ঠীসমূহৰ সকলো প্ৰশাসনিক নিৰ্বাচিত গোট আৰু বিকাশ পৰিষদসমূহৰ লগত সাহিত্য সভাই এক নিয়মীয়া আলাপ-আলোচনাৰ পৰিৱেশ গঢ়ি তোলা উচিত। মই অসম সাহিত্য সভাৰ লগত জড়িত সদৌটিলৈকে এই দিশত চিন্তা-ভাৱনা কৰি সক্ৰিয় হৈ সদৰ্থক পদক্ষেপ ল'বলৈ আহ্বান জনালো। এনে কামে মোৰ বিচাৰত অসমীয়া ভাষা, সাহিত্য আৰু জাতীয়তাৰে বৃহত্তম স্বাৰ্থ পূৰণ কৰিব।

৬. **অসমীয়া ভাষাত শিক্ষা ঃ** অসমৰ বেচৰকাৰী খণ্ডত জাতীয় বিদ্যালয়সমূহৰ আধাৰ আৰু আৰ্হিত অসমীয়া ভাষাতে মানযুক্ত আৰু সুশৃংখলিত বিদ্যালয় এলানি গঢ়ি উঠিছে। আমাৰ জাতীয় জীৱনত ই এক যোগাত্মক দিশ আৰু এই দিশটো আমি অধিক বিকশিত কৰি তুলিবলৈ সচেষ্ট হোৱা ভাল। অসমত এই জাতীয় বিদ্যালয় আন্দোলন আৰম্ভ কৰা দুজন ব্যক্তিক এইবাৰ অসম সাহিত্য সভাই সম্বৰ্ধনা জনোৱা কামটো অতি উচিত কাম হৈছে আৰু ই সমগ্ৰ জাতীয় বিদ্যালয় আন্দোলনটোৰ প্ৰতি এক আনুষ্ঠানিক স্বীকৃতি প্ৰদান কৰাৰ দৰে হৈছে। ঃ আমাৰ কিছুমান পিছ পৰা অঞ্চল আৰু বিশেষকৈ চাহ বাগিছা অঞ্চল, প্ৰাক্তন চাহ শ্ৰমিকসকল বসবাস কৰা অঞ্চলত এতিয়াও প্ৰাথমিক শিক্ষা বৰ দুখ লগা অৱস্থাত আছে। এই অঞ্চলবোৰ চিনাক্ত কৰি তাত অসমীয়া মাদ্যমৰ বিদ্যালয় স্থাপনৰ কাম এক মিছনৰ দৰে আমি গ্ৰহণ কৰিব পাৰিব লাগিব। এই কামটোৰ সামাজিক আৰু ৰাজনৈতিক গুৰুত্ব অসাধাৰণ। নহ'লে দেশী-বিদেশী মিছনে এই ঠাইবোৰত ইংৰাজী মাধ্যমৰ স্কুল খুলি অসমীয়া ভাষাৰ শ্ৰীবৃদ্ধিৰ বাট ৰুদ্ধ কৰি পেলাব আৰু চাহ শ্ৰমিক জনগোষ্ঠীবোৰকো সাংস্কৃতিকভাৱে ক্ষতিগ্ৰস্ত কৰিব। ঃ অসমত যিমানবোৰ ইংৰাজী মাধ্যমৰ ব্যক্তিগত বিদ্যালয় আছে সেই আটাইবোৰত যাতে অসমীয়া ভাষাটো বাধ্যতামূলকভাৱে শিকোৱাৰ ব্যৱস্থা কৰা হয় আৰু তাৰ বাবে এই ভাষা শিক্ষাৰ ব্যৱস্থা প্ৰৱৰ্তন, বিষয় প্ৰৱৰ্তন আৰু তাৰ বাবে উপযুক্ত শিক্ষক নিযুক্তিৰ প্ৰয়োজন আছে। মোৰ অসম সাহিত্য সভাৰ শাখা সভাসমূহৰ সভাপতি-সম্পাদক প্ৰমুখ্যে সদস্য সদস্যাসকললৈ আবেদন যে তেওঁলোকে যেন নিজৰ নিজৰ এলেকাৰ এনে বিদ্যালয়বোৰলৈ গৈ তাৰ কৰ্তৃপক্ষৰ লগত সৌহাদ্যমূলকভাৱে, শান্তিপূৰ্ণভাৱে আলাপ-আলোচনা আৰম্ভ কৰি এই কাম বুজাবুজিৰ মাজেৰে কৰিবলৈ চেষ্টা কৰে। ই আমাৰ বাবে এক জাতীয় দায়িত্ব হিচাপে চিহ্নিত কৰক।

আহক, আমি সকলোৱে অসম আৰু আমাৰ সকলোৰে আধুনিক পৰিচয়ক বাস্তৱত ৰূপ দিয়া মহতী জাতীয় অনুষ্ঠানটিৰ ঐতিহাসিক শতবৰ্ষৰ কালছোৱাত পূৰ্বৰ সকলো অসূয়া বিভেদৰ অধ্যায়ৰ অন্ত পেলাই নতুন প্ৰতীক্ষা আৰু আশাৰে ভাষা জননী আৰু দেশ মাতৃৰ সেৱাত সচেষ্ট হওঁ হক।

।। চিৰ চেনেহী মোৰ ভাষা জননী।।

।। জয়তু অসম সাহিত্য সভা।।

।। জয় আই অসম।। ◆

*(আমাৰ অসম ৪ ফেব্ৰুৱাৰী ২০১৫ সংখ্যাত প্ৰকাশিত)*

# সন্ত্ৰাসবাদ, মুছলমান, মাদ্ৰাছা আৰু শিক্ষা

**আব্দুল মান্নান**

সন্ত্ৰাসবাদ আৰু মাদ্ৰাছা শিক্ষাৰ ওপৰত দীৰ্ঘদিন ধৰি আলোচনা-সমালোচনা চলি আছিল যদিও আজি কিছুদিনৰ পৰা সন্ত্ৰাসবাদী-মুজাহিদীন, মাদ্ৰাছা ইত্যাদিক লৈ ব্যাপক হাৰত আলোচনা, প্ৰচাৰ-অপপ্ৰচাৰ চলি আছে। বিশেষকৈ ২০১৪ চনৰ অক্টোবৰ মাহত পশ্চিমবংগৰ বৰ্দ্ধমান জিলাৰ খাগ্ৰাগড়ত সংঘটিত বোমা বিস্ফোৰণৰ সময়ৰ পৰাই দেশ জুৰি ব্যাপক চাঞ্চল্যৰ সৃষ্টি হয়। 'জামাত-উল মুজাহিদীন, বাংলাদেশ' (MJB) নামৰ সন্ত্ৰাসবাদী সংগঠন এটা এই বিস্ফোৰণৰ সৈতে জড়িত ; বৰ্দ্ধমানৰ এখন মাদ্ৰাছাৰ নামো ঘটনাৰ লগত সাঙুৰ খাই পৰিছে। অসমৰো কিছু যুৱক-যুৱতীৰ নামো তাত জড়িত হৈছে। লগে লগে বিভিন্ন প্ৰচাৰ মাধ্যম (কাকত আৰু টিভি) এ অসমৰ তিনিখন আৰু পশ্চিমবংগৰ চাৰিখন জিলা সাঙুৰি বৃহত্তৰ ইছলামিস্তান গঢ়াৰ ষড়যন্ত্ৰ চলি আছে, সেই ষড়যন্ত্ৰত মাদ্ৰাছাবিলাক জড়িত আৰু মাদ্ৰাছাবোৰত মৌলবাদ আৰু সন্ত্ৰাসবাদৰ শিক্ষা দিয়া হয়' বুলি ব্যাপক প্ৰচাৰ অভিযান আৰম্ভ কৰিছে। কিন্তু উচ্চস্তৰীয় চোৰাংচোৰা সংস্থাবোৰে ভাৰতৰ গৃহ মন্ত্ৰণালয়লৈ (HMI) প্ৰেৰণ কৰা প্ৰতিবেদনবোৰত স্পষ্টভাৱে কোৱা হৈছে যে একমাত্ৰ বৰ্দ্ধমানৰ মাদ্ৰাছাখনৰ বাদে ভাৰতৰ কোনো মাদ্ৰাছাতে মৌলবাদ বা সন্ত্ৰাসবাদী তত্বৰ শিক্ষা দিয়াৰ কোনো তথ্য বা প্ৰমাণ চোৰাংচোৰাৰ হাতত নাই।

অক্টোবৰ মাহৰ ২৯ তাৰিখে এটা সৰ্বভাৰতীয় টি ভি চেনেলে (News X) বি এছ এফৰ এজন প্ৰাক্তন ডি আই জিয়ে দিয়া প্ৰতিবেদনৰ উল্লেখ কৰি, 'অসমত জমিয়ত উলামা আৰু এ আই উই ডি এফ দলৰ সভাপতি মওলানা বদৰউদ্দিন আজমলে বাংলাদেশলৈ অসমৰ ২৫ জন যুৱকক সন্ত্ৰাসবাদী কাৰ্যকলাপৰ প্ৰশিক্ষণ ল'বলৈ পঠিওৱা বুলি বাতৰি পৰিৱেশন কৰিছে। তেতিয়াৰে পৰা অসমৰ বিভিন্ন চেনেল আৰু আগশাৰীৰ বাতৰিকাকতবোৰে ধাৰাবাহিক ভাৱে আজমল বিৰোধী প্ৰচাৰ চলাই আছে। বদৰউদ্দিন আজমলে এই প্ৰচাৰ সম্পূৰ্ণ মিছা, তেওঁ, তেওঁৰ দল আৰু অসম জমিয়তৰ বিৰুদ্ধে এক ভয়ংকৰ ষড়যন্ত্ৰ বুলি ঘোষণা কৰি তেওঁৰ বিৰুদ্ধে তোলা অভিযোগ প্ৰমাণ কৰাৰ বাবে প্ৰত্যাহ্বান জনাইছে। জমিয়তৰ বিভিন্ন জিলা কমিটিবোৰে আদালতত নিউজ চেনেলটোৰ বিৰুদ্ধে গোচৰ তৰিছে। উল্লেখযোগ্য যে সাত মাহকাল পাৰ হৈ যোৱাৰ পিছতো দেশৰ চোৰাংচোৰা সংস্থাবোৰে আৰু আৰক্ষীয়েও এইবোৰৰ কোনো সত্যাসত্যতা বিচাৰি নাপাই সম্পূৰ্ণ নীৰৱতা অৱলম্বন কৰিছে।

অসম জমিয়ত উলামা সৰ্বভাৰতীয় জমিয়ত উলামা-হিন্দৰ অংশ বিশেষ। জমিয়ত, উলামাসকলৰ এটা সৰ্বভাৰতীয় অনুষ্ঠান, ১৯১৯ চনত এই অনুষ্ঠানৰ জন্ম। জন্মলগ্নৰে পৰা এই সংগঠনে ভাৰতৰ স্বাধীনতাৰ বাবে

সংগ্ৰাম কৰিছে। জমিয়ত দ্বিজাতিক তত্ত্বৰ ঘোৰ বিৰোধী। মওলানা মাহমুদুল হাছান, মওলানা হুছাইন আহমদ মদনী প্ৰমুখ্যে প্ৰখ্যাত উলামাসকলৰ নেতৃত্বত উলামাসকলে অবিভক্ত ভাৰতবৰ্ষৰ স্বাধীনতাৰ বাবে বৃটিছ বিৰোধী আন্দোলনত জপিয়াই পৰিছিল। জমিয়ত উলামা হিন্দ গঠনৰ বহু পূৰ্বৰে পৰাই (চিপাহী বিপ্লৱৰ সময়ৰ পৰা) দেশৰ উলামাসকলে ইংৰাজক ভাৰতভূমিৰ পৰা বিতাৰণ কৰাৰ সংগ্ৰামত অৱতীৰ্ণ হৈছিল। এই সংগ্ৰামত ভাৰতৰ প্ৰায় ১.৫ লাখ আলেমে ইংৰাজৰ হাতত ছহিদৰ মৃত্যু বৰণ কৰিছিল। এনে এক মহান সংগঠন বা সংগঠনৰ সদস্য সন্ত্ৰাসবাদী ধ্যান-ধাৰণাৰ লগত যুক্ত বুলি সপোনতো কল্পনা কৰিব নোৱাৰি। জমিয়ত উলামা হিন্দৰ শত্ৰুসকলেও এনে কথা নকয় বা ক'ব নোৱাৰে।

মওলানা বদৰউদ্দিন আজমল এই মহান সংগঠনৰ অসম ৰাজ্যিক কমিটিৰ সভাপতি। তেওঁ নিউজ চেনেলে প্ৰচাৰ কৰাৰ দৰে এনে এটা গৰ্হীত দেশদ্ৰোহী কাম কেতিয়াও কৰিব নোৱাৰে, নকৰে বুলি এয়া আমাৰ দৃঢ় বিশ্বাস। যদি তেওঁ সঁচাকৈ এনে কাৰ্য কৰিছে দেশৰ নিৰাপত্তাৰ বাবে সদা সতৰ্ক আমাৰ চোৰাংচোৱা বিভাগে সত্য উদ্‌ঘাটন কৰিব আৰু কঠোৰ শাস্তিৰ ব্যৱস্থা কৰিব। নহ'লে সামাজিক অস্থিৰতাৰ সৃষ্টি কৰি ৰাজনৈতিক মুনাফা লাভৰ প্ৰচেষ্টাত ব্ৰতী হৈ এনে অপপ্ৰচাৰ চলোৱা শক্তিবোৰৰ বিৰুদ্ধে চৰকাৰে কঠোৰ ব্যৱস্থা লওঁক।

সংবাদ মাধ্যমৰ একাংশ, কিছুমান ৰাজনৈতিক আৰু সাম্প্ৰদায়িক শক্তিয়ে অহৰহ এনেধৰণে প্ৰচাৰ চলাই আছে যেন মুছলমান মানেই সন্ত্ৰাসবাদী, জিহাদী। দেশৰ যিকোনো ঠাইত বোমা বিস্ফোৰণ বা যিকোনো ধৰণৰ কুটাঘাতমূলক ঘটনা ঘটিলে তেনে ঘটনাৰ বাবে মুছলমানৰ ওপৰত দোষ জাপি দিয়াৰ প্ৰৱণতা দেখা যায়। ২০০৮ চনৰ অক্টোবৰ মাহৰ ৩০ তাৰিখে গুৱাহাটী, বৰপেটা ৰড, বঙ্গাইগাঁৱত চিৰিয়েল বোমা বিস্ফোৰণত ৯৭ জন মানুহে প্ৰাণ দিবলগীয়া হৈছিল। লগে লগে কোৱা হ'ল ইয়ে কাম জিহাদীওনে কিয়া' (এই কাম জিহাদীয়ে কৰিছে)। গুৱাহাটীৰ বিস্ফোৰণত মৈৰাবাৰীৰ এজন মুছলিম যুৱকে ব্যৱহাৰ কৰা চিম ব্যৱহাৰ কৰা হৈছে বুলি চেনেলবোৰে লগে লগে প্ৰচাৰ আৰম্ভ কৰিলে। ল'ৰাজনক গ্ৰেপ্তাৰ কৰা হ'ল। অৱশেষত প্ৰমাণিত হ'ল এই বৰ্বৰ চিৰিয়েল বিস্ফোৰণ ৰঞ্জন দৈমাৰীৰ নেতৃত্বত এন ডি এফ বিয়ে ঘটাইছে। মৈৰাবাৰীৰ তিনিটা শিশুৰ পিতৃ যুৱকজনে আত্মহত্যা কৰিছে। ২০১০ চনৰ এপ্ৰিল মাহৰ ৩০ তাৰিখে জম্মু আৰু কাশ্মীৰৰ মিছিল চেক্টৰত ৩ জন মুছলিম যুৱকক হত্যা কৰি সিহংতক সন্ত্ৰাসবাদী সজাই চৰকাৰৰ পৰা পুৰস্কাৰ আৰু বাঃ বাঃ লৈছিল সেনাৰ ৰেজিমেণ্টে। কিন্তু পিছত তদন্তত প্ৰমাণ হ'ল যে যুৱককেইজন সন্ত্ৰাসবাদী নহয়, সেনাই অবিশ্বাস্য হাৰত হাজিৰা দিম বুলি এজেণ্টৰ দ্বাৰা সিহঁতক ফুচুলাই কেম্পলৈ লৈ গৈছিল। ২০১৪ চনৰ নৱেম্বৰ মাহৰ ১৫ তাৰিখে সেনা আদালতে (court martial) ৫ জন সেনাক যাৱৎজীৱন কাৰাদণ্ড বিহিছে। এনে অজস্ৰ ঘটনাৰ সন্মুখীন মুছলমান সমাজৰ বিভিন্নজনে বিভিন্ন সময়ত হৈ থাকিবলগীয়া হৈছে। সাম্প্ৰদায়িক কলুষতা বিয়পাই মানুহৰ মন মগজু বিদ্বেষেৰে ভৰাই তুলিবলৈ এচাম শক্তিয়ে অহৰহ প্ৰচেষ্টা চলাই আছে। তাৰেই পৰিণতি আজিৰ এই মুছলমানৰ প্ৰতি সৃষ্টি হোৱা বিতৃষ্ণা।

স্বাৰ্থান্বেষী মহলবোৰে মাদ্ৰাছাবোৰৰ বিৰুদ্ধে উত্থাপন কৰি অহা মৌলবাদৰ শিক্ষা দিয়াৰ অভিযোগ সত্য নহয় বুলি চোৰাংচোৱাৰ প্ৰতিবেদনেই প্ৰমাণ কৰে। কিন্তু এটা কথা সঁচা যে মাদ্ৰাছা পাঠ্যক্ৰম বিশেষকৈ খাৰিজীয়া মাদ্ৰাছাৰ পাঠ্যক্ৰমে এজন ছাত্ৰক বিজ্ঞান, প্ৰযুক্তি, চিকিৎসা শাস্ত্ৰ আইন, যুক্তিবিদ্যা বা আধুনিক শিক্ষাৰ স্নাতক বা স্নাতকোত্তৰ শিক্ষা গহণৰ বাবে কোনোধৰণে সহায় নকৰে। খাৰিজীয়া মাদ্ৰাছাত কেৱল ধৰ্মৰ বিভিন্ন দিশৰ শিক্ষা দিয়া হয়। আনকি ধৰ্মৰ তুলনামূলক শিক্ষাও (comparative study of religion)

দিয়া নহয়। সেয়ে খাৰিজীয়া মাদ্ৰাছা শিক্ষাৰ পাঠ্যক্ৰমৰ আমূল সংস্কাৰৰ প্ৰয়োজন। ধৰ্মীয় শিক্ষাক মূল পাঠ্য কৰি অংক, বিজ্ঞান, সমাজ বিজ্ঞান, ইংৰাজী আৰু আধুনিক ভাৰতীয় ভাষা পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰিব লাগে যাতে এটা নিৰ্দিষ্ট স্তৰৰ পিছত ছাত্ৰজনে হাইস্কুলীয়া ছাত্ৰ এজনৰ দৰে নিজৰ দক্ষতা আৰু ৰুচি অনুযায়ী উচ্চ শিক্ষাৰ বাবে পথ বাছি ল'ব পাৰে। তেওঁ ইচ্ছা কৰিলে ধৰ্মীয় বিষয়ক সৰ্বোচ্ছ শিক্ষাও ল'ব পাৰে। নতুন পাঠ্যক্ৰমে তালেবাসকলৰ মন-মগজুৰ আধুনিকীকৰণত অৰিহণা যোগাব।

মুছলমান সমাজত নাৰী শিক্ষাৰ প্ৰতি একধৰণৰ অৱহেলা এতিয়াও দেখা যায়। কিন্তু ইছলামত শিক্ষা গ্ৰহণ প্ৰতিজন পুৰুষ আৰু প্ৰতিগৰাকী নাৰীৰ বাবে অৱশ্যে কৰ্তব্য (ফৰজ) বুলি কোৱা হৈছে। নাৰীক আধুনিক শিক্ষাৰে শিক্ষিত কৰিব নোৱাৰালৈকে এই সমাজখন কেতিয়াও আগবাঢ়ি যাব নোৱাৰে। মুছলমানসমাজৰ কাণ্ডাৰীসকলে হজৰত উম্মে আম্মাৰাহ (ৰাঃ) খাতুনে ওহোদৰ বীৰত্বপূৰ্ণ সাহসিকতা আৰু ত্যাগৰ কথা পাহৰি যোৱা উচিত নহয়। এবাৰ দ্বিতীয় খলিফা হজৰত ওমৰ ফাৰুক (ৰাঃ)ৰ দিনত গণিমতৰ কিছু বস্তু মদিনালৈ আহিছিল। তাত কিছু নতুন কাপোৰ আছিল। এখন ধুনীয়া ৰেচমী কাপোৰ (দোপাট্টা) দেখি চাহাবাসকলে কাপোৰখন খলিফাৰ বোৱাৰীয়েকক দিবলৈ পৰামৰ্শ দিলে। কিন্তু খলিফা ওমৰে সেইখন বোৱাৰীকেক নিদি উম্মে আম্মাৰাহক দিয়াৰ সিদ্ধান্ত ঘোষণা কৰি কৈছিল, 'তেওঁ (আমৰাহ) এইখনৰ বেছি হকদাৰ, কাৰণ ওহোদৰ যুদ্ধৰ পিছত মই ৰছুলুল্লাহ (দঃ) ক কোৱা শুনিছোঁ, যে ওহোদৰ দিনত 'ৰছুলুল্লাই উম্মে আম্মাৰাহক সোঁৰে বাওৰে একেৰাহে যুদ্ধ কৰা দেখিছে।' ওহোদৰ যুদ্ধত তেওঁৰ শৰীৰত ১২ ঠাইত বেয়াকৈ আঘাত লাগিছিল। এইগৰাকী মহান মহিলা চাহাবীয়ে বাইয়াতে ৰেদওয়ান, খায়বাৰ, ওমৰাতুল কাজা আৰু হুনাইনৰ যুদ্ধতো অংশগ্ৰহণ কৰিছিল। হজৰত আবুবকৰ চিদ্দিক (ৰাঃ)ৰ দিনত মুচাইলামাহৰ বিৰুদ্ধে হোৱা যুদ্ধত তেওঁৰ এখন হাত কটা যায়। এই বৰেণ্য মহিলা চাহাবীগৰাকীয়ে নিশ্চয় পৰ্দাৰ আৱৰণৰ ভিতৰত থাকি এই যুদ্ধ বিলাকত অৱতীৰ্ণ হোৱা নাছিল। আজি মূলতঃ পৰ্দাৰ নামলৈ মুছলমান নাৰীক শিক্ষাৰ পৰা বঞ্চিত কৰা হয়। পাকিস্তানৰ শ্বাত উপত্যকাত বিদ্যালয়লৈ যোৱাৰ 'অপৰাধ'ত কট্টৰ ওৱাহাবী পন্থী তালিবানবোৰে গুলিয়াই হত্যা কৰিব বিচৰা মালালা ইউছুফজাইৰ কৰুণ কাহিনী এনে মানসিকতাৰে চৰম নিদৰ্শন। মুছলমানসকলে ওৱাহাবী আদৰ্শৰ পৰা মুক্ত হৈ শিক্ষা আৰু বিশেষকৈ নাৰী শিক্ষাৰ প্ৰতি সৰ্বাধিক গুৰুত্ব দিব লাগিব। অন্যথা মুছলমানৰ দুখ-দুৰ্গতি আৰু বাঢ়িব।

মুছলমানে এখন জ্ঞানসমৃদ্ধ শিক্ষিত সমাজ গঢ়ি তুলিব পাৰিলে মুছলমানৰ ওপৰত জাপি দিয়া সকলোবোৰ অপবাদ আৰু অভিযোগ সেই জ্ঞানৰ আলোকত এদিন দূৰ হ'ব। ◆

ফোন ঃ ৯৪৩৫০৪৩৩৫৩

*"কাৰ কি জাতি ভগবানে তাৰ খবৰ নকৰে, কোনে কি কৰে তাৰেহে খবৰ কৰে"*

*– গুৰু নানক*

# নগাঁৱৰ সশস্ত্ৰ সংগ্ৰামী যুটী চফিউন নেচা আৰু কৃষ্ণকান্ত গোস্বামী

দ° দেৱব্ৰত শৰ্মা

যোৰহাটৰ জাতীয় ভৱনত ১৮২৮ চনৰ গমধৰ কোঁৱৰৰ বিদ্ৰোহ, ১৮৩০ চনৰ পিয়লি - জীউৰামৰ বিদ্ৰোহ, ১৮৫৭ ছালৰ বিদ্ৰোহ ১৮৬১ চনৰ কৃষক বিদ্ৰোহ আদি কৰি স্বাধীনতা সংগ্ৰামৰ কে'বাটাও পৰ্যায়ৰ বিষয়ে কাম চলি আছে। সেই উদ্দেশ্যত সংগৃহীত তথ্যৰ মাজৰ পৰা মাজে মাজে ভুমুকি মাৰি গৈছে বহুবোৰ অনালোচিত, অনালোকিত অথবা অৱহেলিত চৰিত্ৰই। আজিৰ আলোচনাতো আমি তেনে দুই মহৎ সাহসী চৰিত্ৰত পোহৰ পেলাম। ইফালে ইতিমধ্যে তেওঁলোকৰ বিদ্ৰোহী প্ৰচেষ্টাৰ ডেৰশবছৰ সম্পূৰ্ণ হৈছে।

অকল গান্ধী নেহৰু পৰিয়ালে বা তেওঁলোকৰ নেতৃত্বত কেৱল নবীন বৰদলৈ - তৰুণ ফুকন - নবীন বৰদলৈ দেৱেশ্বৰ শৰ্মা সকলে এই দেশৰ 'স্বাধীনতা' অনা নাই। ইয়াৰ বাবে জীৱন দিছিল আৰু জীয়াতু ভুগিছিল আৰু অগণন দেশপ্ৰেমিকে। তেওঁলোৰ বহুতৰে নাম আৰু কাম হয় পাহৰি থকা হৈছে নহয় পাহৰাই ৰখা হৈছে। তেনে দুটা প্ৰেৰণাসঞ্চাৰী চৰিত্ৰ হৈছে নগাঁৰৰ ৰেউতী বুঢ়ী ওৰফে চফিউন নেচা। চফিউন নেচাৰ বিষয়ে আমি প্ৰথমে পঢ়িবলৈ পাওঁ ড° আবু হানিফাৰ এটা লেখাত। কমৰুজ্জামান আহমদ সম্পাদিত 'স্মৃতিৰ জিলিঙনিত কেইগৰাকীমান অসমৰ মুছলমান' (দ্বিতীয় খণ্ড) ৰ প্ৰথম লেখাটোতে ড° আবুহানিফা ই এইগৰাকী মহীয়সী মহিলাৰ বিষয়ে জনাইছে যে ১৮৬১ চনৰ ফুলগুৰিৰ ধাৱা বা কৃষক -বিদ্ৰোহত লেফটেনেণ্ট চিংগাৰৰ মৃত্যুৰ পাচত ৩৯ জন লোকক বৃটিছে গুলিয়াই হত্যা কৰে, ৬৬ জনক কাৰাগাৰলৈ পঠিয়ায়। তাৰে তিনিজনক চিংগাৰৰ হত্যাৰ অভিযোগত ফাঁচী দিয়া হয়। ইয়াৰ পাচত ফুলগুৰিৰ কাষৰ ৭/৮ টা মৌজাৰ মানুহৰ ওপৰত আৰম্ভ হয় নিৰ্বিচাৰ অত্যাচাৰ। ড° আবু হানিফাৰ ভাষাত ঃ

'এই অত্যাচাৰৰ পোতক তুলিবলৈ ১৮৬৩ চনত নগাঁৱৰ বিভিন্ন অঞ্চলৰ মুখীয়াল লোকে লগ হৈ আন এক ষড়যন্ত্ৰ ৰচনা কৰিছিল। এই ষড়যন্ত্ৰৰ নেতৃত্ব বহন কৰিছিল নগাঁৱৰ এগৰাকী অভিজাত অসমীয়া মুছলিম মহিলা চফিউন নেচা বেগমে। তেখেতৰ সোঁহাত আছিল জামুগুৰিৰ কৃষ্ণকান্ত গোস্বামী ব্ৰহ্মচাৰী ডাঙৰীয়া (তেওঁ সাংবাদিক কেদাৰ নাথ গোস্বামীৰ ককাক)।'

'১৮৩১ চনত জন্ম লভা চফিউন নেচাই খোজকাঢ়িয়েই নগাঁও জিলাৰ বিভিন্ন প্ৰান্তলৈ গৈ বৃটিছৰ বিৰুদ্ধে ৰাইজক জগাই তোলে। কৃষ্ণকান্ত গোস্বামী আৰু নাগিনা সিং নামৰ এজন হিন্দুস্তানী লোকৰ সহযোগত এবছৰ জুৰি ব্যাপক প্ৰচাৰ চলাই চফিউন নেচাই ভালেসংখ্যক লোকক সংগঠিত কৰিবলৈ সক্ষম হয়। নগাঁৱৰ বৰ্তমানৰ অসামৰিক চিকিৎসালয় থকা ঠাইত সেইসময়ত হাতী তল যোৱা এটি গাঁত আছিল। তাতেই প্ৰতি ১৫ দিনত এবাৰকৈ বিদ্ৰোহীসকলৰ গোপন বৈঠক বহিছিল। চফিউননেচাক সেই বিদ্ৰোহসমূহৰ 'সভানেত্ৰী' আখ্যা দিয়া হৈছে। এই বৈঠকসমূহতে বৃটিছক বন্দী কৰি নগাঁও ট্ৰেজাৰি লুট কৰাৰ বাবে আঁচনি কৰা হৈছিল।

গোটোৱা হৈছিল বন্দুক, দা, যাঠি, জোং আদি অস্ত্ৰশস্ত্ৰও। অৱশ্যে তেওঁলোকৰ মাজত চৰকাৰী চৰ ইতিমধ্যে সোমাই পৰিছিল। সেয়েহে নিৰ্দিষ্ট দিনত বৃটিছ জিলা উপায়ুক্তৰ বঙলা আক্ৰমণ কৰিবলৈ যো - জা কৰা অৱস্থাতে হাতী আৰু চিপাহিৰে সৈতে আহি বৃটিছে বিদ্ৰোহী বৃন্দক গ্ৰেপ্তাৰ কৰি পেলালে।

তাৰ পাচত অতি খৰখেদাকৈ বিচাৰৰ নামত ভেকোভাওনা পাতি চফিউননেচা বেগম, কৃষ্ণকান্ত গোস্বামী আৰু নাগিনা সিঙক কলীয়াপানী লৈ মেলা আৰু বাকী সকলক বিভিন্ন ম্যাদৰ বাবে সশ্ৰম কাৰাদণ্ড দিয়া বুলি প্ৰকাশ। ড° আবু হানিফাৰ লেখাত উল্লেখিত আন এটি প্ৰবন্ধ আমি তেখেতৰ পৰাই লাভ কৰোঁ।

নগাঁৱৰ বিশিষ্ট নাগৰিক চন্দ্ৰকান্ত বৰকাকতিয়ে আজিৰ পৰা ঠিক পঞ্চাচ বছৰ আগতে **সাদিনীয়া নৱযুগ** আলোচনীত এই গৰাকী মহান মহিলাৰ কথা এনেকৈ লিখি গৈছে ঃ 'যিসময়ত বৃটিছৰ বন্দুক - বাৰুদৰ গৰ্জনত আমাৰ গাঁও ভূই সন্ত্ৰস্ত হৈ উঠিছিল, ঠিক সেই সময়ত এনে এগৰাকী মহিলাই নেতৃত্ব বহন কৰি দেশবৈৰীৰ প্ৰতিশোধ ল'বলৈ বিদ্ৰোহৰ আয়োজন কৰিছিল তাক ভাবিলে সঁচাকৈয়ে, আজি কুৰি শতিকাতো স্তম্ভিত নহৈ নোৱাৰি। (**সাদিনীয়া নৱযুগ**, সম্পাদক বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য ২১ অক্টোবৰ, ১৯৬৪ চন, ২ য় বছৰ ১ম সংখ্যা)

বৰকাকতীয়ে তাৎপৰ্যপূৰ্ণভাৱে আৰু মন্তব্য কৰিছে ঃ

'এই বিদ্ৰোহৰ বিষয়ে বুৰঞ্জী নিমাত। ইয়াৰ কাৰণ হ'ব পাৰে, ফুলগুৰি বিদ্ৰোহৰ পিচত অবৰ্ণনীয় অত্যাচাৰত শংকাংকিত হৈ থকা কোনো বুৰঞ্জীবিদেই এই বিদ্ৰোহৰ কথা বুৰঞ্জীত উল্লেখ কৰিবলৈ সাহ নকৰিলে। নাইবা ফুলগুৰি বিদ্ৰোহৰ নিচিনা ডাঙৰ বিদ্ৰোহ এটা হোৱাৰ পিচত এনে এটা সৰু সুৰা বিদ্ৰোহৰ ওপৰত কোনো গুৰুত্বই নিদিলে। এই বিদ্ৰোহৰ কথা বহুদিনলৈকে মানুহৰ মুখে মুখে চলি আছিল।

বৰকাকতীয়ে এইবোৰ তথ্যৰ অন্যতম উৎস হিচাপে উল্লেখ কৰিছে (১) নগাঁৱৰ চিনাপট্টিৰ মঃ ইয়াচিনৰ মাতৃদেৱীৰ কথা। এখেত ১০৫ বছৰ জীয়াই আছিল। ১৯৬০ চন মানত মৃত্যু ঘটা এইগৰাকী মহিলা আছিল চফিউননচাৰ কন্যা। (২) নগাঁৱৰ (তেতিয়াৰ) বয়োবৃদ্ধ নাগৰিক অৱসৰপ্ৰাপ্ত পেষ্কাৰ ৰত্ন হাজৰিকাদেৱে এই বিদ্ৰোহৰ কাহিনী নিজৰ দেউতাকৰ পৰা শুনা বুলি লেখক বৰকাকতীক কৈছিল। হাজৰিকাৰ পিতৃগৃহ আছিল বিদ্ৰোহৰ থলীৰ কাষতে। (৩) চফিউননেচাৰ নাতি খান বাহদুৰ ৰফিক চাহাবে লেখক বৰকাকতীক বুঢ়ীমাকৰ কবৰটো নিজে দেখুৱাইছিল। এই কবৰ আছিল নগাঁৱৰ ৰফিক চাহাবৰ বাৰীৰ ভিতৰতে।

উল্লেখযোগ্য যে তথ্যৰ কিছু বিসংগতি থাকিলেও চফিউননেচাৰ কাহিনী আন উৎসৰ দ্বাৰাও সমৰ্থিত। ১৯৯৮ চনত নগাঁৱৰ হোজাই ৰ পৰা মৌলানা আব্দুল জলিল ৰাগিবিৰ সম্পাদনাত **ছৌতুল ইছলাম** নামৰ এখন স্মৃতিগ্ৰন্থ প্ৰকাশ পায়। যোৰহাটৰ ৰফিক আহমেদৰ সৌজন্যত সংগৃহীত এই স্মৃতিগ্ৰন্থত আমি ১৯৯৮ চনতেই চফিউননেচাৰ বিষয়ে উল্লেখ পাইছিলো। 'স্বাধীনতা সংগ্ৰামত নগাঁৱা মুচলমান' শীৰ্ষক লেখাত তাত এম. মাহমুদ হুছেইনে এইগৰাকী চফিউন নেচাৰ কথা লিখিছিল কিছু বেলেগকৈ। নগাঁৱা স্বাধীনতা সংগ্ৰামী মুছলমানৰ তালিকাত ১ নম্বৰত স্থান দিয়া এইগৰাকী মহিলাৰ কথা ১৬ বছৰ আগতে আমি এনেকৈ পঢ়িবলৈ পাইছিলো ঃ

১) 'ৰেউতী বুঢ়ী, আচল নাম - ছাফা নেছা। ১৮৫৭ চনৰ স্বাধীনতা সংগ্ৰামত যোগ দিয়াৰ অপৰাধত আজীৱন কলীয়াপানীলৈ নিৰ্বাসিতা হৈছিল। ... নগাঁও চহৰৰ ৰেউতী বুঢ়ীক চৰকাৰে আজীৱন কাৰাদণ্ড বিহি কলীয়াপানীলৈ নিৰ্বাসন দিছিল। ৰেউতী বাইটি আৰু উভতি অহা নাছিল। জন্মভূমিৰ পৰা বহু নিলগত কলীয়াপানীতেই তেওঁৰ কবৰে বহন কৰিছে তেওঁৰ দেশপ্ৰেমৰ অবিস্মৰণীয় স্মৃতি'।

**ছৌতুল ইচলামৰ** পমখেদিয়েই জ্ঞানসম্ভাৰৰ সহ-সম্পাদক মস্তাক আহমদ চৌধুৰীৰ সৌজন্যত আমি এইবাৰ বিচাৰি উলিয়ালো ফজলুল হক মৰল সম্পাদিত '**জংগ - এ আজাদিত নগঞা মুচলমান**' (নগাঁও, ১৯৯২)। এই স্মৃতিগ্ৰন্থত ফজলুল হক মৰল আৰু স্বাধীনতা সংগ্ৰামী আবু ছামা দুয়োজনেই মহীয়সী বিদ্ৰোহিনী গৰাকীক ৰেউতী বুঢ়ী নামেৰেহে উল্লেখ কৰিচে, ছাফা নেচা বা চফিউন নেচা নাম উল্লেখ কৰা নাই। দুয়োজনেই 'ৰেউতী বুঢ়ী' ৫৭ ছালৰ মুক্তিযোদ্ধা আৰু কলীয়াপানীতে কবৰ আছে বুলিহে কৈছে। আনহাতে উক্ত লেখাৰ আঠবছৰ পাচত প্ৰকাশিত নগাঁও জিলা কংগ্ৰেছ কমিটিৰ এখন স্মাৰক গ্ৰন্থত আবু ছামা ডাঙৰীয়াই ৰেউতী বুঢ়ী নাম ব্যৱহাৰ নকৰি ছফিউন্নেছা নামহে ব্যৱহাৰ কৰিছে আৰু এইবাৰ ১৮৫৭ ছালৰ পৰিবৰ্তে ১৮৬২ চনতহে তেখেতে আমোলাপট্টিৰ কৃষ্ণকান্ত গোস্বামীৰ লগ লাগি বৃটিছ - বিৰোধী ষড়যন্ত্ৰ কৰা বুলি উল্লেখ কৰিছে (সম্পাদক ঃ ফজলুল হক মৰল, ২০০০ চন)

আমি এতিয়ালৈকে ৰেউতী বুঢ়ী ওৰফে চফিউন নেচাৰ বিষয়ে কে'বাটাও তথ্যসূত্ৰ ডাঙি ধৰিলো। তাৰ ভিতৰত চন্দ্ৰকান্ত বৰকাকতীৰ লেখাটোৰেই আটাইতকৈ বিস্তাৰিত আৰু তথ্যপূৰ্ণ। আনহাতে চন, তাৰিখ আৰু মৃত্যুস্থানৰ পাৰ্থক্য থাকিলেও উক্ত সকলো সূত্ৰই কেইটামান বিষয়ত একমত। সেইবোৰ হ'ল ঃ (১) ৰেউতী বুঢ়ী ওৰফে চফিউন নেচা আছিল বৃটিছ বিৰোধী এক সশস্ত্ৰ বিদ্ৰোহৰ পৰিকল্পনাৰ মধ্যমণি (২) তেওঁৰ আটাইতকৈ বিশ্বস্ত সহযোগী আছিল কৃষ্ণকান্ত গোস্বামী। (৩) ৰেউতী বুঢ়ী (আৰু তেওঁৰ সহযোগী কৃষ্ণকান্ত গোস্বামী আৰু নাগিনা সিঙ) ক কলীয়াপানীত মেলা হৈছিল। উল্লেখযোগ্য যে এই তথ্যখিনি ফুলগুৰিৰ ধেৰাৰ বিষয়ে ১৯৬১ চনতে প্ৰামাণ্য গ্ৰন্থ লিখা স্বাধীনতা সংগ্ৰামী বেণুধৰ কলিতাৰ দ্বাৰাও সমৰ্থিত। কলিতাই লিখিছে 'পশ্চিমীয়া চিপাহিৰ লগত ষড়যন্ত্ৰ কৰি জিলা কালেক্টৰক বধ কৰিবলৈ চেষ্টা কৰাৰ অপৰাধত আমোলাপট্টিৰ কৃষ্ণকান্ত গোস্বামীৰ উপৰি চফিউন- নেচা (নগাওঁ লোকেল বোৰ্ডৰ ভূতপূৰ্ব চেয়াৰমেন মহম্মদ ৰফিক চাহাবৰ বুঢ়ীমাক) নামৰ এগৰাকী নগঞা ভদ্ৰপৰিয়ালৰ স্বাধীনতা-প্ৰিয় বিদুষী মুছলমান মহিলাই ১৮৫০ চনৰ পিচতে দ্বীপান্তৰী হৈ কলিয়াপানীলৈ যাব লগা হয়। এই তথ্য তেখেতে ২০০৬ চনত ইংৰাজত প্ৰকাশিত The Uprising of Phulaguri তো দোহাৰিছে।

এতিয়া আমি বিদ্ৰোহিনী মহিলাগৰাকীৰ আটাইতকৈ বিশ্বস্ত সহযোগী কৃষ্ণকান্ত গোস্বামীৰ ব্যক্তিত্বত আলোকপাত কৰিমহঁক।

চন্দ্ৰকান্ত বৰকাকতীৰ ভাষাত ' .... জামুগুৰিৰ কৃষ্ণকান্ত গোস্বামী ব্ৰহ্মচাৰী দেৱ (চফিউন নিচা বেগমৰ) সোঁহাতস্বৰূপ আছিল। গোস্বামীদেৱ স্বনামধন্য দেশপ্ৰেমিক, সাংবাদিক স্বৰ্গীয় কেদাৰনাথ গোস্বামীৰ ককাক। কৃষ্ণ গোস্বামী এজন অত্যন্ত তীক্ষ্ন বুদ্ধি সম্পন্ন দুৰ্জয় সাহসী, বিদ্ৰোহী ভাৱাপন্ন লোক আছিল। ইংৰাজ বিষয়াৰ লগত তেখেতৰ চকুৰে চকুৰেই নপৰিছিল। ইংৰাজক খেদি দেশ উদ্ধাৰ কৰাৰ এটা সোণালী সপোন তেখেতৰ চকুৰ আগত সততেই ভাঁহি আছিল। যান - বাহন নোহোৱাকৈ খোজ কাঢ়িয়েই তেখেতে গাঁও ভূইত ফুৰি এই বিদ্ৰোহত যোগ দিবলৈ গাঁৱৰ বুঢ়া - মেথাক উচতাই ফুৰিছিল। এই কাৰ্যত তেখেত কৃতকাৰ্য হৈছিল।' (সাদিনীয়া নৱযুগ ২১/১০/১৯৬৮)

অসমৰ মহান সংগ্ৰামী সাংবাদিক কেদাৰনাথ গোস্বামীয়ে তেওঁৰ ককাক এইজন কৃষ্ণকান্ত গোস্বামীৰ বিষয়ে এনেকৈ লিখিছে, 'মোৰ ককাদেউতা কৃষ্ণকান্ত গোস্বামীৰ সত্ৰ আছিল। আমাৰ পৰিয়ালৰ মানুহ আৰু তেখেতৰ শিষ্যৰ মুখত শুনামতে তেখেতৰ দিব্যদৃষ্টিৰ ক্ষমতা সহজাতভাৱে আছিল। .. চিপাহি বিদ্ৰোহৰ কেইবাজনো প্ৰধান বিদ্ৰোহী সেই সময়ত আমাৰ সত্ৰত আশ্ৰয় লৈছিলহি। তাৰ ভিতৰত এজনৰ নাম আছিল বাবা গোকোল দাস ব্ৰহ্মচাৰী। অৱশ্যে তেখেতৰ আচল নাম অন্য আছিল। তেখেত বোলে সেই সময়ৰ নেপালৰ

মন্ত্ৰীৰ পেহীয়েকৰ পুতেক আছিল। তেখেত এজন সংস্কৃত পণ্ডিত আছিল। তেখেতৰ ১০৮ খন উপনিষদ থকা এখন কিতাপ এতিয়া মোৰ হাতত আছে। স্বাভাৱিকতে আমাৰ সত্ৰত ৰাজনীতিৰ আলোচনা খুব হৈছিল।' (কেদাৰনাথ গোস্বামী, স্বপ্নদৰ্শন, মৰাণ ১৯৪৬ পুনৰমুদ্ৰণ , ১৯৮০ )

আনহাতে জয়কান্ত শৰ্মা সম্পাদিত 'সাংবাদিক, চিন্তাবিদ, ৰাজনীতিজ্ঞ, কেদাৰনাথ গোস্বামী,' (গুৱাহাটী ১৯৯৭) গ্ৰন্থত কেদাৰনাথ গোস্বামীহঁতৰ সত্ৰখন 'নগাঁও জিলাৰ জামুগুৰি গাঁৱৰ জখলাবন্ধা সত্ৰ' বুলি উল্লেখ কৰিছে। ইফালে সম্পাদকে সত্ৰখনৰ নাম জামুগুৰি বুলিহে কৈছে। এইখিনিতে উল্লেখযোগ্য এটি কাকতালীয় কথা হ'ল ১৮৬৩ - ৬৪ চনৰ চফিউন নেচা - কৃষ্ণকান্ত গোস্বামীৰ বিদ্ৰোহৰ ১০০ বছৰ পূৰ হোৱা বছৰটোতেই তৃতীয় প্ৰজন্মৰ বিদ্ৰোহী কেদাৰ গোস্বামীৰো মৃত্যু ঘটে। গোস্বামীৰ মৃত্যু হয় ১৯৬৪ চনৰ ২২ মে'ত, এতেকে তেওঁ চন্দ্ৰকান্ত বৰকাকতীৰ ২১ অক্টোবৰ ১৯৬৪ত প্ৰকাশিত প্ৰবন্ধ পঢ়িবলৈ পোৱা নাছিল। আনহাতে ২০০২ চনৰ ২২ মে'ত কেদাৰনাথ গোস্বামী স্মাৰক বক্তৃতা প্ৰবন্ধ কৰোঁতে প্ৰাক্তন মুখ্যমন্ত্ৰী গোলাপ বৰবৰাই গোস্বামীৰ জন্ম ১৯০১ চনত নগাঁৱৰ বেবেজীয়াত বুলি উল্লেখ কৰিছে। এতেকে নগাঁৱৰ বেবেজীয়া অঞ্চলৰ জামুগুৰিতেই কৃষ্ণকান্ত গোস্বামীৰ সত্ৰ থকাৰ সম্ভাৱনা বেছি।

জখলাবন্ধা সত্ৰৰ বৰ্তমান সত্ৰাধিকাৰ যুগল কৃষ্ণ দেৱগোস্বামীয়ে আমাক তেখেতৰ পূৰ্বজজনৰ বিদ্ৰোহী তৎপৰতাৰ বিষয়ে বহুকথাই জনাইছে। তদুপৰি কলীয়াপানীৰ পৰা ঘূৰি আহি বৰাক উপত্যকাৰ অসমীয়া মানুহৰ মাজত তেওঁ ধৰ্ম প্ৰচাৰ কৰিছিল বুলি কৈছে। এই কথা ইচমাইল হুচেইনৰ দ্বাৰাও সমৰ্থিত। মাজুলীৰ উত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ জনাৰ্দন দেৱগোস্বামীয়ে আমাক জানিবলৈ দিয়ামতে এইজন কৃষ্ণকান্ত গোস্বামীৰ কথা তেওঁলোকে শৈশৱৰ পৰাই শুনি আহিছে। বৃটিছে চকু কাঢ়িব বুলি শুনিবলৈ পাই তেখেতে নিজেই নিজৰ চকু উৎপাদিত কৰিছিল বুলিও সত্ৰাধিকাৰজনে শুনিবলৈ পাইছিল। যি কি নহওক কৃষ্ণকান্ত গোস্বামীৰ সংগ্ৰামী মেজাজৰ সম্পৰ্ক উক্ত কথা উপকথাবোৰৰ পৰা এক আভাস পোৱা যায়।

সামৰণিত কওঁ যে ৰেউতী বুঢ়ী ওৰফে চৈফুনিচা আৰু সত্ৰাধিকাৰ কৃষ্ণকান্ত গোস্বামীৰ সংগ্ৰামী যুটী অসমৰ ৰাজনৈতিক ইতিহাসৰ এটি অবিস্মৰণীয় পৰিঘটনা। ১৮৫৭ ছালৰ স্বাধীনতা সংগ্ৰামত মণিৰাম দেৱান আৰু পিয়ালি বৰুৱাক ফাঁচী দিয়াৰ পাচতো, বাহাদুৰ - ফৰ্মুদ - দুতিৰাম - মধু- লুকী আদিক কলীয়াপানীত মেলাৰ পাচতো, ১৮৬১ চনত ৰজাখেদা নগাঁওৱাই সংঘটিত কৰিছল ফুলগুৰিৰ ধেৱা- এক মহান কৃষকবিদ্ৰোহ। সেই বিদ্ৰোহৰ বৰ্বৰ দমনৰ পাচতো, লক্ষণসিং ডেকা, চাংবৰ লালুং হেবেৰা লালুং, বাহুবলী কৈবৰ্ত, বনমালী কৈৱৰ্ত আৰু হেবেৰা লালুঙক কলীয়াপানীত মেলা, ৬০ জনক ফাটেকলৈ পঠোৱাৰ পাচতো পুনৰ বিদ্ৰোহৰ স্পৰ্ধা দেখুৱাইছিল অসমীয়াই। পাৰিও নপৰা, মৰিও নমৰা অসমীয়াৰ মুক্তিকামী মেজাজৰ প্ৰতীক এই দুগৰাকী জাতীয় বীৰক আমি সেইবাবেই মনত ৰাখিম। এগৰাকী মহিলা হৈ, এগৰাকী মাতৃহৈও দেশমাতৃৰ হকে অস্ত্ৰ তুলিবলৈ সংকোচ নকৰা ৰেউতী বুঢ়ী ওৰফে চফিউন নেচা, আৰু চিপাহি বিদ্ৰোহৰ বিদ্ৰোহীসকলক নিজৰ সত্ৰত স্থান দি চফিউননেচাৰ সহযোগী হৈ সশস্ত্ৰসংগ্ৰামৰ সংগঠন কৰা এইজন মহান সত্ৰাধিকাৰ কৃষ্ণকান্ত গোস্বামী - অসমীয়াৰ ধৰ্মনিৰপেক্ষ ঐতিহ্যৰ অসমৰ সংগ্ৰামী মেজাজৰ সুযোগ্য প্ৰতিনিধি। তেওঁলোকৰ বিফল যদিও মহীয়ান বিদ্ৰোহৰ ডেৰশবছৰ সমাপ্তিত আমি সেয়ে তেওঁলোকক চালাম - প্ৰণাম যাচিছোঁ।◆

(লেখকৰ চলভাষ ঃ ৯৪৩৫৩-৫১২৫৫)

# জিকিৰ আৰু জাৰীৰ অমিয়া সুৰ

ড° পইনুৰুদ্দিন আহমদ

খ্ৰীষ্টীয় ত্ৰয়োদশ শতিকা মানৰ পৰা অসমৰ মাটিত নিজকে বিলীন কৰি দিয়া ইছলাম ধৰ্মী অসমীয়া সকলে অসমীয়া ভাষা সাহিত্য-সাংস্কৃতিক চহকী কৰা অন্যতম সম্পদ হ'ল জিকিৰ আৰু জাৰী শীৰ্ষক ভক্তিমূলক কবিতা তথা গীত সমূহ। এই গীত কবিতাবোৰৰ মাজেদি প্ৰকাশিত হৈছে ইছলামৰ গূঢ় তত্ত্ব, দৰ্শন, ৰীতি নীতি অতি সহজ সৰল ৰূপত। জিকিৰত জীৱনৰ সত্যতা, ক্ষণভঙ্গুৰতা, বাস্তৱৰ জটিলতা, সমসাময়িক সমাজ জীৱনৰ প্ৰতিচ্ছবি প্ৰকট হৈ উঠিছে। ই এহাতে আল্লাৰ স্তুতি আৰু আনহাতেদি মানৰ মুক্তিৰ মহাগীত।

অসমীয়াত প্ৰচলিত জিকিৰ শব্দটি আহিছে আৰবী ভাষাৰ 'যিকৰ' শব্দটিৰ পৰা যাৰ আভিধানিক অৰ্থ হ'ল উল্লেখ কৰা, উচ্চাৰণ কৰা, স্মৰণ কৰা, বাৰে বাৰে আওৰোৱা। দৰাচলতে সৃষ্টিকৰ্তা আল্লাহ-তালাৰ নিৰানব্বৈটা নাম বা গুণাৱলী পুনঃ পুনঃ আবৃত্তি কৰাই জিকিৰ। অসমৰ বৈষ্ণৱ আৰাধনা পদ্ধতিত 'নামলোৱা' যি ইছলামত 'জিকিৰ কৰা'ও সি। বৈষ্ণৱ পৰম্পৰাত নাম, গুৰুদেৱ আৰু ভকতৰ দৰে জিকিৰতো কলিমা (নাম) মুৰ্ছিদ (গুৰু), আল্লাহ (দেৱ) আৰু উন্মত (ভকত)ৰ গুৰুত্ব অপৰিসীম।

প্ৰত্যেক মুছলমানে জীৱনত পাঁচটি বুনিয়াদী কাম—কলিমা, নামাজ, ৰোজা, হজ আৰু যাকাত অৱশ্যে পালনীয় ৰূপে সমাধা কৰিব লাগে। দৈনিক পাঁচৱাক্তৰ নামাজ পঢ়িব লাগে। ইয়াৰ উপৰিও অতিৰিক্তভাৱে কিছুমান উপাসনা আৰাধনা কৰিব পাৰে, এইবোৰ বাধ্যতামূলক নহয়, ঐচ্ছিকহে। কৰিলে কল্যাণ, নকৰিলে কোনো অপৰাধ নাই। আল্লাহ ৰছুলৰ নাম-গুণ সকলো সময়তে ভক্ত সকলে ল'ব লাগে। কিন্তু কিছুমান আৰাধনা সকলো সময়তে নকৰি একোটি নিৰ্দ্দিষ্ট স্থানত নিৰ্দ্দিষ্ট নিয়মৰ মাজেৰে কৰা বাঞ্চনীয়, অতি ফলদায়ক। এনেকুৱা নিৰ্দ্দিষ্ট নীতি-নিয়মৰ মাজেৰে কৰা সাধনাই জিকিৰ, জিকিৰ কৰা। সাংসাৰিক বিভিন্ন কু-প্ৰভাৱৰ পৰা মুক্ত হৈ থাকিবৰ কাৰণে এনেকুৱা জিকিৰৰ অতীৱ প্ৰয়োজন আছে। আল্লাৰ কিছুমান বিশেষ বিশেষ গুণবাচক নাম (ইচিম) সদায় স্মৰণ কৰি (বিশেষকৈ নিৰ্জনতাত) নিজৰ মনক উৰ্দ্ধমুখী কৰিব পাৰি। এনে জিকিৰ-আজকাৰ অকলেও কৰিব পাৰি, অথবা দলবান্ধি (হালকা পাতি)ও কৰিব পাৰি। এনেভাৱে আল্লাৰ নাম গুণ জপ কৰা পদ্ধতি দুই ধৰণৰ—প্ৰথম, জিকিৰ-ই-জল্লী, অৰ্থাৎ প্ৰকাশ্য বা বাহ্যিক ভাৱে কৰা জিকিৰ। দ্বিতীয়বিধ জিকিৰ—ই খাফী, অৰ্থাৎ গোপন বা হৃদয়েৰে কৰা জিকিৰ।

অসমীয়া ভাষাৰ জিকিৰ গীত সমূহ ওপৰত উল্লেখ কৰা জিকিৰৰ অন্তৰ্ভুক্ত। এইবোৰ আল্লাৰ নাম লবৰ বাবে আৰু নবীৰ গুণ গৰিমা কীৰ্তন কৰাৰ বাবেই ৰচিত হৈছে। কিন্তু অসমীয়া ভাষাৰ জিকিৰবোৰে আৰবী ভাষাৰ জিকিৰ বোৰতকৈ সম্পূৰ্ণ পৃথক চৰিত্ৰ গ্ৰহণ কৰিছে। আৰবী ভাষাত যিবোৰ জিকিৰ ৰূপে আওৰোৱা হয়

সেইবোৰ কোনো শ্ৰেণীৰ গীতৰ ভিতৰত নপৰে আৰু সেইবোৰত এটা, দুটা শব্দ বা কেতিয়াবা কেতিয়াবা একোষাৰি অসম্পূৰ্ণ বাক্য থাকে। কিন্তু অসমীয়া জিকিৰবোৰ সঁচাকৈয়ে গীত, শুৱলা ভক্তিমূলক গীত। ইয়াত বহুত বাক্য থাকে, একো একোটি সুন্দৰ সুগঢ়িত কবিতাৰ নিচিনা।

অসমীয়া জিকিৰ গীতবোৰ সৃষ্টিৰ আঁৰৰ কথা সঠিকভাৱে কব নোৱাৰি। তথাপি ইয়াকে ক'ব পাৰি যে যোদ্ধা, যুদ্ধবন্দী তুৰ্কী-আফগান, পাঠান-মোগল, চুফী-সন্ত, আলিম পণ্ডিত, থলুৱা ধৰ্মান্তৰিত পুৰুষ আৰু স্থানীয় মহিলাৰ বৈবাহিক সম্বন্ধৰ ফলত উদ্ভৱ হোৱা ইছলাম ধৰ্ম্মী অসমীয়া সকলে সম্ভৱতঃ আচল ইছলাম ধৰ্ম আৰু সংস্কৃতিৰ সতে সম্পৰ্ক হেৰুৱাই পেলাইছিল আৰু ঘাইকৈ থলুৱা তিৰোতা-পত্নীসকলৰ প্ৰভাৱত এই দেশৰ কৃষ্টি-সংস্কৃতিৰ সতে একাকৰি হৈ পৰিছিল। ইছলামৰ মূলমন্ত্ৰ নামাজ-ৰোজালৈ পিঠি দি তেওঁলোকে বাৰে বৰণীয়া গীত-মাত, নাট-ভাওনা, ওজাপালি-দেহবিচাৰ, বিহু-হুচৰি আদিৰ প্ৰতি আসক্ত হৈ পৰিছিল। গতিকে ইয়ালৈ ইছলামৰ সাৰ্বজনীন বাণী লৈ অহা ধৰ্মগুৰু সকলে ভাবি-চিন্তি গীত-পদৰ মাধ্যমেৰেই আওবাটে যোৱা সকলক পোনবাটলৈ আনিবৰ কাৰণে উত্তম পন্থা হ'ব বুলি ভাবি গীত-পদ ৰচনাত মনোনিবেশ কৰা যেন লাগে। পোনপটীয়াকৈ ধৰ্ম প্ৰচাৰ কৰাৰ পৰিৱৰ্তে। কিয়নো পঞ্চাদশ শতিকাত বৈষ্ণৱগুৰু শ্ৰীমন্ত শঙ্কৰদেৱ, মহাপুৰুষ আদিয়ে গীত-পদৰ মাধ্যমেৰেই এগৰাকী ঈশ্বৰৰ নাম মাহাত্ম্য প্ৰচাৰত ব্ৰতী হৈছিল, সফলো হৈছিল। গান-বাজনা প্ৰিয় মুছলমান সকলক ইছলামলৈ ঢালখুওৱাৰ উদ্দেশ্য কৰি জিকিৰবোৰ ৰচনা কৰা হৈছিল। এহাতে মনোৰঞ্জন, অন্যহাতে তাৰ মাজেদিয়ে ধৰ্মলৈ আহ্বান, উদগনিঃ

ঘোষা ঃ নেৰিবা কলিমা ধৰিবা কলিমা
কলিমা নামৰে গুৰি।

পদঃ আওলতে এই কলিমা আখেৰতে এই কলিমা
জাহিৰতে এই কলিমা বাতিনৰোমূল।
চৰিয়তত এই কলিমা হকিকত এই কলিমা
তৰিকতত এই কলিমা মাৰিফৰতৰ মূল।।
আচমানতো এই কলিমা জমিনতো এই কলিমা
দোজখতো এই কলিমা বিহিস্তৰো মূল।
আৰছতো এই কলিমা কুৰছিতো এই কলিমা
লৌহতো এই কলিমা মহফুজৰো মূল।।
দুনিয়াতো এই কলিমা ইল্লনতো এই কলিমা
জিন্দেগীতো এই কলিমা মৰতৰো মূল।
লাহততো এই কলিমা নাচুততো এই কলিমা
মলকুততো এই কলিমা জবৰু তৰো মূল।।

সেই একে উদ্দেশ্যৰেই হয়তো 'জাৰী' গীতবোৰ ৰচনা কৰা হৈছিল। উল্লেখযোগ্য যে মধ্যযুগত অসমত 'ওজাপালি' শীৰ্ষক গীতবোৰ বিশেষ প্ৰাধান্য বিস্তাৰ কৰিছিল। এইবিলাক গীতৰ বেউলা লখিন্দৰ-চান্দো



সদাগৰৰ দুখভৰা জীৱন কাহিনীয়ে মানুহক মনোৰঞ্জন দিছিল, আনহাতে ইয়াৰ লগে লগে অন্তৰত ধৰ্মস্পৃহাও জগাই তুলিছিল। এনে বিষাদ-বিধুৰ কাহিনীয়ে সাময়িকভাৱে হলেও মানুহক নিজৰ দুখ-দৈন্যৰ পৰা

আঁতৰাই ৰাখিছিল। উল্লেখযোগ্যযে ওজাপালি গীতত সৰ্পৰ অধিষ্ঠাত্ৰী দেৱী মনসা (বিষধৰি)ৰ মাহাত্ম্য প্ৰকাশিত হৈছে যদিও এইবিলাক কাহিনী প্ৰধান কৰুণ গীতৰ প্ৰাণস্পৰ্শী সুৰে মুছলমানৰ গণমানস বিশেষকৈ কামৰূপ, নগাঁও, দৰং আদি জিলাৰ অঞ্চল বিশেষৰ জনসাধাৰণকো বাৰুকৈয়ে আকৰ্ষিত কৰিছিল। বহু মুছলমানে নাটকীয় ভংগীৰ ওজাপালি গীতৰ ওজা আৰু পালি ৰূপে এইবোৰ পৰিৱেশন কৰি ফুৰিছিল। মঙ্গলদৈৰ ওচৰৰ মাৰৈ গাঁৱৰ পৰশু ওজা, কৰিম আতৈ, হাজোৰ ওচৰত উখুৰা গাঁৱৰ গৌৰীমল শ্বেখ, মুকালমুৱা আদাবাৰীৰ জনৈকি আলী ওজাপালিৰ সুবিখ্যাত গায়ক আছিল। ওজাপালিৰ আৰ্হিতে অবিভক্ত কামৰূপ আৰু দৰঙৰ মুছলমানে উলিয়াইছিল 'চেৰাচেক' নামৰ একশ্ৰেণীৰ গীত। ইফালে ওজাপালিৰ দ্বাৰা অনুপ্ৰাণিত হৈয়ে হয়তো কিছুমান মুছলমান সন্ত-আউলীয়াই 'কাৰবালা'ৰ বিষাদ গাঁথাক পটভূমি হিচাপে লৈ 'জাৰী' গীতবোৰ ৰচনা কৰিছিল খ্ৰীষ্টীয় সপ্তদশ শতিকাত আজান ফকীৰৰ বহু আগতে। এই ক্ষেত্ৰত ওস্তাদ দাৰা নামৰ এজন সাধুৰ নাম জাৰী গীতৰ ৰচক হিচাপে পোৱা মীয়া উল্লেখযোগ্য যে পাৰস্যৰ কাৰবালা নামৰ এখন মৰু প্ৰান্তৰত সপ্তম শতিকাত বিশ্বনবী হজৰত মহম্মদ (ছঃ)ৰ নাতি তথা মহাবীৰ খলিফা হজৰত আলী আৰু ফাতিমা বিবিৰ পুত্ৰ হজৰত হুছেইন আৰু তেওঁৰ অনুগামী সকলৰ শোকাবহভাৱে মৃত্যু ঘটিছিল এজিদ নামৰ শাসক এজনৰ সৈন্যবাহিনীৰ হাতত। সেইবীৰ শ্বহীদ সকলৰ দুখৰ কাহিনী গীতৰ আকাৰত গোৱাতসেইবিলাকে সহজে মানুহৰ মন আকৰ্ষিত কৰিব পাৰিছিল।

ঘোষাঃ কিনো বাবাৰ কিনো হাল
চম্পা ফুল যেন দুই গাল
লহুত মিহলি হ'ল
হায় হায় ৰে!
পদঃ দুল দুল আহে ফিৰি
চাৰবান যায় আগবাঢ়ি
কোৱা দুল দুল চৈয়দৰ খবৰ হায় হায় ৰে!
মাতিব নেজানে দুলদুল
জামিনত মাৰিছে মূৰ
কপালত লহৰ নিচান, হায় হায় ৰে!
তুমি যে আহিলা দুলদুল
চাহেবক চাৰিলা ক'ত
মোৰ চৈয়দ-কতে হেৰাল হায় হায় ৰে।
হায় তোমাৰ পুতাই
অতি বাঘৰাই
খেদি গৈ ললে গৈ ৰণ।
তুমি যে আহিলা জামা
মোৰ চাহেব এৰিলা ক'ত
মোৰ চৈয়দ ক'তে হেৰাল হায় হায় ৰে!
তুমি যে আহিলা পাগ
মোৰ চাহেব এৰিলা ক'ত
মোৰ চৈয়দ কতে হেৰাল হায় হায় ৰে!
হায় তোমাৰ পুতাই
অতি বাঘৰাই
খেদি গৈ ললে গৈ ৰণ!
ক'ত থাকিম ক'লৈ যাম
ক'ত গ'লে দেখা পাম
অথানি সাগৰৰ মাজে হায় হায় ৰে!

এই গীতবিলাকে এহাতে মনৰ দুখ-শোক পাতলায় আনহাতে ধৰ্মলৈও মানুহক অনুপ্ৰাণিত কৰে। কাৰবালাৰ কাহিনী অতি কৰুণ। সেই দেখি এই কৰুণ কাহিনীৰ আধাৰত ৰচিত গীতবোৰক 'জাৰী' গীত বোলা হৈছে। কিয়নো ফাৰ্চী ভাষাৰ শব্দ 'জাৰী' মানে কন্দা, বিলাপ কৰা, শোক কৰা। মৰ্ছিয়া শব্দৰো একেই অৰ্থ। কাৰবালাৰ মৰ্মান্তিক ঘটনা সংঘটিত হোৱা পাৰস্যতো জাৰী বা মৰ্ছিয়া গীতৰ প্ৰচলন আছে। জাৰী গীত গোৱা

মজলিছক 'ৰৌজা খানী' বোলে। ঘৰত কাৰোবাৰ বেমাৰ আজাৰ হলে অথবা শুভ কামৰ আৰম্ভণি হিচাপে এনে 'ৰৌজাখানী'ৰ ব্যৱস্থা কৰা হয়, আৰোগ্য লাভ তথা অপায় অমংগল দূৰ হোৱাৰ অভিপ্ৰায়েৰে, আমাৰ মুলুকত 'মৌলুদ শ্বৰীফ' বা 'মিলাদ মেহফিল' আয়োজন কৰাৰ দৰে। অসমীয়াত ফাতিমাৰ জন্ম ও বিয়াৰ পৰা আৰম্ভ কৰি হাছান হুছেইনৰ মৃত্যুলৈকে বিভিন্ন পৰ্যায়ৰ জাৰী গীত থকাৰ দৰে ফাৰ্চী ভাষাতো বিভিন্ন স্তৰৰ জাৰী গীত আছে।

জিকিৰ জাৰী উভয়বিধ গীতেই বৈষ্ণৱ পদাৱলীৰ আৰ্হিত ৰচনা কৰা হৈছে। কিন্তু ইয়াৰ সুৰ থলুৱা দেহবিচাৰ লোক গীত, বিয়াগীত, বিহুগীত, হুচৰি, আইনাম, ঐনিতম, ভাটিয়ালী আদি গীতৰ ওপৰত আধাৰিত। এইবিলাক থলুৱা সুৰত গোৱা কাৰণে জিকিৰ জাৰী জাতে পাতে অসমীয়া হৈ পৰিছে। তদুপৰি জিকিৰ-জাৰীত কিছু আৰবী-ফাৰ্চী শব্দৰ সংযোজনে অসমীয়া ভাষাটোক অতি চহকী আৰু গতিশীল কৰি তুলিছে।

জিকিৰ গীতৰ ৰচক হিচাপে কেইবা গৰাকীও সন্ত-আউলীয়াৰ নাম পোৱা গৈছে। অৱশ্যে সকলোবোৰ জিকিৰত ৰচকৰ ভণিতা (নাম) নথকা কাৰণে কোনটো কাৰ ৰচনা সঠিকভাৱে কোৱা টান। এতিয়ালৈকে ভণিতা থকা হিচাপে চান্দসাৰ দুটা, ছেখ ফৰিদৰ দুটা, বান্দৰ ফকীৰৰ দুটা, চৈয়দ মোৰতাজাৰ এটা, গোলাম হুছেইনৰ এটা, মজনুদিল ফকীৰৰ চৈধ্যটা, খোন্দকাৰ পীৰৰ এটা আৰু আজান ফকীৰৰ সৰহ সংখ্যক জিকিৰ পোৱা গৈছে। আজানৰ ভায়েক নবীশ্বাহ পীৰে ৰচনা কৰা জিকিৰ এতিয়ালৈকে উদ্ধাৰ হোৱা নাই, সম্ভৱতঃ তেওঁ জিকিৰ ৰচনাত হাত দিয়া নাছিল। আনহাতে 'গুৰুচৰিত' শীৰ্ষক জিকিৰ কেইটিৰ ৰচক চৈয়দ মুনিয়া দাৱন।

কিন্তু ছেখ ফৰিদে অসমীয়াত জিকিৰ ৰচনা কৰা নাই, কিয়নো তেওঁ পঞ্জাৱৰহে লোক আছিল। এওঁক 'গঞ্জ-ই-চকৰ' অৰ্থাৎ 'মিষ্ট ভঁৰাল' নামেৰেহে জনা যায়। এওঁ ৰচা ভালেমান 'দোহা' শিখধৰ্মগ্ৰন্থ 'গ্ৰন্থচাহিব'ত অন্তৰ্ভুক্ত হৈছে। তেওঁৰ নামত পোৱা অসমীয়া জিকিৰ কেইটা অসমীয়া ভাঙনিহে। ভাঙনি নিশ্চয়কৈ আজান ফকীৰেই কৰিব লাগিব, কিয়নো সেই দিনত আজান ফকীৰৰ সমান প্ৰতিভা থকা লোক বিৰল আছিল। তদুপৰি ১৬০ টা জিকিৰৰ সৰহখিনিয়ে আজান ফকীৰৰ পণ্ডিত সকলে সেই বুলিয়ে কৈছে। অৱশ্যে জিকিৰৰ সংখ্যা সঠিকভাৱে জানিব পৰা নাযায়, যিহেতুক জিকিৰৰ মূলপাঠ পাবলৈ নাই। এতিয়া পোৱা বোৰ মানুহৰ মুখৰ পৰা উদ্ধাৰ কৰাহে। ইফালে মজনুদিল ফকীৰৰ নামতো কেবাটাও জিকিৰ পোৱা গৈছে যদিও সেয়া আচল নাম হয় নে নহয় বিচাৰ্য বিষয়। কিয়নো 'মজনু' মানে পাগল 'দিল' মানে হৃদয় বা অন্তৰ। গতিকে মজনুদিল ফকীৰৰ অৰ্থ হয় পাগল হৃদয় (মন)ৰ সন্নাসী। গভীৰভাৱে বিচাৰ কৰিলে খোদা প্ৰেমত আচ্ছন্ন সকল সঁচাকৈয়ে পাগল, ..., উদাসীন। সেইফালৰ পৰা মজনুদিল ফকীৰ কাৰোবাৰ ছদ্মনামো হ'ব পাৰে।

সকলোতকৈ লক্ষণীয় কথাটো হৈছে জিকিৰ-জাৰীত ইছলামী বিষয় বিবৃত হৈছে যদিও ইয়াৰ মাজে মাজে হিন্দু ধৰ্মৰ ঋষি মুনি, দেৱ-দেৱতা, মহাপুৰুষ শংকৰদেৱ-মাধৱদেৱ আদিৰ প্ৰসংগও আহিছে। ইয়ে মৰ্যাদাপূৰ্ণ সহ অৱস্থান আৰু পাৰস্পৰিক সদ্ভাৱ-সম্প্ৰীতিৰ কথাকে সূচাইছে। এটা জিকিৰত আছেঃ

'শঙ্কৰদেৱত এৰাতি মাধৱদেৱত পিৰীতি
(প্ৰাণ নাথ ঐ) গোপাল দেৱ সৰোবৰখনি না বৈ।
শ্ৰীকৃষ্ণৰ এমাণি কণ্ঠতে পিন্ধিলে
(প্ৰাণনাথ ঐ) ব্ৰহ্মাণ্ডত লগালে ধ্বনি না বৈ।।
কাশীয়ে এ গয়া গকুল মথুৰা
(প্ৰাণনাথ ঐ) আতমাৰ ভিতৰে আছেনো বৈ।
ব্ৰহ্মা হৰিহৰ কৃষ্ণ বলোভদ্ৰ
(প্ৰাণ নাথ ঐ) আতমাৰ ভিতৰে আছেনো বৈ।।'

ইফালে জাৰী গীতৰ প্ৰণেতা হিচাপে এতিয়ালৈকে মাত্ৰ দাৰা ওস্তাদ নামৰ এগৰাকী সন্ত

কৰিৰহে নাম পোৱা গৈছে। এওঁ হাজোৰ ওচৰৰ আদাবাৰীৰ নিকটৱৰ্তী বালিকুচি নামৰ গাওঁখনত থিতাপি লৈছিল ভাটিদেশৰ পৰা আহি। ইয়াৰ কাষৰে লোহাৰ কাঠা গাওঁত এগৰাকী প্ৰখ্যাত ওজাপালি গায়ক আছিল, সেই ঘৰ মানুহক এতিয়াও 'ওজাথেৰ (হঁতৰ) ঘৰ' নামে জনা যায়। সম্ভৱত এইজন ওজাৰ দ্বাৰা অনুপ্ৰাণিত হৈয়ে ওস্তাদ দাৰাই জাৰী গীত ৰচিবলৈ লৈছিল। এখেত আজান ফকীৰৰ কিছু আগৰ লোক আছিল আৰু বেউলা-লখিন্দৰ-চান্দো সদাগৰৰ কৰুণ কাহিনীৰ গীতি ৰূপ ওজাপালি গীতৰ আৰ্হিত এৰোঁ কাৰবালাৰ কৰুণ কাহিনীৰ কাব্য ৰূপ দিছিল। এই বিলাকেই জাৰী বা মৰ্ছিয়া। আজান ফকীৰে জাৰী ৰচিছিল নে নাই তাক খাটাং কৈ ক'ব নোৱাৰি। কিন্তু 'মৰ্ছিয়া গীতক শুনি জাগে চৌপৰ ৰাতি / খোদা মহম্মদৰ কথা শুনিলে গলক কৰে কাটি' বোলা উক্তিটোৰ পৰা তেওঁ জাৰী ৰচনা নকৰা যেন লাগে।

বৰগীত তথা অনান্য বৈষ্ণৱ সাহিত্যাৱলী সাঁচিপাতত লিখাৰ দৰে জিকিৰ জাৰীবোৰ লিখা হৈছিল নে নাই তাকো খাটাং কৈ কৈ দিব নোৱাৰি যিহেতুক কোনো হাতে লিখা গীত এতিয়ালৈকে উদ্ধাৰ হোৱা নাই। সম্ভৱতঃ প্ৰাথমিক অৱস্থাত লিখি ৰখা হৈছিল। কিন্তু পাচলৈ 'দেৱতাৰ বস্তু' লিখিলে গুনাহ হোৱাৰ ভয়ত লিখিবলৈ এৰি দিয়া হৈছিল। কাজেই এইবোৰ পুৰুষানুক্ৰমে মৌখিকভাৱে চলি আহিছিল সিটো পুৰুষৰ পৰা ইটো পুৰুষলৈ আৰু এনেভাৱে মুখে মুখে চলি অহা কাৰণে জিকিৰ জাৰীবোৰত নিশ্চয়কৈ যোগ বিয়োগ হৈছিল। কিয়নো পৰৱৰ্তী কালত দুই একোটা জিকিৰ জাৰীৰ একাধিক পাঠ পোৱা গৈছে। মুখে মুখে চলি অহা কাৰণে এইবোৰ মৌখিক সাহিত্য। কিন্তু ইয়াৰ ৰচকৰ নাম থকা কাৰণে এইবোৰক লোকগীত বা লোক সাহিত্য আখ্যা দিব নোৱাৰি। যিহেতুকে লোক সাহিত্যৰ প্ৰধান চৰ্তই হ'ল তাৰ কোনো নিৰ্দিষ্ট লেখক ৰচক থাকিব নোৱাৰিব।

জিকিৰ পৰিৱেশনত অসমীয়া বিহু হুচৰি গীতৰ সতে সাদৃশ্য মন কৰিবলগীয়া যদিও সুৰৰ ক্ষেত্ৰত দেহ বিচাৰৰ বেছি ওচৰ চপা। একক ভাৱে বা দলবান্ধি চক্ৰাকাৰে ঘূৰি ঘূৰি নাচি বাগি বা বহি জিকিৰ পৰিৱেশন কৰা হয়। পৰিৱেশনকাৰী সকলে আদিতে অসমীয়া সাজ-পোছাক ধূতি-চোলা (কামিজ) পিন্ধিছিল আৰু মূৰত গামোচাখনকে মেৰিয়াই লৈছিল। মূল জিকিৰকাৰী বা ওজাজনে পাগুৰিহে মাৰিছিল, টুপি পিন্ধা নাছিল। আৰু পুৰুষ মহিলাই একে লগে মিলি বিহু মৰাৰ নিচিনাকৈ জিকিৰ গোৱাৰ নিয়ম নাছিল। কোনো বাদ্য যন্ত্ৰৰ ব্যৱহাৰ নাছিল। অৱশ্যে তাল মান ৰাখিবৰ কাৰণে হাত চাপৰি (কৰতাল) ব্যৱহাৰ কৰিছিল। কোনো এঘৰ গৃহস্থৰ নিমন্ত্ৰণক্ৰমে ৰাতি বেলা জিকিৰ পৰিৱেশন কৰা হৈছিল এজন আলীমৰ তত্বাৱধানত। পৰিৱেশন কাৰী সকলে ঘৰৰ মজিয়াখন ভালদৰে লিপি-মচি পৰিস্কাৰ কৰি ধূপ-ধূনা জ্বলাই পৱিত্ৰ মনেৰে জিকিৰ গাইছিল। ওজা গৰাকীয়ে গীত আৰম্ভ কৰিছিল আৰু পালি সকলে লগে লগে সমস্বৰে সুৰ ধৰি গৈছিল। প্ৰথমে জিকিৰ মজলিছ আৰম্ভ কৰিছিল লা-ইলাহা ইল্লালাহু শীৰ্ষক বৰ জিকিৰেৰে ঃ

ঘোষা ঃ লা ইলাহা ইল্লালাহ মোহাম্মদৰ ৰচুলুল্লাহ
চুবহান আল্লাহ।।
পদঃ নামে পৰম ধন শুন মোৰ ভাই
বিষয়াতে ছয় মূল মাণিক নিকায়।
বিষয়াত বিয়াকুল মোৰ নহল বুলি
ধৰিছে মউতৰ কালে নেচাই মন কৰি।
যতেক দেখে ভাৰ্য্যাপুত্ৰ একে বুলি ধৰো
এৰি এৰি আমাৰ আমাৰ বিষয়াতে মৰো।
অনেক শাস্ত্ৰমতে যাৰ গুণ গাই
হেলাতে অমূল্য ৰতন হাততে হেৰায়।
জিগিৰ মথিয়া মথি কলিমাত পালো সাৰ
আল্লাৰ বিনে যতেক দেখো সৰ্বে অলঙ্কাৰ।

আজি ভাটি কালি ভাটি ভটিয়াওতে যায়
ভটিয়াওতে ভটিয়াওতে সাগৰ শুকায়।
আজান চাহেবে কয় হেলে দিন বেয়া যায়
মায়াৰ বাঘিনীয়ে লাৰি চাৰি খায়।'

এনেদৰে ঈশস্তুতি কৰি জিকিৰ আৰম্ভ কৰি অনেক জিকিৰ গোৱাৰ অন্তত 'মোখনি জিকিৰ' গাই মজলিছৰ সামৰণি মৰা হৈছিল। মোখনি জিকিৰৰ নমুনা এনেকুৰা ঃ

ঘোষা ঃ চোবহান আল্লা চোবহান আল্লা।।
পদঃ নাজানিলো নুশুনিলো ... ৰাখিছিলো গৰু ঐ আল্লা....।
ধনলোভী মাৰ বাপ .... বচন লোভী ভাই ঐ আল্লা....।
ধৰি আমি বিবাহ দিলে ... চন্দ্ৰা বিবিৰ সঙ্গে ঐ আল্লা....।
বিবি আগত পীৰ পাছত...আগত মোৰ মছজিদ ঐ আল্লা..।
মছজিদতে গই পীৰে...এয় ছয় মাহৰ ছৱাল ঐ আল্লা....।
দুধ নাপায় ভাতো নাপায়...কান্দি ভাঙ্গে গলা ঐ আল্লা....।
মাৰৰ আগে বাৰ্তা কবা...কিনি দিয়ক কল ঐ আল্লা...।
কল নাপায় ভাত নাখায়..তেওঁৰে জোঁৱাই ল'ৰা ঐ আল্লা..।
বোপাই আগে বাৰ্তা কবা...কিনি দিয়ক গাই ঐ আল্লা...।
দুধ নাপায় ভাত নাখায়...তেওঁৰে জোঁবাইদাৰ ঐ আল্লা...।
ককাই আগে বাৰ্তা কবা...কিনি দিয়ক হায় ঐ আল্লা...।
হায় নাপায় নিদ্ৰা নাযায়..তেওঁৰে বৈনাই ল'ৰা ঐ আল্লা..।
একদিনা পতি চন্দ্ৰা বিবি...বজাৰক লাগি যায় ঐ আল্লা....।
বজাৰতে গ'ই বিবি...কিনি দিলে লাৰু ঐ আল্লা...।
চাৰিকড়া কড়ি দিয়ে...কিনি দিলে লাৰু ঐ আল্লা...।
ইয়ো সোধে সিও সোধে...বিবি তোৰ হয় কি ঐ আল্লা...।
নাকৰ বন্তি কপালৰ সিন্দুৰ...শিৰৰে .... ঐ আল্লা...।
বজৰীয়া লোকে পৰচ্ছি কৰে...বিবিৰ কি হ'ল ঐ আল্লা...।
হেন শুনি চন্দ্ৰাবিবি...বহুত পালে লাজ ঐ আল্লা...।
হেন শুনি চন্দ্ৰাবিবি...নোলায় ঘৰৰ বাজ ঐ আল্লা...।
এক দিনা পতি চন্দ্ৰাবিবি...দৰিয়াক লাগি যায় ঐ আল্লা...।
হাতধৰি পাক মাৰি...পেলায় দৰিয়াৰ মাজ ঐ আল্লা...।
দৰিয়াত পৰি পীৰে..ৰোলে ভাল ভালে ঐ আল্লা...।
হাৰিলো হাৰিলো চাহেব...তিৰীৰে জঞ্জাল ঐ আল্লা...।
হাৰিলো হাৰিলো চাহেব...দুনিয়াৰ জঞ্জাল ঐ আল্লা...।
দৰিয়াত পৰি পীৰে...আসন পাৰি বহে ঐ আল্লা...।
আসন নাযায় তলোপীৰৰ...ভুগলীও নাযায় তলত ঐ আল্লা..।
জানিলো জানিলো চাহেব...খোৰাজ পীৰৰ বল ঐ আল্লা...।
এক মোচৰ যায় পীৰে...দুই মোচৰ যায় ঐ আল্লা...।
ৰৈ যোৰা জিন্দা পীৰ...ক'ই যোৰা কথা ঐ আল্লা...।
যোৰা যোৰা চন্দ্ৰাবিবি...বাপ মাৰৰ ঘৰে ঐ আল্লা...।
নাকান্দিবা চন্দ্ৰাবিবি...নুধুনিবা হিয়া ঐ আল্লা...।
তোমাৰ আমাৰ ইনচাফ হ'ব..ৰোজ হাছৰৰ বেলা ঐ আল্লা...।

এনেদৰে বৈঠকী সামৰণি মৰাৰ পাচত গৃহস্থই 'মাননি' আৰু তামোল পাণৰ বটা আগবঢ়াই জিকিৰশাৰী ওজা গৰাকীৰ পৰা দোৱা আৰ্শীবাদ লয়—হুচৰিত গীতৰ শেষত গৃহস্থই হুচৰি গাওতা সকলৰ পৰা বটা শৰাইত গামোচা, তামোল পাণ পইচা আদি আগবঢ়াই সেৱা কৰি আৰ্শীবাদ লোৱাৰ নিচিনাকৈ।

জিকিৰ বিলাক কেৱল ইছলামী আদৰ্শ প্ৰচাৰৰ গীতেই নহয়, এইবিলাকে সমাজত শান্তি-সম্প্ৰীতি, সমন্বয় সংহতি স্থাপনতো বিশেষ ভূমিকা পালন কৰি আহিছে।

'মোৰ মনত আন ভাৱ নাই ও আল্লা
মোৰ মনত নাই ভেদ ভাৱ
হিন্দুকি মুছলমান এক আল্লাৰ ফৰমান
আখেৰত একে আল্লাৰ নাম।।'

'কোৰানে পুৰাণে এককে কৈছে যি গায় মহন্ত লোক।
এই দুনিয়াত আছে দুই বেশে মুৰ্ছিদে বুজাব তোক।।

এই ভাবনা, এই ধাৰণা আমাৰ দৰে মিশ্ৰিত সমাজ-সংস্কৃতি সম্পন্ন লোকৰ বাবে অতিশয় গুৰুত্বপূৰ্ণ। মাৰ্গ নিদৰ্শন কাৰী।

জিকিৰৰ যোজনা-পটন্তৰ, উপমা-অলংকাৰ, ঘৰুৱা শব্দ জতুৱা ঠাঁচ, আৰবী-ফাৰ্চী শব্দৰ অসমীয়া কৰণ আদি সঁচাকৈ আশ্চৰ্যজনক। জিকিৰৰ সাহিত্য মূল্য অপৰিসীম।

ইফালে কাহিনী প্ৰধান জাৰী গীতকে কিছুমান লক্ষণীয় বৈশিষ্ট সঁচাকৈয়ে উৎসাহজনক।' আৰব মুলুকৰ হজৰত আলী আৰু হুনুফা বিবিৰ বিয়াত অসমীয়া তামোল পাণ কাটি ৰাইজক বিলোৱাৰ বৰ্ণনা অতিশয় মনোগ্ৰাহী ঃ

'ধৰ বোলে আলি চাহেব, বিয়াৰ তামোল খাওঁ।
বিয়াক (পাতি) তুমি জানো সিধা পাতি দেও।।'
'ধৰ বোলো আলি চাহেব, লৈয়া তামোল খাওঁ।
পিতাৰ দিনৰ ধেনু আহে ভাঙ্গিয়া দেখাও।।'

এই বৰ্ণনা যে ৰামে হৰ ধনু ভাঙি সীতাক অনা বৰ্ণনাহে।

সেইদৰে হজৰত মহম্মদ (ছঃ)ৰ ঘৰত বিবি ফাতিমাৰ জন্ম হোৱাত তেওঁৰ নাম থবৰ কাৰণে এজন মোল্লাৰ ওচৰলৈ গৈ পাণ-তামোলৰ মান ধৰিছেঃ

'সোণৰ বটা ভৰি লং চুফাৰি
ৰূপৰ বটা ভৰি পাণ,
তোমাকে বোলো মোল্লাৰে আখুনি
তই খা মোৰ বটাৰ পাণ।।'

'সোণৰ বটা ভৰাই লং চুপাৰি ৰূপৰ বটা ভৰাই পাণ
আল্লাও আল্লাৰে
সোণৰ বটা লং চুপাৰি মোল্লাক মাতিবলৈ যোৱা
আল্লা ও আল্লাৰে
সোণৰ বটা লং চুপাৰি মোল্লাক মাতিবলৈ যায়
আল্লা ও আল্লাৰে।'

যদিও তাহানি হেম সৰস্বতীৰ প্ৰহলাদ চৰিতৰ যোগেদি (একাদশ শতিকা) আৰু ডাকৰ বচন (ত্ৰয়োদশ শতিকা)ৰ দিনৰ পৰাই অসমীয়া ভাষাত আৰবী-ফাৰ্চী আদি বিদেশী মূলৰ শব্দ সোমাইছিল কিন্তু জিকিৰ জাৰী বোৰৰ জৰিয়তেহে অসমীয়াত ব্যাপক হাৰত তেনেবোৰ শব্দৰ প্ৰৱেশ ঘটিল আৰু অসমীয়া ভাষাই নতুন শক্তি আৰু প্ৰাণ পালে।◆

ফোন ঃ ৯৪৩৫৬২৮৮৯৪

*মনৰ প্ৰসন্নতা, মনৰ অকপটতা, মৌন ভাৱ, আত্ম সংযম আৰু আত্ম শুদ্ধি – এই বিলাকেই মানসিক তপস্যা বুলি অভিহিত হয় । মানসিক তপস্যা কৰাৰ অৰ্থই হ'ল ইন্দ্ৰিয় সুখৰ পৰা মনটো আঁতৰাই অনাটো। মনটো এনে ভাৱে প্ৰশিক্ষণ দিব লাগে যাতে ই অনবৰত আনৰ ভাল কৰাৰ বিষয়েই চিন্তা কৰিব পাৰে। চিন্তাৰ গভীৰতাই মনৰ আটাইতকৈ ভাল প্ৰশিক্ষণ। কোনো সময়তে মনটো কৃষ্ণভাৱৰ পৰা আঁতৰাই দিব নালাগে, আৰু সদায়েই ইন্দ্ৰ সুখৰ চিন্তা বৰ্জন কৰিব লাগে। ইন্দ্ৰিয় সুখৰ পৰা মনটো আঁতৰাই নিলেহে মনৰ প্ৰসন্নতা লাভ কৰিব পাৰি।*

*গীতা*

# ৰুমীৰ মছ্নবীৰ গল্প আৰু কবিতা

**চফিউৰ ৰহমান শইকীয়া**

ৰুমীৰ মছ্নবী এখন প্ৰসিদ্ধ গ্ৰন্থ যত অলংকৃত হৈছে ৬৮টা গল্প, উপকথা আৰু কাহিনীৰ ভিত্তিত সৃষ্টি কৰা ২,৫০০ টা পংক্তি তথা ৫০০০ শাৰীৰ কবিতা। এইখন কাহিনী, গল্প বা ইতিহাসৰ গ্ৰন্থ নহয়। কিংবদন্তীৰূপে বৰ্ণিত ইয়াৰ কাহিনীবোৰৰ মাধ্যমত সৃষ্টি হোৱা সাৰকথা, কবিতাৰ মাজেৰে দৰ্শন, আদৰ্শ, মানবতা আৰু আধ্যাত্মিকতাৰ বহু কথা আগবঢ়োৱা এখন মূল্যবান গ্ৰন্থ যাক পাৰ্চী ভাষাৰ কোৰাণ বুলি কোৱা হয়।

মৌলানা ৰুমীৰ এজন সুযোগ্য ছাত্ৰ আছিল তেওঁৰ নাম হোছামুদ্দিন। তেওঁ এদিন ৰুমীক কলে আপুনি এনেকুৱা এটা সংকলনৰ সৃষ্টি কৰক যি জ্ঞানী আৰু আধ্যাত্মিক জ্ঞান পিপাসুসকলৰ বাবে অমৃতসুধা তুল্য হ'ব পাৰে। ৰুমীয়ে তেওঁৰ কথা শুনি আনন্দিত হৈ ক'লে — মোৰ অন্তৰেও এনেকুৱা এটা সংকলন আৰু সৃষ্টিৰ প্ৰয়োজনীয়তা অনুভব কৰিছে। ইতিমধ্য মই ইয়াৰ সূচনাৰ বাবে কেইটামান কবিতাও ৰচনা কৰিছো বুলি কৈ নিজৰ পাগুৰিৰ তলৰ পৰা উলিয়াই হোছামুদ্দিনৰ হাতত ১৮ টা কবিতা দিলে। সেই ১৮টা কবিতাৰে মছ্নবী চৰীফৰ সূচনা হয়।

মৌলানা ৰুমী আৰু হোছামুদ্দীন উভয়ে মছ্নবী চৰীফৰ ৰচনা আৰু সংকলনত এনেকৈ শান্তি পাইছিল আৰু মনোনিবেশ কৰিছিল যে কেতিয়াবা কেতিয়াবা সম্পূৰ্ণ ৰাতি কেনেকৈ এই কামত পাৰ হৈ গৈছিল তেওঁলোকে গমকে নাপাইছিল। ৰুমীয়ে তেওঁৰ লিখনীৰ বহু ঠাইত প্ৰকাশ কৰিছে তেওঁৰ কবিতা ৰচনাৰ উৎস আৰু প্ৰবাহ তেওঁৰ গুৰু চামচ তাব্ৰীজ। এই সকলোবোৰ চামচ অৰ্থাৎ সূৰ্য্যৰ আলোকমালা। যোগ্য ব্যক্তি ৰুমীৰ দ্বাৰা মাত্ৰ সেইবোৰ প্ৰকাশহে হৈছে। মছ্নবী মুঠ ৬টা খণ্ডৰ সংকলন। জীৱনৰ মাজভাগত আৰম্ভ কৰি জীৱনৰ শেষলৈকে অক্লান্ত পৰিশ্ৰম কৰি ৰুমীয়ে বিশ্ব সাহিত্যত অতুলনীয় এই গ্ৰন্থখন দান কৰি গৈছে। পৃথিবীৰ বহুতো ভাষালৈ মছ্নবীৰ অনুবাদ হৈছে আৰু বহুতো বিদেশী ভাষীলোকে ইয়াৰ দ্বাৰা উপকৃত হৈছে।

মছ্নবীৰ প্ৰথম খণ্ডৰ প্ৰথম গল্পটো আৰু তাৰে আধাৰত লিখা তেওঁৰ কবিতা মই ইয়াত উল্লেখ কৰিব বিচাৰিছো। গল্পটো এনেকুৱা—

আগৰ যুগত এজন সৎ ৰজা আছিল। এবাৰ তেওঁ চিকাৰলৈ যাওতে বাটত এজনী অপৰূপা সুন্দৰী দাসী দেখিলে। তেওঁৰ প্ৰাণ সেইজনীৰ প্ৰতি প্ৰেমাসক্ত হৈ উঠে। ৰজাই সেই দাসীজনীক ক্ৰয় কৰি ৰাজ প্ৰসাদলৈ লৈ আহিল, কিন্তু হঠাতে দাসীজনী অসুস্থ হৈ পৰিল। ৰজাই ভাবিলে প্ৰথমতে কলহ আছিল কিন্তু পানী

নাছিল; এতিয়া পানী পাইছে, কিন্তু কলহটো ভাঙিল। সফলতা অসফলতাৰ মিশ্ৰনেই এই পৃথিবী। এটা থাকিলে আনটো নাথাকে; দ্বিতীয়টো অৰ্জন হ'লে প্ৰথমটো হেৰায়। যেনেকৈ আগতে ৰজাৰ কাষত কোনো অপৰূপা সুন্দৰী নাছিল, এতিয়া তাক লাভ কৰিছে কিন্তু স্বাস্থ্য ভাল নথকাৰ বাবে তাইক উপভোগ কৰাৰপৰা বঞ্চিত হৈছে। ৰজাই চাৰিওফালৰ পৰা ডাক্তৰ কবিৰাজ আনিলে আৰু কলে যি ব্যক্তিয়ে মোৰ প্ৰিয়াৰ প্ৰাণক সুস্থ কৰিব পাৰিব তেওঁ মোৰ মনি মুকুতা, ধন সম্পদৰ অধিকাৰী হ'ব পাৰিব। সকলোৱে ক'লে আমি মনে প্ৰাণে চেষ্টা কৰিম আৰু সন্মিলিত চেষ্টাৰে চিকিৎসা কৰিম। আমি সকলোৱে একোজন বিশ্ববিখ্যাত ডাক্তৰ, আমাৰ ওচৰত সকলো বেমাৰৰ ঔষধ আছে। কিন্তু তেওঁলোকৰ চিকিৎসা কোনো কামত নাহিল দাসীৰ ৰোগ বৃদ্ধি হৈ থাকিল, ৰোগ নকমিল। দাসী বেমাৰত কাহিল হ'ল আৰু ৰজাৰ চকুত অশ্ৰুৰ নদী প্ৰবাহিত হ'ল।

ৰজাই মচজিদলৈ গৈ দাসীৰ আৰোগ্যৰ বাবে প্ৰাৰ্থনা কৰিলে আৰু আল্লাৰ ওচৰত কান্দি কান্দি টোপনিত পৰিল। তেনেকে শুই থাকোতে সপোনত তেওঁ এজন বৃদ্ধ লোকক দেখিলে। বৃদ্ধই ক'লে— হে ৰজা তোমালৈ সুখবৰ আনিছো, তোমাৰ আশা পূৰ্ণ হৈছে— অহাকালি এজন ভ্ৰমণকাৰী চিকিৎসক আহিব। তেওঁৰ চিকিৎসাৰ জৰিয়তে তোমাৰ মৰমৰ দাসী আৰোগ্য হ'ব। সাৰ পাই তেওঁ ঘৰলৈ আহি সপোনত দেখা সেই বিশিষ্ট চিকিৎসকৰ বাবে অপেক্ষা কৰিলে আৰু দূৰৈৰ পৰা ওলী শ্ৰেণীৰ এজন বিশিষ্ট ব্যক্তিক তেওঁ দেখা পালে। তেওঁৰ চেহেৰা ঠিক অন্ধকাৰ ৰাতিৰ এটি সূৰ্য্যৰ দৰে। ৰজাই নিজে দাৰোৱানৰ দৰে আগ বাঢ়ি গ'ল আৰু তেওঁক অভ্যৰ্থনা জনালে আৰু কথা-বাৰ্তাৰে তেওঁৰ লগত একাত্মভাৱে মিলি গ'ল।

ৰজাই ক'লে মোৰ প্ৰেমাস্পদ আচলতে আপুনি, সেই দাসী নহয়, কিন্তু পৃথিবীত এটা কামৰ অজুহাতত আন এটা কাম কৰা হয়। কথা বাৰ্তা আৰু ভোজনৰ পাছত ৰজাই অতিথিক হাতত ধৰি ভিতৰলৈ লৈ গ'ল। তেওঁ ৰোগী আৰু ৰোগৰ সকলো কথা শুনিলে আৰু তাৰ পাছত অতিথিক দাসীৰ ওচৰত বহুৱালে। ৰং, চেহেৰা, শিৰা আদি সকলো পৰীক্ষা কৰিলে। ৰোগৰ লক্ষণ আৰু কাৰণ শুনিলে। অতিথিয়ে ক'লে—আগৰ যিসকল ডাক্তৰে চিকিৎসা কৰিছিল তেওঁলোক ৰোগীক নিৰাময় কৰিব পৰা ডাক্তৰ নাছিল যাৰ বাবে ৰোগীৰ অসুস্থতা বাঢ়িহে গৈছে। তেওঁ ৰোগীক লক্ষ্য কৰোতে তেওঁৰ ওচৰত ৰোগীৰ এটা গোপন বিষ ধৰা পৰিল। কথাটো তেওঁ গোপনে ৰাখিলে আৰু ৰজাকো নকলে। দাসীৰ কান্দোন শুনি তেওঁ বুজিলে ৰোগীৰ শৰীৰ ঠিকেই আছে, তেওঁ মনৰ ৰোগী। তেওঁৰ মন কাৰোবাৰ প্ৰেমত আবদ্ধ আছে। অতিথি কবিৰাজে যেতিয়া মূল বেমাৰৰ কাৰণ ধৰিব পাৰিলে তেতিয়া তেওঁ ৰজাক ক'লে— মোক দাসীৰ লগত গোপনে কথা বাৰ্তা পাতিবলৈ দিয়ক। ৰজাই ঘৰ খালি কৰি দিলে আৰু নিজেও ঘৰৰ পৰা বাহিৰ হ'ল। প্ৰেমিকা নাৰীৰ পৰা প্ৰেমৰ স্বীকাৰ উক্তি আৰু প্ৰেমাস্পদৰ সন্ধান কৰা সহজ কথা নহয়। সেইবাবে চিকিৎসকে এক অভিনব কৌশল অবলম্বন কৰিলে। তেওঁ দাসীৰ মূৰত হাত ৰাখি তাইৰ নিজৰ ঠাই আৰু যিবোৰ ঠাইত তাইৰ অহা যোৱা হৈছে সেই ঠাইবোৰৰ নাম প্ৰকাশ কৰিবলৈ কলে। সহজভাবে দাসীয়ে সেই ঠাইবোৰৰ নাম কৈ কৈ ছমৰকন্দ চহৰৰ নাম উল্লেখ কৰোতে তাইৰ শিৰাই শিৰাই আনন্দৰ ঢৌ উঠিল। মুখেৰে আহ শব্দ প্ৰকাশ হ'ল আৰু চকুৰ পানী ওলাল। চিকিৎসকে সম্ভেদ পালে তাইৰ প্ৰেমিক ছমৰকন্দ এলেকাৰ আৰু এই কৌশলৰ দ্বাৰা অৱশেষত তাইৰ

প্ৰেমিকৰ সন্ধান বাহিৰ কৰাত চিকিৎসক সফল হ'ল। তাই ক'লে এজন সদাগৰে মোক আনি চহৰৰ স্বৰ্ণকাৰ এজনৰ ওচৰত বিক্ৰী কৰিলে। তেওঁ মোক তিনিমাহ মায়াৰ কোলাত ৰাখি ৰজাৰ ওচৰত বিক্ৰী কৰি দিলে। এইখিনি কথা কৈ থাকোতে তাইৰ অন্তৰত জুই জ্বলি উঠিছিল আৰু কবিৰাজে তাইৰ গুপ্ত বেমাৰৰ ভেদ পালে। কবিৰাজে স্বৰ্নকাৰৰ ঘৰৰ ঠিকনা সোধাত দাসীয়ে ক'লে, তেওঁৰ মহল্লাৰ নাম 'গাতফৰ' আৰু গলিটোৰ নাম 'ছেৰপুল'। সুদক্ষ কবিৰাজে ক'লে তুমি শীঘ্ৰে কষ্টৰ পৰা মুক্তি পাবা আৰু আৰোগ্য হ'বা। কবিৰাজে কলে এই কথাবোৰ তোমাৰ আৰু মোৰ মাজতে থাকিব দিয়া মই তোমাৰ দেউতাৰ দৰে।

কবিৰাজে ইয়াৰ পাছত ৰজাৰ ওচৰলৈ গ'ল আৰু ৰোগীৰ অৱস্থাৰ কিছু আভাষ দিলে। ৰজাক কবিৰাজে ক'লে এই অশান্তিৰ শেষ কৰিবলৈ সেই স্বৰ্ণকাৰ জনক ইয়ালৈ আনিব লাগিব। তেওক টকা পইছা, উপঢৌকন, উপহাৰৰ প্ৰলোভন দি তেওঁক ইয়ালৈ আনিব লাগিব। সেই স্বৰ্ণকাৰজন আহিলে দাসীৰ অন্তৰ শান্ত হ'ব। ৰজাই দুজন চতুৰ দূতক চমৰকন্দলৈ পঠিয়াই দিলে আৰু লগতে পঠালে বহুতো সোণ আৰু ৰূপ। তেওঁলোক দুয়োজনে ৰজাৰ শুভ সংবাদ দিলে আৰু ক'লে ৰজাই আপোনাক ৰাজ স্বৰ্ণকাৰ ৰূপে নিয়োজিত কৰিব বিচাৰিছে। স্বৰ্ণকাৰ সন্মত হোৱাত তেওঁক ৰজাৰ ওচৰলৈ লৈ অহা হ'ল। ৰজাই স্বৰ্ণকাৰক বহুতো সোন দি তাৰ দ্বাৰা বিভিন্ন আ-অলংকাৰ তৈয়াৰ কৰিবলৈ ক'লে আৰু স্বৰ্ণকাৰেও সেই কামত লাগি গ'ল।

ইয়াৰ পিছত কবিৰাজে ৰজাক ক'লে— এতিয়া দাসীক এই স্বৰ্ণকাৰৰ ওচৰলৈ পঠিয়াই দিয়া। কবিৰাজৰ উদ্দেশ্য আছিল তাই প্ৰেমিকৰ লগত মিলনৰ আনন্দ লাভ কৰিব আৰু তাই বিচ্ছেদৰ জুই নিৰ্বাপিত হ'ব। ৰজাই সেই পূৰ্ণিমাৰ জোনৰ দৰে ধুনীয়া দাসীক স্বৰ্ণকাৰৰ ওচৰলৈ পঠাই দিলে। দাসীয়ে পূৰ্বৰ প্ৰেমিক স্বৰ্ণকাৰক পাই আনন্দ লভিলে আৰু তাইৰ বেমাৰৰ আৰোগ্য হ'ল। কবিৰাজে প্ৰেমৰ আচল কাৰণ স্বৰ্ণকাৰৰ ৰূপ লাবণ্য বুলি অনুধাবন কৰিলে। যদি স্বৰ্ণকাৰৰ এই ৰূপ লাবন্য বিনষ্ট হৈ যায়, তেতিয়াহ'লে তেওঁলোকৰ প্ৰেমো বিলুপ্ত হ'ব। কবিৰাজে এই উদ্দেশ্য আগত ৰাখি স্বৰ্ণকাৰক চৰবত জাতীয় এটা ঔষধ কোনো অজুহাত দেখুৱাই খুৱাবলৈ ধৰিলে। এই চৰবত খাই খাই স্বৰ্ণকাৰৰ স্বাস্থ্য আৰু শৰীৰ ভাঙি পৰিল আৰু তেওঁৰ ৰং ৰূপ নষ্ট হৈ গ'ল আৰু ইয়াৰ বাবে স্বৰ্ণকাৰৰ প্ৰতি থকা দাসীৰ প্ৰেমো শেষ হৈ গ'ল। স্বৰ্ণকাৰৰ প্ৰেম আৰু প্ৰেম যাতনাৰ পৰা দাসীয়ে মুক্তি পালে। স্বৰ্ণকাৰ যেতিয়া বেমাৰত পৰি বিশ্ৰী হৈ গ'ল আৰু জীৰ্ণ-শীৰ্ণ শৰীৰ এডাল সূতাৰ দৰে হ'ল তেওঁ বিলাপ কৰি কৈছিল মোৰ অৱস্থা সেই হৰিনাৰ দৰে যাৰ নাভি কাটি সমস্ত তেজ বাহিৰ কৰি চিকাৰীয়ে কস্তুৰী উলিয়ায়, মোৰ অৱস্থা সেই জন্তুৰ দৰে যাৰ মূৰ কটা হয় তাৰ চামৰাৰ বাবে, মোৰ অৱস্থা সেই হাতীৰ দৰে যাক হত্যা কৰা হয় তাৰ হাড়ৰ বাবে। স্বৰ্ণকাৰৰ স্বাস্থ্যৰ অৱনতিৰ বাবে দাসীৰ তেওঁৰ প্ৰতি মোহ নোহোৱা হ'ল আৰু তাই লাহে লাহে ৰজাৰ প্ৰতি আকৰ্ষিত হ'ল। স্বৰ্ণকাৰৰ মৃত্যুৰ পিছত দাসীয়ে মনে প্ৰাণে ৰজাক গ্ৰহণ কৰিলে আৰু ৰজায়ো তাইক লৈ সুখী হ'ল।

ৰুমীৰ কবিতা সিপিঠিত

# ৰুমীৰ কবিতা

সচা প্ৰেম এনেকৈয়ে
হিয়াৰ বেদনাৰে প্ৰমাণিত হয়,
অন্তৰৰ ৰোগৰ দৰে
আন কোনো ৰোগ নাই।
প্ৰেমিকাৰ যন্ত্ৰণা
আন যন্ত্ৰণাৰপৰা পৃথক;
প্ৰেম আল্লাৰ ৰহস্যৰ
উচ্চতা জোখা এটা যন্ত্ৰ
প্ৰেমিকে এই পৃথিবীৰ বা সেইখন পৃথিবীৰ
প্ৰেমৰ সন্ধানত দৌৰি ফুৰে,
কিন্তু অৱশেষত তেওঁ আকৰ্ষিত হয়
সাৰ্বজনীন প্ৰেমৰ ফালে।
যেতিয়া আমি প্ৰেমত পৰোঁ
আৰু প্ৰেমৰ কথা বৰ্ণনা কৰোঁ,
প্ৰেমৰ ভাষাৰ বাবে আমি লজ্জাবোধ কৰোঁ,
বৰ্ণনাই ইয়াৰ বহু কথা পৰিষ্কাৰ কৰে
কিন্তু প্ৰকাশ নকৰা প্ৰেম বেচি পৰিষ্কাৰ।
বেগাই লিখি থকা কলম
প্ৰেমৰ বিষয় পালে
ফাটি দুফাল হৈ যায়।
আলোচনাই যেতিয়া প্ৰেমৰ কথা স্পৰ্শ কৰে
কলম ভাঙি যায় আৰু কাগজ ফালি যায়।
প্ৰেমক বিশ্লেষণ কৰোঁতে
যুক্তিয়ে আঠা লাগি ধৰে
যেনেকৈ গভীৰ পিতনিত
এজনী গাধ পোত খাই যায়;
প্ৰেম শূণ্য নহয় প্ৰেমে নিজে
প্ৰেম আৰু প্ৰেমিকক ব্যাখ্যা কৰিব জানে!

সূৰ্য্যৰ বাহিৰে সূৰ্য্যক
কোনেও প্ৰদৰ্শন কৰিব নোৱাৰে,
যদি তুমি ইয়াৰ প্ৰদৰ্শন দেখা
তাৰ পৰা চকুৰ চাৱনি আঁতৰ নকৰিবা।
ছায়ে আচলতে সূৰ্য্যৰ উপস্থিতি বুজায়
কিন্তু সূৰ্য্যয়েহে কেৱল জীৱনৰ
পোহৰ প্ৰদৰ্শন কৰে।
ছায়ে টোপনিৰ সূচনা কৰে
ঠিক গধূলিৰ আড্ডাৰ দৰে,
কিন্তু যেতিয়া বেলি উদয় হয় তেতিয়া
জোন ডোখৰ ডোখৰ হৈ ফালি যায়।
পৃথিবীত সূৰ্য্যৰ দৰে আচৰিত একো নাই,
কিন্তু আন্ধাৰত সূৰ্য্য অস্ত নহয়,
তাৰ কোনো যোৱা কালি নাই।
যদিও সূৰ্য্য এটাহে
আমাৰ ধাৰণাত এনেকুৱা সূৰ্য্য বহুতো আছে
কিন্তু আত্মাৰ সূৰ্য্য
নভোমণ্ডলৰ বাহিৰত
প্ৰকৃত সূৰ্য্যৰ দৰে ইয়াক
প্ৰকাশ্যভাবে দেখা নাযায়।
তেওঁৰ অস্তিত্বৰ অনুভৱৰ ঠাই ক'ত
য'ত তেওঁৰ সাদৃশ্য দেখা পোৱা যায়
তাব্ৰিজৰ হোছামুদ্দিনে জালালউদ্দিনক অনুনয় কৰে
মছনবীখন ৰচনা কৰাৰ বাবে।
তাব্ৰিজৰ সূৰ্য্য (চামচ)ৰ পোহৰ উত্তম
সেই সূৰ্য্য আল্লাৰ ৰশ্মিমালা।
"তাব্ৰিজৰ সূৰ্য্য"ৰ শলাগ শুনিলে
চতুৰ্থ সৰগৰ সূৰ্য্যই মূৰ দোৱায়।

মই তেওঁৰ নামটো শুদ্ধকৈ উল্লেখ কৰিছোঁ
তেওঁৰ দানশীলতাৰ ইঙ্গিত দিলে
সেই মহান আত্মাই মোৰ কাপোৰত ধৰে,
ইউচুফৰ পোছাকৰ সুগন্ধি বিচাৰি;
আৰু কয় "আমাৰ পূৰণা বন্ধুত্বৰ খাটিৰত
মোক কোৱা সেই মিঠা উন্মাদনাৰ কথা,
যাৰ বাবে পৃথিবী আৰু আকাশ
আনন্দত মতলীয়া হয়,
যুক্তি আৰু আত্মা এশ গুণ বৃদ্ধি হয়।"
মই ক'লো— "হে দূৰণিৰ বন্ধুজন
চিকিৎসকৰ পৰা আঁতৰি থকা এজন বেমাৰীৰ দৰে
মোক বিৰক্ত নকৰিবা
কাৰণ, মই নিজে নিজৰ কাষতে আছো,
মোৰ জ্ঞানশক্তি নোহোৱা হ'ল
মই প্ৰশংসাৰ গান গাব নোৱাৰো।
যিয়ে কয়, তেওঁৰ যুক্তি বিপথে গৈছে
তেওঁক গৰ্ব কৰিব নিদিবা, তেওঁৰ প্ৰচেষ্টা অৰ্থহীন।
তেওঁ যি কয় সি যুক্তিসঙ্গত নহয়;
স্পষ্টভাবে অগ্ৰহনীয়।
মইনো কি কম, যিহেতু মোৰ
এডালো শিৰা, উপশিৰা সচেতন নহয়?
মই জানো 'বন্ধু'ৰ কথা সেইজনক ব্যাখ্যা কৰিব পাৰো
যিজনৰ লগত তেওঁৰ বন্ধুত্ব নাই?
সচাঁকৈয়ে তেওঁলৈ গোৱা মোৰ প্ৰশংসাৰ গান
প্ৰশংসনীয় নহ'ল
কাৰণ "ইয়ে প্ৰমাণিত কৰিলে মোৰ অস্তিত্ব আৰু
অস্তিত্বৰ ভুলৰ কথা।
মই মোৰ বিছিন্নতা আৰু ৰক্তাক্ত হৃদয়ৰ কথা
কেনেকৈ বৰ্ণনা কৰিম?
নহয়, আনটো ঋতু অহালৈকে
এই বিষয়টো বন্ধ ৰাখা।"
তেওঁ কলে, "মই ক্ষুধাতুৰ মোক এতিয়াই খাবলৈ দিয়া
কাৰণ সময় এখন তৰোৱালৰ দৰে তীক্ষ্ণ।"
হে মোৰ চুফী বন্ধু
'অহাকালি' বুলি ক'বলৈ
এয়া কামানৰ শাসন নহয়
প্ৰকৃত চুফী নহলে ই জানো সম্ভৱ হ'ব পাৰে?
নগদ টকা ধাৰলৈ দিলে হেৰাই যায়।"
মই ক'লো— "সেই বিশ্ব বন্ধুজনৰ ৰহস্য
ঢাকি ৰখায়ে ভাল
গতিকে এনেকুৱা নৈতিক কাহিনীবোৰৰ প্ৰতি
গভীৰ মনোযোগ দিয়াহে উচিত।
বিশ্ববন্ধুজনৰ ৰহস্যতকৈ
অচিনাকী মানুহৰ কথাৰ মাধ্যমৰে
ই দেশে বিদেশে আলোড়িত হোৱা উচিত।
তেওঁ কৈছিল হে বহুবল্কী মানুহ, ওৰনি, আঁৰ কপোৰ
নাইবা প্ৰতাৰণা
অবিহনে, মোক কোৱা কিন্তু বিৰক্ত নকৰিবা,
ওৰণি আঁতৰাই দিয়া আৰু
প্ৰেমিকাৰ আৰ কাপোৰৰ ভিতৰত সোমাই যোৱা।
আৰু কথা পাতা?"
মই কৈছিলো "যদি প্ৰেমিকা বাহ্যিকভাবে প্ৰকাশিত হয়
তুমি সহ্য কৰিব নোৱাৰিবা
তেওঁৰ আলিঙ্গন নাইবা তেওঁৰ আকৃতি।
তেওঁৰ শোভাক মৃদুভাবে চাপ দিয়া,
কাৰণ ঘাহৰ এখিলা পাতে পৰ্বত ছেদ কৰিব নোৱাৰে।
যদি পৃথিবীক আলোকিত কৰা সূৰ্য্যক
ওচৰলৈ অনা হয়, তেতিয়া পৃথিবী ভষ্মীভূত হ'ব।
তোমাৰ মুখ বন্ধ কৰা আৰু চকু মুদি দিয়া,
দেখিবা, পৃথিবীৰ জীৱন
ৰক্তাক্ত হৃদয়ৰে সৃষ্টি হোৱা নাই।
এই ঘোৰ বিপদ আৰু ৰক্তপাত নিবিচাৰিবা;
ইয়াৰ পিছত 'তাব্ৰিজন সূৰ্য্য'ৰ ওপৰত
মৌনতা আৰোপ কৰা।"
তেওঁ কৈছিল, "আমাৰ কথা অন্তহীন, এতিয়া মোক
কোৱা
তোমাৰ সকলোবোৰ গল্পৰ আৰম্ভণি হ'ব
ইয়াৰে পৰা।"◆

ফোন ঃ ৯৪৩৫০৪০০৯৭

# জহি-খহি যাব ধৰা শ্ৰেণীকোঠাটো আৰু মানৱ সম্পদ গঢ়া কমাৰশালৰ কমাৰজন

**অনন্ত মোহন শৰ্মা**

বিশ্বৰ অন্যতম এখন বৃহৎ ৰাষ্ট্ৰ, এক গৰিমামণ্ডিত অতীতৰ গৰাকী, প্ৰায় ৬৫ শতাংশ যুৱপ্ৰজন্মৰ নাগৰিকৰে পৰিপূৰ্ণ দেশ আমাৰ ভাৰতবৰ্ষই বিশ্ব মানচিত্ৰত আজি যিটো স্থানত অৱস্থান কৰিব লাগিছিল, সেই স্থানত অৱস্থান কৰিব নোৱাৰাৰ কাৰণটো আমাৰ শ্ৰেণীকোঠাবোৰ নেকি? আমাৰ শ্ৰেণীকোঠাবোৰ সঁচা অৰ্থত ছাত্ৰ-ছাত্ৰীৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু হয়নে? ছাত্ৰ-ছাত্ৰীসকলে শ্ৰেণীকোঠালৈ যাবৰ বাবে অন্তৰৰ নিভৃত কোণত তীব্ৰ আকৰ্ষণ অনুভৱ কৰেনে? আমাৰ শ্ৰেণীকোঠাত মানুহ হোৱাৰ শিক্ষা দিয়া হয়নে?

এনে অলেখ প্ৰশ্নৰ উত্তৰ সন্ধান কৰিলে যিখন ছবি আমাৰ সন্মুখত উন্মোচিত হ'ব, সেয়া আমাৰ বাবে আশাপ্ৰদ নহয়।

শিক্ষাৰ এক সৰ্বজন গ্ৰহণযোগ্য সংজ্ঞা হৈছে All round development of a person. এতিয়া প্ৰশ্ন হ'ল— শ্ৰেণীকোঠাৰ জৰিয়তে আমাৰ ছাত্ৰ-ছাত্ৰীসকলক যি শিক্ষা প্ৰদান কৰা হয়, সেই শিক্ষাই ছাত্ৰ-ছাত্ৰীৰ সৰ্বাংগীণ বিকাশ নিশ্চিত কৰেনে? নে অকল পৰীক্ষাৰ ফলাফল ভাল কৰাতহে গুৰুত্ব দিয়ে? এইখিনিতে প্ৰাক্তন উপাচাৰ্য ড° কুলেন্দ্ৰ পাঠকে কোৱা এষাৰ গুৰুত্বপূৰ্ণ কথা উল্লেখ কৰিব খুজিছো। একবিংশ শতিকাৰ শিক্ষা সম্পৰ্কে তেওঁ কৈছে—'একবিংশ শতিকা পৰিৱৰ্তনৰ শতিকা। এতিয়াৰ বৌদ্ধিক, আৰ্থিক আৰু অন্যান্য অগ্ৰগতি বিজ্ঞানচালিত প্ৰযুক্তিৰ যথাযথ প্ৰয়োগ আৰু পৰিচালনাৰ ওপৰত নিৰ্ভৰশীল। এনে পৰিৱৰ্তনৰ সময়ত আমিও বিদ্যালয়ত শিকন, মূল্যবোধ আৰু অগ্ৰগতি সম্পৰ্কে চিন্তা কৰা

অসমৰ পটভূমিত আমাৰ শ্ৰেণীকোঠাত চলি থকা কিছুমান অবৈজ্ঞানিক, ক্ষতিকাৰক কাৰ্যৰ বিষয়ে মুকলিকৈ কিছু কথা আলোচনা কৰাৰ প্ৰয়াস কৰিছো। আমাৰ আলোচনাত উল্লেখ কৰা কথাখিনিৰ কিছু আমাৰ অভিজ্ঞতালব্ধ, কিছু অভিভাৱক-অভিভাৱিকাৰ মতামত আৰু কিছু শিক্ষাবিদসকলৰ মতামত।

স্বামী বিবেকানন্দই কৈছিল—'উপযুক্ত মানুহ গঢ়াৰ বাবে আমাক লাগে তেজস্বী, মেধাযুক্ত, সাহসী শ শ ডেকা, পুৰুষ, মহিলা। এই শ শ পুৰুষ মহিলাই যেতিয়ালৈকে ৰাষ্ট্ৰীয় আদৰ্শ আৰু সংস্কৃতিৰ মোল বুজি নাপাব, যেতিয়ালৈকে আন্তৰিক অনুভূতি জাগ্ৰত নহ'ব, তেতিয়ালৈকে এখন সুস্থ সবল সমাজ গঠন কৰিব পৰা নাযাব।'

আজি সকলো ক্ষেত্ৰতে আমাক লাগে উপযুক্ত মানুহ। Right man in right place. কিন্তু দেখা গৈছে এশ এবৈশ কোটি মানুহৰ দেশ ভাৰতবৰ্ষ বা তিনি কোটি মানুহৰ ৰাজ্য অসমত আজি অভাৱ হৈছে উপযুক্ত মানুহৰ। কি ৰাজনীতি, কি শিক্ষানুষ্ঠান, কি সামাজিক সাংস্কৃতিক অনুষ্ঠান, কি ছাত্ৰ সংগঠন, জাতীয় সংগঠন, ক্ৰীড়া, বিজ্ঞান সকলো ক্ষেত্ৰতে শিক্ষাগত অৰ্হতাৰে যোগ্য ব্যক্তি বহু ওলাব, কিন্তু দক্ষতাসম্পন্ন, দায়িত্বসম্পন্ন, উৎসৰ্গিত মনোভাবৰ বিবেকানন্দৰ ভাষাত উপযুক্ত মানুহৰ যে অভাৱ হৈছে, এই কথা নিশ্চয় কোনেও নুই কৰিব নোৱাৰে।

উচিত। শিক্ষককেন্দ্রিক, শ্রেণীভিত্তিক, পৰীক্ষা নিৰ্ভৰ, বৈচিত্র্যহীন— সকলোৰে বাবে একেধৰণৰ শিক্ষা, শিকন আৰু মূল্যায়নত বিশ্বাসী, পৰীক্ষক আৰু পৰিদৰ্শকৰ নিয়ন্ত্ৰণাধীন শিক্ষা ব্যৱস্থাই নতুন চিন্তা, উদ্ভাৱনশীল, কৌতুহলভিত্তিক প্ৰশ্ন আদিক উৎসাহিত নকৰে।'

আজি অসমত কিছুসংখ্যক ব্যক্তিগত খণ্ডৰ অসমীয়া আৰু ইংৰাজী মাধ্যমৰ বিদ্যালয়ৰ বাহিৰে চৰকাৰী খণ্ডৰ প্ৰায় গৰিষ্ঠসংখ্যক বিদ্যালয় আৰু মহাবিদ্যালয়তে গতানুগতিক পদ্ধতিৰে শিকন আৰু শিক্ষণকাৰ্য চলি আছে। আজি আমাৰ শিক্ষানুষ্ঠানসমূহত ছাত্ৰ-ছাত্ৰীসকলক স্ব-শিকাৰু হোৱাৰ ওপৰত অলপো গুৰুত্ব দিয়া নহয়, যাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলে নিজৰ মগজু ব্যৱহাৰ কৰি এটা পাঠ আয়ত্ত কৰাৰ প্ৰতি আগ্ৰহী নহয়, আত্মবিশ্বাসী নহয়। ফলত গৰিষ্ঠসংখ্যক ছাত্ৰ-ছাত্ৰী টিউচননিৰ্ভৰ হৈ সময়, শক্তি আৰু ধন খৰচ কৰিবলৈ বাধ্য হয়। পৰোক্ষভাৱে ছাত্ৰ-ছাত্ৰীক টিউচননিৰ্ভৰ কৰাৰ বাবে শ্ৰেণীকোঠাই দায়ী নহয়নে?

জীৱনত কৃতকাৰ্যতা লভিবলৈ ছাত্ৰ-ছাত্ৰীসকলক সাজু কৰি তুলিব পৰাটো আৰু সমাজৰ কামত অহা উপযুক্ত মানুহ সৃষ্টি কৰাটো প্ৰতিখন শিক্ষানুষ্ঠানৰেই লক্ষ্য আৰু উদ্দেশ্য হোৱাটো উচিত। ইয়াৰ বিপৰীতে বেছিভাগ শিক্ষানুষ্ঠানেই যেন Learn and passৰ সলনি Learn to pass কাৰণে গঢ়ি তোলা হৈছে এনে লাগে।

আজি অসমত কি মাধ্যমিক পৰ্যায়, কি উচ্চতৰ মাধ্যমিক পৰ্যায়—দেখা গৈছে পৰীক্ষাত উত্তীৰ্ণৰ হাৰ প্ৰায় প্ৰতিবছৰেই বৃদ্ধি পাই আহিছে। চূড়ান্ত পৰীক্ষাত ৮০-৯০ শতাংশ নম্বৰ পোৱা ছাত্ৰ-ছাত্ৰীৰ সংখ্যাও কম নহয়। কিন্তু প্ৰতিযোগিতাৰ দৌৰত সৰ্বভাৰতীয় পৰ্যায়ত ইয়াৰে ২-৩ শতাংশ ছাত্ৰ-ছাত্ৰীও তিষ্ঠি থাকিব নোৱাৰে। ইয়াৰ মূল কেৰোণ আৰম্ভ হৈছে কিন্তু আমাৰ প্ৰাথমিক আৰু মাধ্যমিক পৰ্যায়তে। কাৰণ যিবিলাক উপাদানে ছাত্ৰ-ছাত্ৰীৰ বুদ্ধিমত্তা নিৰূপণ কৰে; সেইবোৰৰ প্ৰতি আমাৰ কিমানখন বিদ্যালয়ে গুৰুত্ব আৰোপ কৰে? যেনে—ছাত্ৰ-ছাত্ৰীৰ বাক-নিপুণতা বৃদ্ধি, সলসলীয়াকৈ শব্দ ব্যৱহাৰৰ ক্ষমতা, যুক্তি-তৰ্ক কৰাৰ সামৰ্থ্য বৃদ্ধি আৰু বিকাশ, সিদ্ধান্ত গ্ৰহণৰ সামৰ্থ্য বৃদ্ধি আৰু বিকাশ— এইবোৰৰ প্ৰতি কিমানসংখ্যক শিক্ষানুষ্ঠান আগ্ৰহী বা দায়বদ্ধ? ইয়াৰ মাজতো যে কিছুসংখ্যক শিক্ষানুষ্ঠানৰ পৰা দুই-এগৰাকী কৃতী ছাত্ৰ-ছাত্ৰী ৰাজ্যখনত ওলাইছে, তাৰ মূলতে আছে কিছুসংখ্যক শ্ৰদ্ধেয় শিক্ষক-শিক্ষয়িত্ৰী, যাৰ অন্তৰ্দৃষ্টি বহল।

আজি বেছিভাগ শিক্ষানুষ্ঠানতেই ইংৰাজী ভাষাটো অকল লিখাৰ ওপৰত গুৰুত্ব দিয়া হয়। ইংৰাজী তথা অসমীয়া ভাষা শুদ্ধকৈ কোৱাৰ ওপৰত গুৰুত্ব প্ৰদান নকৰাৰ বাবেই আজি আমি টেলিভিছন চেনেলসমূহক গালি পাৰিছো। এটা বাস্তৱ সত্য হ'ল যে আজিও বহুতো শিক্ষকে চাকৰিত যোগদান কৰাৰ সময়ত কৰ্তৃপক্ষক জমা দিব লগা যি Joining report বা ছুটীৰ আবেদন-পত্ৰ, সেয়াও শুদ্ধকৈ লিখিব নাজানে!

আমাৰ শিক্ষক জীৱনৰ প্ৰায় ২৬ বছৰীয়া অভিজ্ঞতাৰ পৰা দেখিছো যে ছাত্ৰ-ছাত্ৰীসকলৰ সৃজনশীল প্ৰতিভাৰ বিকাশ সাধনত আমি বহু পিছপৰি আছো। আমি ইয়াত দাঙি ধৰিব খোজা দুটা উদাহৰণৰ পৰাই এই কথা পৰিষ্কাৰ হ'ব। প্ৰথম কথা—শিক্ষানুষ্ঠানসমূহত অনুষ্ঠিত বিজ্ঞান প্ৰদৰ্শনীত প্ৰদৰ্শন কৰা আৰ্হি বা প্ৰকল্পসমূহ কিমান মৌলিক? বিশেষকৈ, আৰ্হিৰ ক্ষেত্ৰত দেখিছো যে দহ বা পোন্ধৰ বছৰ আগৰ প্ৰদৰ্শনীত প্ৰদৰ্শিত হৈ থকা আৰ্হিসমূহেই বেছিভাগ প্ৰদৰ্শনীত প্ৰদৰ্শিত হৈ আছে। বহুতে আকৌ ইণ্টাৰনেট বা টেলিভিছনত দেখা আৰ্হিটোকে নিজে উদ্ভাৱন কৰা আৰ্হি বুলি প্ৰদৰ্শন কৰে। শিক্ষানুষ্ঠানৰ সন্মান বৃদ্ধিৰ স্বাৰ্থত এনে আৰ্হিকে শিক্ষানুষ্ঠানখনে মৌলিক বুলি প্ৰমাণ-পত্ৰও দিয়ে। ফলত অসম মুলুকত এজন উদ্ধৱ ভৰালী, এজন কনক গগৈৰ দৰে ব্যক্তিয়েহে ন ন উদ্ভাৱনেৰে অসমৰ মান ৰাখিবলৈ সক্ষম হৈছে। একেদৰে আগতে স্কুল আৰু মহাবিদ্যালয়সমূহত বাৰ্ষিক খেল-ধেমালি বা সাংস্কৃতিক প্ৰতিযোগিতাত কেইবাখনো একাংকিকা নাটক মঞ্চস্থ কৰা হৈছিল। আজিকালি প্ৰায়বোৰ শিক্ষানুষ্ঠানতে একাংকিকা নাট প্ৰতিযোগিতা নাটকৰ অভাৱত বাতিল কৰিবলগীয়া হয়। পঢ়ি থকা ছাত্ৰ-ছাত্ৰী বা শিক্ষক-শিক্ষয়িত্ৰীৰ মাজত

নাটক লিখিব পৰা মানুহৰ অভাৱ হৈছে। অৰ্থাৎ আমাৰ শিক্ষানুষ্ঠানবোৰত উদ্ভাৱনশীলতা, সৃজনশীলতা আদি গুণৰ বিকাশত গুৰুত্ব প্ৰদান নকৰাৰ ফলতেই ৰাষ্ট্ৰীয় তথা বা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত আমি জিলিকি উঠিব পৰা নাই।

কিছু বছৰ আগতে অসমৰ এগৰাকী কৃতী ছাত্ৰ, অক্সফৰ্ড বিশ্ববিদ্যালয়ৰ ৰেংলাৰ ড° অনুপম শইকীয়াই এটা প্ৰবন্ধত লিখিছিল— 'আমাৰ ৰচনা লিখা পদ্ধতিটো স্মৃতি পৰীক্ষাৰ বাহিৰে আন একো নহয়। বজাৰত কিনিব পৰা ৰচনা পুথিৰ পৰা 'ছাত্ৰৰ কৰ্তব্য', 'পুথিভঁৰাল', 'তুমি ভাল পোৱা এখন 'কিতাপ' (লাগে জীৱনত কিতাপখন দেখাই নাই) মুখস্থ কৰি পৰীক্ষাত হুবহু লিখি আহিলে ছাত্ৰ-ছাত্ৰীৰ সঁচা অৰ্থাৎ বৌদ্ধিক বিকাশ হ'বনে? ইয়াৰ সলনি যদি ওপৰত উল্লেখিত ৰচনাকেইখনক আৰ্হি হিচাপে লৈ ছাত্ৰ-ছাত্ৰীক নিজৰ ভাষাত ৰচনা লিখাৰ প্ৰতি উদ্বুদ্ধ কৰিব পৰা যায়, নিজৰ স্কুলখনৰ ইতিহাস, প্ৰাক্তন কৃতী ছাত্ৰ-ছাত্ৰীৰ নাম, পৰীক্ষাৰ ফলাফল আদিৰ তথ্য ছাত্ৰ-ছাত্ৰীসকলক দি 'আমাৰ পঢ়াশালি' শীৰ্ষক ৰচনাখন লিখিবলৈ দিয়া হয়—ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক বিকাশ নহ'বনে?' ড° অনুপম শইকীয়াই ষ্টেগু কৰা ছাত্ৰ-ছাত্ৰী সন্দৰ্ভত সঠিকভাৱে এষাৰ কথা কৈছে—'পৰীক্ষাত ষ্টেগু কৰাটো ৰিহাৰ্ছেলত ভাল অভিনয় কৰাৰ দৰেহে, বিভিন্ন মঞ্চত আজীৱন কৰা সফল অভিনয়হে প্ৰকৃত সাৰ্থকতা।'

একেদৰে ছাত্ৰ-ছাত্ৰীৰ ব্যক্তিত্ব বিকাশৰ বাবেও শ্ৰেণীকোঠাত লোৱা নহয় কোনো বিশেষ কাৰ্যকৰী ব্যৱস্থা। অথচ আজিৰ যুগটোৱেই হ'ল ব্যক্তিত্বৰ যুগ। গুণী-জ্ঞানীসকলে কৈ গৈছে—যাৰ ব্যক্তিত্ব উচ্চস্তৰৰ তেওঁৰ শিৰত জয়ৰ মুকুট। ইয়াৰ বিপৰীতে আমাৰ শিক্ষানুষ্ঠানবোৰে ছাত্ৰ-ছাত্ৰীক বিখ্যাত কৰাৰ পৃষ্ঠপোষকতা বা প্ৰয়াস কৰে, 'গীনিজ বুক অৱ ৱৰ্ল্ড ৰেকৰ্ডছ'ত নাম সন্নিৱিষ্ট কৰাৰ বাবে আগভাগ লয়। ব্যক্তিত্বসম্পন্ন বিখ্যাত ব্যক্তি কৰি গঢ়ি তোলাতকৈ ৰেকৰ্ড কৰা বিখ্যাত ব্যক্তি গঢ়ি বহু শিক্ষানুষ্ঠানে পৰম সন্তোষ লাভ কৰে। আমাৰ গৰিষ্ঠসংখ্যক ছাত্ৰ-ছাত্ৰীক অচল টকাত পৰিণত কৰাৰ দৌৰত আমি যেন শ্ৰেষ্ঠ হ'ব ধৰিছো!

আমাৰ শ্ৰেণীকোঠাৰ আটাইতকৈ ডাঙৰ দুৰ্বলতা এয়ে যে আমি ছাত্ৰ-ছাত্ৰীসকলক চিন্তনকাৰ্যৰ প্ৰতি উদ্বুদ্ধ নকৰো। ছাত্ৰ-ছাত্ৰীসকলক যদি সকলো কথা এগৰাকী শিক্ষকে এনেদৰে শিকাই দিয়ে, য'ত ছাত্ৰ বা ছাত্ৰীগৰাকীৰ অকণো মগজুৰ কচৰৎ নহয়, তেতিয়াহ'লে আমি ভাবো এয়া অন্যায়। ছাত্ৰ বা ছাত্ৰীগৰাকীক এজন শিক্ষকে শ্ৰেণীকোঠাত দিব লগা তিনিটা গুৰুত্বপূৰ্ণ কথা হৈছে— চিন্তাৰ স্বাধীনতা, কল্পনাৰ স্বাধীনতা আৰু ভাব প্ৰকাশৰ স্বাধীনতা। শিক্ষাবিদসকলে কোৱা এই কথাবোৰ আমি শ্ৰেণীকোঠাত কিমান শতাংশ শিক্ষকে মানি চলো! বহুতো শিক্ষকে শ্ৰেণীকোঠাত কেৱল নোটছ দিয়ে, ইয়াত ছাত্ৰ-ছাত্ৰীয়ে চিন্তা বা কল্পনাৰ কিবা সুযোগ পায়নে? যিহেতু শিক্ষকগৰাকীয়ে ঘৰত লিখি অনা বা কিতাপৰ পৰা নোটছ ছাত্ৰ-ছাত্ৰীক দিয়ে, সেয়েহে ছাত্ৰ-ছাত্ৰীসকলৰ ভাব প্ৰকাশৰ কোনো প্ৰয়োজনেই নাথাকে। আনহাতে, আমাৰ শ্ৰেণীকোঠাত আটাইতকৈ বেছি কথা কোৱা ব্যক্তিজন হ'ল শিক্ষকগৰাকী আৰু নীৰৱ শ্ৰোতাখিনি হ'ল ছাত্ৰ-ছাত্ৰী। এগৰাকী শিক্ষাবিদে সেয়েহে কৈছে—Our students never speak because students are trained in the culture of silence. এক নীৰৱ সংস্কৃতিত আমি চলাই আছো পাঠদানকাৰ্য আৰু এনেদৰেই আমি গঢ়ি তুলিব বিচাৰিছো মানৱ সম্পদ।

গভীৰভাৱে অনুধাৱন কৰিলে এই কথা পৰিস্ফুট হয় যে চৰকাৰৰ অনুগ্ৰহত আমাৰ বেছিভাগ শিক্ষানুষ্ঠানৰে শ্ৰেণীকোঠাবোৰ কংক্ৰিটেৰে নিৰ্মাণ কৰা হৈছে সঁচা, কিন্তু এই শ্ৰেণীকোঠাই উপযুক্ত মানৱ সম্পদ গঢ়াত ব্যৰ্থ হৈছে। শ্ৰেণীকোঠাটোক যদি আমি মানৱ সম্পদ গঢ়াৰ কমাৰশালৰূপে বিবেচনা কৰোঁ, তেন্তে শিক্ষক বা শিক্ষয়িত্ৰীগৰাকী এই কমাৰশালৰ কমাৰজন, যাৰ দক্ষতাৰ ওপৰত নিৰ্ভৰ কৰে ভৱিষ্যতৰ পৃথিৱীখন।

একবিংশ শতিকাত প্ৰৱেশৰ প্ৰাক-মুহূৰ্তত ব্ৰিটিছ শিক্ষা সচিব ডেভিদ ব্লাংকেটে এষাৰ কথা কৈছিল— 'We have entered a new century in which learning will define our lives as never before. Whether we succeed or-prosper, as individuals or as a country or fail to progress and fall behind will depend on our knowledge and skilles, abilities and understanding.'

অৰ্থাৎ 'একবিংশ শতিকাত আমি এখন দেশ হিচাপে বা ব্যক্তি হিচাপে আগত থাকিম নে পিছত থাকিম, সেয়া নিৰ্ভৰ কৰিব আমি কি শিকিম তাৰ ওপৰত। শিকনে আমাৰ জীৱনৰ মান নিৰূপণ কৰিব। আমাৰ প্ৰগতি নিৰ্ভৰ কৰিছে আমাৰ জ্ঞান, দক্ষতা, সক্ষমতা আৰু বোধশক্তিৰ ওপৰত।' এই কথাখিনি আমাৰ দেশ বা ৰাজ্যখনৰ ক্ষেত্ৰতো এশ শতাংশই প্ৰযোজ্য। সেইবাবেই আমাৰ শ্ৰেণীকোঠাটোৰ গুৰুত্ব অপৰিসীম আৰু শ্ৰেণীকোঠাটোৰ মূল ব্যক্তিগৰাকীয়ে যিহেতু শিক্ষক, সেয়েহে আমাৰ ভৱিষ্যৎ নিৰ্ভৰ কৰিছে আমাৰ শিক্ষক সমাজৰ ওপৰত।

এটা সময় আছিল যেতিয়া এটা অঞ্চলৰ নাম এগৰাকী শিক্ষকৰ নামেৰেহে জনা গৈছিল। ইয়াৰ কাৰণ আছিল শিক্ষকগৰাকীৰ ব্যক্তিত্ব, দক্ষতা, পাণ্ডিত্য তথা পাঠদান কাৰ্যত থকা তেওঁৰ দখল। আজি আৰু সেই দিন নাই। শিক্ষানুষ্ঠানৰ সংখ্যাও বৃদ্ধি হ'ল, শিক্ষকৰ সংখ্যাও বৃদ্ধি হ'ল, নিযুক্তি ব্যৱস্থাত কেইবছৰমান আগলৈকে স্বজন-তোষণ, দুৰ্নীতিয়ে স্থান পালে। ফলত অসমৰ শিক্ষাজগতত সৃষ্টি হ'ল বিভিন্ন বেমেজালি, কেলেংকাৰি। যাৰ ফলত আমি আজিও ভুগি আছো। এটা সময়ত বিশিষ্ট লেখক, তথা প্ৰাক্তন সাংসদ, অধ্যাপক হেম বৰুৱাৰ পাঠদান শুনিবলৈ শ্ৰেণীকোঠাৰ বাহিৰতো ছাত্ৰ-ছাত্ৰীয়ে ভিৰ কৰিছিল। একমাত্ৰ সাৰ্থক শিক্ষাদানৰ বাবেই হেম বৰুৱাৰ দৰে শিক্ষকৰ নাম আজিও আমি স্মৰণ কৰি আছো।

শিক্ষক মানে কেৱল পাঠ্যপুথি আৰু ছাত্ৰ-ছাত্ৰীৰ মাজৰ যোগসূত্ৰডাল নহয়। শিক্ষকতা বৃত্তি সেইবাবে এক প্ৰত্যাহ্বানমূলক বৃত্তি আৰু বৰ্তমান এই বৃত্তিৰ প্ৰতি সকলোৰেই চকু। শিক্ষকতা বৃত্তি বৰ্তমান এটা গভীৰ সামাজিক বিষয়। সেয়েহে সমাজে বিচাৰে শিক্ষকগৰাকী দক্ষ আৰু আদৰ্শৱান হওক।

এজন দক্ষ শিক্ষকে নিজৰ বিষয়ৰ জ্ঞান আগতীয়াকৈ অৰ্জন কৰি লয়। এজন দক্ষ শিক্ষকে দৈনন্দিন জীৱনৰ পৰা বিভিন্ন উদাহৰণ বোটলি আনি বিজ্ঞান, গণিত, সাহিত্যৰ পাঠদান আকৰ্ষণীয় কৰি তোলে। এজন দক্ষ শিক্ষকে ছাত্ৰ-ছাত্ৰীক এনেদৰে জ্ঞান দান কৰে, য'ত শিক্ষকগৰাকীয়ে লাহে লাহে নিজৰ আৱশ্যকতাক অনাৱশ্যক কৰি তোলে। এজন দক্ষ শিক্ষক জীৱনজোৰা শিক্ষাৰ প্ৰতি আকৃষ্ট হয়। এজন দক্ষ শিক্ষকে ছাত্ৰ-ছাত্ৰীক আগবাঢ়ি যোৱাৰ মন্ত্ৰ শিকায়, উভতি অহাৰ নিৰ্দেশনা নিদিয়ে। এজন দক্ষ শিক্ষকে ছাত্ৰ-ছাত্ৰীক আত্মবিশ্বাসী, অনুসন্ধিৎসু আৰু স্ব-শিকাৰু হোৱাৰ প্ৰতি প্ৰণোদিত কৰে।

এচাম আদৰ্শৱান, দক্ষ, উৎসৰ্গিত মনোভাবৰ শিক্ষকৰ বাবে আজিৰ সমাজখন তিষ্ঠি আছে। এনে দক্ষ তথা আদৰ্শৱান শিক্ষকৰ বাবে কিচুসংখ্যক ছাত্ৰ-ছাত্ৰী আত্মবিশ্বাসী, অনুসন্ধিৎসু আৰু স্ব-শিকাৰু হৈ নিজৰ মগজুৰ উপযুক্ত ব্যৱহাৰ কৰি শিক্ষকৰ তত্ত্বাৱধানত চিন্তাশক্তিৰ বিকাশ ঘটাই আজি এখন ভাল মাৰ্কশ্বীটৰ গৰাকী হোৱাই নহয়, এটা সফল জীৱনৰো গৰাকী হৈছে।

একবিংশ শতিকাৰ ছাত্ৰ-ছাত্ৰীয়ে বিচাৰে একবিংশ শতিকাৰ শিক্ষক, সেয়েহে শ্ৰেণীকোঠাৰ শিক্ষকগৰাকীৰ জ্ঞানৰ পৰিসীমা সাধাৰণ জ্ঞানতে সীমাবদ্ধ থাকিলে আজিৰ ছাত্ৰ-ছাত্ৰীক পঢ়ুওৱাটো কঠিন হয়। শিক্ষাবিদসকলে উত্থাপন কৰা তিনিটা গুৰুত্বপূৰ্ণ প্ৰশ্ন হৈছে—

আমাৰ শিক্ষানুষ্ঠানবোৰত নতুন জ্ঞানৰ সৃষ্টি হৈছেনে?

সেই জ্ঞানৰ বিস্তাৰ হৈছেনে?

সেই জ্ঞানৰ প্ৰয়োগ হৈছেনে?

হয়, আমাৰ স্কুল-কলেজ বা বিশ্ববিদ্যালয়বোৰত শিক্ষাদান আৰু শিক্ষাগ্ৰহণকাৰ্য বহুদিন ধৰি চলি আছে কিন্তু নতুন জ্ঞানৰ সৃষ্টি, বিস্তাৰ আৰু প্ৰয়োগত আমি কিমান আগবাঢ়িছো বা আমি কিয় পিছপৰি আছো, তাৰ এক বিজ্ঞানসন্মত বিশ্লেষণ বা আলোচনাৰ নিশ্চয় প্ৰয়োজন আছে।

সেয়েহে জ্ঞান, দক্ষতা আৰু নতুন দৃষ্টিভংগীৰ মানৱ সম্পদ গঢ়াৰ বাবে আমাৰ জহি-খহি যাব ধৰা শ্ৰেণীকোঠাটোক নতুন ৰূপত সজাই পৰাই তোলাৰ আৱশ্যকতা আহি পৰিছে।◆

ফোন : ৯৯৫৪০৮১৫১৫

# অসমীয়া জাতিৰ ডাঙৰ প্ৰত্যাহ্বান ঃ ধৰ্মীয় মেৰুকৰণ

**তুফেল জিলানী**

ভাৰতৰ ৰাজধানী চহৰ নতুন দিল্লীৰ পাৰ্শ্বৱৰ্তী এখন ঐতিহাসিক চহৰ আলিগড়। শাসন হেৰুৱাই তীব্ৰ মানসিক অন্তৰ্দ্বন্দ্ব আৰু ক্ষোভিত হৈ থকা মোগল নবাব পৰিয়ালবিলাকে ব্ৰিটিছৰ বিপক্ষে যুঁজ দিয়াৰ বাবে ভাৰতৰ স্বাধীনতা আন্দোলনত আলিগড় চহৰৰ নাম সঘনাই উচ্চাৰিত হয়। ভাৰতৰ এগৰাকী প্ৰখ্যাত সমাজ সংস্কাৰক ছাৰ চৈয়দ আহমদ খাঁৰ দ্বাৰা প্ৰতিষ্ঠিত আলিগড় মুছলিম বিশ্ববিদ্যালয় ভাৰতৰ এটা মৰ্যাদাসম্পন্ন উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান। আজিও এই বিশ্ববিদ্যালয়ে পূৰ্বৰ ঐশ্বৰ্যগৰিমা বজাই ৰাখি ভাৰতৰ জাতীয়তাবাদ প্ৰতিষ্ঠাত গুৰুত্বপূৰ্ণ ভূমিকা লৈ আহিছে। বিশ্ববিদ্যালয়খনৰ সৈতে 'মুছলিম' শব্দটো জড়িত হৈ থাকিলেও ইয়াত ৰাষ্ট্ৰখনৰ ধৰ্মনিৰপেক্ষ চৰিত্ৰ সদায় প্ৰতিফলিত হয়। দুটা বছৰৰ পূৰ্বে এই বিশ্ববিদ্যালয়ত এটা বিদ্যায়তনিক কামত কিছুদিন থাকোতে ইয়াত দেখা পোৱা ভাৰতীয় বৈশিষ্ট্যসমূহ, উদাৰ ধৰ্মনিৰপেক্ষ চৰিত্ৰ আদিয়ে আমাক আকৰ্ষিত কৰিছিল। কিন্তু আলিগড় চহৰৰ উচ্চ শিক্ষিত সমাজখনৰ বাদে প্ৰায় ৮০ শতাংশ সাধাৰণ নাগৰিক স্পষ্টভাৱে দুই শিবিৰত বিভক্ত। ধৰ্মকেন্দ্ৰিক এই মেৰু বিভাজনৰ ফলত দৈনন্দিন জীৱন, সংস্কৃতি সকলোতে প্ৰভেদ বিদ্যমান। এজন অসমীয়া হিচাপে চহৰৰ সাধাৰণ নাগৰিকৰ (সৰু-বৰ ব্যৱসায়ী, উদ্যোগী, শ্ৰমিক, গাড়ী চালক) এনে মেৰু বিভাজিত কথাটো বৰ আচহুৱা লাগিছিল। বিশ্ববিদ্যালয়খনৰ উদ্যোগত উচ্চ শিক্ষিত ব্যক্তিসকলে ধৰ্মীয় সংহতিৰ ক্ষেত্ৰত অহৰহ চেষ্টা চলাইছে যদিও বাস্তৱ ক্ষেত্ৰত ই সফল হোৱা নাই যেন অনুভৱ হয়। এই মেৰু বিভাজনৰ মূল কাৰণ হ'ল সাম্প্ৰদায়িক ৰাজনীতি আৰু সমাজ ব্যৱস্থা। এনে মেৰুকৰণৰ ফলত ক্ষতি হৈছে সাধাৰণ নাগৰিকৰ আৰু সুবিধা হৈছে ৰাজনৈতিক দলবোৰৰ। উত্তৰ ভাৰতৰ মীৰাট, বেৰলী, মুজ্জাফৰনগৰ, আগ্ৰা, গুজৰাটৰ প্ৰায়বোৰ ঠাইতে এনে পৰিৱেশ বিৰাজ কৰা পৰিলক্ষিত হৈছে।

অসমৰ জনগাঁথনি, সমাজ ব্যৱস্থা, সংস্কৃতি আদিক লৈ আমি গৌৰৱ কৰি কওঁ যে অসমৰ ভৌগোলিক সীমাত মেৰু বিভাজিত সমাজ নাই। বিশেষকৈ, অতি ভয়াৱহ ধৰ্মীয় মেৰুকৰণৰ পৰা অসম মুক্ত। ভিন ভিন জাতি, ধৰ্ম, ভাষিক সম্প্ৰদায়, গোষ্ঠীৰ বুজাব নোৱৰা এক সমন্বয়ত গঢ় লৈ উঠিছে অসমীয়া সমাজ। ভাৰতবৰ্ষৰ আন ৰাজ্যসমূহৰ লগত অসমৰ জনগাঁথনি তুলনা কৰিব নোৱাৰি। অসমীয়াৰ বাবে ধৰ্ম, ভাষা, সম্প্ৰদায় উমৈহতীয়া নহয়, অসমীয়া জাতীয় ভাবহে গুৰুত্বপূৰ্ণ। বহু শ বছৰ ধৰি লুইতৰ দুয়োপাৰে গঢ় লৈ উঠা অসমীয়া সমাজখন এখন নানাৰঙী ফুলৰ বাগিচাৰ দৰে। ৰূপক অৰ্থত এই বাগিচাখনেই অসমীয়া। এই ভৌগোলিক খণ্ডৰ বিভিন্ন জাতি-জনগোষ্ঠীক একত্ৰিত কৰি স্বৰ্গদেউ চুকাফাই ৰাজনৈতিক পৰিচয় প্ৰদান কৰাৰ

দৰে শ্ৰীমন্ত শংকৰদেৱে আধ্যাত্মিক আৰু সাংস্কৃতিক ৰূপ প্ৰদান কৰিলে। পৰৱৰ্তী সময়ত আজান ফকীৰে এক সমন্বয়ৰ বাৰ্তাৰে জাতীয় জীৱনক সমৃদ্ধ কৰিলে। কোঁচ, কছাৰী, মৰাণ, মটক, মিচিং, দেউৰী, চাহ জনগোষ্ঠী সকলোৱে ভিন ভিন সময়ত অসমীয়া জাতি গঠনত ভূমিকা ল'লে। এনে সংহতি, সমন্বয়ৰ জাতি হিচাপে জীয়াই থকাৰ গৌৰৱ সুকীয়া। ফণী শৰ্মাৰ নাটকৰ চিৰাজ, সীতা, সাৱিত্ৰী অসমৰ সমাজৰ জীয়া চৰিত্ৰ। একে হাৱা-পানীত সকলো অসমীয়াই একেলগে দিন পাৰ কৰিছো। যদি দুৰ্যোগ আহিছে আমি মাৰ বান্ধি থিয় দিছো। সুখৰ দিনত একেলগে ৰং-ৰহইচ কৰিছো। একেখন পথাৰত খেতি কৰিছো। একেখন চহৰ গাঁৱত একেলগে কোনো প্ৰভেদ নোহোৱাকৈ জীৱন-যাপন কৰিছো। বিচাৰিব নোৱাৰি কোন হিন্দু, কোন মুছলমান।

এয়া হ'ল অসমীয়া জাতিৰ পৰিচয়। শ শ বছৰ সংঘাত আৰু সমন্বয়ত গঢ় লৈ উঠা এটা জাতিৰ অতীত আৰু বৰ্তমান। কিন্তু এই সম্প্ৰীতিৰ ডোলেৰে বান্ধ খাই থকা সমূহ অসমীয়াৰ একক শক্তিক দুৰ্বল কৰিবলৈ এচাম দুষ্ট বুদ্ধিৰ চক্ৰই অহৰহ চেষ্টা চলাইছে। এতিয়া জাতিটোৰ বাবে ভয়ংকৰ প্ৰত্যাহ্বান হৈছে ধৰ্মীয় মেৰুকৰণ। ইয়াৰ প্ৰধান কাৰণ হৈছে ৰাজনৈতিক। ক্ষমতাৰ লোভত অতি পৰিকল্পিতভাৱে ৰাজনৈতিক দলসমূহে অসমৰ জনগণক ভাগ ভাগ কৰিছে। এতিয়া ৰাজনীতিৰ বিচাৰ হ'ল—আপুনি হিন্দু নে মুছলমান। আপোনাৰ সম্প্ৰদায় কি? আপুনি হিন্দুৰ নেতা নে মুছলমানৰ নেতা? আপুনি জনগোষ্ঠীয় নেতা নে আপুনি আহোমৰ নেতা? অসমীয়া জাতিৰ একত্ৰিত শক্তিত লাভ নহয় ৰাজনৈতিক দলসমূহৰ। ভাৰতৰ অন্যান্য প্ৰান্তৰ বিভাজিত সমাজত ৰাজনীতি কৰি মুনাফা লুটি থকা ৰাজনৈতিক দলসমূহৰ চকু এতিয়া অসমত। সাধাৰণতে মানুহৰ ধৰ্মৰ প্ৰতি এক অনুৰাগ থাকে। ই ব্যক্তিগত আচাৰতে সীমাবদ্ধ হৈ থকা উচিত। এই ধৰ্মমোহক হাথিয়াৰ হিচাপে লৈ ৰাজনৈতিক দলসমূহে অসমৰ ৰাজনৈতিক ক্ষেত্ৰত সাম্প্ৰদায়িকতাৰ বীজ সুমুৱাই দিছে। এনে শক্তিসমূহে সিঁচা সাম্প্ৰদায়িকতাৰ বীজে এনে এক কলুষিত আৰু দুৰ্ভাগ্যজনক পৰিৱেশ সৃষ্টি কৰিছে যে অমুক নেতাই হিন্দুৰ বিপক্ষে কৈছে, গতিকে মুছলমানসকলে সেইজনৰ নেতৃত্বক সমৰ্থন কৰা উচিত। তমুকে মুছলমানৰ বিপক্ষে কৈছে, সেইজনৰ নেতৃত্বত হিন্দুসকল একত্ৰিত হোৱা উচিত। এনে এক কদৰ্য ৰাজনৈতিক পৰিৱেশ সৃষ্টি কৰিবলৈ এটা দুষ্ট শক্তিয়ে চেষ্টা চলাইছে। ই অত্যন্ত ঘৃণনীয় আৰু গৰ্হিত। তেনে ক্ষেত্ৰত সহযোগিতা কৰা শক্তিসমূহো সমানে জগৰীয়া। অসমৰ সমন্বয়ৰ বৰভেটিত এই সকলো দুষ্ট শক্তিক অসমীয়াই চিনাক্ত কৰা উচিত।

ভাৰতৰ বহু ৰাজ্যত সৰ্বসাধাৰণ নাগৰিক শান্তিৰে জীয়াই থাকিব নোৱৰা এটা পৰিৱেশৰ সৃষ্টি হৈছে। সাম্প্ৰদায়িকতাই মানুহৰ মনত ঘৃণা বিদ্বেষৰ ভাব সৃষ্টি কৰিছে। তেনে এক পৰিৱেশৰে কোটিকলীয়া অসমৰ সমাজ জীৱন ধ্বংস কৰিবলৈ এক ভয়নাক ষড়যন্ত্ৰ যোৱা কিছুদিনৰ পৰা কিছুমানে চেষ্টা চলাইছে। মানুহৰ মাজত ধৰ্ম, জাতি, ভাষিক বিভাজন কৰিব পাৰিলে সাম্প্ৰদায়িক ৰাজনীতিৰ লাভ হয়। কিন্তু অশান্তি হয় সাধাৰণ নাগৰিকৰ। কোনোৱে মুছলমানক একত্ৰিত কৰিছে, কোনোৱে হিন্দুসকলক। কোনোৱে এটা গোষ্ঠীৰ ত্ৰাণকৰ্তাৰূপে পৰিচয় দিছে। কিন্তু আমি সাধাৰণ অসমীয়াই এনে বিভাজিত সমাজ বিচাৰোনে? সাধাৰণ একোটা ঘটনাক সাম্প্ৰদায়িক ৰূপ দিয়া হৈছে। ৰাজনৈতিক কেতবোৰ দলে নাগৰিকসকলক ধৰ্মান্ধ কৰিবলৈ চেষ্টা কৰিছে। অসমৰ সমাজ জীৱন, সংস্কৃতি, ইতিহাসৰ কথা একো নজনা বাহিৰৰ একোজন ধৰ্মীয় নেতা, সাম্প্ৰদায়িক ৰাজনৈতিক নেতাই উচটনিমূলক ভাষণ দি ৰাইজক আৱেগিক কৰি তুলিছে। শান্তিৰ অসমত বিভেদ সৃষ্টি কৰিব পৰা এই মন্তব্যবোৰ উদ্দেশ্যপ্ৰণোদিত।

খুব কৌশললেৰে বিভিন্ন ৰাজনৈতিক দলে উত্তৰ ভাৰতৰ সাম্প্ৰদায়িক ৰাজনীতিক অসমলৈ আমদানি কৰিছে। কেতবোৰ ঘটনাৰ দ্বাৰা পৰীক্ষামূলকভাৱে সাম্প্ৰদায়িক ৰাজনীতি প্ৰয়োগ কৰিছে। নিৰ্বাচনসমূহত লাভালাভ হোৱাকৈ এই দলসমূহে এই সাম্প্ৰদায়িক বিষবাষ্প অধিক প্ৰয়োগ কৰাৰ সম্ভাৱনা আছে। ৰাজনীতিৰ সাম্প্ৰদায়িক কৌশল ব্ৰিটিছে ভাৰতত এৰি থৈ যোৱা বৰবিহ। ব্ৰিটিছসকলৰ পৰা শিকিব লগা বহু কথা আছিল। যেনে— সময়ানুবৰ্তিতা, কৰ্মস্পৃহা, জাতিপ্ৰেম, মানৱপ্ৰেম। কিন্তু শিকিলো ঋণাত্মক দিশ—ৰাজনীতিত মেৰুকৰণ। এনে মুহূৰ্তত আমি শান্তিৰে জীয়াই থাকিব খোজা অসমীয়াসকল সাৱধান হোৱা উচিত। আৱেগৰ চৌৰে অসমক বাৰে বাৰে বহু অপূৰণীয় ক্ষতি কৰিছে। মনবোৰ চেঁচুকীয়া কৰিছে। অসমৰ সমন্বয়ৰ ইতিহাসৰ সুদৃঢ় আদৰ্শত থিয় দি থাকিলে কোনো সাম্প্ৰদায়িক শক্তিয়ে অসমীয়া জাতিৰ ক্ষতি কৰিব নোৱাৰে। অসমীয়া জাতিৰ ভেটি থানবান হৈ গ'লে কোনো বাহিৰৰ শক্তিয়ে আহি আমাক পুনৰ একত্ৰিত কৰিব নোৱাৰে। জাতিধ্বংসৰ বাবে সুবিধাবাদী শক্তিসমূহ নিজেই ধৰা পৰিব। সাম্প্ৰদায়িকতাৰ ধুমুহাই মনবোৰ ছেদেলি-ভেদেলি কৰাৰ আগতে এবাৰ চিন্তা কৰো আহক—বিভিন্ন জাতি-ধৰ্মৰ মানুহে একত্ৰিত হৈ অসমৰ হকে যুঁজিছো, অসমৰ জাতীয় জীৱনক সমৃদ্ধ কৰিছো। আমাৰ পৰিচয় অসমীয়া—লুইতৰ পাৰত বহু শতিকাজুৰি সুখ-শান্তি-সমন্বয়েৰে জীয়াই থকা এটা জাতি। ধৰ্ম, বৰ্ণ, গোষ্ঠীগত পৰিচয় আমাৰ একান্ত ব্যক্তিগত। জাতিগত পৰিচয়হে আমাৰ প্ৰধান। অসমীয়া জাতিৰ বিচক্ষণ বীৰসকলৰ সহযোগত মহাবীৰ লাচিতে পৰাক্ৰমী মোগল বাহিনীক পৰাস্ত কৰাৰ দৰে আমিও অসমৰ ভূমিত বিভেদৰ বীজ সিঁচিবলৈ চেষ্টা কৰা সাম্প্ৰদায়িক শক্তিসমূহক পৰাভূত কৰাৰ সময় সমাগত। অন্যথা আমি আৱেগিকভাৱে কাৰোবাৰ উচটনিত ধৰ্মৰ আলমত মেৰু বিভাজিত হ'লে অসমীয়া জাতি থানবান হৈ যাব। ভাৰতৰ আন ৰাজ্যৰ দৰে অশান্তিজৰ্জৰ সমাজত আমি জীয়াই থাকিব নোৱাৰো, কাৰণ আমি অসমীয়া। আজান ফকীৰৰ এই অমোঘ বাণী অসমীয়াৰ বাদে বিশ্বৰ কোনো প্ৰান্তৰ মানুহৰ হৃদয়ত অনুৰণিত হৈ থকা নাই—

> 'কোৱাণে পুৰাণে একেকে কৈছে
> জানিবা মহন্তৰ লোক।'◆

ফোন ঃ ৯৪৩৫২৪৮৮০৯

*তুমি যদি শত্ৰুৱে তোমাক কৰা অপকাৰৰ প্ৰতিশোধ ল'ব খোজা, তেন্তে তুমি তোমাৰ শত্ৰুৰ একে শাৰীৰ মানুহ বুলি গণ্য হ'বা। কিন্তু যদিহে শত্ৰুৱে তোমাৰ প্ৰতি কৰা অপকাৰৰ কাৰণে তুমি তেওঁক ক্ষমা কৰি দিব পাৰা, তেন্তে প্ৰমাণ হ'ব যে তুমি তোমাৰ শত্ৰুতকৈ বহুত ওখ খাপৰ মানুহ*

*– বেঞ্জামিন ফ্ৰেঙ্কলিন*

# মুছলমান বন্ধু সকললৈ এটা আহ্বান

বিমল ফুকন

কিছুদিনৰ আগতে অসমৰ বাতৰি কাকতৰ শিৰোনাম দখল কৰিছিল এক চাঞ্চল্যকৰ তথ্যই। আল কাইদাই ঘোষণা কৰা মতে ভাৰতবৰ্ষৰ চাৰিখন ৰাজ্যত তেওঁলোকে অদূৰ ভবিষ্যতে প্ৰভাৱ বিস্তাৰিত কৰাৰ সিদ্ধান্ত লৈছে। তামিলনাডু, কেৰালা আৰু জম্মু-কাশ্মীৰৰ লগতে অসমৰ নামো সেই তালিকাত আছে। খবৰটো দুদিনৰ পিছতেই পুৰণি হ'ল কাৰণ অসমৰ কোনো লোকেই বাতৰিটো গুৰুত্বসহকাৰে গ্ৰহণ কৰাৰ প্ৰয়োজনবোধ কৰা নাছিল। কিন্তু যোৱা ২ অক্টোবৰত পশ্চিম বংগৰ বৰ্ধমান চহৰত সংঘটিত বোমা বিস্ফোৰণৰ লগত জড়িত ঘটনাৱলীয়ে এই ধাৰণা সম্পূৰ্ণ সলনি কৰি দিলে। বৰ্ধমানৰ ঘটনাৰ পম খেদি অসমৰ বৰপেটাত আৱিস্কাৰ হ'ল আল-কাইদাৰ সুপ্ৰতিষ্ঠিত ঘাটি। অসমৰ মানুহ এইবাৰ সংকিত হ'ল, বুজিব পাৰিলে যে অতি সংগোপনে, প্ৰায় অজানিতে শত্ৰু আহি ইতিমধ্যে শোৱনিকোঠাত প্ৰৱেশ কৰিছিল বহু দিনৰ আগতেই । ৰাজ্যজুৰি ইয়াৰ প্ৰতিবাদ হ'ল, জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি হ'ল। অনেক অসমীয়া মুছলমান বুদ্ধিজীৱিয়ে ইয়াৰ বিৰোধিতা কৰি বাতৰিকাকত প্ৰৱন্ধ লিখিলে।

২০১৪ চনৰ নিৰ্বাচনত নৰেন্দ্ৰ মোদী আৰু বিজেপি দল বিপুল ভোটত জয়লাভ কৰাৰ সময়ত অসমৰ তথা ভাৰতৰ মুছলমান সম্প্ৰদায়ৰ লোকে শংকামিশ্ৰিত মন্তব্য কৰি কৈছিল যে 'এইবাৰ 'হিন্দুত্ব'ৰ ৰাজত্ব আৰম্ভ হ'ল'। তেওঁলোকৰ চকুৰ আগত নিশ্চয় জিলিকি উঠিছিল ১৯৯২ চনৰ ৬ ডিচেম্বৰৰ দিনটো যিদিনা লক্ষাধিক লোকে তিনিশবছৰীয়া বাবৰি মছজিদ ধ্বংস কৰিছিল আৰু শাসনাধিস্থিত বিজেপি (এন ডি এ) চৰকাৰ আছিল নিৰ্বিকাৰ দৰ্শক। সেই দৃশ্য কেৱল মুছলমান লোকৰে নহয়, অনেক অ-মুছলমান লোকৰ কাৰণেও দৃষ্টিকটু আছিল। মুছলমানসকলৰ আশংকা যে মোদী চৰকাৰৰ শাসনকালত সংখ্যালগু মুছলমান সম্প্ৰদায়ৰ লোক বিপদাপন্ন হ'ব পাৰে। তেওঁলোকৰ ভিতৰৰ বহুতৰে নিশ্চয় জ্ঞাত আছিল পুৰণি ভাৰতৰ ইতিহাস। ৭১১ খ্ৰীষ্টাবদত সুদুৰ ডামাস্কাছৰ পৰা আহি মহম্মদ বিন কাছিমে সিন্ধু প্ৰদেশ জয় কৰি তাত 'শ্বাৰীয়া' আইনপ্ৰৱৰ্তন কৰিছিল। তাৰ পিছৰে পৰা একাদিক্ৰমে ১৮৫৭ খ্ৰীষ্টাব্দত মোগল সাম্ৰাজ্যপতনলৈকে ভাৰতৰ বিভিন্ন অঞ্চলত বিশেষকৈ উত্তৰ ভাৰতত এক সংখ্যালঘু সম্প্ৰদায়ে একছত্ৰী শাসন বিস্তাৰ কৰিছিল; কেৱল অসম আছিল এক ব্যতিক্ৰম। অৰ্থাৎ অষ্টম শতিকাৰ পৰা আৰম্ভ কৰি উনবিংশ শতিকালৈকে উত্তৰ ভাৰতত শাসন কৰিছিল এক সংখ্যালঘু সম্প্ৰদায়ে। সেইখিনি সময়ৰ ইতিহাস, বিশেষকৈ মুছলমান শাসকসকলৰ সংখ্যাগৰিষ্ঠ হিন্দু আৰু শিখ সম্প্ৰদায়ৰ প্ৰতি কৰা আচৰণৰ কথা, পৰ্য্যালোচনা কৰা এই প্ৰৱন্ধৰ উদ্দেশ্য নহয়। অনুসন্ধিৎসু

লোকে তাৰ অধ্যয়ন কৰিলে বুজিব পাৰিব যে স্বৰাজোত্তৰ কালত সংঘটিত অনেক ঘটনাৰ মূল কাৰণ হ'ল সেই বহু শতাব্দীজোৰা ঘটনাৱলীৰ প্ৰতিক্ৰিয়াত কম-বেছি পৰিমাণে হোৱা 'বেকলেছ' (Backlash) । তথাপি মোৰ বিশ্বাস নহয় যে একবিংশ শতিকাৰ গণতান্ত্ৰিক ভাৰতবৰ্ষত কেইবাশতিকা পূৰ্বে সংঘটিত ঘটনাৰ পুনৰাবৃত্তি হোৱাটো সম্ভৱ। কিন্তু লক্ষণীয়ভাৱে এনে ব্যৱস্থায়ো মুছলিম সম্প্ৰদায়ৰ লোকক সম্পূৰ্ণৰূপে আশ্বস্ত কৰিব পৰা নাই। সেয়ে সৌ সিদিনা মাত্ৰ এজন ৰাজনীতিবিদে ঘোষণা কৰিছিল যে অহাবাৰৰ নিৰ্বাচনত তেওঁলোকে অসমত 'মুছলিম' চৰকাৰ গঠন কৰিব আৰু তাৰ মুখ্যমন্ত্ৰী হ'ব বদৰুদ্দিন আজমল। তেওঁ বুজাইছিল যে তেতিয়াহে অসমৰ মুছলমানৰ স্বাৰ্থ সুৰক্ষিত হ'ব। তেওঁ বোধহয় পাহৰি গৈছিল যে তেওঁলোকক আশ্বস্ত কৰিব নোৱাৰা সংবিধানে প্ৰদান কৰা অধিকাৰৰ ওপৰত ভৰ দিয়েই তেওঁ এই কথা সদৰ্ভে, সবল কণ্ঠেৰে, অতি প্ৰকাশ্যভাৱে টিভিৰ পৰ্দাত ক'ব পাৰিছিল। তেওঁৰ এই দেখাত টুলুঙা যেন লগা মন্তব্যটোত নিহিত হৈ আছিল বৰ্তমান অসমীয়া মুছলমান সমাজত লাহে লাহে দেখা দিয়া এক অনিশ্চয়তাৰ আশংকা। একেই অনুভূতি মই দেখা পাইছিলো এজন ইটালিয়ান মূলৰ আমেৰিকানৰ চকুত। মই তেওঁক প্ৰশ্ন কৰিছিলোঁ। - 'তুমি স্ব-ইচ্ছাৰে নিজৰ দেশ এৰি আমেৰিকাত বাস কৰিছা, আমেৰিকাৰ নাগৰিক হৈছা। অথচ তুমি এতিয়াও নিজকে সম্পূৰ্ণৰূপে আমেৰিকান বুলি অনুভৱ নকৰা। কথাইপতি তুমি 'সিহঁত' আৰু 'আমি' শব্দ দুটা ব্যৱহাৰ কৰি নিজকে আঁতৰ কৰি ৰাখা কিয় ?' মোক সন্তুষ্ট কৰিব পৰাকৈ তেওঁ উত্তৰ দিব পৰা নাছিল যদিও মই বুজি পাইছিলোঁ যে তেওঁৰ অনুভূতি আছিল অকৃত্ৰিম আৰু গভীৰ। অথচ একেই দেশতে ১৭৪১ চনত জাৰ্মানীৰ পৰা আমেৰিকালৈ উঠি যোৱা আইছেনহাৱাৰ পৰিয়ালৰ বংশধৰে দ্বিতীয় মহাসমৰত সেই জাৰ্মানীৰ বিৰুদ্ধে নেতৃত্ব দিছিল আৰু ১৯৫২ চনত আমেৰিকাৰ ৰাষ্ট্ৰপতি নিৰ্বাচিত হৈছিল। কোনো ভাঁজ নলগাকৈয়ে। এই কাম অসমৰ মুছলমানৰ ক্ষেত্ৰত নোহোৱাটো চিন্তাৰ বিষয় কাৰণ অসমৰ জনসংখ্যাৰ প্ৰায় এক - তৃতীয়াংশ মুছলমানসকল প্ৰকৃতাৰ্থত সংখ্যালঘু নহয়। তদপুৰি, যি সম্প্ৰদায়ৰে মুখ্যমন্ত্ৰী নহওক লাগে অসমৰ চৰকাৰ সদায় 'অসমীয়া' হৈ থাকিব, কোনো সম্প্ৰদায় বিশেষৰ নহয়। বিগত ন দশকৰ ইতিহাসৰ পাত লুটিয়াই চালে দেখা যায় যে ছাৰ ছাদুল্লা ১৯৩৭ চনৰ পৰা আৰম্ভ কৰি কেইবাবাৰো অসমৰ মুখ্যমন্ত্ৰী (তেতিয়াৰ দিনত প্ৰধানমন্ত্ৰী) হৈছিল, ১৯৮০-৮১ চনত অসমৰ মুখ্যমন্ত্ৰী আছিল চৈয়দা আনোৱাৰা টাইমূৰ। ইয়াক তেতিয়া সাম্প্ৰদায়িকতাৰ দৃষ্টিকোণেৰে চোৱা হোৱা নাছিল। যি প্ৰশ্ন মই বিনা দ্বিধাই ইটালিয়ান আমেৰিকানজনক কৰিব পাৰিছিলোঁ সেই একেই প্ৰশ্ন মই আজিৰ অসমত এজন অসমীয়া মুছলমান বন্ধুক পোনপটীয়াকৈ কৰিব নোৱাৰোঁ। পৰিস্থিতিৰ এনে আমূল পৰিৱৰ্তন সমগ্ৰ অসমৰ মানুহৰ কাৰণে এক চিন্তনীয় বিষয়। কাৰণ ইয়াৰ সুবিধা পূৰামাত্ৰাই গ্ৰহণ কৰিছে ৰাজনীতিবিদসকলে।

বিভিন্ন ধৰ্মত বিশ্বাস কৰা লোকৰ মাজৰ বিবাদ কোনো নতুন কথা নহয়, অতি প্ৰাচীন কালৰে পৰা ই প্ৰচলিত। কৌৰৱ আৰু পাণ্ডৱৰ মাজত সংঘটিত 'কুৰুক্ষেত্ৰ যুদ্ধ'ক অনেকে 'ধৰ্মীয় যুদ্ধ' বুলি ক'ব খোজে। পূজা পাটল কৰা 'পাগান'সকলৰ বহুকলীয়া ব্যৱস্থা বলপূৰ্বক ভাৱে ধ্বংস কৰি প্ৰথম খ্ৰীষ্টিয়ানসকলে তাৰ ঠাইত নিজৰ ধৰ্ম প্ৰবৰ্তন কৰিছিল। একেদৰেই, হজৰত মহম্মদে ৬২২ খ্ৰীষ্টাব্দৰ পৰা আঠ বছৰ যুদ্ধ কৰিহে মক্কা নিজৰ অধীনলৈ আনিছিল। ৬২৭ খ্ৰীষ্টাব্দত চীনৰ পৰা মধ্য এছিয়া, ইণ্ডাছ উপত্যকা হৈ ভাৰতলৈ অহা হিউৱেন চাঙৰ ভ্ৰমণ বৃত্তান্তত উল্লেখ আছিল তেওঁ বাটতে পাই অহা অগণন বৌদ্ধ বিহাৰ আৰু ভিক্ষুৰ কথা যিবোৰৰ আজি কোনো চিন-ছাব নাই। কাৰণ, তাৰ কিছু বছৰৰ

পিছতেই সমগ্ৰ মধ্য এছিয়াত ইছলাম ধৰ্ম বিয়পি পৰিছিল আৰু বৌদ্ধবিহাৰ সমূহ পৰিণত হৈছিল ধ্বংসস্তুপত। চীন দেশো বাদ যোৱা নাছিল। বৌদ্ধ ধৰ্মত বিশ্বাসী চীনত আজি বাস কৰে ১০০ নিযুতৰো অধিক ইছলামধৰ্মী লোক। এনে পৰিস্থিতিত ধৰ্ম-ভিত্তিক সংঘাত অৱশ্যম্ভাবী আৰু ই বহু সময়ত ভয়ংকৰ আৰু ৰক্তাক্ত ৰূপ ধাৰণ কৰিছিল। এইবিলাকক বুৰঞ্জীবিদসকলে আখ্যা দিছে ‘ধৰ্মীয় যুদ্ধ’ । আজি পাশ্চাত্য ধৰ্ম হিচাপে পৰিচিত খ্ৰীষ্টিয়ান ধৰ্মক প্ৰণালীবদ্ধভাৱে বিতাড়িত কৰা হৈছিল প্ৰাচ্যৰ দেশৰ পৰা। পৃথিৱীৰ প্ৰথম খ্ৰীষ্টিয়ান মঠ স্থাপিত হৈছিল ইজিপ্তত পঞ্চম শতিকাত, ইছলাম ধৰ্ম প্ৰৱৰ্তনৰ প্ৰায় দুই শতাব্দীৰ পূৰ্বে। সেই সময়ত ছিৰিয়া, টাৰ্কি, ইজিপ্ত আদি দেশত অগণন প্ৰাৰ্থনাৰত সন্যাসীৰে ভৰপূৰ হৈ থকা খ্ৰীষ্টিয়ান মঠসমূহৰ আজি কোনো চিন- মোকাম নাই। একে ধৰণেই নিশ্চিহ্ন কৰা হৈছিল মধ্য এছিয়াৰ বৌদ্ধ ধৰ্মক। হিউৱেন চাঙে সপ্তম শতাব্দীত বাটৰুৱা পথিক হিচাপে আশ্ৰয় লোৱা মঠসমূহ  পৰিণত হৈছিল ধ্বংসাৱশেষত। শেষ ধৰ্মীয় চিহ্ন হিচাপে বাচি থকা সপ্তম শতিকাতে শিলত খোদিত আফগানিস্তানৰ বামিয়ানৰ প্ৰকাণ্ড বুদ্ধ মূৰ্তিকেইটা ২০০১ চনত নিৰ্মূল হৈ গৈছিল টালিবানৰ বোমাৰ আঘাতত। একেই পন্থা অৱলম্বন কৰিছিল খ্ৰীষ্টিয়ান কেথলিক পাদুৰীসকলে ষোড়শ শতিকাত মেক্সিকোত উপনিৱেশ পাঁতোতে। সেই দেশবাসীৰ প্ৰাচীন উপাসনা- গৃহ ধ্বংস কৰি একেই ঠাইতে গীৰ্জা নিৰ্মাণ কৰা হৈছিল। চিৰন্তন প্ৰথা মতে নতুন ধৰ্ম প্ৰবৰ্তনেই যথেষ্ঠ নাছিল, পুৰাতন ধৰ্মীয় চিহ্নসমূহ নিৰ্মূল কৰাটো আছিল গতানুগতিক। বাবৰি মছজিদ তাৰেই নিদৰ্শন। ধৰ্মীয় যুদ্ধ যে কেৱল বিভিন্ন ধৰ্ম বিশ্বাসৰ লোকৰ মাজতহে হৈছিল এনে নহয়। ৬৩২ খ্ৰীষ্টাব্দত প্ৰফেট মহম্মদৰ মৃত্যুৰ পিছত তেওঁৰ উত্তৰাধিকাৰীত্বক লৈ দুই ইছলামধৰ্মী শ্বিয়া আৰু চুন্নী সম্প্ৰদায়ৰ মাজত আৰম্ভ হোৱা বিবাদ আজিও পূৰামাত্ৰাই বিৰাজমান। একেদৰেই বিবাদ আৰম্ভ হৈছিল খ্ৰীষ্টিয়ান কেথলিক আৰু প্ৰটেষ্টাণ্টৰ মাজত। ১৫৬২ খ্ৰীষ্টাব্দত ফ্ৰান্সত এই দুই সম্প্ৰদায়ৰ মাজত সংঘঠিত ধৰ্মীয় যুদ্ধ অব্যাহত আছিল ১৫৯৮ খ্ৰীষ্টাব্দলৈকে য'ত দুইৰ পৰা চাৰি নিযুতলোকে প্ৰাণ হেৰুৱাইছিল। তেওঁলোকৰ আন এখন ৰক্তাক্ত ধৰ্মীয় যুদ্ধ অব্যাহত আছিল সুদীৰ্ঘ ত্ৰিশ বছৰ ধৰি ১৬১৮ ৰ পৰা ১৬৪৮ খ্ৰীষ্টাব্দলৈকে আৰু মৃতলোকৰ সংখ্যা আছিল তিনিৰ পৰা এঘাৰ নিযুতৰ ভিতৰত। এই কাহিনী আজিও শেষ হোৱা নাই। বৰ্তমান সময়ত আনকেইটা মুখ্য ধৰ্মৰ জগতত তুলনামূলকভাৱে শান্তি বিৰাজ কৰিছে। ব্যতিক্ৰম হ'ল ইছলাম ধৰ্মৰ জগতখন। আজি বিশ্বজুৰি আলোড়ন সৃষ্টি কৰা প্ৰধান সংঘাতকেইটা, যেনে আফগানিস্তান, ইৰাক আৰু ছিৰিয়াৰ যুদ্ধ সমূহ, অনস্বীকাৰ্যভাৱে ইছলাম  ধৰ্মভিত্তিক।

১৯৮৮ চনত ওছামা বিন লাডেন আৰু কেইজনমান সহযোগীয়ে জন্ম দিছিল আল-কাইদা নামৰ সংগঠনটো। আজি আইছিছ নাইবা আই-এছ নামে জনাজাত সংগঠনটোৰ জন্ম হৈছিল ১৯৯৯ চনত এক বেলেগ নামত । ২০১৩ চনত আবু বকৰ আলবাগদাদীৰ নেতৃত্বত ই বৰ্তমান প্ৰচলিত নাম লয়। সেই সময়তে ইয়াৰ দোপতদোপে উন্নতি ঘটে, আৰু ছিৰিয়া আৰু ইৰাকৰ বহু অংশ তেওঁলোকে নিজৰ দখললৈ অনাত সক্ষম হয়। ২০১৪ চনৰ ২৯ জুনত আবুবকৰে নিজকে খলিফা আৰু অধিকৃত অঞ্চলক ‘খালিফেইট’ অথবা ইছলামিক ৰাজ্য বুলি ঘোষণা কৰে য'ত কেৱল ইছলামিক আইন প্ৰৱৰ্তিত হ'ব। এই খলিফা পদবীৰ এক গুৰুত্বপূৰ্ণ তাৎপৰ্য আছে। এই পদৱীয়ে প্ৰদান কৰে সমগ্ৰ বিশ্বজুৰি বাস কৰা মুছলমানক নিৰ্দেশ দিব পৰা ক্ষমতা। প্ৰফেট মহম্মদৰ মৃত্যুৰ পিছত এই পদৱীৰ উত্তৰাধিকাৰীত্বক লৈয়েই আৰম্ভ হৈছিল শ্বিয়া আৰু ছুন্নী সম্প্ৰদায়ৰ মাজত বিবাদ যি আজিকোপতি শেষ হোৱা নাই। তাৰ মাজতে অতীৱ শক্তিশালী অটোমান সাম্ৰাজ্যৰ

সম্রাটে এই পদবী নিজেই গ্ৰহণ কৰিছিল। ১৯২৩ চনত সেই সাম্রাজ্যৰ পতনৰ পিছত আধুনিক টাৰ্কিৰ গঢ় দিওঁতা কামাল আটাৰ্টুকে ১৯২৪ চনত সেই পদবী বাতিল কৰে। এতিয়া প্ৰায় এক শতাব্দীৰ অন্তত স্ব-নিযুক্ত খলিফা হ'ল আবু বকৰ আল-বাগদাদী যিজনে পৃথিৱীৰ যিকোনো ঠাইত বাস কৰা শ্বিয়া-ছুন্নী নিৰ্বিশেষে প্ৰতিজন মুছলমানক নিৰ্দেশ দিয়াৰ ক্ষমতা থকা বুলি দাবী কৰে। চি আই এ-ৰ মতে ছিৰিয়া আৰু ইৰাক মিলি আইছিছৰ যোদ্ধাৰ সংখ্যা ২০,০০০ ৰ পৰা ৩১,৫০০ৰ ভিতৰত আৰু তাতোকৈ ভয়াবহ তথ্য হ'ল যে তেওঁলোকৰ তেল বিক্ৰী কৰি পোৱা উপাৰ্জন দৈনিক এক মিলিয়ন ডলাৰৰো অধিক। উল্লেখ্য, তেওঁলোকৰ কাৰ্যকলাপত অসন্তুষ্ট হৈ ২০১৪ চনৰ ফেব্ৰুৱাৰী মাহত আল-কাইদাই আইছিছৰ লগত আৰম্ভণিৰে পৰা থকা সম্পৰ্ক ছেদ কৰে। কিন্তু প্ৰতিদিনে শুনা যায় এক নতুন সংগঠনৰ নাম। স্ত্ৰী-শিক্ষাৰ ঘোৰ বিৰোধী তালিবানৰ কথা সকলোৱে জানে, যাৰ লগত ওছমা বিল লাডেন জড়িত আছিল। এতিয়া উদ্ভৱ হৈছে নাইজেৰিয়াৰ 'ব'কো হাৰাম' যাৰ অৰ্থই হ'ল - 'পশ্চিমীয়া শিক্ষা নিষিদ্ধ'। আজিৰ আল-কাইদা, আই এছ, তালিবান 'ব'কো হাৰাম'ৰ দৰে সংগঠনৰ আদৰ্শ হ'ল ধৰ্মীয় যুদ্ধৰ এক বিকৃত আৰু ভয়াবহ ৰূপ।

মাত্ৰ এক দশকৰ আগেয়ে এনেবোৰ ঘটনা আছিল স্থানীয়, ইয়াৰ প্ৰভাৱ আছিল সীমিত। আজি ছেটেলাইট টিভি, ফেচবুক আৰু ইণ্টাৰনেটৰ যুগত সেই কথা সত্য নহয়। ইয়াৰ প্ৰভাৱ আজি কোনো ভৌগোলিক নাইবা সাম্প্ৰদায়িক সীমান্তৰ ভিতৰত আৱদ্ধ হৈ নাথাকে। 'চচিয়েল নেটৱৰ্কৰ যোগে ইয়াৰ ঢৌ বিয়পি পৰে সমগ্ৰ বিশ্বত, যিটো ঘটিছিল 'আৰব বসন্ত'ৰ সময়ত। ইয়াৰ ফলত ইংলেণ্ড, আমেৰিকা, কানাডাৰ দৰে দেশত জন্ম গ্ৰহণ কৰি তাতেই ডাঙৰ-দীঘল হোৱা যুৱক যুৱতীয়ে ছিৰিয়ালৈ ঢাপলি মেলিছে। অনুৰূপ ঘটনা মুম্বাইৰ ক্ষেত্ৰতো শুনা গৈছিল। ৰণক্ষেত্ৰৰ পৰা বহু দূৰৈৰ কানাডাত ২০১৪ চনৰ ২২ অক্টোবৰৰ দিনা এজন মাত্ৰ লোকে এখন দেশৰ শাসন-যন্ত্ৰক সন্ত্ৰাসিত কৰি তুলিছিল। আল-কাইদা আহি অসমত প্ৰবেশ কৰাটো আন এক জ্বলন্ত উদাহৰণ। কাইলৈ যদি অসমীয়া যুৱক-যুৱতীয়ে 'আটাইতকৈ ভাল মৃত্যু' বিচাৰি গৃহ ত্যাগ কৰে তাত আচৰিত হ'বলগীয়া একো নাথাকিব। এই সমস্যাৰ সমাধান বিচৰাটো প্ৰতিজন অসমীয়াৰে কৰ্তব্য।

অসমৰ পৰিস্থিতিৰ এনে দ্ৰুত পৰিবৰ্তনে অসমীয়া মুছলমানসকলক যথেষ্ট শংকিত কৰি তোলাটো স্বাভাৱিক। মৌলবাদীৰ বিৰুদ্ধে বাটে-ঘাটে সমদল ওলাইছে, অনেকে এই বিষয়ে কাগজে পত্ৰই প্ৰবন্ধ আদি লিখিছে। তেওঁলোকে ক'ব খুজিছে যে এই সংঘটিত কাৰ্যসমূহ সম্পূৰ্ণৰূপে ইছলাম বিৰোধী, সংঘটিত কৰা সকল প্ৰকৃত মুছলমান নহয়। পবিত্ৰ কোৰানৰ পৰা উদ্ধৃতিৰ দ্বাৰা তেওঁলোকে সেই কথা প্ৰতিপন্ন কৰাৰ চেষ্টা কৰিছে। তেওঁলোকে আৰু কৈছে যে এনে ঘটনাৰ লগত জড়িত লোকৰ সংখ্যা অতি নগণ্য ইত্যাদি। এই সকলোখিনি বক্তব্যৰ লক্ষ্য হ'ল অসমৰ অ-মুছলমান সম্প্ৰদায়ৰ লোকসকল, উদ্দেশ্য হ'ল তেওঁলোকক আশ্বস্ত কৰাৰ যে অসমৰ গৰিষ্ঠসংখ্যক মুছলমানেই এনে কাৰ্যক সমৰ্থন নকৰে। তাৰ উত্তৰত মই দুটা কথা ক'ব খোঁজো। প্ৰথমটো হ'ল যে কোনো সুস্থ মগজুৰ অ-মুছলমানে এই কু-কাৰ্যৰ কাৰণে সমগ্ৰ মুছলমান সম্প্ৰদায়টোক জগৰীয়া কৰা নাই আৰু তেওঁলোকেও কাৰোৰে ওচৰত জবাবদিহি হোৱাৰ কোনো প্ৰয়োজন নাই। প্ৰধান মন্ত্ৰী মোদীয়ে ক'বৰ দৰে আমি মনে-প্ৰাণে বিশ্বাস কৰোঁ যে অসমীয়া মুছলমানসকলে কেতিয়াও এনে দেশবিৰোধী কামত সহযোগিতা নকৰে। দ্বিতীয়তে, মোৰ দৰে ধৰ্মজ্ঞানহীন, বাইবেল, কোৰান, গুৰু গ্ৰন্থ চাহিব নাইবা হিন্দু ধৰ্মশাস্ত্ৰ কোনো এখনৰে সম্যক জ্ঞান নথকা এজনেও এই কথা ক'ব পাৰোঁ যে কোনো ধৰ্ম-গ্ৰন্থই কেতিয়াও অহিতকাৰী, অসামাজিক কাৰ্যত লিপ্ত হ'বলৈ প্ৰৰোচিত নকৰে। সমস্যা

হ'ল যে সন্ত্ৰাসবাদীসকলেও একেই পবিত্ৰ কোৰানৰ দোহাই দি নিজৰ দুষ্কৃতিৰ সপক্ষে যুক্তি দাঙি ধৰে। গতিকে আমাৰ দৃষ্টি হ'ব লাগে অন্তৰ্মুখী, মুছলমানসকলৰ প্ৰশ্নৰ লক্ষ্য হ'ব লাগিব নিজৰ সম্প্ৰদায়ৰ লোক। কিয় আজি অসমৰ মুছলমান সম্প্ৰদায় ইমান অস্থিৰ, অশান্ত আৰু আৱেগ প্ৰৱণ? কি অনিশ্চয়তাৰ বতাহ বলিছে তেওঁলোকৰ শৰীৰেদি যে তেওঁলোকে নিজকে অসুৰক্ষিত বুলি অনুভৱ কৰে? ই নিশ্চয় এদিনৰ কথা নহয়। ইয়াৰ সদুত্তৰ দিব পাৰিব কেৱল অসমীয়া মুছলমানসকলে। তেতিয়াহে সমস্যাৰ মৌলিক সমাধান সম্ভৱ হ'ব।

অসমীয়া মুছলমানৰ কাৰণে এনে এটা অতি স্পৰ্শকাতৰ বিষয় হ'ল বাংলাদেশী অনুপ্ৰৱেশ। ইয়াৰ বিৰোধিতা কৰা মানেই মুছলমান সম্প্ৰদায়টোকেই নিন্দা কৰা বুলি তেওঁলোকৰ ধাৰণা। এই কথা সত্য নহয়। উন্মুক্ত অসম-বাংলাদেশ সীমান্তৰ সুবিধা লৈ বহু কু-প্ৰকৃতিৰ লোকে অনেক বছৰ ধৰি অসমত অবাধে বিচৰণ কৰি ফুৰিছে। তাৰ ফলাফল ইতিমধ্যেই প্ৰকট হৈ পৰিছে নিম্নগামী সামাজিক আচৰণত, নিয়ন্ত্ৰণাতীত 'ল' এণ্ড অৰ্ডাৰ' পৰিস্থিতিত আৰু শেহতীয়াকৈ উদঘাটিত আল-কাইদাৰ ঘাটিত। অনিয়ন্ত্ৰিত আৰু অবৈধ অনুপ্ৰৱেশ কোনো দেশৰ কাৰণেই গ্ৰহণযোগ্য নহয়। জাতি-ধৰ্ম নিৰ্বিশেষে আমি আটায়ে ইয়াৰ বিৰুদ্ধে মাত মতা উচিত। সমস্বৰে। ◆

ফোন ঃ ৯৪৩৫১০৯১৫৮

## দীৰ্ঘ জীৱনৰ বাবে ....

- সময়মতে খোৱাৰ অভ্যাস কৰক। ভোক লগাৰ পৰত নাখালে পাচক ৰসে পাকস্থলীৰ ক্ষতি সাধন কৰে।
- ভুৰি ভোজন পৰিহাৰ কৰক। দেহত খাদ্য ৰাহি হ'লে মেদত পৰিণত হয় আৰু ওজন বাঢ়ে।
- খাওঁতে খৰখেদা নকৰিব। লাহে লাহে চোবাই খালে খাদ্য সহজে জীন যায়, ভুৰি ভোজনতো বাধা পৰে।
- প্ৰচুৰ পানী খাওঁক। ই বহুতো বেমাৰ দুৰ কৰে।
- সদায় বিশুদ্ধ পানীহে ব্যৱহাৰ কৰিব, লেতেৰা পানীয়ে বহুতো বেমাৰ বিয়পায়।
- শাক-পাচলি, ফল-মূল নিয়মিতভাৱে খালে দেহ নিৰোগী হৈ থাকে। এই অভ্যাসে শৌচ খোলোচা কৰি কোষ্ঠকাঠিন্যক চিৰবিদায় দিয়ে।
- খাদ্যপ্ৰাণ সমৃদ্ধ আহাৰ খাওঁক, ই বহুতো ৰোগ দূৰ কৰি দেহ নিৰোগী কৰি ৰাখে।
- সদায় সময়মতে শৌচ কৰাৰ অভ্যাস কৰক। ইয়াক ৰোধ কৰিবলৈ কেতিয়াও চেষ্টা নকৰিব।

# দুখন জগতৰ কাহিনী

ছাঈদুল ইছলাম

সাম্প্ৰতিক বিশ্বই সন্মুখীন হোৱা জটিল সমস্যাসমূহৰ ভিতৰত আটাইতকৈ ভয়ংকৰ আৰু নিৰ্মম হৈছে সন্ত্ৰাসবাদৰ সমস্যা। দেশ, ভাষা, ধৰ্ম আদিৰ সীমা অতিক্ৰম কৰি আজি এই সমস্যাই ব্যাপক ৰূপ ধাৰণ কৰিছে। পৃথিৱীৰ অনুন্নত আৰু দুখীয়া দেশবোৰৰ নিৰপৰাধী নাগৰিক আৰু ঘাইকৈ মহিলা, শিশু, শ্ৰমজীৱী সাধাৰণ লোক সন্ত্ৰাসবাদৰ বলি হ'বলগীয়া হৈছে। সন্ত্ৰাসবাদৰ সবাতোকৈ ক্ষতিকৰ পৰিণতি হৈছে মানুহৰ মাজৰ সম্প্ৰীতি, বিশ্বাস আৰু আস্থাৰ ভিত্তিৰ ওপৰত হোৱা আঘাত। আজিৰ মানুহে সন্মুখীন হোৱা এনে আতংকময় পৰিৱেশৰ বিষয়ে সতৰ্ক কৰি প্ৰায় পোন্ধৰশ বছৰৰ পূৰ্বে হজৰত মহম্মদ (দঃ) কৈছিল ঃ 'মহাপ্ৰলয় কাষ চাপি আহিবৰ সময়ত অযথা হত্যা সাধাৰণ কথা হ'ব; হত্যাকাৰীয়ে কাক হত্যা কৰিছে গম নাপাব আৰু হত্যাৰ বলি হোৱাজনে তেওঁক কিয় আৰু কোনে হত্যা কৰিছে, তাৰ উৱাদিহ নাপাব।'

অলপতে পশ্চিম বংগত তথাকথিত জেহাদী কাৰ্যকলাপ আৰু সেইবোৰৰ সৈতে অসমৰ কোনো কোনো অঞ্চলৰ মুছলমান লোকৰ সম্পৰ্কৰ বাতৰিয়ে অসমৰ মানুহক বিচলিত আৰু উত্তেজিত কৰিছে। মুক্ত, নিৰপেক্ষ, গভীৰ আৰু খৰতকীয়া অনুসন্ধানেহে ৰাইজৰ সন্মুখত প্ৰকৃত ছবিখন তুলি ধৰিব। কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে এই অতিশয় স্পৰ্শকাতৰ বিষয়টোৰ সন্দৰ্ভত অলপ অলপকৈ খুচুৰা তথা বিতৰণ কৰাৰ সলনি তথ্যভিত্তিক নিৰ্ভুল তথ্যৰ সৈতে নাগৰিকক অংশীদাৰ কৰি অসমৰ পৰা সন্ত্ৰাসবাদ নিৰ্মূল কৰাত ৰাইজৰ সমৰ্থন আৰু সহযোগিতা নিশ্চিত কৰাৰ ব্যৱস্থা লোৱা উচিত। সেয়ে নহ'লে দুৰ্যোগৰ অন্যায় সুবিধা আদায়ৰ সুৰুঙা বিচৰা স্বাৰ্থজড়িত শক্তিবোৰে চল পাব। চৰকাৰ আৰু ৰাইজে মনত ৰখা উচিত যে আস্থাহীনতা আৰু অবিশ্বাসৰ পৰিৱেশ সৃষ্টি হ'লে সমগ্ৰ অসমীয়া সমাজৰ ক্ষতি হ'ব। চৰকাৰে নানাধৰণৰ ৰাজনৈতিক বাধ্যবাধকতা আৰু স্বাৰ্থৰ আৱৰ্তৰ মাজত কাম কৰে। ৰাইজে কিন্তু ইচ্ছা কৰিলেই মুক্ত চিন্তা আৰু 'সৰ্বজনসুখায়' মনোবৃত্তিৰে সিদ্ধান্ত ল'ব পাৰে। এগৰাকী সমাজবিজ্ঞানীৰ মতে, দেশবাসীৰ আকাংক্ষা আৰু প্ৰগতিৰ প্ৰৱণতাই মুখ্য বিবেচ্য বিষয় আৰু দেশৰ জনসাধাৰণেই হ'ল ইতিহাসৰ প্ৰকৃত নিয়ামক। দেশবাসীৰ উৎকৃষ্ট আত্মাসমূহৰ অভিপ্ৰায় অনুসৰিয়েই দেশৰ ইতিহাস চলে, আনৰ হস্তক্ষেপত সেই যাত্ৰা বিঘ্নিত হ'লেও শেষলৈ সি নদীৰ সোঁতৰ দৰে আঁকাই-পকাই অনিবাৰ্যভাৱে সকলো বাধা অতিক্ৰমি আগবাঢ়ি যাব। অসমৰ ক্ষেত্ৰত সেই উৎকৃষ্ট আত্মাসমূহ'ৰ মাজত হোমেন বৰগোহাঞি নিশ্চিতভাৱে অন্যতম। ১৩ নৱেম্বৰ সংখ্যাৰ 'আমাৰ অসম'ত প্ৰকাশিত তেওঁৰ 'প্ৰথম কলম'ত দিয়া সকীয়নি অসমবাসীয়ে অনুধাৱন কৰিলে ৰাজ্যখনৰ মংগল হ'ব আৰু অসমৰ ইতিহাসে নতুন গতি পাব।

জেহাদ, মৌলবাদ নাইবা সন্ত্ৰাসবাদ সৃষ্টিৰ উৎস আৰু ইতিহাস যোগ্যজনে ব্যাখ্যা কৰিব। আমাৰ

বিবেচনাত ধৰ্মীয়, ৰাজনৈতিক, আদৰ্শগত আৰু আন কাৰকৰ উপৰি আমাৰ মাজতে দুখন জগতৰ লোক বাস কৰাৰ বাবেও কিছুমান পৰিহাৰ সম্ভৱ সমস্যাই জন্ম ল'বলৈ সুবিধা পায়। ধনীৰ জগত আৰু দুখীয়াৰ জগতৰ মাজৰ ব্যৱধান নাশ কৰিবৰ উদ্দেশ্যেই জন্ম হোৱা সাম্যবাদৰ আদৰ্শ পুঁজিবাদ আৰু ন্যস্তস্বাৰ্থৰ প্ৰচণ্ড আক্ৰমণত তিষ্ঠিব নোৱাৰিলে। মূলতঃ এই দুখন জগতৰ মাজত থকা পাৰ্থক্যৰ বাবেই দেশে দেশে সংগ্ৰাম আৰু সংঘাতৰ প্ৰচেষ্টাই ভিন ভিন ৰূপ ধাৰণ কৰিবলৈ ল'লে। তাৰ লগতে ভৌগোলিক, সামাজিক, ভাষিক, ধৰ্মীয় আদি ব্যৱধানবোৰেও জনগোষ্ঠীসমূহৰ মাজত দূৰত্বৰ সৃষ্টি কৰে। চন্দ্ৰযান, মঙলযান, কম্পিউটাৰৰ ব্যৱহাৰ আদি বিজ্ঞান-প্ৰযুক্তিৰে বিকশিত ভাৰতবৰ্ষতে নাগৰিকৰ মাজত বৈজ্ঞানিক মানসিকতাৰ অনুপস্থিতিয়ে দুখন জগতৰ সৃষ্টি কৰিছে। ডাইনী হত্যাৰ দৰে নিৰ্মম ঘটনা এতিয়াও আমাৰ অসমতে পূৰ্ণ শক্তিৰে চলি আছে। শান্তি, সম্প্ৰীতি আৰু ঐক্যৰ প্ৰতীকস্বৰূপ নামঘৰৰ পৱিত্ৰ স্থানত সৰ্বভাৰতীয় স্তৰত পদকপ্ৰাপ্ত মহিলা খেলুৱৈ ডাইনী অপবাদত নামঘৰীয়াৰ হাততে লাঞ্ছিত হোৱাৰ বাতৰি আমাৰ অপৰিচিত এখন জগতৰ নহয় জানো?

মূলসুঁতিৰ মানুহৰ অৱহেলা, ৰাজনৈতিক স্বাৰ্থৰ প্ৰশ্ৰয় আৰু স্বাৰ্থজড়িত মৌলবাদী মানসিকতাৰ প্ৰণালীবদ্ধ আক্ৰমণত ভাৰতবৰ্ষৰ মুছলিম সমাজৰ মাজতো দুখন জগতৰ সৃষ্টি হৈছে। দেশ বিভাজনৰ পৰৱৰ্তী সময়খিনিত সংঘটিত বেদনাদায়ক কালছোৱাত হিন্দু আৰু মুছলিমৰ মাজত সম্পৰ্কৰ ব্যৱধান হ'ল। আস্থাহীনতা আৰু সন্দেহৰ কুঁৱলীয়ে দুয়োটা সম্প্ৰদায়ৰে একাংশ লোকক আচ্ছন্ন কৰিলে। বহুদিনলৈকে মুছলমানসকলে শামুকৰ খোলাত লুকাই থাকি হা-হুমুনিয়াহ কাঢ়ি হতাশাৰ আৱৰ্তত সোমাই থাকিল। দেশ নিৰ্মাণৰ যি মহাযজ্ঞ আৰম্ভ হ'ল তাত সক্ৰিয় অংশগ্ৰহণ কৰিবলৈ ওলাই আহিবৰ বাবে সম্প্ৰদায়টোৰ মাজৰ পৰা প্ৰকৃত নেতৃত্ব সৃষ্টি নহ'ল। ফলত 'আমাৰ' আৰু 'তেওঁলোক'ৰ মানসিকতাৰ সৃষ্টি হ'ল। এই পৰিস্থিতিৰ সুযোগ লৈ পিছৰ ফালে গোষ্ঠীগত ৰাজনৈতিক দলৰ জন্ম হ'ল। সামাজিক ক্ষেত্ৰৰ যি দুখন জগত আছিল, তাৰ লগত ৰাজনৈতিক ক্ষেত্ৰতো পৃথক জগতৰ সৃষ্টি হ'ল।

জামাতুল মুজাহিদীন বাংলাদেশৰ সৈতে নামনি অসম আৰু বৰাক উপত্যকাৰ মুছলমান যুৱক-যুৱতীৰ সম্পৰ্কৰ সন্দেহ যদি উপযুক্ত অনুসন্ধানৰ পিছত সত্য বুলি প্ৰতিষ্ঠিত হয়, তেন্তে সি এই কথাকে প্ৰতিপন্ন কৰিব যে বাংলাদেশৰ শ্বেখ হাছিনা চৰকাৰৰ বিৰুদ্ধে অবিৰতভাৱে চক্ৰান্ত কৰি থকা বাংলাদেশৰ এটা ৰাজনৈতিক মতাদৰ্শৰ লোকৰ সৈতে অসমৰ এইবোৰ পথভ্ৰষ্ট লোকৰ অনৈতিক সম্বন্ধ আছে। ই নিঃসন্দেহে এটা ভয়ানক পৰিস্থিতিৰ ইংগিত দিব। তেনে এটা পৰিস্থিতি সৃষ্টিৰ পৰিৱেশ চৰকাৰ আৰু সচেতন ৰাইজৰ অলক্ষিতে চলি থকা কথাৰ প্ৰমাণিত হ'লে এই কথাও প্ৰতীয়মান হ'ব যে মূলসুঁতিৰ পৰা নিলগত এখন অপৰিচিত জগত সৃষ্টি হৈছে, যিখনৰ সৈতে আমাৰ কোনো সম্পৰ্ক নাই। বাংলাদেশ আৰু অসমৰ মাজৰ সীমান্ত নিশ্ছিদ্ৰ নোহোৱাৰ বাবে অনুপ্ৰৱেশ সম্ভৱ হ'ব পাৰে আৰু তাৰ বাবে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰ দায়ী। সেই বুলি অসমৰ ভিতৰতে কিছু অঞ্চলত এনেধৰণৰ ৰাষ্ট্ৰবিৰোধী কাৰ্যকলাপ চলি থকাৰ কথা এতিয়াহে আৰক্ষী বিভাগৰ দৃষ্টিগোচৰ হোৱা কথাই আৰক্ষীৰ দক্ষতাৰ কথা নুসূচায়। বিশেষ বিশেষ অঞ্চলৰ আন্তঃগাঁথনিৰ দুৰ্বলতাই কেনে ক্ষতিকৰ পৰিস্থিতি সৃষ্টি কৰিব পাৰে, সেয়া এইবোৰ দুৰ্ভাগ্যজনক ঘটনাৰ পৰাই পৰিষ্কাৰ হয়। 'সংখ্যালঘু তোষণ', 'ভোট বেংক' আদি আপবাদৰ পৰিণাম ইমান ভয়ানক হ'ব পাৰে বুলি ৰাজনৈতিক দলবোৰে এতিয়া বুজা উচিত। অনুন্নত অঞ্চলবোৰৰ দ্ৰুত বিকাশে আমাৰ অদেখা জগতখনৰ সৈতে আমাৰ সম্পৰ্ক কল্যাণকৰ কৰিব বুলি শাসকসকলে সোনকালে উপলব্ধি কৰা উচিত। দীৰ্ঘদিনৰ বঞ্চনা, অৱহেলা আৰু অনগ্ৰসৰতাৰ পৰাই ক্ষোভ, হতাশা আৰু হিংসাৰ মানসিকতাৰ জন্ম পায়। ৰাজনৈতিক দলসমূহে বিশেষ বিশেষ প্ৰয়োজনৰ সময়ত মুছলমানৰ প্ৰতি সহানুভূতি প্ৰকাশ কৰাৰ স্বাৰ্থত নহয়, একোটা অঞ্চলৰ

সামগ্ৰিক উন্নয়নৰ স্বাৰ্থতে দূৰতিগম্য অনুন্নত অঞ্চলৰ বিকাশৰ বাবে যত্নপৰ হ'লেহে কল্যাণকৰ পৰিস্থিতি সৃষ্টি হ'ব।

চাহানুৰ আলম নামৰ অভিযুক্তজন হেনো বিধিগত শিক্ষাপ্ৰাপ্ত চিকিৎসক নহয়। তথাপি 'ডাক্তৰ বাবু' বুলি জনাজাত লোকজন যিখন সমাজত বাস কৰে, সেইখন কিমান অগ্ৰসৰ হ'ব পাৰে সেয়া সহজে অনুমেয়। টেলিভিছনৰ সংবাদদাতাৰ সন্মুখত তেওঁলোকে স্পষ্ট ভাষাৰে অঞ্চলটোৰ অনগ্ৰসৰতা আৰু তাৰ পৰা হ'ব পৰা অশুভ পৰিণামৰ কথা ক্ষোভেৰে ব্যক্ত কৰিছিল। এইসকল অসমীয়াভাষী লোকৰ মাজৰ পৰা পশ্চিম বংগৰ মাদ্ৰাছাত ইছলামীয় শিক্ষা গ্ৰহণ কৰিবৰ বাবে কিয় যাবলগীয়া হয়, তাৰ কাৰণ অসমত মাদ্ৰাছা শিক্ষাৰ ক্ষেত্ৰৰ সৈতে জড়িত ব্যক্তি আৰু অনুষ্ঠানে জানেনে? অসমৰ কোনোবা মাদ্ৰাছাত সন্ত্ৰাসবাদী কাৰ্যকলাপৰ প্ৰশিক্ষণৰ ব্যৱস্থা আছে নে নাই আমি নাজানো। কিন্তু এই কথা নিশ্চিভাৱে জানো যে মুষ্টিমেয় ব্যতিক্ৰমৰ বাহিৰে এইবোৰ মাদ্ৰাছাত প্ৰদান কৰা শিক্ষাই শিক্ষাৰ্থীসকলক আধুনিক বিশ্বত যোগ্য আৰু মৰ্যাদাপূৰ্ণ স্থান লাভৰ উপযোগী কৰাৰ সলনি আনৰ অনুগ্ৰহত জীৱন নিৰ্বাহ কৰিবলগীয়া পৰিস্থিতিলৈ আগবঢ়াই দিয়ে। এনে পৰিস্থিতিৰ পৰিৱৰ্তনৰ বাবে আৱেদন জনাই এই লেখকে এইখন কাকততে পাঁচ-ছয় বছৰমানৰ পূৰ্বে 'মাদ্ৰাছাসমূহৰ আধুনিকীকৰণ'ৰ শীৰ্ষক দুটা সংখ্যাত প্ৰকাশ পোৱা এটা প্ৰবন্ধ লিখিছিলো।

অসমৰ মুছলমানসকলে বৰ্তমানৰ পৰিস্থিতিত ভীতিগ্ৰস্ত হ'বৰ প্ৰয়োজন নাই। বাৰেৰহণীয়া অসমীয়া সমাজৰ গুৰুত্বপূৰ্ণ অংগ বুলি তেওঁলোক কাহানিবাই স্বীকৃত হৈছে। এতিয়া মাথো তেওঁলোক সজাগ আৰু সক্ৰিয় হ'বৰ সময় হৈছে। যিখন জগতৰ মুছলমানসকল এতিয়াও বৃহত্তৰ অসমীয়া সমাজৰ আস্থাভাজন হ'ব পৰা নাই, তেওঁলোকৰ সৈতে সৌহাৰ্দ্যপূৰ্ণ আৰু কল্যাণকৰ সম্পৰ্ক স্থাপনৰ দায়িত্ব মুছলমানসকলেই ল'ব লাগিব। সকলোকে আঁকোৱালি লোৱাটো অসমীয়া সমাজৰ পৰম্পৰা। এই পৰম্পৰা ৰক্ষা কৰা সকলো অসমীয়াৰে দায়িত্ব। এই দায়িত্বৰ পৰা মূৰ পোলোকা মাৰিলে ইতিহাসে মুছলমানসকলক ক্ষমা নকৰে।◆

ফোন ঃ ৯৪৩৫৩ ৫৪৯৭৪

## হৃদযন্ত্ৰৰ বাবে উপকাৰী - দিনত গ্ৰহণ কৰা নিদ্ৰা

হৃদযন্ত্ৰ যদি সুস্থ-সবল কৰি ৰাখিব বিচাৰিছে তেনেহ'লে প্ৰতিদিনে দুপৰীয়া কিছুসময় নিদ্ৰা গ্ৰহণৰ অভ্যাস গঢ়ি তোলক। এই পৰামৰ্শ আগবঢ়াইছে পেনচিলভেনিয়াৰ এলিঘেনি কলেজৰ গৱেষকে। এই বিষয়ত অধ্যয়ন চলাই ৰিয়ান বিণ্ডেল আৰু ছাৰা কংকলিন নামৰ গৱেষক দুগৰাকীয়ে প্ৰকাশ কৰা মতে, দিবা নিদ্ৰাই হৃদযন্ত্ৰৰ কাৰ্যদক্ষতা বৃদ্ধিত যথেষ্ট পৰিমাণে সহায় কৰে। দুপৰীয়া কিছুসময় নিদ্ৰা গ্ৰহণ কৰাৰ পাছত হৃদযন্ত্ৰৰ কাৰ্যক্ষমতা বহু পৰিমাণে উন্নত হোৱাৰ প্ৰমাণ লাভ কৰা হৈছে বুলি অধ্যয়নটো চলোৱা গৱেষক দুৰগৰাকীয়ে জানিবলৈ দিছে। দিনত কমেও ৪৫ মিনিট সময় নিদ্ৰা গ্ৰহণ কৰা ব্যক্তিসকলৰ ক্ষেত্ৰত ৰক্তচাপ আৰু মানসিক হেঁচাৰ পৰিমাণ যথেষ্ট কম হোৱাৰ প্ৰমাণ লাভ কৰা বুলি অধ্যয়নটোত প্ৰকাশ। অত্যধিক কৰ্মব্যস্ততা, নিদ্ৰাৰ অভাৱ, মানসিক অস্থিৰতা, মানসিক হেঁচা, ইণ্টাৰনেটৰ বহুল ব্যৱহাৰ আদিকাৰকে মানুহৰ হৃদযন্ত্ৰৰ কাৰ্যকলাপক নেতিবাচক বাৱে প্ৰভাৱিত কৰিছে বুলি মন্তব্য কৰি গৱেষক দুগৰাকীয়ে কয় যে দিবা নিদ্ৰা গ্ৰহণ কৰিলে মস্তিষ্ক আৰু হৃদযন্ত্ৰই কিছুসময় জিৰণি লাভ কৰে আৰু ইয়াৰ অধিক সুফল লাভ কৰে হৃদযন্ত্ৰই।

দৈনিক অগ্ৰদূতৰ সৌজন্যত

# 'জিহাদ' শব্দটোৰ অপ-প্ৰয়োগ হৈছে নেকি?

**চন্দ্ৰকান্ত দাস**

কেইসপ্তাহমানৰ পৰা অসমৰ বিভিন্ন সংবাদ মাধ্যমত 'জিহাদ' আৰু 'আল-কাইদা' আদি সম্বন্ধে যথেষ্ট বাতৰি আৰু আলোচনা আদি প্ৰকাশ পাই আছে। সম্প্ৰতি ছিৰিয়া আৰু ইৰাক আদি দেশত 'আইছিছ' নামৰ 'আল-কাইদা'ৰ মতাদৰ্শৰে প্ৰভাৱান্বিত অতি উগ্ৰপন্থী আৰু নৃশংস গোট এটাৰ দ্বাৰা গঠিত বীভৎস হত্যাকাণ্ড, বলপূৰ্বক ধৰ্মান্তকৰণ আৰু মহিলাক জোৰকৈ বিয়া কৰোৱা আদি কাৰ্য কিছুমানে বিশ্বৰ সভ্য সমাজক সচকিত কৰি তোলাই নহয়, হতভম্বও কৰি পেলাইছে। এনে গোটটোৰ ঘোষিত লক্ষ্য হ'ল পশ্চিম এছিয়া, উত্তৰ আফ্ৰিকা আৰু মধ্য পশ্চিম আফ্ৰিকাক এখন ইছলামিক বা মুছলমান ৰাষ্ট্ৰৰূপে গঢ়ি তোলা। আজিৰ দিনত তেনে পৰিকল্পনা বাস্তৱত পৰিণত কৰা সম্ভৱ নহয় যদিও বাতৰি মতে 'আইছিছ' বাহিনীত এতিয়া ইৰাক, ছিৰিয়া আদি দেশৰ চুন্নী মুছলমানৰ উপৰি ইউৰোপ আৰু উত্তৰ আফ্ৰিকাৰ কিছুমান দেশৰ লোকেও যুদ্ধ কৰি আহিছে। বাতৰি মতে কিছুমান মহিলা বেলেগ কিছুমান দেশৰ পৰা আহিছে আইছিছ বাহিনীৰ নিজৰ জীৱন যুদ্ধ কৰি উৎসৰ্গা কৰি দিব বিচৰা যুঁজাৰুবোৰক বিয়া কৰাবলৈ। কি শক্তিয়ে, কাৰ প্ৰৰোচনাত হঠাতে পশ্চিম এছিয়াৰ একাংশত এনে এক ভয়াৱহ অৱস্থাৰ সৃষ্টি কৰিছে তাক তৎক্ষণাৎ স্পষ্টকৈ কোৱা টান। এই বিষয়ে ইতিমধ্যে বিভিন্নজনে বিভিন্ন ব্যাখ্যা আগবঢ়াইছে।

'আইছিছ'ৰ যুঁজাৰুবোৰক শুদ্ধ বা অশুদ্ধকৈ বহুতে জিহাদী বুলি কোৱা দেখা গৈছে। আচলতে এই জিহাদীসকল বা জিহাদনো কি, সেই বিষয়ে আমাৰ অ'ৰ-ত'ৰ পৰা সংগ্ৰহ কৰা কথা কিছু ক'ব খুজিছো। অক্সফ'ৰ্ড এডভাঞ্চড লাৰ্নাছ ডিক্সনেৰীৰ মতে জিহাদ শব্দৰ অৰ্থ হ'ল (ইছলাম) এজন লোকে নিজকে ধৰ্মীয় আৰু নৈতিক বিধানসমূহ ভংগ নকৰিবলৈ নিজৰ বিৰুদ্ধে কৰা সংগ্ৰাম। একেখন অভিধান মতে, জিহাদ শব্দটোৰ আন এটা অৰ্থ হ'ল নিজ ধৰ্ম ৰক্ষাৰ অৰ্থে মুছলমানসকলে কৰা যুদ্ধ। জিহাদত অংশগ্ৰহণ কৰাসকলক জিহাদী বুলি কোৱা হয়। ওপৰত উল্লেখ কৰা কথাবোৰৰ পৰা দেখা যায় যে বৰ্তমান ছিৰিয়া আৰু ইৰাকৰ কিছুমান অঞ্চলত যি ক্ষিপ্ৰ আৰু নৃশংসতাৰে আইছিছ বাহিনীয়ে তেওঁলোকৰ মতৰ লগত একমত নোহোৱা লোকবোৰক ধ্বংস কৰাত লাগি গৈছে, তাৰ সাদৃশ্য আছে। ইছলাম ধৰ্ম প্ৰৱৰ্তনৰ সময়ৰ পৰা আৰম্ভ কৰি খুব কম সময়ৰ ভিতৰতে দক্ষিণ স্পেইন আৰু পশ্চিম উত্তৰ আফ্ৰিকাৰ পৰা আৰম্ভ কৰি ইৰানপৰ্যন্ত সমগ্ৰ অঞ্চল ইছলাম ধৰ্মাৱলম্বী লোকৰ অধীন কৰা ঘটনাৰ লগতে ইছলাম ধৰ্মৰ প্ৰৱৰ্তকজনে নিজেও ২৭ টা ডাঙৰ আক্ৰমণ আৰু ৮৫ টা সৰু আৰু মজলীয়া আক্ৰমণ সংঘটিত কৰিছিল। এনে আক্ৰমণত লুট কৰি বহু সামগ্ৰী আহৰণ কৰিব পৰা কাৰণে এনে আক্ৰমণবোৰ বৰ লোভনীয় আছিল। (পৃষ্ঠা ৩২১ ঃ ফাউণ্ডেশ্বনছ অৱ ইছলামঃ বেঞ্জামিন ৱাকাৰ ঃ ৰূপা এণ্ড কোঃ ২০০৪)। এনে আক্ৰমণবোৰ স্বাভাৱিকতে প্ৰধানকৈ হৈছিল খ্ৰীষ্টিয়ান, ইহুদী আৰু দেৱ-দেৱী পূজা আদি কৰা লোকসকলৰ বিৰুদ্ধে। নিজ ধৰ্মৰ প্ৰসাৰ আৰু ৰক্ষাৰ বাবে

কৰা এনে আক্ৰমণ আৰু যুদ্ধবোৰকে সাধাৰণ অৰ্থত জিহাদ বুলি জনা গৈছিল। অসমীয়া ভাষাত ইয়াক ধৰ্মযুদ্ধ বুলি ক'ব পাৰি। খ্ৰীষ্টিয়ানসকলে এহাজাৰমান বছৰ আগতে জেৰুজালেমকে ধৰি খ্ৰীষ্টিয়ানসকলৰ তীৰ্থস্থানবোৰ মুছলমানৰ পৰা ৰক্ষা উদ্ধাৰ কৰাৰ বাবে যি যুদ্ধ কৰিছিল তাকো ধৰ্মযুদ্ধ বা ক্ৰুছেদ বুলি কোৱা হৈছিল। ক্ৰুছেদৰ কিছুমান যুদ্ধত আৰু তাৰ পিছত ক্ৰুছেদাৰসকলেও ঠায়ে ঠায়ে অত্যাধিক হিংসা আৰু নৃশংসতা দেখুৱাইছিল। তেনে সময়তে কিন্তু ক্ৰুছেদৰ বিশ্ববিখ্যাত মুছলমান সেনানায়ক ছালাডিন নিষ্ঠুৰ নাছিল। ছালাডিন এজন কুৰ্দ আছিল। এতিয়া ছিৰিয়া আৰু ইৰাকৰ কিছুমান ঠাইত এই কুৰ্দসকলেই অতি বিক্ৰমেৰে আইছিছ বাহিনীক বাধা দিবলৈ সক্ষম হৈছে। এই কথাটোৱে এটা সত্যকে প্ৰতিষ্ঠা কৰে যে মুছলমান আৰু জিহাদী একে নহয়। বাতৰিত প্ৰকাশ পোৱা মতে, চুন্নী সম্প্ৰদায়ৰ ৱাহাবি মতাদৰ্শ মনা একাংশহে জিহাদী কাৰ্য-কলাপৰ প্ৰতি আকৃষ্ট।

নিজ ধৰ্মৰ প্ৰতি বিপদ বা ভাবুকি উপস্থিত হ'লে তাক প্ৰতিহত কৰাটো সকলো ধাৰ্মিক লোকৰে কৰ্তব্য। অৱশ্যে কাপুৰুষসকলে বিভিন্ন যুক্তি প্ৰদৰ্শন কৰি তেনে প্ৰতিৰোধী যুদ্ধত অংশগ্ৰহণ নকৰিব পাৰে। নিজ ধৰ্ম আক্ৰান্ত হ'লে তাক ৰক্ষা কৰাৰ অৰ্থে ধৰ্মযুদ্ধ, জিহাদ বা ক্ৰুছেদৰ আশ্ৰয় ল'বই লাগিব। কিন্তু ধৰ্মযুদ্ধ বা জিহাদৰ নামত আন অঞ্চল বা দেশ আক্ৰমণ কৰা, ধন-সোণ, মাটি-বাৰী কাঢ়ি লোৱা, নৃশংসভাৱে পৰাজিতসকলক হত্যা কৰা আৰু মহিলাসকলক অত্যাচাৰ কৰাটো কোনোপধ্যে গ্ৰহণযোগ্য হ'ব নোৱাৰে, আৰু কোনো ধৰ্মই আজিৰ যুগত তাক সমৰ্থন কৰিব নোৱাৰে। এনে নৃশংস ঘটনা বা হত্যা দেখিও যেতিয়া একাংশ লোকে গৰিহণা নিদিয়ে আৰু মনে মনে থাকে, তেতিয়া আন লোকসকলে ভাবিবলৈ বাধ্য হয় যে মনে মনে থকাসকলে প্ৰকাৰান্তৰে এই নৃশংস ঘটনাসমূহক সমৰ্থন জনাইছে। এনে পৰিস্থিতি হ'লেই সময়ত যিকোনো ঠাইতে আৰু যিকোনো সময়তে ভয়ানক ঘটনা হ'ব পাৰে। ইছলাম ধৰ্ম প্ৰৱৰ্তনৰ পৰা কেইবাশ বছৰলৈ বহু মুছলমান লোক এনে ভাবৰ দ্বাৰা প্ৰৰোচিত হৈছিল যে তৰোৱালৰ দ্বাৰা সকলো ঠাইতে সকলো লোককে ইছলাম ধৰ্মাৱলম্বী কৰি ল'ব লাগে। চৌধ্য বা পোন্ধৰশ বছৰ আগতে একাংশ লোকৰ মাজত তেনে এক মনোভাব থকাটো একো আচৰিত নহয়। কিন্তু আজিৰ যুগত আন ধৰ্মৰ লোকৰ কথা বাদেই, মুছলমানসকলৰে অধিকাংশই তেনে ভাবক প্ৰশ্ৰয় নিদিয়ে। কাৰণ, আজিৰ মানুহে বিচাৰে শান্তিৰে কাম কৰি ল'ৰা-ছোৱালীক শিক্ষা দি, প্ৰাৰ্থনা কৰি এটা সুস্থিৰ জীৱন যাপন কৰিবলৈ। কিন্তু দুখ আৰু আশ্চৰ্যৰ বিষয় এই যে সমগ্ৰ বিশ্বকে এক ধৰ্মৰ ভিতৰত অন্তৰ্ভুক্ত কৰিব খোজা অবাস্তৱ আকাংক্ষা এতিয়াও কিছুমান লোকৰ মনৰ পৰা যোৱা নাই। এনেধৰণৰ মনোভাৱৰ কাৰণেই নিশ্চয় আজি পৃথিৱীৰ বহু ঠাইত ইছলাম ধৰ্মাৱলম্বী লোকৰ ইহুদী, খ্ৰীষ্টিয়ান, হিন্দু আৰু বৌদ্ধ ধৰ্মাৱলম্বী লোকৰ লগত সংঘাতৰ সৃষ্টি হৈছে। এনে সংঘাতৰ ফলত সাধাৰণ মুছলমান লোকৰ কি লাভ বা লোকচান হৈছে, তাক বিচাৰ কৰি চোৱা অতি প্ৰয়োজন। পশ্চিম এছিয়াৰ দুই-তিনিখন অতি ধনী দেশে নিজ দেশত তেওঁলোকৰ ৰাজপৰিয়ালৰ শাসন চিৰস্থায়ী কৰাৰ অৰ্থে জিহাদীসকলক বিশ্বৰ যিকোনো ঠাইতে সহায় কৰি মুছলমান সমাজৰ ৰক্ষাকৰ্তাৰূপে নিজকে প্ৰতিষ্ঠা কৰাৰ চেষ্টা চলাই থকা বুলি অভিযোগ আজি নতুন নহয়। এনেদৰে অনাৱশ্যক যুদ্ধ আদি হৈ থাকিলে অস্ত্ৰ নিৰ্মাণকাৰী চোৰাং কাৰবাৰী স্থানীয় 'সামন্ত প্ৰভু' আদিৰ বহু লাভ হয়। ধ্বংস হৈ যায় সাধাৰণ জনগণ।

পশ্চিমীয়া দেশ আৰু জীৱন যাপনৰ মুক্ত সমাজ ব্যৱস্থা, মহিলাৰ স্বাধীনতা, মদ-ভাঙৰ ব্যাপক প্ৰচলন আদিয়েও গোড়া মুছলমানসকলৰ একাংশক শংকিত কৰি তোলাটো একো আচৰিত নহয়। নিজৰ মানুহক পশ্চিমীয়া জীৱনধাৰাৰ কু-প্ৰভাৱৰ পৰা ৰক্ষা কৰিবলৈ এনে গোড়া মুছলমান কিছুমানে নিজে নজনাকৈয়ে হয়তো কিছুমান

জিহাদী যেন দেখা কার্যকলাপত সমৰ্থন বা উদগনি যোগাব পাৰে। এনেবোৰ সমৰ্থন বা উদগনি বেছি হয় যেতিয়া কোনো দেশৰ শাসন ব্যৱস্থা দুষ্ট, ধুৰন্ধৰ আৰু দুৰ্বল মানুহৰ হাতত থাকে। ৰাছিয়াই চেচনীয়া আৰু দাগেস্থানত মুছলমান উগ্ৰপন্থীসকলক প্ৰায় নোহোৱা কৰি দিছে। চীনেও চিনকিয়াং প্ৰদেশত উইঘাৰ উগ্ৰপন্থীসকলক নিয়ন্ত্ৰণ কৰি ৰাখিছে।

দৰিদ্ৰতা, শোষণ, অন্ধবিশ্বাস, শিক্ষাৰ অভাৱ আদিয়ে জিহাদী মনোভাব আজিৰ যুগত কিছুমান লোকৰ মাজত সৃষ্টি নকৰে বুলি ক'ব নোৱাৰি। জিহাদত মৃত্যুবৰণ কৰিলে স্বৰ্গলৈ যায় বোলা বিশ্বাসটোৱে আজিও দেখা যায় একাংশ জিহাদীক অনুপ্ৰেৰণা যোগায়। আজি বিজ্ঞানৰ যুগত স্বৰ্গত বিশ্বাস কৰা কথাটোৱে শিক্ষাৰ অভাৱৰ কথা বুজায় নে আন কিবা বুজায়? এইবোৰৰ বিষয়ে ৰাইজৰ মাজত বিতং আলোচনা হোৱা উচিত।

জিহাদী মনোভাব আৰু কাৰ্য-কলাপ আজি পৃথিৱীৰ বহু ঠাইত বিয়পি পৰিছে। অসমত অলপতে 'আল-কাইদা'ৰ লোককেইজনমান ধৰা পৰা কাৰণে অসমৰ সাধাৰণ জনগণ জিহাদ আৰু আল-কাইদা সম্বন্ধে অধিক সচেতন হোৱাটো একো আচৰিত কথা নহয়। প্ৰতিটো ক্ৰিয়াৰে এটা প্ৰতিক্ৰিয়া থাকে। এইটো প্ৰাকৃতিক বিধান, যাক বাস্তৱ ক্ষেত্ৰত প্ৰমাণ কৰি দেখুৱাব পাৰি। অসমত জিহাদী কাৰ্য-কলাপৰ গুৰি কিমান শকত আৰু গভীৰ; আৰু অসমত কিমান জিহাদী আছে, সেই বিষয়ে চৰকাৰৰ কোনো বিশ্বাসযোগ্য বা বিতং তথ্য নাই যেন লাগে। পশ্চিম বংগৰ বৰ্ধমানত ঘটা বিস্ফোৰণৰ তদন্তৰ ফলতহে ধৰা পৰে যে অসমতো আল-কাইদাৰ লোক আছে।

ইছলাম শব্দৰ অৰ্থ হ'ল শান্তি। কোনো জ্ঞানী মুছলমানে বিনা কাৰণত অশান্তি কৰিবলৈ নিবিচাৰে। গতিকে অসমত এতিয়া অতি প্ৰয়োজন হৈছে হিন্দু-মুছলমান সকলোৱে একগোট হৈ জিহাদী, আল-কাইদা আদি অসমত যদি আছে, সেইবোৰ ধৰা পেলোৱাত চৰকাৰক সহায় কৰা। অসমৰ অধিকাংশ হিন্দু আৰু মুছলমান ইতিমধ্যে দৰিদ্ৰতা, অনগ্ৰসৰতা, কৰ্মসংস্থাপনৰ অভাৱ, দুৰ্নীতি, অপৰাধ, হাৰাশাস্তি, বান-খহনীয়া আদিৰ দ্বাৰা জুৰুলা হৈ পৰিছে। আমাক আৰু নতুন সমস্যা একো নালাগে। আমি বিচাৰো চৰকাৰ এই বিষয়ত অতি স্পষ্ট, তৎপৰ আৰু শক্তিশালী হোৱাটো। অন্যথা চৰকাৰৰ জিহাদী সম্বন্ধে ইচ্ছাকৃত বা অনিচ্ছাকৃত আওকাণীয়া মনোভাবে সময়ত ভয়ানক অঘটন ঘটাব পাৰে।

বহুতৰ মতে জিহাদ হ'ল এটা নৈতিক জীৱন যাপন কৰাৰ বাবে আৰু আধ্যাত্মিক দিশত উত্তৰোত্তৰ উৎকৰ্য সাধনৰ কাৰণে এজন ব্যক্তিয়ে অহৰ্নিশে নিজৰ ভিতৰতে কৰি যোৱা দ্বন্দ্ব। এনে জিহাদ আমাৰ সকলোৰে বাবে আদৰণীয়। সেই কাৰণে অসমৰ পণ্ডিতসকলে 'জিহাদ' 'কিটাল' (Quital combat) আদি শব্দবোৰৰ প্ৰকৃত অৰ্থ আজিৰ যুগতনো কি, সেইটো সকলোৱে বুজি পোৱাকৈ লিখিলে ৰাইজ বৰ উপকৃত হ'ব। অজ্ঞতাই ভয়, অন্ধবিশ্বাস আদি বঢ়ায়। সেই কাৰণে অজ্ঞতাৰ বিৰুদ্ধে যুদ্ধ কৰাটোৱে আমাৰ সকলোৰে কৰ্তব্য হোৱা উচিত।◆

ফোন ঃ ৯৪৩৫৫ ৫৫৬২৭

*যি দেশে, যি জাতিয়ে মহিলাক সন্মান নকৰে, সেই দেশ বা জাতি কেতিয়াও মহান হ'ব নোৱাৰে আৰু ভৱিষ্যতেও হ'ব নোৱাৰে*

স্বামী বিবেকানন্দ

# জিহাদ ঃ কিছু চিন্তা

কমৰুজ্জামান আহমদ

সম্প্ৰতি ৰাজ্যৰ সংবাদ জগতৰ লগতে দেশৰ ৰাজনীতিত তোলপাৰ লগোৱা এটা শব্দ 'জিহাদ' (শুদ্ধ উচ্চাৰণ 'জিহাদ', প্ৰচলিত উচ্চাৰণ 'জেহাদ' নহয়)। প্ৰায় সকলো শ্ৰেণীৰ লোকে (সাংবাদিক, সাধাৰণ নাগৰিক, ৰাজনীতিক) এই বিষয়ত নানা মাধ্যমত মত প্ৰকাশ কৰিছে। কিন্তু 'জিহাদ'ৰ যি মৌলিক ধাৰণা সেয়া সেই মতামতসমূহত স্পষ্ট হোৱা নাই। আমাৰ ধাৰণা হয়— নানা কাৰণত 'সন্ত্ৰাসবাদ' আৰু 'জিহাদ' একাকাৰ হৈ পৰিছে। কোনো 'সন্ত্ৰাসবাদ' 'জিহাদ' নহয় আৰু হ'ব নোৱাৰে। ইয়াৰ বাবে তথাকথিত 'জিহাদী' সকলো দায়ী। কাৰণ বৰ্তমান 'জিহাদী' সকলৰ কাৰ্যকলাপে মানুহক 'জিহাদ'ৰ প্ৰকৃত অৰ্থৰ ক্ষেত্ৰত বিভ্ৰান্ত কৰে।

আৰবী 'জিহাদ' শব্দটোৰ মূল হ'ল 'জহদ'। তাৰ অৰ্থ হ'ল— কঠোৰ পৰিশ্ৰম কৰা, যৎপৰোনাস্তি চেষ্টা কৰা, 'জিহাদ'ৰ বুৎপত্তিগত অৰ্থ সেয়ে এজনৰ চৰম সামৰ্থ্যৰে কিবা এটা কামৰ কাৰণে সৰ্বশক্তি প্ৰয়োগ কৰি প্ৰচেষ্টা চলোৱা। কোৰানৰ প্ৰামাণিক অভিধান প্ৰণেতা ইমাম ৰাগিব আস্পাহানীৰ মতে 'জিহাদ' তিনিপ্ৰকাৰৰ— (১) শত্ৰুৰ বিৰুদ্ধে আত্মৰক্ষাৰ বাবে যুদ্ধ কৰা (২) চয়তানৰ বিৰুদ্ধে যুঁজ কৰা আৰু (৩) নিজৰ লোভ আৰু স্বাৰ্থৰ বিৰুদ্ধে যুঁজ কৰা।

প্ৰাক ইছলামীয় যুগত আৰৱ সমাজত যুদ্ধ-বিগ্ৰহ দৈনন্দিন ঘটনা আছিল। সেই সময়ৰ আৰব সমাজ আজিৰ দৰে এক সু-সংঘবদ্ধ গণতান্ত্ৰিক সমাজ নাছিল। সেয়া পৰিচালিত হৈছিল জনগোষ্ঠীয় পৰম্পৰা আৰু নীতি-নিয়মেৰে, যেনেকৈ সেই নীতি-নিয়ম আজিৰ যুগত প্ৰযোজ্য নহয়, ঠিক সেইদৰে আজিৰ নীতি-নিয়মৰ মাপকাঠীও সেই সময়ৰ বাবে প্ৰযোজ্য নহয়। সেই সময়ত কোনো সাৰ্বজনীন আইন নাছিল আৰু সকলো বিবাদ আন্তঃগোষ্ঠীয় যুঁজ নতুবা জনজাতীয় নিয়ম বা পৰম্পৰাৰ সহায়ত সমাধান কৰা হৈছিল।

সেই সময়ৰ তেনে এটা জনজাতীয় নিয়ম-পৰম্পৰাৰ বাতাৱৰণ ইছলামৰ বাবে গ্ৰহণযোগ্য নাছিল। সেয়ে সেইবোৰৰ সৰহভাগ ইছলামে প্ৰত্যাখ্যান কৰিলেও পৰিস্থিতিৰ প্ৰয়োজনত তাৰ কিছু আচাৰ-ব্যৱহাৰ ইছলামৰ সমাজত ৰৈ গ'ল। তথাপি ইছলামে অনেক উৎকৃষ্ট আৰ্হি আৰু নৈতিক মান প্ৰৱৰ্তন কৰিলে। কিছুমান মুছলমানৰ লগতে কিছু অনা-মুছলমানেও কোৰান হাদীছৰ সততা আওকাণ কৰি 'জিহাদ'ক ঐতিহাসিক পটভূমিৰ পৰা আঁতৰ কৰি বিচাৰ কৰে। ফলত 'জিহাদ'ৰ ইছলামিক মূলতত্ত্ব ভুল বুজি তাক অবিশ্বাসীসকলৰ বিৰুদ্ধে কৰা যুদ্ধ বুলি একমাত্ৰিক ব্যাখ্যা কৰে।

কোৰান আৰু হাদীছৰ প্ৰকৃত অধ্যয়নে এইটো পৰিষ্কাৰ কৰি দেখুৱায় যে 'জিহাদ'ৰ ধাৰণা হিংসা আৰু যুদ্ধ-বিগ্ৰহৰ বহু ওপৰত। মুছলমানৰ ইতিহাসত যদিও নানাকাৰণত যুদ্ধ-বিগ্ৰহৰ বৰ্ণনা পোৱা যায়, এই সকলোবোৰ 'জিহাদ' নহয়। তদুপৰি সাম্প্ৰতিক কালত 'জিহাদ'ক যিটো স্বৰূপত উপস্থাপন কৰা হয় সেয়াও

প্ৰকৃতাৰ্থত 'জিহাদ' নহয়। অবিশ্বাসীসকলৰ বিৰুদ্ধে যুদ্ধ কৰাটো ইছলামৰ এক অবিচ্ছেদ্য অংগ আৰু প্ৰত্যেক মুছলমানৰ যেন এয়া অৱশ্যে কৰ্তব্য বুলি যি ধাৰণা উপস্থাপন কৰাৰ চেষ্টা চলি আহিছে, সি সত্যৰ ওপৰত প্ৰতিষ্ঠিত নহয়। সাধাৰণতে 'জিহাদ'ক অতি সংকীৰ্ণ অৰ্থত ব্যৱহাৰ কৰি অহা হৈছে। কিন্তু ইয়াৰ অৰ্থ ব্যাপক আৰু বহুমাত্ৰিক। 'জিহাদ'ৰ এক সামাজিক আৰু নৈতিক দিশো আছে।

কোৰানত কৈছে ঃ 'আল্লাহৰ পথত পৰিশ্ৰম কৰা যেনেকৈ পৰিশ্ৰম কৰা উচিত। তেওঁ তোমালোকক বাছি লৈছে আৰু ধৰ্মত কোনো প্ৰকাৰৰ দীনতা কৰা নাই।' (কোৰান ২২ ঃ ৭৮) কোৰানে আৰু কৈছে— 'আল্লাহৰ পথত তোমাৰ জীৱন আৰু সম্পত্তিৰে কষ্ট কৰা, এয়া তোমালোকৰ কাৰণে মংগলজনক। যদি তোমালোকে জানিলাহেঁতেন।' (কোৰান ৯ ঃ ৪১)

এনেধৰণৰ বহু উক্তি কোৰানত আছে আৰু এইবোৰত 'জিহাদী' শব্দটো যুদ্ধৰ ভাবাৰ্থত ব্যৱহাৰ কৰা হোৱা নাই। বৰঞ্চ এয়া ব্যৱহাৰ কৰা হৈছে নিজৰ ধন-প্ৰাণ দি অহোপুৰুষাৰ্থ কৰাৰ ভাবত। মক্কাত প্ৰথম অৱস্থাত মুছলমানসকল অত্যাচাৰৰ সন্মুখীন হৈছিল। তৎসত্ত্বেও তেওঁলোক আল্লাহৰ পথৰ পৰা বিচলিত নহৈ নিজৰ জীৱন আৰু ধন-সম্পত্তি খৰচ কৰি নিজ বিশ্বাসত অটল থাকিবলৈ অহোপুৰুষাৰ্থ কৰিছিল। কিছুমানে ব্যক্তিগতভাৱে কষ্ট ভোগ কৰিছিল আৰু কিছুসংখ্যকে নিজৰ সকলো ধন-সম্পত্তি ব্যয় কৰি সকলোকে সহায় কৰিছিল। এয়া কষ্টভোগ আৰু অহোপুৰুষাৰ্থ আছিল। এয়া প্ৰকৃত 'জিহাদ', কোৰানত কতো 'জিহাদ'ক যুদ্ধৰ অৰ্থত বা প্ৰতিশোধ হিচাপে ব্যৱহাৰ কৰা হোৱা নাই। প্ৰতিশোধৰ কাৰণে 'জিহাদ'ৰ সংজ্ঞা ব্যৱহাৰ কৰাৰ অৰ্থ হ'ল ব্যক্তিগত ন্যস্ত স্বাৰ্থৰ কাৰণে ইয়াৰ অৰ্থ বিকৃত কৰা।

সশস্ত্ৰ সংগ্ৰামেই 'জিহাদ' নহয়, ই নানাপ্ৰকাৰে হ'ব পাৰে। গণ তান্ত্ৰিক উপায়সমূহ, বৌদ্ধিক আন্দোলন আদি 'জিহাদ'ৰ আহিলা হ'ব পাৰে। কোৰানে বাৰে বাৰে সকীয়াই দিছে— 'মংগলৰ প্ৰসাৰ কৰা আৰু বেয়াৰ বিৰুদ্ধে সংগ্ৰাম কৰা।' পৃথিৱীত অনেক অত্যাচাৰ, অবিচাৰ, নিষ্পেষণ, ভোক, ব্যাধি, দাৰিদ্ৰ্য, জীৱিকাহীনতা আদি আছে। এইবোৰৰ বিৰুদ্ধে কৰা সকলো কাম 'জিহাদ'ৰ শাৰীত পৰে। যিসকলে নিজৰ ধন-সম্পত্তিৰে দুখীয়া-দুৰ্দশাগ্ৰস্ত লোকক সহায় কৰে বা আনৰ পৰা বৈধ উপায়েৰে দান-বৰঙণি সংগ্ৰহ কৰি দুৰ্বল শ্ৰেণীক সহায় কৰে, তেওঁলোক 'জিহাদ' কৰোতা (মুজাহীদ) সকলৰ শাৰীত পৰে। আজিৰ যুগৰ পৰা উদাহৰণ দিবলৈ হ'লে মালালা, সত্যাৰ্থী, ইদহী, মাদাৰ টেৰেছা আদিৰ কামৰ লগতে 'কৰুণাধাৰা' আৰু বিভিন্ন দাতব্য অনুষ্ঠান আদিৰ জনহিতকৰ কাৰ্যকলাপ 'জিহাদ'ৰ শাৰীত পৰে। কোৰানত যেতিয়া যুঁজ কৰাৰ অনুমতি দিয়া হৈছিল, সেয়া দিয়া হৈছিল শত্ৰুৰ বিৰুদ্ধে আত্মৰক্ষাৰ কাৰণে আৰু বৃদ্ধ, মহিলা, ল'ৰা-ছোৱালী আদিৰ দৰে দুৰ্বল লোকসকলৰ অধিকাৰ ৰক্ষাৰ কাৰণে, কোনো আগ্ৰাসন বা আক্ৰমণৰ কাৰণে নহয়। আন দেশ জয় কৰাৰ মানসেৰে কৰা যুঁজ বা এখন সাৰ্বভৌম ৰাষ্ট্ৰৰ বিৰুদ্ধে কিছুমান মানুহে গোট খাই কৰা সশস্ত্ৰ সংগ্ৰাম 'জিহাদ' নহয়, ৰাষ্ট্ৰদ্ৰোহীসকলক 'জিহাদী' আখ্যা দিব নোৱাৰি। মুছলমান পণ্ডিত আৰু আইনজ্ঞসকলে পৃথিৱীখন দুভাগত বৰ্ণনা কৰিছিল 'দাৰুল ইছলাম' আৰু 'দাৰুল হাৰব।' মুছলমান সংখ্যাগুৰু দেশবোৰক দাৰুল ইছলাম কোৱা হৈছিল। যিবোৰ দেশত মুছলমানসকলৰ ধৰ্মীয় স্বাধীনতা নাছিল আৰু তেওঁলোকৰ ওপৰত অত্যাচাৰ কৰা হৈছিল সেইবোৰ দেশক 'দাৰুল হাৰব' বোলা হৈছিল। সেইবোৰ ঠাইত মুছলমানসকলে নিজ ধৰ্মীয় স্বাধীনতা আৰু আত্মৰক্ষাৰ কাৰণে যুঁজ কৰিবলগীয়া হৈছিল। সেয়া 'জিহাদ'। পিছলৈ হানাফী আইনজ্ঞসকলে এক তৃতীয় বিভাগ সৃষ্টি কৰে। সেয়া হ'ল 'দাৰুল আমান' অৰ্থাৎ শান্তিৰ দেশ। যিবোৰ দেশত মুছলমানসকল সংখ্যালঘু হ'লেও শান্তিৰে বাস কৰিব পাৰে আৰু তেওঁলোক

তেওঁলোকৰ ধৰ্মৰ কাৰণে অত্যাচাৰৰ সন্মুখীন নহয় সেইবোৰ দেশকে 'দাৰুল আমান' বোলা হয়। ইছলামৰ আইনজ্ঞসকলে ভাৰতক সদায়েই 'দাৰুল আমান'ৰ শাৰীত ঠাই দি আহিছে আৰু ভাৰত এখন বহু ভাষিক, বহুধাৰ্মিক সমাজৰ দেশ আছিল আৰু এতিয়াও আছে।

আজিৰ গণতন্ত্ৰৰ যুগত মুছলমানসকল ক'ৰবাত অত্যাচাৰৰ সন্মুখীন হ'লেও তাৰ সমাধান গণতান্ত্ৰিক উপায়েৰে হ'ব লাগিব। সশস্ত্ৰ সংগ্ৰাম বা নিৰপৰাধীৰ তেজেৰে নহয়। সন্ত্ৰাসবাদ য'ত নিৰপৰাধী লোকৰ প্ৰাণহানি হয় তাক কেতিয়াও কোৰানত উল্লেখিত 'জিহাদ'ৰ শ্ৰেণীভুক্ত কৰিব নোৱাৰি।

কোৰানৰ মৌলিক নিৰ্দেশৰ মতে স্বাৰ্থপৰ কাৰণত যেনে— আন দেশ জয় কৰা বা নিজ গোষ্ঠীয় ক্ষমতা বা স্বৈৰতন্ত্ৰ ৰক্ষা কৰাৰ কাৰণে 'জিহাদ' কৰা নাযায়। 'জিহাদ' হয় ন্যায়ৰ বাবে আৰু অত্যাচাৰৰ বিৰুদ্ধে আৰু সেয়া সশস্ত্ৰ সংগ্ৰাম নহ'বও পাৰে।

বৰ্তমান যুগত প্ৰকৃত 'জিহাদ' হ'ব গণতান্ত্ৰিকভাৱে আৰু গণতান্ত্ৰিক অনুষ্ঠানসমূহৰ যোগেদি সাম্প্ৰদায়িক সমন্বয় ৰক্ষা কৰি শান্তি আৰু সামাজিক ন্যায়ৰ কাৰণে কৰা আন্দোলন।

আমাৰ ধাৰণা হয় বৰ্তমানে ঘটি থকা ঘটনাৱলী কোনো অপশক্তিৰ সাম্প্ৰদায়িক মেৰুকৰণৰ ষড়যন্ত্ৰমূলক প্ৰচেষ্টা। এই প্ৰচেষ্টা সফল হ'বলৈ দিব নোৱাৰি আৰু আমি আশা কৰো অচিৰেই দেশৰ শাসনযন্ত্ৰই এইসকল লোকক চিনাক্ত আৰু কৰায়ত্ত কৰি এই ষড়যন্ত্ৰক মূলতে বিনাশ কৰে যেন।◆

ফোন ঃ ৯৮৬৪০৪০০১৮

- নিশ্চয় আল্লাহে সু-বিচাৰ আৰু সৎকৰ্ম্ম কৰিবলৈ আৰু আত্মীয় স্বজনক দান দিবলৈ নিৰ্দেশ দিছে, অশ্লীলতা, দুষ্কাৰ্য আৰু বিদ্ৰোহাচৰণ কৰিবলৈ নিষেধ কৰিছে।

  কোৰাণ ঃ ১৬ঃ ৯০)

- হজৰত মহম্মদ (ছঃ) সমগ্ৰ বিশ্ববাসীৰ কল্যাণৰ হকেহে প্ৰেৰিত । আলকোৰাণত কোৱা হৈছে, আৰু (হে নবী) আমিয়ে তোমাক প্ৰেৰণ কৰিছো সেয়া জগতবাসীৰ কাৰণে আমাৰ এটি কৰুণা।

- কথা কমকৈ কবা, কাম বেছিকৈ কৰিবা। আনক উপদেশ কমকৈ দিবা। সজলোকৰ উপদেশ বেছিকৈ শুনিবা, তোমাৰ জীৱন সফল হ'ব।

  চক্ৰেটিছ

# অসমীয়া মুছলমান সমাজ আৰু বিহু

ৰাজিদুৰ ৰহমান

দ্বাদশ শতিকাৰ আৰম্ভণিতে অসমভূমিলৈ যুঁজাৰুৰ বেশত আগমন ঘটা মুছলমানসকল ষোল্ল শতিকাৰ সময়লৈ অসমীয়া হিন্দু সমাজত এনেদৰে জাহ গৈছিল যে বিদেশী পৰ্যটক সম্প্ৰদায়টোৰ একো উৱাদিহ উলিয়াব নোৱাৰা হৈছিল। এই সকল মুছলমান স্থানীয় বাসিন্দাসকলৰ লগত মিলি-জুলি থাকি ইছলামিক ৰীতি-নীতি সকলো পাহৰি পেলাইছিল। এওঁলোকে নামাজ, ৰোজা দূৰৰ কথা ইছলামনো কি বস্তু তাকো পাহৰি পেলাইছিল। এই সৰ্ম্পকে মোগল সেনাপতি মিৰজুমলাৰ লগত অহা চাহাবুদ্দিন তালিছ নামে এজন পৰ্যটকে লিখি থৈ গৈছে 'যিসকল মুছলমান যুদ্ধবন্দী হিচাপে ইয়াতে থাকি গৈছিল আৰু বিয়া-বাৰু কৰা হৈছিল তেওঁলোকৰ সন্তান সন্ততিৰিও সকলে স্থানীয় অসমীয়া সমাজ খনৰ সৈতে এনেদৰে মিলি গৈছে যে কেৱল নামটোৰ বাদে তেওঁলোকৰ ক্ষেত্ৰত ইছলামৰ একো পৰিচয় নাই। (এডৱাৰ্ড গেইটৰ A History of Assam)

প্ৰসিদ্ধ কথা-সাহিত্যিক, অসমীয়া সাহিত্যৰ ভোটা তৰা চৈয়দ আব্দুল মালিকৰ 'মই অসমীয়া' কবিতাটোৱে সম্প্ৰদায়টোৰ ইতিহাসৰ একে কথাকে সুন্দৰভাৱে কৈছে—

'অসমত বন্দী হ'ল অসমৰ ৰূপমুগ্ধ
দূৰৰ মোগল আহি হ'ল অসমীয়া
আহোম আমাৰ ৰজা, সেইদিন ধৰি
মোৰ দেশ এই কামৰূপ
সেইদিন ধৰি মই অসমৰ অসমীয়া
জলি ইয়াতে শেষ হয় জীৱনৰ ধূপ
অসমৰ হকে যুঁজি, অসমৰ হকে মৰো
ধৰ্ম মোৰ, জাতি মোৰ, অসমীয়া প্ৰাণৰ আপোন'

অসমীয়া মাত-কথালৈ ইয়াতে ঘৰপাতি অসমীয়া সংস্কৃতিক সাৱটি লোৱা মুছলমান সকলে স্বাভাৱিকতে ক্ৰমে উলাহত গা এৰি দিলে বুলি অনুমান কৰিব পাৰি। এক পুৰুষমানৰ আগলৈকে মুছলমান মুনিহ সকলে চোলা-চুৰিয়া পিন্ধা আৰু মহিলাসকলে বৰহমথুৰি পিন্ধা আমি সকলোৱে দেখিছো। আমাৰ গাঁও নাহৰণিত (দেৰগাঁও) কিছুদিন আগলৈকে বিহুত হিন্দু-মুছলমান



ভেদে যুৱক-যুৱতী সকলে অংশ গ্ৰহণ কৰা দেখিছো। জিকিৰ সম্ৰাট ৰেকিবুদ্দিন আহমেদৰ মুখত শুনিছিলো কেনেদৰে ককাক-দেউতাকহঁতে আন্তৰিকতাৰে বিহু অনুষ্ঠানত অংশ লৈছিল। তেওঁ নিজে যেনেদৰে ফুল কোঁৱৰৰ গীত, মণি কোঁৱৰৰ গীত আৰু বিহু গীত পৰিৱেশন কৰিছিল তাৰ পৰাই অনুমান কৰিব পাৰি কেনে এক মুক্ত সাংস্কৃতিক পৰিৱেশত তেওঁলোক ডাঙৰ-দীঘল হৈছিল। আব্দুল মালিকৰ 'সূৰুযমুখীৰ স্বপ্ন'ত এনে এখন অসমীয়া মুছলমান গাঁৱৰ ছবিকে আমি প্ৰত্যক্ষ কৰো।

বিহু অসমীয়াৰ জাতীয় উৎসৱ বুলি যথাৰ্থতে কোৱা হয়। যেতিয়াই প্ৰকৃতিত বসন্ত ঋতুৰ বা লাগে, ধৰণী সেউজী হবলৈ আৰম্ভ কৰে, কুলি-কেতেকীৰ মইনা মাতে মন আকুল কৰে তেতিয়াই জাতি-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে সকলোৰে বাবে আহে বিহু। অসমীয়া মুছলমান সমাজেও ৰঙালী বিহুৰ শুভাগমনত নতুন গামোছা লগাবলৈ নাপাহৰে। তাঁতৰ শিপিনীৰ মন উত্ৰাৱল কৰে। গৰু বিহুত গৰুক নদীলৈ নি গা-ধুওৱা, মাখিলতি পাত, জেতুকা বিচাৰি যোৱা, বৰা চাউল, দৈ, গুৰ সংগ্ৰহ কৰা আৰু সৰ্ব্বোপৰি বৰ্ত্তমান সময়ত বিহু সন্মিলন, মঞ্চ বিহুৰ বাবে ব্যস্ত হৈ পৰা দেখা যায়।

বুৰঞ্জীবিদ বেণুধৰ শৰ্মাই লিখিছিল ৰংঘৰৰ বাকৰিত ছৈফুল্লা নামৰ পাহুৱাল ডেকাজনৰ ঢোলৰ ছেৱে নাচনীক মতলীয়া কৰিছিল। ৰঙালী বিহুৰ বতৰত কোনোবা ফৰিংফুটা নিশাৰ ঢুলীয়াৰ মাজত প্ৰতিযোগিতা চলিছিল। কোনযোৱা ঢুলীয়া নাচনী আটাইতকৈ বেছি সময় ঢোলত চেও দি, বিহু নাচি থাকিব পাৰে। আৰু শৰ্মাদেৱে উল্লেখ কৰিছিল সেই প্ৰতিযোগিতাত মুছলমান ঢুলীয়া ছৈফুল্লাৰ কোনোবা সুন্দৰী হিন্দু নাচনীক তিনিদিন তিনিৰাতিলৈ নচুৱাই শেষত পলুৱাই নিছিল। সেয়া তেতিয়া এক পৰম্পৰাৰ দৰে আছিল। বিহু নামেও তেনে কথা কয়। বহাগতে পাতি যাম বিয়া/পলুৱাই নিলেহে পুৰুষ বুলি ভাবিম, তোৰ জানো সাহস ফেৰা আছে?/

আকৌ আজি ৰাতি ভাগি যাম ঐ
তোমাৰ লগত থাকি যাম ঐ
বহলাই পাৰিবা দেই পাটী
চন্দ্ৰকো কৈ সুৰুযক ঐ
মিনতি এ কৰি যাম ঐ
দেৰিকৈ পুৱাই যেন ৰাতি।

এনে অনেক মন উতনুৱা কৰা অপূৰ্ব বিহু নামৰ সুৰত তাহানিৰে পৰা হিন্দু-মুছলমানে অনেক স্থানত বিহুত নিজা নিজা ভূমিকা লৈ আহিছে। যোৰহাটৰ ফালে এনেধৰণৰ প্ৰথা এসময়ত আছিল যে গাঁওখনত থকা জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সকলো যুৱকে বছৰি হুচৰি মাৰিবলৈ গাঁৱৰ পৰা বাহিৰলৈ কেইবাদিনৰ কাৰণে ওলাই যাব লাগিব। এয়া আছিল ধৰা-বন্ধা কথা। এনেকুৱা এটা যুৱদলৰ নেতৃত্ব লোৱা ডেকা এজনৰ সৈতে কথা পাতি মই সঁচাকৈয়ে অভিভূত হৈ পৰিছিলো। মোৰ পৰিয়ালৰো অনেকে চোলা চুৰীয়া পিন্ধি ককালত টঙালি বান্ধি, ডিঙিত ৰুমাল লৈ বিহু মৰা দেখিছো। আমি নিজেও বিদ্যালয়ত পঢ়া দিনৰে পৰা বিহু /হুচৰিত অংশলৈ আহিছো। বিশ্ববিদ্যালয়ত হুচৰি দলৰ সৈতে নচাৰ অভিজ্ঞতাৰ ডুখৰীয়া ছবি এতিয়াও মনলৈ আহে। মনলৈ আহে সেই বিহুনাম —

'বৰঘৰৰ মূধতে ভঁৰালৰ টুপতে
চৰাই ফুটেকলা পায়,
মোৰ যে মনতে পৰে ঘনে ঘনে
তোৰ জানো মনতে নাই।'

আনহাতে কোন অসমীয়া মুছলমান পৰিয়ালত আপুনি ৰঙালীতে হওক বা ভোগালীতে হওক তিল পিঠা, সুতুলি পিঠা, ঘিলা পিঠা, চুঙা পিঠা আদি সুস্বাদু অসমীয়া খাদ্য সম্ভাৰ প্ৰস্তুত কৰিব নজনা অকাজী তিৰোতা পাব? প্ৰায় সকলো পৰিয়ালতে পুহ মাহত নখোৱা, বাৰীৰ লাগতীয়াল গছত ধানখেৰেৰে বন্ধা, আনকি



মেজি প্ৰজ্বলনতো অংশ গ্ৰহণ কৰাৰো উদাহৰণ আছে। গৰু বিহুৰ দিনাখন গোহালিৰ গৰুৰ বাবে দীঘলতী, মাখিয়তী পাত, নতুন পঘা লগোৱা হালধি মাটি-মাহ সানি গৰুক লাও বেঙেনা খাবলৈ দিয়াৰ পৰম্পৰা গাঁৱৰ প্ৰতিঘৰ অসমীয়া মুছলমানে সামাজিক ৰীতি হিচাপে পালন কৰে বুলিলে বঢ়াই কোৱা নহব।

আমাৰ আটাইতকৈ গুৰুত্বপূৰ্ণ লোক উৎসৱ বিহু প্ৰকৃতপক্ষে এক সমন্বয়ৰো উৎসৱ। আটাইকেইটা বিহুৰ লোকাচাৰ সমূহ, কৃষি কৰ্মৰ লগত জড়িত বিষয়বোৰ আৰু বিশেষকৈ ৰঙালী বিহুৰ ক্ষণত জড়িত সকলো ৰীতি-নীতি, গীত-মাত, ঢোল-পেঁপা, গগনা, লৌকিক আচাৰ পদ্ধতি মাত্ৰ এটা জনগোষ্ঠীৰেই নহয়, অসমৰ ভিন ভিন জনগোষ্ঠীয় উপাদানৰ সমষ্টি।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে বৃহত্তৰ অসমীয়া জাতি গঠনৰ ভিত্তি স্থাপন কৰি থৈ যোৱাৰ পাছত সপ্তদশ শতিকাত সুখ্যাত ইছলাম ধৰ্মৰ চুফী সাধক আজান ফকীৰৰ প্ৰচেষ্টাত অসমৰ মাটিত লীন হবলৈ ধৰা মুছলমান সকল সামাজিক সাংস্কৃতিক আৰু আধ্যাত্মিক ভাবেও মূল সুঁতিত একাত্ম হৈ পৰিছিল। সেই সময়লৈ অসমৰ মুছলমান সকলৰ সামাজিক, ৰাজনৈতিক অৱস্থান এনে স্তৰলৈ উন্নীত হৈছিল যে তেওঁলোক অসমৰ আনসকল বাসিন্দাৰ দৰেই অসম নিৰ্মাণ আৰু অসমক মাতৃৰূপে গ্ৰহণ কৰি সামাজিক দায়-দায়িত্বও গ্ৰহণ কৰিছিল। তেওঁলোকে ৰজাঘৰীয়া সন্মানীয় আসনো লাভ কৰিছিল। খনিকৰ, চিত্ৰকৰৰ পৰা সেনাপতি আদি পদবীও পাইছিল।

‘দেহে-প্ৰাণে অসমীয়া’ অসমীয়া মুছলমান সমাজখনে সদায় সমন্বয়, প্ৰীতি-সংহতিৰ পক্ষত থাকি বৃহত্তৰ অসমীয়া সমাজ গঠনত বিভিন্ন দিশৰ পৰা মূল্যবান বৰঙণি আগবঢ়াই আহিছে। সুদীৰ্ঘ দিনৰ ঐতিহ্যই তাকেই প্ৰমাণ কৰে। ◆

ফোন ঃ ৯৪৩৫৫২৬৯৬১

- সেইজন মুছলমান নহয়, যিজনৰ দ্বাৰা প্ৰতিবেশী নিৰাপদ নহয়।

  \- আল হাদিছ

- কেৱল জ্ঞান আৰু সাহসী মানুহেহে নিজৰ ভুলটো স্বীকাৰ কৰিব পাৰে ।

  বেঞ্জামিন ফ্ৰেঙ্কলিন

- তুমি বিচৰা যে সকলো মানুহেই তোমাক বিশ্বাস কৰক, কিন্তু তাৰ আগতে তুমি জানিব লাগিব তুমি নিজকে বিশ্বাস কৰা নে ?

  বেঞ্জামিন ফ্ৰেঙ্কলিন

# অসমীয়া মুছলমান সমাজৰ কইনাৰ সাজপাৰ সম্বন্ধীয় কিছু কথা

দেবিৰা চুলতানা আহমদ

অসমীয়া মুছলমান সমাজত কইনাই পিন্ধা কাপোৰ আৰু গহনাৰ কিছু সুকীয়া বৈশিষ্ট্য আজি প্ৰায় ৪০/৫০ বছৰ আগলৈকে প্ৰচলিত আছিল।

কইনাই পৰিধান কৰা সেই সাজপাৰযোৰ অসমীয়া শিপিনীয়ে শালত বোৱা বন কৰা পাটৰ মেখেলাা আৰু ৰিহা আছিল। এই দুপদ বস্তুৰ বাহিৰে ওপৰৰ চাদৰখন অসমৰ বাহিৰৰ পৰা আমদানী কৰা পাট বা কোমল মলমল কাপোৰৰ ওপৰত গুণাৰে বন কৰা আছিল। বহুত সময়ত মাক-আইতাকহঁতে নিজ হাতে বৈ কাপোৰ সাজ তৈয়াৰ কৰিছিল। পৰিয়ালৰ সকলো কইনাই এগৰাকীৰ পাছত আন গৰাকীয়ে এই সাজ কাপোৰ পিন্ধিছিল।

সাধাৰণতে উজনিৰ চৈয়দ সকলৰ মহিলাসকল 'ধোৱা পাটৰ' কাপোৰ বোৱাত অতি পাৰ্গত আছিল। তেখেত সকলে 'কেপিয়া (কেপেয়া) বাটি' কৰাৰ পদ্ধতি ব্যৱহাৰ কৰা বাবে তেখেতসকলে বোৱা পাটৰ কাপোৰ বৰ মিহি হৈছিল। অন্য কিছু অনা-চৈয়দ মুছলমান মহিলাও বৰ নিপুণ শিপিনী আছিল। তাৰ এক উদাহৰণ হ'ল পুৰণি গুদামৰ প্ৰয়াত মুঞ্চি ৰহমত আলিৰ পত্নী। তেখেতে নিজ হাতে বৈ জীয়েক মফিদন নিছা (জোঁৱাই প্ৰয়াত বেৰিষ্টাৰ আব্দুল মজিদ)ৰ বিয়াত দিয়া পাটৰ বন কৰা কাপোৰ জোৰ লণ্ডনৰ ভিক্টোৰিয়া আৰু এলবাৰ্ট মিউজিয়ামত সংৰক্ষিত হৈ আছে বুলি শুনা যায়। মৰহুম মজিদ চাহাবৰ বিয়া আনুমানিক ১৮৯৩/৯৪ চনত হৈছিল, গতিকে কাপোযোৰ তাতোকৈও পুৰণি।

তাঁতত বোৱা কাপোৰৰ উপৰিও ৰঙীণ (সাধাৰণতে গুলপীয়া আৰু বেঙ্গুনীয়া ৰঙৰ) কোমল কপাহী



কাম কৰাটো এটা সুকুমাৰ কলা আছিল। কইনাই ওপৰত পিন্ধা চাদৰখন একে দৰেই 'কাৰচপী' বন কৰা বগা ৰঙৰ আছিল। কইনাই এনে আ পুৰুগীয়া সাজপাৰ পিন্ধা আমাৰ

জীৱদ্দশাতেই প্ৰত্যক্ষ কৰিছিলো। যোৰহাটত 'গুণাকটা বৰদলৈ' নামৰ এটা পৰিয়াল আছিল। পৰিয়ালটোৰ মহিলা সকল 'কাৰচপী' কামত সুনিপুণা আছিল। তাৰে এগৰাকী মহিলাই 'কাৰচপী' কামত পাৰদৰ্শিতাৰ বাবে কুৰি শতিকাৰ প্ৰথম দশকত তেতিয়াৰ প্ৰশাসনৰ পৰা এটা সোণৰ পদক পাইছিল।

সেইদৰেই অসমীয়া মুছলমান কইনাক সোণৰ গহনাৰেহে সজাইছিল। আগৰ দিনত ব্ৰহ্মপুত্ৰ উপত্যকাত কেইবাঘৰো সম্ভ্ৰান্ত পৰিয়ালত কইনা সজাবৰ বাবে সুকীয়া গহনা আছিল। এইবোৰ ঘৰত সাধাৰণতে জীয়ৰী-বোৱাৰীয়ে ব্যৱহাৰ নকৰিছিল। এই গহনা খিনি 'কইনা সজোৱা গহনা' বুলি আছুতীয়াকৈ ৰখা হৈছিল। নিজৰ পৰিয়ালৰ উপৰিও বিচাৰিলে চিনাকী দূৰৰ মানুহকো বিশ্বাসত এনে গহনা কইনা সজাবলৈ দিয়া হৈছিল। বিয়া ঘৰৰ পৰিয়ালৰ এজন 'মুৰব্বী' (মুখিয়াল) মানুহে গহনাখিনি বিয়াৰ দুই এদিনৰ পূৰ্ব্বে চমজি লৈ গৈছিল আৰু সেইদৰেই সুবিধা বুজি ১০/১৫ দিনৰ ভিতৰত ঘূৰাই দি গৈছিল। সেই সময়ত গাড়ীৰ সংখ্যা নগণ্য আছিল। আমাৰ মনত পৰাৰ সময়ত সেইবোৰ প্ৰায় বাচতেই অনা-নিয়া কৰিছিল। এটা সৰু বাকচত ৰঙা মাণিকেৰে ' বাখৰ পতোৱা' (মাণিক বা 'ৰুবী' ব্ৰহ্মদেশৰ পৰা আহিছিল) এজোৰ গাম খাৰু (১৪ পৰা ১৮ তোলা সোণৰ ওজনৰ) , ১০ টা নেজ লগা আঙঠি, কাৰোবাৰ এদাল কাৰোবাৰ দুদাল বা কাৰোবাৰ তিনিদাল মূৰত পিন্ধা চিৰপেচ' বা 'চিতিপতি' আৰু এখন ডিঙিত পিন্ধা সাধাৰণতে বাখৰ পতোৱা মণি আৰু প্ৰবাল মণিৰ লগত সৰু সোণৰ ঠেলা মণি দি গঠা বেনা বা এটা গেজেৰা, এদাল গলপতা আৰু সাতোটা বা নটা সৰু সৰু 'ঢোলবিৰি' বা সাতখন বা নখন দুগ্‌দুগীৰে গঠা সোণৰ এদাল তললৈ ওলমি পৰা মালা দিয়া হৈছিল। লগতে সৰু বাকচটোত গহনাৰ এখন তালিকাও আছিল। মাত্ৰ ইয়াত কাণৰ 'থুৰীয়া' নাছিল। ইতিমধ্যে হয়তো থুৰীয়া পিন্ধিব পৰা কাণৰ ফুটা থকা কইনা নোহোৱা হৈছিল সেয়ে কইনাই কাণত নিজৰ কাণফুল এজোৰকে পিন্ধিছিল। বৰ্ত্তমান



মহিলাই পিন্ধা 'লোকাপাৰ' যোৰ আহোমৰ ডা-ডাঙৰীয়াই পিন্ধিছিল বুলি শুনিছিলো। এযোৰ যোৰহাটৰ আবাদুল্লাহ উকীলৰ ঘৰত আছিল। সেইযোৰৰ আৰ্হিৰে যোৰহাটৰ প্ৰসিদ্ধ সোণাৰী প্ৰয়াত নগেন হাজৰিকাই পুনৰ গঢ়াৰ পাছত মহিলাৰ মাজত পুনৰ ইয়াৰ বহুল প্ৰচলন হয়। এই গহনা আৰু আন কিছু গহনাত 'মিনা'ৰ কামো কৰা হৈছিল। নিজৰ ঘৰত গহনা নথকা সকলৰ বেছিৰ ভাগ কইনাৰ ঘৰলৈ গহনাৰ মালিকনী গৰাকীয়ে নিজে আহি কইনা সজাইছিল আৰু বিয়াৰ পাছত নিজে গহনাখিনি চমজি লৈছিল। কিন্তু আমাৰ আইতাহঁতৰ যোৰহাটৰ বালিবাটৰ ঘৰৰ পৰা গহনাখিনি কাকজান, টিয়ক, তিতাবৰ আদিলৈ লৈ যোৱা মোৰ মনত আছে। সেই গহনা পিন্ধি কইনা হোৱাৰ কথা আজি কিছু বছৰৰ পূৰ্ব্বে কাকজানৰ জিয়ৰী চৈয়দবংশীয় চিৰাজী বাইতিয়ে কৈছিল। এনে ধৰণে আন পৰিয়ালেও গহনা বিশ্বাসত আন কাৰোবাক দিব পাৰে।

এই প্ৰথা বৰ্তমান প্ৰায় লুপ্ত প্ৰায়।

কইনাক কাপোৰ সাজ পিন্ধাই 'কল দিলীয়া' খোপা এটা বান্ধি দিয়া হৈছিল আৰু তাৰ পাছতেই গহনা খিনি পিন্ধোৱা হৈছিল। আজিৰ যুগত কইনাৰ চুলি চুটি হ'ল আৰু কলদিলীয়া খোপাও দেখা নোপোৱা হ'ল। পাহৰণি গৰ্ভত এয়া বিলীন হোৱাৰ আগতে মই এই কথাখিনি ধৰি ৰখাৰ চেষ্টা কৰিছো।◆

(ফোন ঃ ৯৭০৭০ ৮৩৭৮৮)

# তালাক

**হাচিবুৰ ৰহমান**

তালাক এটা ভয়ঙ্কৰ শব্দ। ইছলাম ধৰ্ম্মী মানুহৰ বাবে তালাক শব্দ উচ্ছাৰণ কৰাটো এটা গুণাহৰ কাম, এটা অপৰাধ, ঘৃণনীয় অপৰাধ। নিকাহে দুটা পৰিয়ালৰ মাজত একতাৰ বন্ধন আনে আৰু তালাকে এটা পৰিয়ালৰ বিচ্ছেদ ঘটাই, পৰিয়ালৰ অশান্তি আনে, ল'ৰা-ছোৱালীৰ বাবে ধ্বংস মাতি অনা হয়। তালাক ইছলাম ধৰ্ম্মী মানুহৰ মাজত এটা সমস্যাত পৰিণত হৈছে আৰু এই তালাকৰ বাবেই বহুতো পৰিয়াল ধ্বংস হৈ গৈছে। পুৰুষৰ মাজত তালাক দিয়াৰ প্ৰৱণতা যিদৰে বাঢ়িছে মহিলাৰ মাজতো তালাক লোৱাৰ প্ৰৱণতা দিনক দিনে বৃদ্ধি পাইছে। ইছলাম ধৰ্ম্মমতে এজন পুৰুষে বিবাহ বিচ্ছেদ ঘটাবৰ বাবে 'তালাক' শব্দৰ ব্যৱহাৰ কৰাৰ উপৰিও আইনৰ জৰিয়তেও বিবাহৰ সম্পৰ্ক শেষ কৰি দিব পাৰে ফাকশ্বৰ জৰিয়তে। তালাক আৰু ফাকশ্বৰ অৰ্থ একেই। তালাক শ্বৰীয়তী শব্দ আৰু 'ফাকশ্ব' আইনী শব্দ। ইয়াৰ ওপৰিও মহিলা সকলেও বৈবাহিক জীৱনৰ পৰা মুক্তি পাবলৈ 'খোলাৰ' জৰিয়তে বিবাহ বিচ্ছেদ কৰি স্বামীৰ পৰা মুক্তি পাব পাৰে। 'খোলা' হ'ল নাৰীৰ অধিকাৰ আৰু বিবাহৰ দিনা বা বিবাহৰ পাছতো স্বামী আৰু স্ত্ৰীৰ মাজৰ দ্বিপাক্ষিক চুক্তিৰ জৰিয়তে পত্নীয়ে সেই অধিকাৰ লাভ কৰে। পুৰুষ আৰু মহিলাই যুটীয়াভাৱে নিজৰ বিবাহ বিচ্ছেদ কৰাকে মোকাৰা বুলিও কোৱা হয়। আইন আৰু আদালতৰ জৰিয়তেও 'Dissolution Muslim Marriage Act 1939' মতে এখন বিবাহ বিচ্ছেদ ঘটাব পৰা যায়। আল্লাহক ভয় কৰা আৰু কোৰাণক ভয় কৰি নিকাহৰ মাজেৰে এখন সুখৰ সংসাৰৰ পাতনি মেলা কোনো পুৰুষ বা মহিলাই বিবাহ বিচ্ছেদৰ কথা কেতিয়াও ভাবিব নোৱাৰে। বিবাহৰ পাছত দুয়োপক্ষৰ মাজত হোৱা মনোমালিন্য তৃতীয় পক্ষৰ মধ্যস্থতাত সমাধান কৰি লোৱা দেখা যায়। যিটো ইছলামৰ শ্বৰীয়তৰ বিধানৰ ভিতৰত পৰে। তৃতীয় পক্ষ বা মধ্যস্থতাকাৰীৰ ভূমিকা হ'ব লাগিব নিৰপেক্ষ ভূমিকা আৰু তেতিয়াহে সমস্যাবিলাক সমাধান হয়, অন্যথা সমস্যা, সমস্যা হৈয়েই ৰৈ যায়। যেতিয়া বৈবাহিক সমস্যা সমাধানৰ সকলো প্ৰচেষ্টা বিফল হয়, তেতিয়া বিবাহ বিচ্ছেদ কৰিবলৈ 'তালাক' বা 'খোলা' যিকোনো এটা পন্থা ল'ব লগা হয়। ল'ৰাৰ পক্ষৰ পৰা বিবাহ বিচ্ছেদৰ প্ৰস্তাৱক তালাক আৰু ছোৱালীৰ ফালৰ পৰা অগ্ৰসৰ হ'লে 'খোলা'ৰ আশ্ৰয় লোৱা হয়। বিবাহ বিচ্ছেদ কৰাৰ আগতে এজন স্বামীয়ে এবাৰ তালাক উচ্চাৰণ কৰি পত্নীক সাৱধান কৰি পুনৰবাৰ একেটা ভুল নকৰিবলৈ বা স্বামীৰ নিৰ্দ্দেশ মতে চলিবলৈ শ্বৰীয়তে হুকুম কৰিছে। যদিহে এবাৰ তালাক শব্দটো প্ৰয়োগ কৰি পত্নীক সংশোধন কৰি ল'ব পাৰি তেতিয়াহলে সেই পৰীক্ষা বিবাহ বিচ্ছেদ নকৰি আকৌ পত্নীৰ মৰ্যদাসহ ৰাখিবলৈ ইছলামত নিৰ্দ্দেশ আছে।

কোনো সমাধান সূত্র নোলালেহে তালাকৰ জৰিয়তে পত্নীক ৩ তিনি তালাক দি ইদ্দতৰ পাছত সসন্মানে মোহৰণাৰ ধন পৰিশোধ কৰি বিবাহ বিচ্ছেদ ঘটাই পত্নীক বন্ধনৰ পৰা মুক্তি দিবলৈ শ্বৰীয়তৰ নিৰ্দ্দেশ আছে। ইছলাম শ্বৰীয়ত মতে তালাক তিনি প্ৰকাৰৰ। এবাৰ তালাক দি পত্নীৰ ওচৰৰ পৰা আঁতৰি থাকি পত্নী সহবাস নকৰাক তালাক আহচান, পত্নীক তালাক দিয়াৰ পিছত সহবাস নকৰাকৈ ইদ্দতৰ সময় পাৰ কৰি তিনিবাৰ তালাক দিয়া তালাক হাচান আৰু তিনিবাৰ তালাক দি পত্নীক একেবাৰে বিদায় দিয়াক 'তালাক উলবিদা' বুলি উল্লেখ আছে। তালাক মৌখিক ভাৱে বা লিখিত ভাৱেও দিব পাৰি। ইছলামৰ শ্বৰীয়তে মতে দুয়োটা প্ৰথাই শুদ্ধ।

মুছলিম মহিলা বা পত্নীয়েও আইনৰ সহায়ত বা শ্বৰীয়ত মতে বিবাহ বিচ্ছেদ ঘটাব পাৰে যাক কোৱা হয় 'খোলা' বা 'মোকাৰ ৰট'। ইয়াৰ বাহিৰেও নিজ ইচ্ছামতে স্বামীৰ পৰা দুয়োৰে সহ যোগত বিবাহ বিচ্ছেদ কৰিব পাৰে। ইয়াত স্বামীয়ে সহযোগ কৰাকে 'তৌফিজ' বুলি কোৱা হয়। ওপৰোক্ত শ্বৰীয়তৰ নিয়মৰ বাহিৰেও নিম্নলিখিত কাৰণ সমূহত পত্নীয়ে 'Dissolution Muslim Marriage Act 1939' ৰ জৰিয়তে আদালতৰ পৰা 'Decree of Divorce' (বিবাহ বিচ্ছেদ) প্ৰাৰ্থনা কৰিব পাৰে।

১। যদিহে ৪ বছৰলৈকে স্বামীৰ সন্ধান পোৱা নহয়।
২। যদিহে ৪ বছৰলৈকে স্বামীয়ে পত্নীক পোহপাল দিয়াত ব্যৰ্থ হয়।
৩। স্বামীৰ সাত বছৰ জেল হ'ল/জেলত থাকিব লগীয়া হ'ল।
৪। স্বামীয়ে বৈবাহিক দায়িত্ব পালনত যদি ব্যৰ্থ হয়। ৩ বছৰ বা তাতোকৈ বেছি।
৫। স্বামীৰ সন্তান জন্ম দিব পৰা ক্ষমতা নথকা।
৬। স্বামী সংসাৰৰ প্ৰতি উদাসীন আৰু আৰোগ্য নোহোৱা বেমাৰত আক্ৰান্ত হ'লে।
৭। স্বামী অত্যাচাৰী আৰু পত্নী নাবালিকা ইত্যাদি কাৰণত বিবাহ বিচ্ছেদৰ বাবে আদালতৰ কাষ চাপিব পৰা যায়।

ইছলামত ইমান বিলাক বাধা আৰোপ কৰাৰ পাছতো স্বামীক তালাক দিয়াৰ ক্ষেত্ৰত পত্নীতকৈ বেছি ক্ষমতা দিয়া হৈছে আৰু সেই ক্ষমতা বেছি ভাগেই অপব্যৱহাৰ কৰা দেখা যায়। বিশেষকৈ নিৰক্ষৰ মানুহৰ মাজত সৰু সুৰা কথাতেই তালাক দিয়াৰ যথেষ্ঠ উদাহৰণ পোৱা গৈছে। খেতিয়ক স্বামী খেতিৰ পৰা ঘূৰি অহাত পত্নীয়ে সময়মতে ভাত নিদিয়া, পত্নীয়ে মাকৰ ঘৰলৈ ফুৰিবলৈ গৈ সময়মতে ঘূৰি নহা, কইনাৰ বাপেকে প্ৰতিশ্ৰুতি দিয়া মতে বিয়াত জোঁৱায়েকক বাইক নিদিয়া ইত্যাদি সৰু সৰু কাৰণত বহুতো স্বামীয়ে পত্নীক তালাক দিয়াৰ উদাহৰণ সমীক্ষাত পোৱা গৈছে। ওপৰোক্ত কাৰণবোৰ তালাকৰ বাবে কিমান গ্ৰহণযোগ্য তাৰ সজাগতা নোহোৱা বাবে ইয়াৰ পৰা মুছলিম সমাজত যিমান ক্ষতি হৈছে সেইবোৰৰ পৰা মুছলিম সমাজক উদ্ধাৰ কৰিবলৈ কোনো স্বেচ্ছাসেৱী সংগঠন আগবাঢ়ি অহা দেখা নাযায়। ইয়াৰ বিপৰীতে নিৰক্ষৰ মুছলিম গাৱলীয়া সমাজত গা-কৰি উঠা স্বেচ্ছাসেৱী সংগঠনবোৰে মুছলিম প্ৰধান অঞ্চলবিলাকৰ উন্নয়নৰ নামত অহা চৰকাৰী ধন আত্মসাৎ কৰাতহে নিজকে ব্যস্ত ৰখা দেখা যায়। উচ্চ শিক্ষিত মুছলিম পৰিয়াল বিলাকতো তালাকৰ প্ৰভাৱ বৃদ্ধি হোৱা পৰিলক্ষিত হৈছে। উচ্চ শিক্ষা বা উচ্চ ডিগ্ৰী মানে প্ৰকৃত জ্ঞানৰ পৰিচয় নহয়। মানৱীয় মূল্যবোধ নুবুজা বা নথকা এজন উচ্চ ডিগ্ৰীধাৰী ব্যক্তিক আমি শিক্ষিত বুলি ক'ব নোৱাৰো। তেনে ব্যক্তি বিশেষৰ পৰা কোনো পৰিয়ালৰ, সমাজৰ বা দেশৰ উপকাৰ হ'ব নোৱাৰে। তেনেবোৰ উচ্চ ডিগ্ৰীধাৰী মুছলিম পুৰুষ আৰু মহিলাৰ মাজতেই বৰ্ত্তমান তালাকৰ প্ৰৱণতা বাঢ়িছে। যৌথ পৰিয়ালৰ সূত্ৰ প্ৰত্যাখান কৰাৰ পিছতো উচ্চ ডিগ্ৰীধাৰী স্বামী স্ত্ৰীৰ মাজত বিবাহ বিচ্ছেদ ঘটিছে। এজনে আনজনৰ লগত সংসাৰ কৰাত ব্যৰ্থ হৈছে; তেওঁলোকে কেৱল তিক্ততাৰ মাজেৰেই আগবাঢ়িছে। অথচ তেওঁলোকো

বিবাহৰ মাজেৰে কি বিচাৰে নিজেই নাজানে। অধিবক্তা হিচাবে দুই এটা অভিজ্ঞতাৰ কথা বৰ্ণনা কৰিব বিছাৰিছো। বিয়াৰ পিছত উচ্চ ডিগ্ৰীধাৰী মহিলাৰ পিতৃ-মাতৃ আহিল জীয়েকক তালাক দিয়াবলৈ। কাৰণ জানিবলৈ বিচৰাত গম পালো শহুৰেকৰ ঘৰত বোৱাৰী হিচাবে মৰ্যদা দিয়া হোৱা নাই ছোৱালীক। মই আকৌ প্ৰশ্ন কৰাত গম পালোযে ছোৱালীজনীক শহুৰেকৰ ঘৰত ঘৰ সাৰিবলৈ দিয়াৰ কথা। যিটো ছোৱালীয়ে মাক বাপেকৰ ঘৰত কৰা নাছিল। গতিকে বিবাহ বিচ্ছেদ লাগে।

দ্বিতীয়টো অভিজ্ঞতা এনে ধৰণৰ। উচ্চ ডিগ্ৰীধাৰী পুত্ৰ বোৱাৰীৰ সুখৰ সংসাৰ চাবলৈ অৱসৰ প্ৰাপ্ত শহুৰ শাহু ফুৰিবলৈ গ'ল। আলহী হিচাবে যোৱা শাহুৱেকে বোৱাৰীৰ ৰন্ধা বঢ়া পছন্দ কৰা নাছিল। এদিন ভাতৰ পাতত বহি নিমখ নোহোৱা দাইল খাই শাহুৱেকে বোৱাৰীয়েকক ককৰ্থনা শুনোৱাত বোৱাৰীয়ে দাইলৰ বাটিটো শাহুয়েকৰ মুখলৈ দলিয়াই দিলে আৰু বিবাহ বিচ্ছেদ হ'ল। মাত্ৰ দুটামান উদাহৰণ দিয়া হ'ল। এনে উদাহৰণ আমাৰ উকীল বন্ধুসকলৰ মাজত বহুত আছে আৰু অভিজ্ঞতাও আছে। এতিয়া প্ৰশ্ন হ'ল ওপৰোক্ত বিবাহ বিচ্ছেদবোৰ ইছলামৰ শ্বৰীয়ত পন্থীনে? এনে বিবাহ বিচ্ছেদৰ প্ৰৱণতা কিয় বাঢ়িছে। ল'ৰা বা ছোৱালীয়েই হওক শিক্ষাৰ ক্ষেত্ৰত মুছলমান বহুত আগবাঢ়িছে, বহুত ডাঙৰ ডাঙৰ ডিগ্ৰী গ্ৰহণ কৰিছে কিন্তু শ্বৰীয়তৰ জ্ঞান শূণ্য সহনশীলতাৰ অভাৱ হৈছে, সহ্য জ্ঞান নোহোৱা হৈ গৈছে আৰু মানৱীয় মূল্যবোধ হেৰাই গৈছে। তালাকে আমাৰ মুছলিম সমাজখনৰ ইমান সমস্যাৰ সৃষ্টি কৰিছে যে আমি সকলোৱে মিলি এই সমস্যাৰ পৰা সমাধান পাবলৈ মিলি জুলি চেষ্টা কৰাৰ সময় সমাগত। ◆

(ফোন ঃ ৯৪৩৫১১০৯৭৩)

ভাগ্যক বিশ্বাস নকৰি নিজৰ শক্তিক বিশ্বাস কৰা। - বি. আৰ আম্বেডকাৰ

সজ চিন্তাশীল মানুহ কেতিয়াও নিসঙ্গ নহয়। - ছাৰ ফ্ৰিলিপ চিডনী

সজ পথৰ লগৰী সহজে পোৱা নাযায়। - হিউৱেন চাং

যেতিয়ালৈকে আমি কিবা এটা কৰি দেখুৱাব নোৱাৰো তেতিয়ালৈকে আমি কি সেইটো প্ৰমাণ কৰিব নোৱাৰো। - মহাত্মা গান্ধী

কৰ্তাৰ কাৰ্যৰ পৰা সকলো শিক্ষা লাভ কৰিব। - সত্যনাথ বৰা

শ্ৰদ্ধা বা ভালপোৱাৰ পাত্ৰ হৈ আনৰ মনত জীয়াই থকাই হৈছে প্ৰকৃত জীৱন। - জোচেফ কনৰাড্

'আজি' আৰু 'কাইলৈ'ৰ ভিতৰত 'আজিক' অধিক গুৰুত্ব দিয়া জনেহে সফলতাৰ মুখ দেখে।'

- ডাগ হেমাৰশ্বেল্ড

# গীবত (পৰচৰ্চ্চা)

**মাচুম আৰা ৰহমান**

আলহাম দুলিল্লাহ ক্ক আল্লাপাক ছুবহানাহোতাআলাৰ বাবেই সকলো প্ৰশংসা, যি আমাক তেওঁৰ অতি প্ৰিয় হবীব মহাম্মাদ (দঃ) চাল্লালাহুৰ উম্মৎ হোৱাৰ সৌভাগ্য দান কৰিছে। হজৰত মুহম্মদ (দঃ) সমগ্ৰ মানৱ জাতিৰ বাবে ৰহমতৰ উৎস হিচাবে এই পৃথিৱীত অবতীৰ্ণ হৈছিল। তেখেতৰ আদেশ নিষেধে হৈছে মানৱ জাতিৰ ইহকাল পৰকালৰ চাবি-কাঠী। গতিকে যিমান দূৰ সম্ভৱ তেখেতৰ চুন্নত সম্পূৰ্ণ ভাৱে অনুসৰণ কৰাটো আৱশ্যক। চুন্নতৰ বিপৰীতেই হৈছে বেদাত বা হাৰাম। অৰ্থাৎ যি কামত চুন্নতৰ অনুসৰণ নাই সেই কামেই হৈছে হাৰাম।

ৰছুলুল্লাই (দঃ) কৈছে— তোমালোকে পৰস্পৰে পৰস্পৰৰ মাজত ঈৰ্ষা-বিদ্বেষ পোষণ নকৰিবা, গীবত নকৰিবা, দুনিয়াৰ প্ৰতি আকৃষ্ট নহবা, আল্লাহৰ বান্দা সকল, সকলোৰে ভাই-ভাই হৈ যোৱা।

তেখেতে (দঃ) কোৱা এই তিনিটা আখৰৰ শব্দ 'গীবত' এলাপেছা শব্দ নহয়। ইয়ে আমাৰ কিয়ামতৰ দিনা প্ৰত্যেকৰে আমল নামাত বিশেষ ভাৱে প্ৰভাৱান্বিত কৰিব। এই গীবতৰ পৰা হোৱা ক্ষতি কিমান ভয়ংকৰ হ'ব পাৰে, তাৰে অলপ আভাষ দিবলৈ যত্ন কৰিছো।

পৰচৰ্চ্চা, পৰনিন্দা বা কুৎসা ৰটনা কৰা আৰু এজনৰ অনুপস্থিতিত নিন্দা কৰা কাৰ্যকে গীবত কোৱা হয়। এই পৰনিন্দা হৈছে বৰ গুৰুতৰ অপৰাধ, যি মানুহক বিৰাট ক্ষতি সাধন কৰে। ইয়ে শত্ৰুতা বঢ়ায়, বন্ধু সকলৰ মাজত বিচ্ছেদৰ সৃষ্টি কৰে, ঘৰ-দুৱাৰ ধ্বংস কৰে হিংসাৰ ভাব বিয়পায়, মুছলিম ভাই ভনীৰ মাজত শত্ৰুতাৰ সৃষ্টি কৰে। অথচ মানুহে ইয়াক প্ৰতিৰোধ কৰাৰ ওপৰত অকণো গুৰুত্ব নিদিয়ে।

কিয়ামতৰ দিনা যেতিয়া প্ৰত্যেকৰে হাতে হাতে নিজৰ নিজৰ অ মলনামা দিয়া হ'ব, তেতিয়া তেওঁলোকৰ তাত কিছুমান নেকী দেখিবলৈ পাব, যি নেকীৰ কাম তেওঁ এই দুনিয়াত কেতিয়াও কৰা নাছিল। তেওঁ তেতিয়া আল্লাতা- আলাক সুধিব আৰু আল্লাতাআলাই ও ক'ব 'তুমি যদিও এই নেকীৰ কাম কৰা নাই, কিন্তু যি সকলে তোমাৰ অজ্ঞাতে তোমাৰ গীবত কৰি ফুৰিছিল তেওঁলোকৰ আমলনামাৰ পৰা এই নেকীৰোৰ মচি দি তোমাৰ আমলনামাত লিখি দিয়া হ'ল।' গতিকে ভাবি চাওক আমাৰ অজ্ঞাতেই আমাৰ নেকীবোৰ নাইকিয়া হৈ যাব, যিবোৰ নেকী আমি পৃথিৱীত থাকোতে অশেষ কষ্ট কৰি অৰ্জ্জন কৰিছিলো।

ৰছুলুল্লাই (দঃ) কৈছিল 'যি ব্যক্তিয়ে দুনিয়াত তেওঁৰ মুছলমান ভাতৃৰ ইজ্জত, সন্মান ৰক্ষাকৰে, কিয়ামতৰ দিনা এজন ফিৰিষ্টা আল্লাই তেওঁৰ সঙ্গী কৰি দিব, যিয়ে তেওঁক জাহান্নামৰ জুইৰ পৰা ৰক্ষা কৰিব'। গতিকে এই পৃথিৱীত সকলো মুছলমানেই প্ৰত্যেকৰে ভাই-ভনী একেটা পৰিয়াল।

এবাৰ এজন মানুহে ৰছুলুল্লাৰ (দঃ) ওচৰলৈ আহি সুধিলে 'ইয়া ৰছুলুল্লাহ (দঃ) মই পাঁচৱাক্ত নামাজৰ বাহিৰে কোনো নামাজ নপঢ়ো, ফৰজ ৰোজাৰ বাহিৰে অন্য কোনো ৰোজা নাৰাখো, দুখীয়া হোৱাৰ কাৰণে জাকাত চদকাও নিদিওঁ, হজো কৰা নাই। মৃত্যুৰ পিছত মই কলৈ যাম?' মানুহজনক ৰছুলুল্লাই (দঃ) উত্তৰ দিলে

‘তুমি মোৰ লগত বেহেস্তলৈ যাবা, যদিহে তুমি দুটা বস্তুৰ পৰা নিজৰ অন্তৰক সুৰক্ষিত কৰি ৰাখিব পাৰা। এটা হৈছে মিছা কথা আৰু আনটো হৈছে গীবতৰ কৰাৰ পৰা বাছি থাকা। নিজৰ চকু দুটাক দুটা বস্তুৰ পৰা বচাই ৰাখিবা। (১) কোনো হাৰাম বস্তুৰ ফালে চকু নিদিবা। (২) কাকো হেয় প্রতিপন্ন কৰাৰ, অপমান কৰাৰ বা অপদস্থ কৰাৰ দৃষ্টিৰে নাচাবা। এইদৰে কৰিব পাৰিলে তুমি বেহেস্তলৈ যাবা আৰু মোৰ লগতেই থাকিবা।’

পৃথিৱীত কৰা গীবতেই মানুহক বেহেস্ত পোৱাত বাধাৰ সৃষ্টি কৰিব। গীবতৰ দ্বাৰা ইহকাল আৰু পৰকালত দুয়োফালৰ পৰাই ক্ষতি সাধন হয়।

গীবতৰ প্রধান ক্ষতি হৈছে গীৱত কাৰীৰ দোৱা কবুল নহয়। ‘তাম্বেহুল গাফেলীন’ গ্রন্থত কোৱা হৈছে যে তিনি ধৰণৰ ব্যক্তিৰ দোৱা কবুল নহয়। (১) হাৰাম ভক্ষণকাৰী (২) অত্যধিক গীবতকাৰী আৰু (৩) যি মুছলমানৰ লগত বিদ্বেষ ভাব পোষণ কৰে।

ইব্রাহীম বিন অদহাম (ৰাঃ) কৈছে যে আঠটা কাৰণত আমাৰ দোৱা কবুল নহয়।

(১) কোৰাণ শ্বৰিফ পঢ়ি সেই মতে আমল নকৰাৰ বাবে।
(২) আল্লাহৰ বিধান অনুসৰি কাম নকৰা।
(৩) মুখেৰে ৰছুলুল্লাক (দঃ) ভাল পোৱা বুলি কোৱা অথচ হাদীছ অনুযায়ী কাম নকৰা।
(৪) মুখেৰে কোৱা মৃত্যুক ভয় কৰা। কিন্তু এবাদতৰে মৃত্যুৰ প্রস্তুতি নকৰা।
(৫) আল্লাতাআলাই কৈছে চয়তান হৈছে মানুহৰ প্রকাশ্য শত্রু। কিন্তু চয়তানক বন্ধু হিচাবে লৈ গীবত কৰা।
(৬) জাহান্নামক ভয় কৰা অথচ সদায়ে গুণাহ কৰি কৰি নিজকে জাহান্নামত নিক্ষেপ কৰি আছা।
(৭) বেহেস্ত কামনা কৰা। কিন্তু পূণ্য কৰিবলৈ এলাহ কৰা।
(৮) নিজৰ দোষ-ত্রুটিবোৰ হেচুকি থৈ আনৰ দোষবোৰ খুচৰি মানুহক নিন্দা কৰাত, গীবত কৰাত ব্যস্ত হোৱা।

এইবোৰ কাৰণেই মানুহৰ অন্তৰবোৰ মৃত হৈ যায়। যাৰ কাৰণে অন্তৰৰ অৱশিষ্ট খিনিও ৰক্ষা নপৰে বাবে দোৱা কবুল নহয়।

গীবতৰ আন ক্ষতিবোৰ হৈছে যে আমল নামাৰ পৰা নেকী কমি যায় আৰু পাপবোৰ অধিক হৈ যায়। আল্লাতাআল্লা বৰ ক্ষমাশীল। তেওঁ মানুহৰ চগীৰা (লঘু) গুণাহবোৰ ক্ষমা কৰি দিয়ে। কিন্তু মানুহবোৰেহে তাৰ অধিকাৰ দাবী কৰি থাকিব। হজৰত হাচান বচৰীয়ে (ৰাঃ) কৈছে ‘কিয়ামতৰ দিনা এজনে আনজনৰ হাত ধৰি কব ‘মোৰ আৰু তোমাৰ মাজত আল্লাহ বিচাৰক।’ যাৰ হাতত ধৰা হৈছে তেওঁ ক’ব —‘তুমি কোন? মই তোমাক চিনি নাপাওঁ।’ তেতিয়া আনজনে ক’ব —‘তুমি মোৰ দেৱালৰ পৰা এটুকুৰা ইটা খহাই লৈ গৈছিলা মই তাৰে দাবীদাৰ।’ গতিকে তেনে ধৰণৰ দাবীবোৰ দুনীয়াতেই মাফ কৰাই ল’ব লাগে। নহলে কিয়ামতৰ দিনা লজ্জিত হ’ব লাগিব, আৰু নিজৰ কষ্ট অৰ্জ্জিত নেকীৰে সেই দাবীবোৰ পূৰাব লাগিব।

গীবতৰ আন ক্ষতি হৈছে নেককাম সমূহ কবুল নহয়। নবীজীয়ে (দঃ) কৈছে ‘অগ্নিয়ে কোনো শুকান বস্তুৰ ওপৰত যিমান সোনকালে ক্রিয়া কৰিব নোৱাৰে, সিমান সোনকালে নেককামবোৰৰ ওপৰত গীবতৰ প্রতিক্রিয়া হয়। ফিৰিস্তা সকলে যেতিয়া নেক আমলবোৰ প্রথম আকাশৰ পৰা দ্বিতীয় আকাশলৈ নিব খুজিলে আল্লাহৰ দ্বাৰা নিযুক্ত ফিৰিস্তাই ক’ব ‘এইবোৰ তেওঁৰ মুখতে দলিমাৰি দিয়া, তেওঁক ক্ষমা কৰা হোৱা নাই। কাৰণ তেওঁ মুছলমানৰ গীবত কৰে।’ গতিকে আল্লাহৰ দৰবাৰত এই নেকী সমূহ কবুল নহয়।

গীবতৰ বাবে কিয়ামতৰ দিনা বহুত লজ্জিত হ’ব। আল্লাতালাই তেওঁক গীবতৰ বিষয়ে প্রশ্ন কৰিব। তেওঁ যদি স্বীকাৰ কৰে, তেতিয়া জনসমূদ্রৰ আগত লজ্জিত হ’ব। আৰু যদি অস্বীকাৰ কৰে, তেতিয়া আল্লাতালাই তেওঁৰ অঙ্গ-প্রত্যঙ্গ সমূহক কথাকোৱাৰ শক্তি দান কৰি সাক্ষী দি তেওঁক লাজ দিব।

গীবতৰ আন ক্ষতি হৈছে গীবতকাৰীৰ মাংস ভক্ষণ। ৰছুলুল্লাই (দঃ) মেৰাজত যাওঁতে সেইদৰে

মানুহৰ মাংস খোৱা দেখি তেওঁ জীব্ৰাইলক (আঃ) প্ৰশ্ন সোধাত কোৱা হৈছিল যে 'এওলোক আপোনাৰ উম্মত মানুহৰ গীবত কৰিছিল।'

গীবতৰ দ্বাৰা আল্লাহৰ বিৰুদ্ধাচৰণ কৰা হয়। কাৰণ কোৰাণত গীবত নিষিদ্ধ কৰিছে। সেইটো কৰিলে আল্লাহক নাফৰমানী কৰা হয়। গীবত কৰিলে ৰছুলুল্লা ৰো (দঃ) বিৰুদ্ধে যোৱা হয়। তেওঁৰ (দঃ) মৃত্যুৰ সময়ত শেষ ভাষণত কৈছিল 'গীবতকাৰীৰ ধ্বংস অৱশ্যম্ভাবী, গীবতৰ পৰা আঁতৰত থাকিবা।'

ৰোজাদাৰে গীবত কৰিলে ৰোজা নষ্ট হৈ যায় । নবীজীয়ে (দঃ) কৈছিল চাৰিটা কাৰণত ৰোজা ভাগি যায়। সেইটো হৈছে গীবত, চুগলখোৰী, মিছাকথা আৰু পৰ-নাৰী বা পৰ পুৰুষৰ প্ৰতি কুদৃষ্টিপাত কৰা। তেখেতে কৈছে যে এনে বহুত লোকৰ ৰোজাত ভোক আৰু পিয়াহত থকাৰ বাহিৰে আন একো উপকাৰিতা নাই। এনে লোকৰ ৰোজাৰ প্ৰতি আল্লাই ভ্ৰূক্ষেপ নকৰে। অথচ ৰোজাদাৰক আল্লাই কৈছে যে তেওঁ নিজেই পুৰস্কৃত কৰিব। কোনো ফিৰিস্তাৰ দ্বাৰা নহয়।

গীবত কৰাৰ প্ৰকৃত অৰ্থ হৈছে এজন মানুহৰ গোপন দোষ-ক্ৰুতিবোৰ আনৰ আগত প্ৰকাশ কৰি দিয়া।

মৃতলোকৰো গীবত কৰাটো হাৰাম কাৰণ গীবতকাৰী জান্নাতি হলে তেওঁৰ গীবত কৰি গুণাহগাৰ হ'ব লাগিব।

কাৰোবাক হেয় প্ৰতিপন্ন কৰাৰ উদ্দেশ্যে তেওঁৰ দৈহিক গীবত কৰা যেনে বোবা, অন্ধ, চকুকেইটা টেলেকা, নাকটো চেপেতা আদিক লৈ ঠাট্টা-তাচ্ছিল্য কৰাও গীবত। আল্লাই যিদৰে মৰা মাংস খোৱা হাৰাম কৰিছে, সেইদৰে মানুহৰ দৈহিক প্ৰতিবন্ধকতাবোৰ আলোচনা কৰা হাৰাম কৰি দিছে।

ব্যৱসায়ৰ বৃত্তিত উচ্ছ-নীচ মনোবৃত্তি ধাৰণ কৰাটো ইছলামৰ নীতিবিৰোধী। মুমিনৰ চাল-চলন, ঘুৰা-ফুৰা আদি প্ৰতি কথাতে আখেৰাত গঢ়ি উঠে। হালাল ৰুজিৰ বাবে পৰিশ্ৰম কৰা আল্লাৰ ৰাস্তাত এক জিহাদ স্বৰূপ। যদি কোনোবাই কয় যে তেওঁৰ বংশ ধাৰা ভাল নহয়। তাহাঁতৰ পূৰ্বপুৰুষ সকল নীচ জাতৰ আছিল। অথবা তেওঁৰ বংশ অজ্ঞাত। এনেকৈ কোৱাটো ও গীবতৰ ভিতৰত ধৰা হয়। নেক আমলৰ বাহিৰে কাৰো শ্ৰেষ্ঠত্ব নাই।

হজৰত ইছা (আঃ) কৈছিল 'তোমালোকে আল্লাহৰ জিকিৰৰ বাহিৰে অতিৰিক্ত কথা নকবা। কাৰণ বেছিকৈ কথা কলে আল্লাহৰ বাহিৰে আন কথাত সময় কটালে তেওঁলোকৰ অন্তৰ কঠিন হৈ পৰে, আৰু কঠিন অন্তৰ আল্লাৰ পৰা বহু দূৰলৈ গুছি যায়।' মানুহক আল্লাই দুভাগত বিভক্ত কৰিছে কাৰোবাক আল্লাই গুণাহত জড়িত কৰি ৰাখিছে আৰু কাৰো বাক গুণাহ মুক্ত কৰি ৰাখিছে। গুণাহগাৰ লোকক 'জাহান্নমী' বুলি ভবাটো বা কোৱাটো আল্লাই পচন্দ নকৰে। গুণাহৰ বাবে কাৰোবাক লাজদিলে বা অপমান কৰিলে আল্লাক্ৰোধান্বিত হৈ ঘটনা বিপৰীত কৰি দিয়ে। কোনো নেককাৰ মুছলমানৰ বিষয়ে বিনা কাৰণত তেওঁৰ বিষয়ে বেয়া ধাৰণা কৰাটো হৈছে অন্তৰৰ গীবত।

গীবতকাৰী সকল সমাজত ইমান জনপ্ৰিয় যে তেওঁলোক একগোট হৈ লোকক হিংসা কৰি গীবতৰ মাধ্যমেৰে মিলা প্ৰীতি বঢ়াই থাকে। এওঁলোকে দুনীয়াত জিভাৰ খজুৰতি মাৰিবলৈ গীবত কৰি দোজখৰ ফালে ধাৰমান হৈ থাকে। এক তৃতীয়াংশ কবৰৰ আজাব গীবতৰ বাবে হয়। ৰছুলুল্লা চাল্লাল্লাহু আলাইহি ৱাচাল্লামে কৈছে 'গীবত' যিনাহ কৰাত কৈয়ো ভয়ংকৰ। মানুহে যিনাহক যিদৰে অন্যায় বুলি ভাবে গীবতকো তেনেদৰে অন্যায় বুলি ভবা উচিত।

কম বয়সৰ পৰাই লৰাছোৱালীক গীবতৰ বিষয়ে সাৰধান কৰিব নোৱাৰিলে বয়সত ইয়াক ৰোধ কৰাটো কঠিন হৈ পৰে। বৰ্ত্তমান যুগত পৰিয়ালৰ লোকৰ ক্ৰমান্বয়ে বাঢ়ি অহা পাৰস্পৰিক সম্পৰ্কৰ অৱনতিৰ কাৰণ হৈছে 'গীবত' কৰাত কোনো বাধা নিষেধ নকৰা। আমাৰ ঘৰখনেই হৈছে সমাজৰ উন্নতিৰ কেন্দ্ৰবিন্দু। গতিকে সদায় মনত ৰাখিব লাগিব যে পৰনিন্দা এবিধ বৰ ঘৃণণীয় কাৰ্য্য। ইয়াৰ বাবে সদায় সাৰধান হ'ব লাগে আৰু আনকো গীবত নকৰিবলৈ উৎসাহিত কৰিব লাগে, যাতে আত্মীয়তাৰ সম্বন্ধ ছিন্ন নহয়। ◆

(ফোন ঃ ৯৯৫৪৩৮৮১৭০)

# পোহৰৰ সন্ধানত

চৈয়দ হাৰোনাৰ ৰহমান

২০১৫ বৰ্ষটো আন্তৰ্জাতিক পোহৰ বৰ্ষ হিচাপে উদযাপন কৰিবলৈ বিভিন্ন কাৰ্যসূচী আন্তৰ্জাতিক সন্থা সমূহে হাতত লৈছে।

এই পোহৰ বা জ্যোতি সম্পৰ্কে পবিত্ৰ কুৰআন শ্বৰীফৰ আন নুৰ অধ্যায়ৰ ৩৫ নং বাক্য উল্লেখনীয় - 'আল্লাহু নুৰু ছ ছামাৱাতি ৱাল আৰদ্ব'ৰ .... পৰা 'ৱা ল্লাহু বি কুল্লি শ্বায়ইন আলীম' বাক্য শাৰীৰ অৰ্থ- আল্লা হৈছে মহাকাশ মণ্ডল আৰু পৃথিৱীৰ জ্যোতি। তেওঁৰ জ্যোতিৰ উপমা হৈছে যেনিবা এটা বন্তিদানী য'ত আছে এটা প্ৰদীপ। প্ৰদীপ ডাল আছে এটা কাচৰ চিমনিৰ ভিতৰত। চিমনিটো যেনিবা এক উজ্বল তৰা, যিটো জ্বলোৱা হৈছে পবিত্ৰ জয়তুন গছৰ পৰা পূৰ অঞ্চলৰ নহয় আৰু পশ্চিম দিশৰো নহয়। ইয়াৰ তেলখিনি যেনিবা প্ৰজ্বলিত (Inflammable) যদিও জুইয়ে ইয়াক স্পৰ্শ কৰিব নোৱাৰে। জ্যোতিৰ ওপৰত জ্যোতি। আল্লাহে তেওঁৰ জ্যোতিৰ বাবে যাক ইচ্ছা কৰে বাট দেখুৱাই নিয়ে আৰু আল্লাহ মানৱ জাতিৰ নিমিত্তে উপমাবোৰ ব্যক্ত কৰে আৰু আল্লাহ সকলো বিষয়তে সৰ্বজ্ঞানী।'

আল্লাহৰ জ্যোতিৰ .দ্বাৰা উদ্ভাসিত জ্যোতিময় ইছলামে প্ৰাচ্য পাশ্চাত্য সকলো অঞ্চলকে পোহৰ দি থাকে। স্বাভাৱিক ভাৱেও (Physically) বিজ্ঞানী সকলে গৱেষণাৰ দ্বাৰা স্বীকাৰ কৰিছে যে তথা কথিত 'অন্ধকাৰ মদ্যযুগত' (dark age) প্ৰায় পাচশ বছৰ জুৰি (অষ্টম শতিকাৰ পৰা দ্বাদশ শতিকা) অনুসন্ধিৎসু আৰৱ জাতিয়ে বিশ্বত জ্ঞান বিজ্ঞানৰ পোহৰ বিলাইছিল। বেবিলন, গ্ৰীছ, ভাৰত আদি প্ৰাচীন সভ্যতাৰ অৱদানবোৰ অধ্যয়ন কৰি স্বকীয় গৱেষণা চিন্তা আৰু অৱদানেৰে কেইবা গৰাকী আৰবীয় পণ্ডিতে মানৱ জ্ঞান চৰ্চাক আগুৱাই নিছিল। পোহৰ বিজ্ঞানৰ লগত জড়িত অতি বিখ্যাত নামবোৰৰ ভিতৰত অন্যতম হ'ল ইবনে - আল হাথিম (Ibn-al Haytham) ১০১১-১০২১ চনৰ ভিতৰত সাতটা খণ্ডত (Volume) ৰচনা কৰা তেখেতৰ কিতাব আল-মানছিৰ প্ৰকাশিত হৈছিল। বিজ্ঞানৰ ইতিহাসৰ এগৰাকী প্ৰখ্যাত পণ্ডিত জৰ্জ-ছাৰটনে হাথিমক মধ্যযুগৰ (ইছলামৰ) সৰ্বশ্ৰেষ্ঠ পদাৰ্থ বিজ্ঞানী আৰু সৰ্বকালৰ শ্ৰেষ্ঠতম পোহৰ বিজ্ঞানী সকলৰ অন্যতম বুলি উল্লেখ কৰিছে। কিতাব আল মানছিৰ পাশ্চাত্যত The Book of Optics নামেৰে পাছত বিখ্যাত হৈছিল। বাৰ শতিকাত এই পুথি লেটিন ভাষালৈ অনুদিত হৈছিল আৰু বহুত শতিকা জুৰি এই পুথিখন বিদ্বান মহলে পাঠ্য পুথি হিচাপে পঢ়িব লাগিছিল।

মধ্যযুগত আৰৱ সকলেই আছিল নতুন সভ্যতাৰ জ্যোতি বাহক (torch bearer) ইউৰোপ আৰু

পৃথিৱীৰ বাকী অংশই আৰৱ সকলৰ পৰাই আধুনিক সভ্যতাৰ শিকনি লৈছিল। মুছলিম সকলে প্ৰতিষ্ঠা কৰা বাগদাদৰ বচৰা আৰু স্পেইনৰ কৰডোভা বিশ্ববিদ্যালয় দুখন পৃথিৱীৰ ভিতৰতে বিখ্যাত আছিল। সেই সময়ত আলখাজমীৰ দৰে গণিতজ্ঞ, আলবেৰুনী, আলহাচানৰ দৰে পদাৰ্থ বিজ্ঞানী, আবু চিনাৰ দৰে চিকিৎসক, ইবনে ৰুছদ (Averoes) দৰে সমাজ্ঞ বিজ্ঞানীৰ আৰ্বিৰ্ভাৰ ঘটিছিল। ভাৰতবৰ্ষৰ সমাজ জীৱনতো ইছলামৰ জ্যোতিৰ দ্বাৰা প্ৰভাৱান্বিত হৈছিল। জৱহৰলাল নেহৰুৱে তেখেতৰ বিখ্যাত গ্ৰন্থ The Glimpses of World History ৰ ২০৯ পৃষ্ঠাত লিখিছে ' Islam brought a new impulse for human progress, to India. To some extent it served as tonic ইউৰোপ বহুত দিনলৈকে অন্ধকাৰ যুগতে থাকিলহেতেন যদিহে ইয়াৰ বাসিন্দা সকল উন্নত (Advanced) আৰৱ সভ্যতাৰ সান্নিধ্যলৈ নাহিলহেতেন।

মধ্যযুগত মুছলিম পণ্ডিত সকলে বিশ্বত এন্ধাৰৰ ভেটা ভাঙি জ্যোতি প্ৰবাহিত কৰিছিল। কিন্তু পৰিতাপৰ বিষয়, ইছলামৰ সেই জ্যোতি আজি নিস্প্ৰদীপ। মানৱৰ উৎকৰ্ষ সাধনত বাটকটীয়া নতুন সভ্যতাৰ জ্যোতিবাহক মুছলমান সকল আজি পশ্চাদগামী চিন্তাধাৰাৰ বশবৰ্ত্তী। যেতিয়াৰ পৰা ইছলামৰ মানৱীয় প্ৰমূল্যবোৰক আওকাণ কৰি শিক্ষা আৰু প্ৰজ্ঞাক পিঠি দিয়া কৰিলে তেতিয়াৰ পৰা মুছলমানৰ ওভতনি যাত্ৰা আৰম্ভ হয়। আলোকৰ পৰা এন্ধাৰৰ দিশে গতি কৰা যেনহে অনুভৱ হয়। (লিখনিটোত ইবন আল-হাথিমৰ বিষয়ে লিখা কথাখিনি প্ৰান্তিকত প্ৰকাশিত (১৬-৩০ এপ্ৰিল) ডঃ কুলেন্দ্ৰ পাঠকৰ প্ৰবন্ধটোৰ পৰা লোৱা হৈছে)। ◆

ফোন ঃ ৯৪৩৫১৯২১৯৩

*সুখ -দুখৰ সমষ্টিয়ে হ'ল জীৱন। বহুতৰ বাবে জীৱনে বহু সময়ত দুখৰ মেটমৰা বোজা কঢ়িয়াই আনে। সেয়ে হ'লেও মানৰ ৰূপী জীৱনৰ এক অনন্য মাদকতা আছে। আছে মায়াৰ বান্ধোন। সেয়েহে মানৱ জীৱন দীঘলীয়াকৈ সুস্থভাৱে উপভোগ কৰিবলৈ গৰিষ্ঠ সংখ্যকেই বাঞ্ছা কৰে। যদি এনে এটি হেঁপাহ মনতে পুহি ৰাখিছে তেনেহলে বয়স লহিয়াবলৈ আৰম্ভ কৰাৰ প্ৰাক্‌ক্ষণত খোৱা খাদ্যৰ পৰিমাণ হ্ৰাস কৰাৰ চেষ্টা চলাওঁক। লণ্ডনৰ গৱেষক ডাঃ ৰিচাৰ্ড বেনড্ৰচ আৰু ডাঃ ৰিকী ক'লমেনে এই কথা প্ৰকাশ কৰিছে যে মাজ বয়সতে ভোজনত কেল'ৰিৰ পৰিমাণ ৩০ শতাংশ কম কৰি বৃদ্ধ হোৱাৰ প্ৰক্ৰিয়াক বহু দূৰলৈ ঠেলি পঠিয়াব পাৰি। কেৱল সেয়াই নহয়, কেল'ৰি হ্ৰাস কৰণে কৰ্কট ৰোগ আৰু হৃদৰোগ হোৱাৰ আশংকা প্ৰায় আধালৈ হ্ৰাস কৰাৰ বিপৰীতে জীৱন ৰেখা প্ৰায় তিনি গুণ বৃদ্ধি কৰে।*

# ইছলাম শান্তি প্ৰতিষ্ঠাৰ এক আন্দোলনহে

**ছফিকুল ইছলাম**

ইছলাম এটা ধৰ্ম হিচাপে পৰিচিত হ'লেও প্ৰকৃততে আন আন প্ৰচলিত ধৰ্মৰ দৰে ধৰ্ম নহয়। ইছলামৰ বিভিন্ন দিশৰ পিনে দৃষ্টিপাত কৰিলে দেখা যায় যে মানৱৰ মাজত শান্তি প্ৰতিষ্ঠাৰ বাবে ই এটা আন্দোলনহে। আন ধৰ্ম সমূহত যেনেদৰে কিছুমান নিৰ্দিষ্ট দিনত নিৰ্দিষ্ট নিয়মেৰে পূজা পাতল বা ধৰ্মীয় আচাৰ-অনুষ্ঠান পালন কৰিলেই ধৰ্ম পালন কৰা বুজায়, ইছলামত তেনে কোনো নিৰ্দিষ্ট আচাৰ অনুষ্ঠান বা উপাসনা পালন কৰাকেই ধৰ্ম পালন কৰা নুবুজায়। এই আন্দোলন কেৱল পূজা-পাতল, দোৱা- প্ৰাৰ্থনাতেই সীমাবদ্ধ নহয়। মানৱৰ ব্যক্তিগত জীৱন, পাৰিবাৰিক জীৱন, ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক, আন্তৰ্জাতিক এইসকলোবোৰ দিশ এই আন্দোলনে সামৰি লৈছে। মুঠতে মানুহক মানুহৰ দাসত্বৰ পৰা মুক্ত কৰা, মানুহৰ মাজত উচ্চ নীচৰ ভেদাভেদ দূৰ কৰা, যোগ্যতাৰ ভিত্তিত সকলোকে সম অধিকাৰ দিয়া, সমাজৰ পৰা দুৰ্নীতি, শোষণ, অন্যায়-অবিচাৰ, অন্ধবিশ্বাস, কু-সংস্কাৰ ইত্যাদি সম্পূৰ্ণৰূপে উৎখাত কৰি মানৱক প্ৰকৃত গৰাকীজনক পৰিচিত কৰাই দিয়াৰ লগতে সমাজত শান্তি প্ৰতিষ্ঠা কৰাই হ'ল এই আন্দোলনৰ উদ্দেশ্য আৰু লক্ষ্য। এই দুনিয়ালৈ যিমানবোৰ নবী আহিছে সকলোৱেই এই উদ্দেশ্য আৰু লক্ষ্যক প্ৰতিষ্ঠা কৰিবলৈ সংগ্ৰাম কৰিছে। ইয়াৰ বাবে তেওঁলোকে বহুতো দুখ-কষ্টও স্বীকাৰ কৰিবলগীয়া হৈছে। এই সত্য প্ৰতিষ্ঠাৰ আহ্বানৰ বাবেই ফিৰাউনে মুছা (আঃ)ক হত্যা কৰিবলৈ নিৰ্দেশ দিছিল, নমৰূদে ইব্ৰাহিম (আঃ)ক অগ্নিকুণ্ডত নিক্ষেপ কৰিছিল, ইছা (যীশু) (আঃ)ক শূলবিদ্ধ কৰাৰ ষড়যন্ত্ৰ কৰিছিল আৰু সৰ্বশেষত হজৰত মোহাম্মাদ (ছঃ)ক পাগল বুলি যাদুকৰ বুলি কৈছিল আৰু বিভিন্ন অত্যাচাৰেৰে দেহ ক্ষত-বিক্ষত কৰিছিল। এনে ধৰণৰ জুলুম অত্যাচাৰ, মৃত্যুৰ ভাবুকি শিৰত লৈ প্ৰবল বিৰোধিতা নেওচি তেওঁলোকে এই আন্দোলন চলাই গৈছিল একমাত্ৰ মানৱৰ শান্তিৰ বাবে। যাৰ বাবে হেজাৰ হেজাৰ লোকে এই আন্দোলনত স্বইচ্ছাই যোগ দিছিল আৰু যাৰ ধাৰাবাহিকতা আজিও চলি আছে। পশ্চিমীয়া দেশবোৰে এই আন্দোলনৰ ইমান সমালোচনা কৰা সত্বেও আজিও বিশ্ব বিখ্যাত বহু কবি, সাহিত্যিক, দাৰ্শনিক, বৈজ্ঞানিক, খেলুৱৈসকলে পৈত্ৰিক ধৰ্ম এৰি স্বইচ্ছাই এই আন্দোলনত যোগদান কৰি আছে; এই আন্দোলনৰ কি কাৰ্যসূচীয়ে এনে বিখ্যাত ব্যক্তিসকলৰ মন-মগজুক আকৰ্ষিত কৰিছে সেই লৈ আজি সমগ্ৰ বিশ্বতে চৰ্চিত হৈছে, গৱেষণাও চলি আছে? সেয়ে এই আন্দোলনৰ এজেণ্ডাসমূহৰ মূল কথাখিনি দাঙি ধৰা হ'ল—

**এজন সৃষ্টিকৰ্তাঃ** এই আন্দোলনৰ প্ৰথম আহ্বান হৈছে যে এই বিশ্ব ব্ৰহ্মাণ্ড এনেয়ে গঠিত হোৱা নাই। ইয়াৰ সৃষ্টিকৰ্তা আছে। সেই সৃষ্টিকৰ্তাজনেই হ'ল আল্লাহ আৰু তেওঁ হ'ল এজন। তেওঁৰ কোনো অংশী নাই। তেঁৱেই একমাত্ৰ সাৰ্বভৌম ক্ষমতাৰ মালিক। তেওঁৰ এই অসীম ক্ষমতাৰ বলেৰে সমগ্ৰ বিশ্বব্ৰহ্মাণ্ডখন সৃষ্টি কৰি মানৱ জাতিক সকলো সৃষ্টি বস্তুৰ শ্ৰেষ্ঠ হিচাপে সৃষ্টি কৰিছে। তেৱেঁই একমাত্ৰ আইনদাতা, জীৱিকা দাতা, জন্ম-মৃত্যুৰ মালিক। গতিকে সৃষ্টি বস্তুৰ পৰা উপাসনা পোৱাৰ তেৱেঁই একমাত্ৰ যোগ্য। নবীসকলক আল্লাহে পঠাইছে। তেওঁলোক কোনো দেৱ-দেৱী, ফিৰিস্তা বা ঈশ্বৰৰ অৱতাৰ নহয়। মানুহে কোন পথত কেনেদৰে চলিলে মানৱৰ মাজত শান্তি আহিব আৰু আল্লাহৰ অনুগ্ৰহ প্ৰাপ্ত হ'ব সেই বিষয়ে জনাই দিবৰ বাবে মানৱৰ পৰাই এই ব্যক্তিসকলক নিৰ্বাচিত কৰা হৈছে। সেই কাৰণে পৱিত্ৰ কোৰআনত তেওঁলোকক সুসংবাদদাতা, সতৰ্ককাৰী বুলি কোৱা হৈছে। নবী সকলেও মানুহৰ সন্মুখত তাকেই কৈছে আৰু জীৱনৰ প্ৰত্যেকটো দিশতে আল্লাহৰ নিৰ্দেশিত পথত চলি মানৱক দেখুৱাই গৈছে। সেয়ে মানৱৰ মুক্তি আৰু শান্তিৰ বাবে এই নবীসকলেই হ'ল একমাত্ৰ অনুসৰণীয় অনুকৰণীয় ব্যক্তি। আন কোনো মানৱ হ'ব নোৱাৰে। ইছলামত আদম, ইব্ৰাহীম, মুছা, ইছা, মোহাম্মাদ আদি বিশিষ্ট ব্যক্তিসকলক নবী বুলি গণ্য কৰে। খৃষ্টান সকলৰ মতে যথাক্ৰমে Adam, Abraham, Mosses, Jesus আদি নামেৰে জনাজাত। এই আন্দোলনৰ আন এটা মুখ্য 'এজেণ্ডা' হ'ল—

**পৰকাল ঃ** পৰকালৰ স্বীকৃতি এই আন্দোলনৰ অন্যতম এজেণ্ডা। মানুহৰ মৃত্যু হোৱাৰ লগে লগে জীৱনৰ অন্ত পৰা বুলি যি ধাৰণা কৰা হয় সেয়া ভ্ৰান্ত বুলি কোৱা হৈছে। মৃত্যুৰ পিছতে স্থায়ী জীৱন আৰম্ভ হয় বুলিহে কোৱা হৈছে। এই দুনিয়াখন কেৱল মানৱৰ ক্ষন্তেকীয়া কৰ্মস্থল হে। এই দুনিয়াত কৰা কৃত কৰ্মৰাজিৰ পুংখানুপুংখভাৱে হিচাপ দিব লাগিব সেই জগতত। এই হিচাপৰ ওপৰতে ই মানৱৰ পুৰস্কাৰ বা শাস্তিৰ ফয়চালা কৰা হ'ব।

**ৰাজনৈতিক ক্ষেত্ৰত ঃ** মানৱ জীৱন পৰিচালনাৰ বাবে আল্লাহৰ আইন-কানুনৰ বাহিৰে আন কোনো মানৱ ৰচিত আইন-কানুনক এই আন্দোলনে স্বীকৃতি নিদিয়ে। স্ৰষ্টাইহে জানে সৃষ্টিৰ খবৰ। সেয়ে মানৱৰ সৃষ্টিকৰ্তা যিহেতু আল্লাহ, সেয়ে তেওঁহে কেৱল জানে কেনেধৰণৰ আইন-কানুনত মানুহৰ মাজত শান্তি আহিব। সেয়ে সকলো ঐশ্বী কিতাপৰ মূল 'আৰু শেষ কিতাপ পৱিত্ৰ কোৰআনখনেই ইছলামী আইনৰ মূল উৎস। এই সংবিধানৰ আধাৰতেই দেশৰ শাসন ব্যৱস্থা পৰিচালিত হ'ব। এই আন্দোলনে এই কাৰণেই মানুহক আইন-কানুন ৰচনা কৰাৰ অধিকাৰ দিয়া নাই যিহেতু মানুহ নিজ স্বাৰ্থৰ পৰা কেতিয়াও মুক্ত নহয়। মানৱীয় দুৰ্বলতাৰে মানৱৰ মন-মগজু গঠিত। সেয়ে সীমিত জ্ঞান তথা মানৱীয় দুৰ্বলতাৰে ৰচনা কৰা আইন এচামৰ স্বাৰ্থৰ পিনে আন এচামৰ স্বাৰ্থৰ অনুকূলে যোৱাটো তেনেই স্বাভাৱিক। যাৰ বাবে মানৱৰ মাজত অশান্তিয়ে বিৰাজ কৰিব। তদুপৰি কোনো মানুহে যেতিয়া আইন-কানুন ৰচনা কৰাৰ সৰ্বোচ্চ ক্ষমতা পায় তেতিয়া সেই ক্ষমতাৰে তেওঁ মানৱৰ মাজত কিমান হিংস্ৰ হৈ বিভীষিকাৰ সৃষ্টি কৰিব পাৰে তাৰে জ্বলন্ত উদাহৰণ ফিৰাউন, নমৰুদ, হিটলাৰ আদি ব্যক্তিসকল। ইয়াৰ উপৰি এই আন্দোলনে দেশৰ শাসন ক্ষমতা পৰিচালনৰ ভাৰ তেওঁকহে দিয়াৰ পক্ষপাতি যিজনে আটাইতকৈ বেছি আল্লাহক ভয় কৰে। যিজনে ভাৱে যে তেওঁ ৰাষ্ট্ৰপ্ৰধান হ'লেও সাধাৰণ প্ৰজাৰ দৰেই এজন প্ৰজা। ক্ষমতা নহয় দায়িত্ব দিছে। সেয়ে নিজস্ব

স্বাৰ্থৰ উৰ্ধত থাকি প্ৰজাৰ হকেই ক্ষমতাৰ ব্যৱহাৰ কৰাটোৱেই মোৰ কৰ্ম আৰু দায়িত্ব। ইছলামী শাসনৰ ৰাষ্ট্ৰপ্ৰধান (খলিফা) হজৰত আবুবকৰ, ওমৰ, ওচমান (ৰাঃ) সকলে সেই আদৰ্শই দেখুৱাই থৈ গৈছে। তেওঁলোকে প্ৰজাসকলক কৈছিল যে, 'আমি খলিফা হ'লেও তোমালোকৰ দৰে সাধাৰণ মানুহ। সেয়ে আমাক তেতিয়ালৈকেহে মানিবা, আনুগত্য কৰিবা যেতিয়ালৈকে আমি সংবিধানৰ আধাৰত শাসন চলাম। সংবিধানৰ বাহিৰত গ'লেই আমাক বৰ্জন কৰিবা।'

**অৰ্থনৈতিক ক্ষেত্ৰত ঃ** অৰ্থনৈতিক ক্ষেত্ৰত এই আন্দোলনৰ দাবী হ'ল যে, ধনীসকলে বছৰেকীয়া হিচাপত নিজৰ প্ৰয়োজনীয় খৰচৰ পাছত যি ধন জমা থাকে সেই জমা ধনৰ এটা নিৰ্দিষ্ট অংশ গৰিব-দুখীয়াক দিব লাগিব। যাক ইছলামী পৰিভাষাত জাকাত বুলি কোৱা হয়। অৰ্থনৈতিক ক্ষেত্ৰত এই আন্দোলনে জাকাত ফিৎৰা আৰু অন্যান্য দান-খয়ৰাৎ কৰাৰ ক্ষেত্ৰত নিৰ্দেশ জাৰি কৰি যি দৃষ্টিভংগী দাঙি ধৰিছে তাৰ সাৰমৰ্ম হ'ল এই যে ধন এটা স্থানত জমা হৈ থাকিব নোৱাৰে। ধনবান ব্যক্তিসকলে সিহঁতৰ উচ্চতৰ যোগ্যতা আৰু সৌভাগ্যৰ কাৰণে নিজৰ প্ৰয়োজনতকৈ যি অতিৰিক্ত ধন সম্পদ আহৰণ কৰিব, এই আন্দোলনে বিচাৰে তেওঁ যাতে এই সম্পদ পঞ্জীভূত কৰি নাৰাখে বৰং এইবোৰ ব্যয় কৰে আৰু এনেকুৱা ক্ষেত্ৰত ব্যয় কৰে যৰ পৰা ধনৰ আৱৰ্তনৰ ফলত সমাজত সীমিত ধনৰ ব্যক্তিয়েও যথেষ্ট অংশ লাভ কৰিবলৈ সক্ষম হয়। সেয়ে দেশৰ অৰ্থনৈতিক ভাৰসাম্য স্থাপনত বিশেষকৈ এই জাকাত আদায়ে যি ভূমিকা পালন কৰে সেয়া এবাৰ চৰকাৰীভাৱে আদায় প্ৰক্ৰিয়া আৰম্ভ কৰিলেই প্ৰমাণিত হ'ব।

**(খ) সুদঃ** এই আন্দোলনে সুদ নিষিদ্ধ কৰিছে। সুদ লোৱা-দিয়া উভয়ৰ বিৰুদ্ধেই যুদ্ধ ঘোষণা কৰিবলৈ কৈছে। কাৰণ সুদ হ'ল গৰীব, দুখীয়াসকলক উপকাৰ কৰাৰ ছলেৰে অভাৱৰ সুযোগ লৈ শোষণ কৰাৰ এটা নীৰৱ পাৰমাণৱিক অস্ত্ৰ। তাৰ উপৰি সুদ খোৱাসকলৰ নৈতিকতা, মানৱতাৰ চৰিত্ৰ শেষ হৈ গৈ গৈ এনে নিষ্ঠুৰ অৱস্থা পায়গৈ যে মানৱৰ প্ৰতি সামান্যতম দয়া-সহানুভূতি সিহঁতৰ অন্তৰত বিচাৰি পোৱা নাযায়।

**(গ) ঘোচ ঃ** এই আন্দোলনে সুদৰ দৰে ঘোচ দিয়া লোৱাকো নিষিদ্ধ কৰিছে। কাৰণ ঘোচ ব্যৱস্থাই সদায় প্ৰাপ্যজন বঞ্চিত হয়। অনুপযুক্তসকলে ঘোচৰ দ্বাৰা যোগ্যজনৰ স্থান দখল কৰে। গতিকে যেতিয়াই প্ৰাপ্য বা যোগ্যজনৰ ঠাইত অযোগ্যজনে ক্ষমতাত বহিব তেতিয়াই তাত দুৰ্নীতি হ'ব। যাৰ বাবেই হয়তো মাও চে টুং এ কৈছিল যে ক্ষমতাই মানুহক দুৰ্নীতি পৰায়ণ কৰি নোতোলে, ক্ষমতা যদি মূৰ্খৰ হাতত বা অনুপযুক্তসকলৰ হাতত পৰে তেতিয়াহে ক্ষমতাৰ অপব্যৱহাৰ হয়।

**জুৱা-লটাৰী ঃ** এই আন্দোলনৰ এজেণ্ডাত জুৱা-লটাৰী নিষিদ্ধ। কাৰণ জুৱা-লটাৰীয়ে মানুহক অৰ্থলোভী বনাই নিমিষতে ভিক্ষাৰীত পৰিণত কৰে। অনিশ্চয়তাৰ লাভৰ এই খেলত দুই এজনে লাভবান হ'লেও অধিকাংশই পৰিশ্ৰম কৰি উপাৰ্জন কৰা ধন নিমিষতে হেৰুৱাই জোলোঙা হাতত ল'বলগীয়া হয়। এই আন্দোলনে নিবিচাৰে যে কেইটামান গুটিৰ নিৰ্দিষ্ট কেইটামান চিন নিমিলাৰ বাবেই বা মিলাৰ বাবেই এজনৰ সমস্ত ধন আন এজনে লাভ কৰক। অধিক লাভৰ অংশত এই খেলত অংশগ্ৰহণ কৰি বহুতে নিজৰ সকলো ধন হেৰুৱাই পেলাই অৱশেষত আত্মহত্যা বা বিভিন্ন অপৰাধমূলক কামত লিপ্ত হোৱা দেখা যায়।

**সামাজিক ক্ষেত্ৰত ঃ**

**(ক) উচ্চ-নীচৰ ভেদাভেদ খণ্ডন ঃ** এই আন্দোলনে মানৱৰ মাজত থকা আকাশ-পাতাল পাৰ্থক্যক খণ্ডন কৰি কয়

যে, সকলো মানুহ সমান মৰ্যাদাসম্পন্ন। কাৰো ক'তো কোনো পাৰ্থক্য নাই। বগা বা ব্ৰাহ্মণৰ ঘৰত জন্ম হ'ল বুলিয়েই যে তেওঁ সন্মানিত বা উচ্চ মৰ্যাদাৰ হ'ব আৰু ক'লা মুচীয়াৰৰ ঘৰত জন্ম হোৱা বাবেই যে তেওঁ অসন্মানিত বা মৰ্যাদাৰ যোগ্য নহ'ব এয়া কেতিয়াও হ'ব নোৱাৰে। জাত- পাত, বংশ-সম্প্ৰদায় অনুযায়ী মানুহৰ মাজত কোনো পাৰ্থক্য এই আন্দোলনে স্বীকৃতি নিদিয়ে আৰু হ'বও নোৱাৰে। পাৰ্থক্য মাথো মানুহৰ স্বভাৱ-চৰিত্ৰ, যোগ্যতা, কাৰ্যদক্ষতা তথা চিন্তাধাৰাৰ ক্ষেত্ৰত।

**মদ ঃ** এই আন্দোলনে মদক সম্পূৰ্ণৰূপে নিষিদ্ধ কৰিছে। কাৰণ মদ খোৱাৰ লগে লগে মানুহ এজন মানুহ হৈ নাথাকে। এই মদে মানুহৰ বিবেকক এনে ভাৰসাম্যহীন কৰি তোলে যে সি পশুতকৈয়ো নিকৃষ্ট হৈ পৰে। মদ পান কৰি বিবেকহীন হৈ মানুহ এজনে যিকোনো কামকে কৰিবলৈ কুণ্ঠাবোধ নকৰে। মদ পান কৰি বেলেঞ্চহীন হৈ কিছুমানে যে কিমানজনক হত্যা কৰি পাছত অনুতাপ কৰিবলগীয়া হৈ আছে তাৰ কোনো হিচাপ নাই। সেয়ে যি বস্তু খোৱাৰ লগে লগে সুস্থ, পৱিত্ৰ, জ্ঞানী-বিবেকক জ্ঞানহীন, ভাৰসাম্যহীন কৰি মানুহ এজনক পশুৰ পৰ্যায়লৈ লৈ যায় তেনে বস্তু খোৱাক এই আন্দোলনে কেতিয়াও সমৰ্থন নকৰে।

**(গ) পৰচৰ্চা ঃ** গীবত বা পৰচৰ্চাৰ অৰ্থ হ'ল মানুহ এজনৰ অনুপস্থিতিত তেওঁৰ চৰিত্ৰ বা কাৰ্যকলাপৰ নেতিবাচক সমালোচনা কৰা। মানুহৰ মাজত সন্দেহ, হিংসা অবিশ্বাস, বিদ্বেষ, বিচ্ছেদ ইত্যাদি সৃষ্টি কৰাৰ মুখ্য অস্ত্ৰ হ'ল এই গীবত। আজি আমাৰ পৰিয়াল তথা সমাজত যিমানবোৰ হাই-কাজিয়া, বিশৃংখল-ভাঙোনৰ সৃষ্টি হৈছে তাৰ মুখ্য অৰিহণা যোগাইছে এই গীবতে। সেয়ে পৱিত্ৰ কোৰআনে এই গীবতৰ বিষয়ে কৈছে যে 'তোমালোকে এজনে আনজনৰ গোপন কথা অনুসন্ধান কৰি নুফুৰিবা। আৰু এজনে আনজনৰ নিন্দাও নকৰিবা। তোমালোকৰ কোনোবাই জানো মৃত ভাতৃৰ মঙহ খাবলৈ ভাল পাবা? নিশ্চয় নোপোৱা, তোমালোকৰ বিতৃষ্ণাহে হ'ব। (ছুৰা হুজুৰাত, আয়াত-১২) সেয়ে এনেবোৰ কাৰণত এই আন্দোলনে গীবতক নিষিদ্ধ কৰিছে।

**(ঘ) পৰ্দা ঃ** এই আন্দোলনে পুৰুষ-নাৰী উভয়কে পৰ্দা ব্যৱহাৰ কৰিবলৈ কৈছে যদিও নাৰীৰ বাবে বাধ্যতামূলক কৰিছে। কাৰণ নাৰীৰ মান-মৰ্যাদা, সৌন্দৰ্য আৰু পুৰুষৰ কু-দৃষ্টি-কু-কামনাৰ পৰা ৰক্ষাৰ বাবে পৰ্দাৰ বাহিৰে আন বিকল্প নাই। পৰ্দাহীন নাৰী এজনীয়ে পুৰুষৰ মন মানসিকতাক কিমান বেয়া কৰিব পাৰে আৰু তাৰ ফলত কিমান অপৰাধমূলক কাম সংঘটিত হ'ব পাৰে আৰু হৈ আছে সেয়া আৰু বৰ্ণনা কৰাৰ প্ৰয়োজন নাই। সেয়ে এনেবোৰ কাৰণত এই আন্দোলনে নাৰীক পৰ্দাৰ স'তেহে যি কোনো কাম কৰাৰ অনুমতি দিয়ে। ইয়াতে উল্লেখ কৰা ভাল যে পৰ্দা মানে মহিলাক কাপোৰেৰে সৰ্বশৰীৰ ঢাকি ঘৰৰ ভিতৰত আৱদ্ধ কৰি থোৱা নুবুজাই। পৰ্দা হ'ল শালীনতা বা আহল-বহল পোছাক পৰিধান কৰা। যি পোছাকে মহিলাৰ শৰীৰৰ লোভনীয় অংগসমূহ পুৰুষৰ কু-দৃষ্টিৰ পৰা ৰক্ষা কৰে।

**(ঙ) জ্বিনা-ব্যভিচাৰ ঃ** এই আন্দোলনে অবৈধ জ্বিনা ব্যভিচাৰক নিষিদ্ধ কৰাৰ লগতে এই কামত লিপ্ত হোৱাসকলক কঠোৰ শাস্তিৰ কথা কৈছে। এই আন্দোলনৰ সংবিধান মতে নিজৰ স্ত্ৰী আৰু অধিকৃত দাস (অৱশ্যে এই দাস ব্যৱস্থা এতিয়া নাই)ৰ বাহিৰে অন্যক কামনা কৰিলেই সি সীমালংঘনকাৰী (ছুৰা মুমিনৰ ছয় নম্বৰ আয়াতৰ বৰ্ণনা) হ'ব। বিবাহিত পুৰুষ মহিলাই ব্যভিচাৰত লিপ্ত হ'লে তেওঁলোকক ১০০ বাৰ কৈ চমটা মাৰা বা শিল দলিয়াই সিহঁতক মৃত্যুদণ্ড দিয়াৰ নিৰ্দেশ এই আন্দোলনৰ সংবিধান আৰু আইনজ্ঞসকলে দিছে। কাৰণ হ'ল নিজৰ স্ত্ৰীবাদে বহু মহিলাৰ লগত অবৈধ সম্বন্ধ কৰিলে স্বামী-স্ত্ৰীৰ মাজত আৰু সমাজত কিমান পৰিমাণৰ

সন্দেহ, হিংসা, বিদ্বেষৰ সৃষ্টি হৈ কাজিয়া দ্বন্দ্ব সংঘটিত হয় সেয়া নিশ্চয় কাৰো নজনা নহয়। তাৰ উপৰি বহুজনৰ লগত অবৈধ সম্বন্ধৰ বাবে কেনে ভয়ানক বেমাৰৰ সৃষ্টি হয় সেয়া বৰ্তমান চৰকাৰৰ দ্বাৰা প্ৰচাৰিত 'এড্‌চ' বেমাৰেই প্ৰমাণিত কৰিছে।

**সৎ সন্তান গঠনত পিতৃ-মাতৃৰ দায়বদ্ধতা ঃ** এই আন্দোলনৰ এজেণ্ডা মতে পিতৃ-মাতৃসকলে অকল সন্তান জন্ম দি ডাঙৰ-দীঘল কৰিলেই নহ'ব। তাৰ লগতে সেই সন্তানক আচল সৃষ্টিকৰ্তাজনক চিনাই দিয়াৰ লগতে সমাজৰ বাবে দেশৰ বাবে মানৱৰ বাবে উপকাৰী কৰি তুলিব লাগিব। পিতৃ-মাতৃৰ অৱহেলা বা ভুলৰ বাবে যদি সন্তান দেশৰ বাবে মানুহৰ বাবে অনিষ্টকাৰী অশান্তিকাৰী হৈ যায় তেন্তে তাৰ বাবে পিতৃ-মাতৃ দায়ী হোৱাৰ লগতে কঠোৰ শাস্তি ভোগ কৰিব লাগিব সেই পিতৃ-মাতৃয়ে।

**(ছ) বৃদ্ধ-পিতৃ-মাতৃৰ প্ৰতি সন্তানৰ দায়িত্ব ঃ** এই আন্দোলনে আকৌ সন্তানক কঠোৰ নিৰ্দেশ দি কৈছে যে, পিতা-মাতা বৃদ্ধ হ'লে তেওঁলোকৰ সেৱা-শুশ্ৰূষা ভৰণ-পোষণৰ সকলো দায়িত্ব তেওঁলোকে কৰিব লাগিব। কাৰণ অকল মানুহেই এনে এটা জীৱ যিয়ে বৃদ্ধ হ'লে আনৰ সহায় নোলোৱাকৈ চলিব নোৱাৰে। সেয়ে মানুহ বুঢ়া হ'লে যাতে অসহায় হৈ কষ্ট নিৰ্যাতনত ভুগিব লগা নহয় তাৰ বাবে আগতীয়াকৈ ব্যৱস্থা কৰি সেই দায়িত্ব সন্তানক দিছে। যিহেতু এই সন্তানকে অশেষ দুখঃ কষ্ট কৰি পিতৃ-মাতৃয়ে লালন-পালন কৰিছিল। আজি পশ্চিমীয়া দেশবিলাকে ব্যস্ততাৰ দোহাই দি বৃদ্ধ পিতৃ-মাতৃক বৃদ্ধ আশ্ৰমত থৈছে। আনৰ দ্বাৰা টকাৰ দ্বাৰা পিতৃ-মাতৃক লালন-পালন কৰিছে। আমাৰ দেশতো তেনে ব্যৱস্থা দুই এঠাইত চলি আছে। এয়াই জানো বুকুৰ তেজ খুৱাই কপালৰ ঘাম মাটিত পেলাই লালিত-পালিত কৰা সন্তানৰ পৰা বৃদ্ধ পিতৃ-মাতৃয়ে বিচাৰে? অৱশ্যে সুখবৰ যে তেনে ব্যৱস্থা আমাৰ দেশত হোৱাৰ পৰিৱৰ্তে সৌসিদিনা চৰকাৰে এই এজেণ্ডাক বাস্তৱ ৰূপ দিয়াৰ বাবে ৬০ বছৰৰ ওপৰত বৃদ্ধ পিতৃ-মাতৃক ভৰণ-পোষণ দিয়াটো সন্তানৰ বাবে বাধ্যতামূলক বুলি ঘোষণা কৰিছে।

গতিকে উপৰোক্ত এজেণ্ডাবোৰেই হ'ল এই ইছলাম নামৰ আন্দোলনটোৰ মূল কথা। এই আন্দোলনৰ প্ৰত্যেকটো এজেণ্ডায়েই মানৱৰ মাজত ন্যায়, সততা, বিশ্বাস, প্ৰতিষ্ঠা কৰাৰ লগতে অন্যায়, অবিচাৰ, দুৰ্নীতি শোষণ দূৰ কৰে। সেয়ে সমাজত যেতিয়া অন্যায়, অবিচাৰ, দুৰ্নীতি, শোষণ দূৰ হৈ ন্যায়, সমতা, বিশ্বাস প্ৰতিষ্ঠা হ'ব তেতিয়া সমাজত শান্তি প্ৰতিষ্ঠা হোৱাটো অৱশ্যাম্ভাৱী। সেয়ে এই আন্দোলন! মানে ইছলামৰ অৰ্থ হ'ল 'শান্তি'। গতিকে জাতি বৰ্ণ, ভাষা, ধৰ্ম নিৰ্বিশেষে প্ৰত্যেক শান্তিকামী মানৱ মাত্ৰেই এই ইছলাম নামৰ আন্দোলনটোৰ সক্ৰিয় কৰ্মী হোৱাটো উচিত নহ'বনে?◆

ফোনঃ ৯৫৭৭১৫৯৭২১

*সঠিককৈ নুবুজা বস্তু এটাৰ প্ৰশংসা কৰাটো বেয়া, কিন্তু তাতকৈ বেয়া সঠিককৈ নুবুজা বস্তু এটাৰ নিন্দ কৰাটো*

*লিওনাৰ্ডো দা ভিঞ্চি*

# জীৱনজোৰা বঁটাৰে সন্মানিত আব্দুল মজিদ আৰু আমাৰ সম্বৰ্দ্ধনা

অসমৰ ছবি জগতত এক সুকীয়া স্থান লৈ ৮৪ বছৰ গৰকা চফল ডেকাজন এতিয়াও চিনেমা কৰাৰ মনোবলেৰে আমাৰ মাজত বিদ্যমান। নামেই পৰিচয় হৈ পৰা এই তৰুণজন হ'ল আব্দুল মজিদ। আল-আমিন জনকল্যাণ সমাজৰ গৌৰৱ-মজিদ চাহাব আমাৰ সংগঠনৰ ১১ জনীয়া প্ৰতিষ্ঠাপক সদস্যৰ এজন।

প্ৰয়াত আব্দুল মুনাফ আৰু প্ৰয়াত নুৰ বিবি ("লখিমী" নামেৰে সকলোৰে পৰিচিত) ৰ প্ৰথম সন্তান মজিদ চাহাবৰ ১৯৩১ চনৰ নবেম্বৰ মাহৰ ১৬ তাৰিখত যোৰহাটৰ পুৰণা বালিবাটত জন্ম হয়। যোৰহাট নগৰতে শিক্ষা জীৱনৰ পাতনি মেলা আব্দুল মজিদৰ অভিনয় জীৱনৰো পাতনি আৰম্ভ হয় যোৰহাট থিয়েটাৰ মঞ্চত ১৯৫০ চনত। তাৰাশঙ্কৰ বন্দোপাধ্যায়ৰ বঙালি নাটক 'বিংশ শতাব্দীৰ" অসমীয়া ৰূপান্তৰত প্ৰথম অভিনয়েৰে শিল্পীৰ জগতত ভৰি থৈ পাছলৈ আৰু ঘূৰি চাব লগা হোৱা নাই তেখেতে। কেৱল অভিনেতাই নহয়, এতিয়া দক্ষ পৰিচালক হিচাপেও সুনাম অৰ্জন কৰি বহু সন্মান লাভ কৰিছে আৰু পুৰস্কৃত হৈছে।



এইখিনিতে উল্লেখ থাকিল যে যোৰহাটৰ বিদ্যুৎ বিভাগত কাৰ্য নিৰ্বাহ কৰা আব্দুল মজিদক সেই সময়ৰ বিদ্যুৎ পৰিষদৰ চেয়াৰমেন কৰ্ণেল উমা শৰ্মাই নতুন পদ সৃষ্টিৰে নাটকৰ বাবেই গুৱাহাটীলৈ বদলি কৰি আনে ১৯৮১ চনত। শেষত পৰিয়ালসহ গুৱাহাটীৰ বাসিন্দা হৈ ১৯৯০ চনত অৱসৰ লয় আৰু শিল্পীৰ জগতত সোমায় পৰে।

যোৰহাটৰ তেতিয়াৰ বিখ্যাত 'মিলিত শিল্পী সমাজ' নামৰ সংগঠনটোৰ জৰিয়তে প্ৰয়াত নিপ বৰুৱাৰ পৰিচালনাত ১৯৫৭ চনত আব্দুল মজিদে অভিনয় কৰা 'ৰঙা পুলিচ' নামৰ ছবিখনে ১৯৫৯ চনত ৰাষ্ট্ৰপতিৰ ৰূপৰ পদকৰে সন্মানিত হৈছিল। তেখেতে অভিনয় কৰা ছবি "চামেলি মেম চাহাবে" ২৩ সংখ্যক ৰাষ্ট্ৰীয় চলচিত্ৰ মহোৎসৱত অসমীয়া ভাষাৰ শ্ৰেষ্ঠ চিনেমা হিচাপে "ৰজত কমল" বঁটা লাভ কৰে। এইখন চিনেমাতে ড° ভূপেন হাজৰিকাই শ্ৰেষ্ঠতম সঙ্গীত পৰিচালক হিচাপে "স্বৰ্ণকমল বঁটা" লাভ কৰে। বৰ্তমানলৈকে অভিনয় আৰু পৰিচালনা কৰা ৩৭ খনৰো অধিক ছবিৰ উপৰিও দূৰদৰ্শনত বহু নাটকত অভিনয় আৰু পৰিচালনা কৰাৰ উপৰিও বহু নিজে লিখা নাটক মঞ্চস্থ কৰিছে।

অভিনয় জীৱনত তেখেতক জনোৱা সন্মান আৰু সম্বৰ্দ্ধনাৰ বিশেষ কেইটামান বঁটাৰ ভিতৰত আছে ১৯৮৮ - ১৯৯২ চনৰ সময়ছোৱাৰ দূৰদৰ্শনৰ নাটক 'নামঘৰীয়া'ৰ বাবে শ্ৰেষ্ঠ পৰিচালকৰ বঁটা, ১৯৯৬ চনত অসম চৰকাৰে দিয়া 'বিষ্ণু প্ৰসাদ ৰাভা' বঁটা, ১৯৯৯ চনত অসম ট্ৰিবিউন কাকত গোষ্ঠীৰ তৰফৰ আগবঢ়োৱা "*জীৱন জোৰা সাধনা বঁটা*"। ব্ৰহ্মপুত্ৰ উপত্যকা ফিল্ম সংস্থায়েও সৌ সিদিনা 'জীৱন জোৰা সাধনা বঁটা'ৰে সন্মান জনায়। *আল-আমিন সমাজেও* যোৱা এপ্ৰিল মাহৰ ২৬ তাৰিখে পাঞ্জাবাৰীৰ নামঘৰ পথত থকা তেখেতৰ বাস গৃহত সন্মান জনাই দীৰ্ঘায়ু কামনাৰে দোৱা কৰে।

# আল-আমিন জন কল্যাণ সমাজ

**গুৱাহাটী- অসম**

## দ্বাদশ বাৰ্ষিক অধিৱেশন, ২০১৫ চন

**স্থান ঃ বিষ্ণু নিৰ্মলা ভৱন**

**তাৰিখ ঃ ১৪-০৬-১৫**

***(বাৰ্ষিক কাৰ্য্য প্ৰতিবেদন)***

**বিচমিল্লাহিৰ ৰহমানিৰ ৰহিম**

জোনাব চাহেব / চাহেবা

আচ্ছালামু আলেইকুম

বাৰ্ষিক প্ৰতিবেদন পঢ়াৰ আৰম্ভণিতে উপস্থিত সুধীবৃন্দ তথা ৰাইজক জনাব বিচাৰো যে বিগত ২৪-২-১৫ তাৰিখে ড° মহম্মদ চাহেৰ চাহেবৰ বিয়োগে অসম শৈক্ষিক সমাজৰ এক অপূৰণীয় ক্ষতিৰ লগতে আল-আমিন জন কল্যাণ সমাজৰ ওপৰত এক মোক্ষম আঘাত পৰে। আল-আমিন জন কল্যাণ সমাজৰ পিতা-মহ স্বৰূপ, আল-আমিন জন কল্যাণ সমাজৰ পুথি প্ৰণয়ন আৰু প্ৰকাশন উপদেষ্টা সমিতিৰ সভাপতি তথা সম্পাদনা সমিতিৰ মুখ্য সম্পাদকৰ বিয়োগে আমাক মৰ্মান্তিক আঘাত দিয়ে। তেখেতৰ সবল নেতৃত্বত আল-আমিন জন কল্যাণ সমাজে ইতিমধ্যে 'অসমৰ মুছলমান ঃ ইতিহাস আৰু সমাজ', 'অসমৰ মুছলমান ঃ অসমীয়া সাহিত্য আৰু সংস্কৃতিলৈ অৱদান' নামৰ দুখনি গ্ৰন্থ প্ৰকাশ কৰি উলিয়াইছে। তৃতীয় খণ্ড 'অসমৰ মুছলমান ঃ ঐতিহ্য 'নামৰ গ্ৰন্থ খনৰো সম্পাদনা শেষ কৰি তেখেতৰ গধুৰ দায়িত্ব সম্পন্ন কৰি যায়। স্মৰ্ত্তব্য যে তেখেতে মৃত্যুৰ আগ মুহূৰ্তলৈকে এই প্ৰকল্পৰ কামত বৰ্ত্তী আছিল। আমি ভাবিব পৰা নাছিলো, তেখেতে আমাৰ মাজৰ পৰা ইমান সোনকালে মেলানি মাগিব বুলি! আল-আমিনৰ প্ৰত্যেক জন শোকাকুল সদস্য / সদস্যাই তেখেতক স্মৰণ কৰি তেখেতে দেখুৱাই যোৱা বাটেৰে অগ্ৰসৰ হ'বলৈ প্ৰতিজ্ঞা বদ্ধ। তেখেতক স্মৰণ কৰি 'অসমৰ মুছলমান ঃ ঐতিহ্য' নামৰ গ্ৰন্থখন তেখেতৰ নামত উছৰ্গা কৰা হৈছে। তাৰোপৰি কাৰ্য্যকৰী সমিতিৰ বিবেচনা ক্ৰমে প্ৰতি বছৰে তেখেতৰ নামত 'স্মাৰক বক্তৃতা অনুষ্ঠিত কৰি তেখেতৰ স্মৃতি আমাৰ মাজত, ৰাইজৰ মাজত সজীৱ কৰি ৰখাৰ প্ৰয়াস কৰিম। বিগত ২৬-২-১৫ তাৰিখে এখনি শোক সভা পাতি বিদেহী আত্মাৰ সদগতিৰ কামনা কৰি শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰা হয় আৰু এক প্ৰেছ বিজ্ঞপ্তি প্ৰকাশ কৰা হয়।

আল-আমিন জন কল্যাণ সমাজৰ ২০১৩-১৪ বৰ্ষৰ (প্ৰথম এপ্ৰিল ২০১৩ চনৰ পৰা একত্ৰিশ মাৰ্চ ২০১৪ লৈকে) কাম কাজৰ খতিয়ান যোৱা ১৭-০৮-১৪ তাৰিখে আল আমিন জন-কল্যাণ সমাজৰ সভাপতি ড° তৌফিকুৰ ৰহমান বৰবৰাৰ সভাপতিত্বত গুৱাহাটীৰ হোটেল ডায়নেষ্টিৰ সভাকক্ষত একাদশ বাৰ্ষিক সাধাৰণ সভাত দাঙি ধৰা হয়।

উক্ত সভাতে আল আমিন জন কল্যাণ সমাজৰ স্মৃতি গ্ৰন্থ, আল আমিন জন কল্যাণ সমাজৰ প্ৰাক্তন সভাপতি আব্দুল হাৰমাইনে উন্মোচন কৰে আৰু স্মৃতি গ্ৰন্থ বা স্মৰণিকাৰ সম্পাদক চফিউৰ ৰহমান শইকীয়াই এই প্ৰসংগতে দু-আষাৰ মান কয়।

দ্বিতীয়াৰ্দ্ধত গুৱাহাটীৰ হোটেল ডায়নেষ্টিৰ স্বত্বাধিকাৰী ৰুমেনা ৰহমান চাহেবাৰ সৌজন্যত 'আদিলুৰ ৰহমান স্মাৰক বঁটা ' প্ৰদান কৰা হয়। উল্লেখনীয় যে এই বঁটা প্ৰত্যেক বছৰে হাইস্কুল শিক্ষান্ত পৰীক্ষাত মুছলমান সম্প্ৰদায়ৰ ছাত্ৰ আৰু ছাত্ৰীৰ তৰফৰ পৰা শীৰ্ষ স্থান লাভ কৰা ছাত্ৰ, ছাত্ৰী দুগৰাকীক নগদ ধন আৰু প্ৰশস্তি পত্ৰ প্ৰদান কৰা হ'ব। ৰুমেনা ৰহমান চাহেবাৰ ব্যক্তিগত সৌজন্যত ২০১৪ চনৰ বাবে পিছলৈ উল্লেখ কৰা ছাত্ৰ-ছাত্ৰী দুগৰাকী প্ৰত্যেককে নগদ দহ হেজাৰ টকা, এখনি প্ৰশস্তি পত্ৰ আৰু এটা সোণৰ পদক সহিত একোটা কিতাপৰ টোপোলা প্ৰদান কৰা হয়।

১। ছাত্ৰীৰ ফালৰ পৰা শীৰ্ষস্থান লাভ কৰা (চতুৰ্থ স্থান)

**চৌগত আশ্ৰফী,** পিতাঃ চফিকুল ইছলাম

কিচমৎপুৰ, বলদমাৰী, গোৱালপাৰা, অসম।

২। ছাত্ৰৰ ফালৰ পৰা শীৰ্ষ স্থান লাভ কৰা

**শ্বেখ মহম্মদ চাকিল হাচান**

প্ৰযত্নে আব্দুল কাদিৰ, ঢিং কলেজ, নগাঁও জিলা

ৰুমেনা ৰহমান চাহেবাৰ হৈ এই বঁটাৰ সবিশেষ বৰ্ণনা কৰে আল-আমিন জন-কল্যাণ সমাজৰ সভাপতি ড° তৌফিকুৰ ৰহমান বৰবৰাই। এই খিনিতে উল্লেখনীয় যে ৰুমেন ৰহমান চাহেবাই আল-আমিন জন-কল্যাণ সমাজলৈ 'আদিলুৰ ৰহমান স্মাৰক বঁটাৰ' বাবে নগদ দুইলাখ টকা প্ৰদান কৰে, এই দুইলাখ টকাৰ পুঁজিৰ পৰা ২০১৫ চনৰে পৰা প্ৰত্যেক বছৰে হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ শীৰ্ষ স্থান লাভ কৰা ছাত্ৰ আৰু ছাত্ৰী দুগৰাকীক বঁটা প্ৰদান কৰা হ'ব।

ইয়াৰ পাছতেই আল-আমিন জন-কল্যাণ সমাজৰ ফালৰ পৰা ২০১৪ বছৰৰ উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত অসমীয়া বিষয়ত সৰ্ব্বোচ্চ নম্বৰ পোৱা (৯৮ শতাংশ) দুগৰাকী মুছলিম ছাত্ৰীক নগদ ৭,৫০০ টকা, এখনি প্ৰশস্তি পত্ৰ আৰু একোটাকৈ কিতাপৰ টোপোলা প্ৰদান কৰা হয়।

তেওঁলোক হ'ল ঃ

১। নাজমা হেপতুল্লা, মন্দিয়া, বৰপেটা

২। আচিয়া খাতুন, চেনিপুথি, বৰপেটা

সু-সাহিত্যিক, ভাৰতীয় প্ৰশাসনিক সেৱাৰ অৱসৰপ্ৰাপ্ত বিষয়া ড° ৰোহিনী বৰুৱাই বৰপেটা জিলাৰ পিছপৰা ভিতৰুৱা গাৱঁৰ দুগৰাকী ছাত্ৰীয়ে অসমীয়া বিষয়ত সৰ্ব্বোচ্চ নম্বৰ পোৱাৰ পৰিপ্ৰেক্ষিতত অতিশয় আনন্দ প্ৰকাশ কৰে আৰু অনাগত দিনত এনে উৎসাহজনিত কৃতিত্বই অসমীয়া ভাষা সংস্কৃতিলৈ যথেষ্ট অৱদান আগবঢ়াব বুলি আশা কৰে।

তৃতীয়াৰ্দ্ধত, আল-আমিন জন-কল্যাণ সমাজৰ দ্বাৰাই অধ্যয়ন, গৱেষণা আৰু প্ৰাপ্ত তথ্য সমূহ বিচাৰ কৰি লিপিবদ্ধ কৰা 'অসমৰ মুছলমান ঃ অসমীয়া সাহিত্য সংস্কৃতিলৈ অৱদান' (দ্বিতীয় খণ্ড) খনৰ উন্মোচনী, বিশিষ্ট শিক্ষাবিদ তথা অৰুণাচল বিশ্ববিদ্যালয়ৰ প্ৰাক্তন আচাৰ্য্য ড° অন্নদাচৰণ ভাগৱতীৰ দ্বাৰাই কৰোৱা হয়। এই গ্ৰন্থখনৰ বাবে বহুমূলীয়া তথ্য তথা সমল যুগুতোৱা বিশিষ্ট শিক্ষাবিদ ড° আলি আকবৰ হুছেইনক সম্বৰ্দ্ধনা জ্ঞাপন কৰা হয়। গ্ৰন্থ উন্মোচন কৰি

ড° অন্নদাচৰণ ভাগৱতীয়ে অসমীয়া সাহিত্য, সংস্কৃতি চহকী কৰা অসমৰ মুছলমান সকলৰ অবদানৰ ওপৰত এক তথ্য গধুৰ বক্তৃতা প্ৰদান কৰে। উক্ত উন্মোচনী সভাত সভাপতিত্ব কৰে কমৰুজ্জামান আহমদে আৰু আঁতধৰে হাচিবুৰ ৰহমানে। কমৰুজ্জামান আহমদে ড° মহম্মদ তাহেৰ চাহেবৰ হৈ কিতাপখনৰ ওপৰত এক চমু বক্তব্য ৰাখে ।

৬/৪/১৪ তাৰিখে, গুৱাহাটী লতাশিল খেল পথাৰৰ সমীপৰ বিষ্ণু নিৰ্মলা ভৱনত আয়োজন কৰা সভাত, আল আমিন জন কল্যাণ সমাজৰ সভাপতি ড° তৌফিকুৰ ৰহমান বৰবৰাৰ সভাপতিত্বত নিম্ন লিখিত বিষয়ৰ ওপৰত এলানি বক্তৃতা প্ৰদান কৰে ক্ৰমে ড° তৌফিকুৰ ৰহমান বৰবৰা, শ্বাহীনা পাৰবীন হুছেইন আৰু ড° আবু নাচাৰ ছাঈদ আহমদে

১। ইছলামিক সমাজ গঠনত পিতৃ মাতৃৰ ভূমিকা

২। পশ্চিম এচিয়াৰ সাম্প্ৰতিক ঘটনাৱলী

৮/৬/১৪ তাৰিখে গ্ৰেণ্ড ষ্টাৰ লাইন হোটেলৰ স্বত্বাধিকাৰী তথা ব্যৱস্থাপনাৰ সৌজন্যত উক্ত হোটেলৰ সভাকক্ষত আল আমিন জন-কল্যাণ সমাজৰ উপ সভাপতি আব্দুল ৰাচিৰ সভাপতিত্বত 'জাকাতৰ তাৎপৰ্য্য আৰু ইয়াৰ সফল ব্যৱহাৰ'ৰ ওপৰত এক আলোচনা সভাৰ আয়োজন কৰা হয় । কমৰুজ্জামান আহমদে বিষয়টোৰ ওপৰত এক পৰিচিতি আগবঢ়ায় আৰু নিৰ্দ্দিষ্ট বক্তা হিচাবে গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক ড° আতোৱাৰ ৰহমানে এক বহুমূলীয়া ভাষণ প্ৰদান কৰে। উপস্থিত সদস্য সকলৰ সতে এই বিষয়ৰ ওপৰত মত বিনিময় কৰা হয়।

২০/৮/১৪ তাৰিখে পিবকো'ৰ সভাকক্ষত ২০১৪ চনৰ পৱিত্ৰ হজ অনুষ্ঠানত অংশ কৰিবলৈ যোৱা হজযাত্ৰী ইনামুল ইছলাম আৰু তেখেতৰ পত্নী চায়েৰা ইছলামক শুভেচ্ছা জ্ঞাপন কৰা হয় আৰু হজৰ মনোবাঞ্ছা পূৰণ কৰি নিৰাপদে ঘুৰি আহিবৰ বাবে এক দোৱাৰ আয়োজন কৰা হয়। উক্ত দোৱাৰ অনুষ্ঠান পৰিচালনা কৰে আলহাজ হাফিজ আব্দুল লটিফে।

২৪/৯/১৪ তাৰিখে গুৱাহাটী আৰু ছয়গাৱঁত বানপীড়িত লোকক আল-আমিন জন কল্যাণ সমাজৰ ফালৰ পৰা খোৱা বস্তু তথা অন্যান্য জৰুৰী লাগতিয়াল সামগ্ৰী প্ৰদান কৰা হয়।

২৮/৯/১৪ তাৰিখে কৃষ্ণাইৰ বান পীড়িত লোক সকলক অনুৰূপ সাহায্য আগবঢ়োৱা হয়।

১/১০/১৪ আৰু ২/১০/১৪ তাৰিখে আল-আমিন জন-কল্যাণ সমাজৰ ফালৰ পৰা গোৱালপাৰাৰ বলবলাৰ বান পীড়িত সকলক সা-সাহায্য আগবঢ়োৱা হয়। আল-আমিন জন-কল্যাণ সমাজৰ সভাপতি ড° তৌফিকুৰ ৰহমান বৰবৰাই তেখেতৰ ব্যক্তিগত উদ্যোগত বান-পীড়িত সকলক চিকিৎসা সেৱা আগবঢ়ায়।

২৩/১১/১৪ তাৰিখে গোৱালপাৰা জিলাৰ বান-পীড়িত সকলৰ বাবে স্থাপন কৰা শিবিৰত কম্বল আৰু আঠুৱা বিতৰণ কৰা হয়। এই সামগ্ৰীৰ সিংহ ভাগ হোটেল ডায়েনেষ্টি স্বত্বাধিকাৰীৰ হৈ আল-আমিন জন-কল্যাণ সমাজৰ ফালৰ পৰা বিতৰণ কৰা হৈছিল।

২৫/১১/১৪ তাৰিখে ড° ভূবনেশ্বৰ বৰুৱা কেন্সাৰ চিকিৎসালয়ৰ ব্যৱস্থাপনাৰ সহযোগত আল আমিন জন কল্যাণ সমাজে কৰ্কট ৰোগৰ ওপৰত এক সজাগতা সভাৰ আয়োজন কৰে।

আল- আমিন জন-কল্যাণ সমাজৰ সভাপতি ড° তৌফিকুৰ ৰহমান বৰবৰাই জনায় যে ২০১৫ চনৰ পৰা হাইমাদ্ৰাছা শিক্ষান্ত পৰীক্ষাত প্ৰথম স্থান অধিকাৰ কৰা ছাত্ৰ বা ছাত্ৰীক তেখেতৰ পৰিয়ালৰ হৈ তেখেতৰ পিতৃ মৰহুম আতাউৰ ৰহমান বৰবৰাৰ নামত নগদ ১০,০০০/- হেজাৰ টকাৰ সৈতে এখনি প্ৰশস্তিপত্ৰ আৰু পদক প্ৰদান কৰা হ'ব।

নিশ্চয়কৈ ই এটা উৎসাহজনক পদক্ষেপ । আল -মন জন-কল্যাণ সমাজৰ হৈ তেখেতক আমি ধন্যবাদ জ্ঞাপন কৰিছো।

সকলো সদস্য / সদস্যাৰ জ্ঞাত যে আল আমিন জন কল্যাণ সমাজে ইতিমধ্যে আগতে উল্লেখ কৰি অহা দুখন গ্রন্থ প্রকাশ কৰি উলিয়াইছে। তৃতীয়খণ্ড ‘অসমৰ মুছলমান ঃ ঐতিহ্য’ আজিৰ দিনটোত উন্মোচন কৰা হ’ব। বাকী থকা তিনিখন গ্রন্থৰ প্রকাশনৰ ব্যৱস্থা পর্য্যায়ক্রমে গ্রহণ কৰা হ’ব।

আল-আমিন জনকল্যাণ সমাজৰ বিত্তীয় প্রতিবেদন বিত্তীয় সচিব নুৰুল হকে বিতং ভাৱে দাঙি ধৰিব। তথাপিও ৰাইজৰ জ্ঞাতার্থে; জনাও যে বিগত ২০১৪-১৫ বছৰটোত নিম্ন উল্লেখিত শিতান সমূহৰ পুঁজি সংগৃহীত হৈছিল।

| | |
|---|---|
| ১। জাকাতৰ শিতানত ঃ | ৬,৮৪,৩৪০.০০ টকা |
| ২। সাধাৰণ পুঁজি আৰু প্ৰকল্পৰ শিতানত ঃ | ৩,৭৭,০১৫.০০ টকা |
| ৩। বানপীড়িত সকলৰ সাহায্যৰ শিতানত ঃ | ৩,৬৪,১৬৪.০০ টকা |

পাঞ্জাবাৰী সাতগাঁও নোৱাপাৰা কবৰস্থানৰ প্রস্তাৱিত মছজিদ, ইছলামীয় শৈক্ষিক আৰু গৱেষণা কেন্দ্র গৃহৰ কাম শেষ হোৱাৰ পথত। যোৱা বছৰৰ প্রতিবেদনত উল্লেখ কৰা মতে আমাৰ নিজা কার্যালয়; ইছলামিক শিক্ষাকেন্দ্র আৰু সভাকক্ষৰ স্থান ইতিমধ্যে উক্ত প্রকল্পত নির্দ্ধাৰিত হৈছে। (ইতিমধ্যে বিগত ০২-০৬-২০১৫ তাৰিখে আনুষ্ঠানিক ভাৱে উক্ত গৃহ চমজি লোৱা হৈছে। অনতিপলমে আল-আমিন জন-কল্যাণ সমাজৰ কার্য্যালয়ৰ কাম-কাজ আনুষ্ঠানিক ভাৱে আৰম্ভ কৰাৰ প্রস্তুতি কৰা হৈছে।)

আগৰ ব্যৱস্থা অনুসৰি আল আমিন জন কল্যাণ সমাজৰ সংবিধান খনৰ সংশোধনী প্রক্রিয়া চূড়ান্ত কৰা হ’ল। আল আমিন জন কল্যাণ সমাজৰ উদ্দেশ্য আৰু লক্ষ্যৰ প্রতি দৃষ্টি ৰাখি সকলোবোৰ কাম-কাজ নিয়াৰিকৈ কৰি অহা হৈছে, আগন্তুক দিনবোৰত একে উদ্দেশ্যৰে আমি আমাৰ কাম-কাজবোৰ কৰি যাবলৈ প্রতিজ্ঞাবদ্ধ।

আল আমিন জন কল্যাণ সমাজৰ প্রতিজন সদস্য / সদস্যা শুভাকাংখী সকলৰ সহায় সহযোগিতা নোপোৱা হলে হয়তো বিগত ১২ বছৰে আমি আমাৰ কাম কাজবোৰ কৰিব নোৱাৰিলোহেঁতেন আৰু বর্তমানৰ এই অৱস্থানলৈ উত্তৰণ নহলহেঁতেন। আমি তেখেত সকলৰ ওচৰত চিৰ কৃতজ্ঞ। আৰু আশা ৰাখিছো অনাগত দিনবোৰত তেখেত সকলে আল আমিন জন কল্যাণ সমাজৰ প্রতি অফুৰন্ত সহাৰি দিব।

ৰাইজৰ সহাঁৰি আৰু ইতিবাচক সমালোচনাক আমি সদায় আদৰণি জনাম।

আল্লা হাফিজ

ড° তৌফিকুৰ ৰহমান বৰবৰা
সভাপতি
আল - আমিন জনকল্যাণ সমাজ,
গুৱাহাটী

ফকিল আহমদ বৰা
সচিব প্ৰধান
আল - আমিন জনকল্যাণ সমাজ,
গুৱাহাটী

# আল-আমিন জনকল্যাণ সমাজ

গুৱাহাটী, অসম

## দ্বাদশ বাৰ্ষিক বিত্ত বিভাগৰ কাৰ্যবিৰৰণী

(২০১৪-২০১৫)

স্থান ঃ বিষ্ণু নিৰ্মলা ভৱন

তাৰিখ ১৪ জুন ২০১৫

*বিছমিল্লাহিৰ ৰহমানিৰ ৰহিম*

এটা সম্পূৰ্ণ অৰাজনৈতিক অনুষ্ঠান হিচাপে গুৱাহাটীত পৰিচিত আল-আমিন জনকল্যাণ সমাজে ইয়াৰ কাৰ্যকালৰ ইতিমধ্যে ১২ টা বছৰ সম্পূৰ্ণ কৰিলে। সমাজৰ সচিব প্ৰধানে আপোনালোকৰ আগত তেখেতৰ প্ৰতিবেদনৰ যোগেদি ২০১৪-২০১৫ বৰ্ষৰ সমাজৰ কাম কাজৰ এক চমু বিৰৰণ দাঙি ধৰিছে। চৰকাৰৰ তৰফৰ পৰা কোনো সাহায্য নিবিচৰাকৈ সমাজৰ প্ৰতিজন সদস্য/সদস্যা আৰু শুভাকাংক্ষী সকলে আগবঢ়োৱা সহায় সহযোগৰ বাবে অনুষ্ঠানটোৱে ২০১৪-২০১৫ বছৰটোত জাকাত শিতানত ৬,৮৪,৩৪০.০০ টকা আৰু প্ৰজেক্ট সাধাৰণ পুঁজিৰ শিতানত ৩,৭৭,০১৫.০০ সংগ্ৰহ কৰিবলৈ সক্ষম হয়। অন্যহাতেদি যোৱা বছৰেটোত প্ৰলয়ঙ্কাৰী বানপানীত আক্ৰান্ত হোৱা লোক সকলক সাহায্যৰ কাৰণে তাৎক্ষণিক ভাৱে সমাজে ৩,৬৪,১৬৪.০০ টকা সংগ্ৰহ কৰে আৰু বানাক্ৰান্ত লোক সকলৰ মাজত সাহায্য বিতৰণ কৰে।

২০১৪-২০১৫ বছৰটোত সমাজে সংগ্ৰহ কৰা পুঁজি আৰু খৰচৰ হিচাপ তলত দাঙি ধৰা হ'ল।

### এপ্ৰিল ২০১৪ ৰ পৰা ৩১ মাৰ্চ ২০১৫ লৈ বছৰটোত আয় ব্যয়ৰ হিচাপ

| সাধাৰণ / প্ৰজেক্ট পুঁজি<br>Cur. a/c no. : 33947141703: SBI Panjabari Branch Al-Ameen Welfare Society. | | | | |
|---|---|---|---|---|
| **২০১৩-১৪ বৰ্ষৰ জমা** | | | **সাধাৰণ পুঁজিৰ খৰছ** | |
| ১) নগদ হাতে জমা | নাই | | ১) ফিক্সদ দিপ্‌জিট | ২,০০,০০০.০০ |
| ২) SBI পাঞ্জাবাৰী শাখাত জমা | ৩,৬৬,৩৭৯.০০ | | ২) দুটা বক্তৃতা অনুষ্ঠানত হোৱা খৰচ | ৫,৯০০.০০ |
| ৩) কানাৰা বেংকত জমা | ১,৫৮৬.০০ | | ৩) দুগৰাকী ছাত্ৰীলৈ আগবঢ়োৱা পুৰস্কাৰ | ১০,০০০.০০ |
| ৪) এচ বি আইৰ সূত | ১২,৯১৪.০০ | | ৪) চাৰ্টাৰ একাউণ্টেটৰ ফিজ | ৩,০০০.০০ |
| ৫) কানাৰা বেংকৰ সূত | ৬৫.০০ | | ৫) Cost Accountantৰ পাৰিতোষিক | ৭,৫০০.০০ |
| | **৩,৮০,৯৪৮.০০** | | ৬) আল-আমিন (আলোচনী) ছপা কৰা খৰচ | ৩৫,৫৩০.০০ |

| বছৰটোত সংগৃহীত পুঁজি (সাধাৰণ) | | | ৭) বছেৰেকীয়া সভাৰ খৰচ | ৭,১৪৮.০০ |
|---|---|---|---|---|
| ৬) মৰহুম আদিলুৰ ৰহমানৰ স্মৃতি ৰক্ষাৰ্থে আগবঢ়োৱা অনুদান | ২,০০,০০০.০০ | | ৮) বছৰেকীয়া সভাৰ বাবে যুগুতোৱা প্ৰতিবেদন সমূহৰ ছপা খৰচ | ৩,৩০০.০০ |
| ৭) ২০১৪ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত অসমীয়া বিষয়ত সৰ্ব্বোচ্চ নম্বৰ পোৱা ছাত্ৰী দুগৰাকীলৈ পুৰস্কাৰৰ বাবে অনুদান | ১০,০০০.০০ | | ৯) সমিতিৰ যুটীয়া সচিবৰ পাওনা পৰিশোধ | ৮,৪৩৫.০০ |
| ৮) অনুদান | ৪,০০০.০০ | | ১০) কাৰ্যালয়ৰ বিভিন্ন খৰচ | ১,৭০৮.০০ |
| ৯) বিজ্ঞাপন | ২৭,১১৫.০০ | | ১১) Misc Expenditure | ৩,৬৩১.০০ |
| ১০) সভ্য ভৰ্তিৰ মাচুল | ১১,০০০.০০ | | ১২) সমাজৰ Pad ৰ ছপা খৰচ (১০০০ কপি) | ২,২০০.০০ |
| ১১) এচ বি আই বেংকৰ সুত | ৭,৮৫১.০০ | | ১৩) বেংকৰ খৰচ | ৮৩০.০০ |
| ১২) কানাৰা বেংকৰ a/c বন্ধৰ শেষ জমা | ১,৭২০.০০ | | **প্ৰজেক্ট খৰচ** | |
| ১৩) জাকাত শিতানৰ পৰা ঘূৰাই পোৱা টকা | ৫০,০০৫.০০ | | ১৪) Project Advisory Committeeৰ সদস্য সচিবৰ পাওনা পৰিশোধ | ১৯,০৭০.০০ |
| **প্ৰজেক্টৰ শিতানত সংগৃহীত পুঁজি** | | | ১৫) অসমৰ মুছলমান ঃ সাহিত্য সংস্কৃতিলৈ অৱদানৰ ছপা খৰচ | ৬৭,৫০০.০০ |
| ১৪) প্ৰজেক্টৰ বাবদ পোৱা অনুদান | ৭০,০০০.০০ | | ১৬) প্ৰজেক্টৰ প্ৰথম খণ্ডৰ তিনি গৰাকী লিখকক দিয়া মাননি | ৩০,০০০.০০ |
| ১৫) কিতাপ আলোচনী বিক্ৰী কৰি পোৱা টকা | ৫৪,৯০০.০০ | | ১৭) প্ৰজেক্টৰ তৃতীয় খণ্ডৰ কাৰণে ছপাশালাক দিয়া আগধন (অসমৰ মুছলমান ঐতিহ্য) | ১,০০০.০০ |
| মুঠ | ৮,১৭,৫৩৯.০০ | | ১৮) প্ৰজেক্ট মিটিঙৰ খৰচ | ৩০০.০০ |
| | | | **বছৰটোৰ শেষত জমা** | |
| | | | ১) হাতে জমা | ১,৪৮৭.০০ |
| | | | ২) বেংকত জমা | ৪,০৯,০০০.০০ |
| | | | (মূল ৪,০১,১৪৯.০০ + সূত ৭,৮৫১.০০) | |
| | | | মুঠ | ৮,১৭,৫৩৯.০০ |

# জাকাত পুঁজি /বান সাহায্য পুঁজি

SBI a/c no. : 33809857815 : Zakat Fund : Al Ameen Welfare Society.

| ২০১৩-১৪ বৰ্ষৰ জমা | | খৰচ | |
|---|---|---|---|
| ১) হাতে জমা | ৫,১৩৩.০০ | ১) জাকাত বিতৰণ | ৭,৩২,৫০০.০০ |
| ২) বেংকত জমা | ১,১৯,০৭৬.২৪ | ২) প্ৰজেক্ট শিতানৰ পৰা যোৱা বছৰ ধাৰত অনা টকা পৰিশোধ | ৫০,০০৫.০০ |
| ৩) বেংকত সুত | ৩,০৩৪.০০ | ৩) Cheque যোগানৰ খৰচ | ৭০.০০ |
| **বছৰটোত জাকাত সংগ্ৰহ** | | ৪) এখন Cheque ঘূৰাই লোৱা | ১১২ |
| ৪) জাকাত সংগ্ৰহ | ৬,৮৪,৩৪০.০০ | ৫) বান সাহায্যত হোৱা খৰচ | ৩,৬৪,১৬৪.০০ |
| **বছৰটোত সংগ্ৰহীত বান সাহায্য পুঁজি** | | **বছৰটোৰ শেষত জমা** | |
| বানপীড়িত লোকৰ সাহায্য বাবে সংগৃহীত পুঁজি | ৩,৬৪,১৬৪.০০ | ৬) বেংকত জমা | ২৫,৩৬৮.২৪ |
| | | (সুত ৩,০৩৪ + মূল ২২,৩৩৪.২৪) | |
| | | ৭) হাতে জমা | ৩৫০৮.০০ |
| **মুঠ** | **১১,৭৫,৭৪৭.২৪** | **মুঠ** | **১১,৭৫,৭৪৭.২৪** |

## জাকাত পুঁজিৰ বিতৰণ তালিকা

| ক্ৰমিক নং | বৰ্ণনা | | সংখ্যা | | টকাৰ পৰিমাণ |
|---|---|---|---|---|---|
| ১. | উচ্চতৰ মাধ্যমিক (কলা) | - | ১৪ | - | ৫৬,০০০.০০ |
| ২. | উচ্চতৰ মাধ্যমিক (বিজ্ঞান) | - | ১৩ | - | ৫৮,৫০০.০০ |
| ৩. | স্নাতক (কলা) | - | ২৫ | - | ১,২২,৫০০.০০ |
| ৪. | স্নাতক (বিজ্ঞান) | - | ১২ | - | ৬৬,০০০.০০ |
| ৫. | স্নাতক (বাণিজ্য) | - | ২ | - | ১০,০০০.০০ |
| ৬. | এম এ | - | ৫ | - | ৩০,০০০.০০ |
| ৭. | এম বি বি এচ | - | ১ | - | ১০,০০০.০০ |
| ৮. | বি টেক | - | ৩ | - | ১৬,০০০.০০ |
| ৯. | এম টেক | - | ২ | - | ২০,০০০.০০ |
| ১০. | বি-ই | - | ৫ | - | ৪৩,০০০.০০ |
| ১১. | অভিযান্ত্ৰিক | - | ২ | - | ১৪,০০০.০০ |

| | | | | | |
|---|---|---|---|---|---|
| ১২. | এল এল বি | - | ৩ | - | ২০,০০০.০০ |
| ১৩. | হোমিও | - | ১ | - | ৫,০০০.০০ |
| ১৪. | আই আই টি | - | ১ | - | ১০,০০০.০০ |
| ১৫. | নাৰচিং | - | ১ | - | ৪,০০০.০০ |
| ১৬. | বি এচ চি (নাৰচিং) | - | ৩ | - | ১৫,০০০.০০ |
| ১৭. | চিকিৎসা | - | ৪০ | - | ১,৯৬,০০০.০০ |
| ১৮. | পি এইচ দি | - | ২ | - | ২০,০০০.০০ |
| ১৯. | স্বনিয়োজন | - | ২ | - | ৬,৫০০.০০ |
| ২০. | প্ৰাকৃতিক দুৰ্যোগ | - | ১ | - | ১০,০০০.০০ |
| | মুঠ | - | **১৩৮** | - | **৭,৩২,৫০০.০০** |

জাকাত পুঁজিৰ পৰা সাহায্য বিচাৰি আবেদন কৰা লোকৰ সংখ্যা যথেষ্ট হলেও বহু আবেদনকাৰীয়ে শুদ্ধকৈ আবেদনত দিব লগা তথ্য সমূহ সম্পূৰ্ণ ৰূপে যোগান নধৰাৰ কাৰণে ভালেসংখ্যক আবেদন অনিচ্ছা সত্বেও সমিতিয়ে নাকচ কৰিব লগা হয়। যোৱা বছৰটোত বিতৰণ কৰা জাকাত পুঁজিৰ হিতাধিকাৰী সমূহৰ সংখ্যা জিলা ভিত্তিত উল্লেখ কৰা হ'ল - (১) কামৰূপ (এম) ১৫, (২) কামৰূপ ১৭, (৩) দৰং ৪৩, (৪) বৰপেটা -২২, (৫) ধুবুৰী - ২, (৬) যোৰহাট -৫, (৭) বঙাইগাওঁ -৩, (৮) শিৱসাগৰ -৩, (৯) নলবাৰী -১১, (১০) গোৱালপাৰা -৩, (১১) বাক্সা -২, (১২) মৰিগাওঁ -৪, (১৩) ডিব্ৰুগড় -১, (১৪) শোণিতপুৰ -৩, (১৫) ওদালগুৰি -২, (১৬) ডিব্ৰুগড় -১, (১৭) কাছাৰ -১ ।

## বান সাহায্যৰ চমু বিৱৰণ

যোৱা বছৰ প্ৰলয়ংকাৰী বানপানীয়ে কামৰূপ আৰু গোৱালপাৰা জিলাকে মুখ্য কৰি কেইবাখনো জিলাত সংহাৰ মূৰ্ত্তি ধাৰণ কৰি জনসাধাৰণৰ জীৱন সম্পত্তিৰ অশেষ ক্ষতি সাধন কৰে। আল-আমিন জনকল্যাণ সমাজে ততাতৈয়াকৈ দুৰ্গত লোক সকলৰ সাহায্যৰ কাৰণে ৰাইজৰ ওচৰ চাপে আৰু মানৱ দৰদী লোক সকলে মুক্তহস্তে কেইদিনমানৰ ভিতৰতে সমিতিৰ ওচৰত ওপৰত উল্লেখ কৰা ৩,৬৪,১৬৪.০০ টকা আগবঢ়াই । উক্ত টকাৰে ৪ টা পৰ্য্যায়ত সমিতিয়ে খাদ্য সামগ্ৰীকে মুখ্য কৰি পানীৰ বটল, কাপোৰ, কম্বল আদি কামৰূপ আৰু গোৱালপাৰা জিলাৰ বানাক্ৰান্ত লোক সকলৰ মাজত তলত উল্লেখ কৰা পৰ্যায়ক্ৰমে বিতৰণ কৰে।

| তাৰিখ | পৰ্যায় | অঞ্চল | খৰচৰ পৰিমাণ |
|---|---|---|---|
| ২৪/৯ /২০১৪ | প্ৰথম পৰ্যায় | গুৱাহাটী, ছয়গাওঁ, বকো | ১৮,৫১৩.০০ টকা |
| ২৮/৯ /২০১৪ | দ্বিতীয় পৰ্যায় | কৃষ্ণাইৰ বানপীড়িত অঞ্চল | ১,৮৭,৪৩০.০০ টকা |
| ২/১০ /২০১৪ | তৃতীয় পৰ্যায় | গোৱালপাৰা বান সাহায্য শিবিৰ | ৩০,৫১৬.০০ টকা |
| ২৩/১১ /২০১৪ | চতুৰ্থ পৰ্যায় | গোৱালপাৰা জিলাৰ আৰ্থিকভাৱে নিঃস্ব হোৱা বানাক্ৰান্ত লোকৰ মাজত কম্বল বিতৰণ | ১,২৭,৭০৫.০০ টকা |
| | | মুঠ | **৩,৬৪, ১৬৪.০০ টকা** |

চতুৰ্থ পৰ্যায়ৰ সাহায্যৰ বিতৰণত জামাতে ইছলামী হিন্দ, গুৱাহাটী শাখাৰ সম্পাদক জোনাব চফিকুল ইছলাম চাহাবে স্থানীয় সমাজকৰ্মী মুকুল হাজৰিকা আৰু কেইবাজনো স্বেচ্ছাসেৱকৰ সহযোগত বৰবলা আৰু কৃষ্ণাইৰ অন্তৰ্গত দহখন গাঁৱত House to House survey কৰি হিতাধিকাৰী সকলক চিনাক্ত কৰে আৰু চিনাক্তকৰণৰ পাছতহে ঘৰে প্ৰতি একোখনকৈ ২০০ খন কম্বল সমিতিয়ে বিতৰণ কৰে। Hotel Dynasty ৰ তৰফৰ পৰাও মৰহুম আদিলুৰ ৰহমানৰ স্মৃতিত দান কৰা ২৫০খন কম্বল আৰু ২৫০খন আঠুৱা আল-আমিন জন কল্যাণ সমাজৰ যোগেদি বিতৰণ কৰা হয়। এই সাহায্য সামগ্ৰী গুৱাহাটীৰ পৰা বানাক্ৰান্ত অঞ্চললৈ সৰবৰাহ কৰোতে প্ৰয়োজন হোৱা দুখন মিনি ট্ৰাকৰ খৰছো হোটেল Dynasty য়ে বহন কৰে। সমিতিৰ সদস্য মজিদ আলি চাহাবে নিজ হাতে সাহায্য বিতৰণ কৰোঁতে গুৱাহাটীৰ লাখটকীয়া মছজিদৰ মৌলানা চাহেব আৰু Dynasty হোটেলৰ দুজন কৰ্মকৰ্তাইও সহায় আগবঢ়ায়।

উপৰিউক্ত বান সাহায্যৰ উপৰিও সমিতিৰ সভাপতি ডাঃ তৌফিকুৰ ৰহমান বৰবৰা চাহাবে ২০১৪ চনৰ ১ আৰু ২ অক্টোবৰত গুৱাহাটী মেডিকেল কলেজৰ কেইজনমান কনিষ্ঠ চিকিৎসকক লগত লৈ জামাতে ইছলামী হিন্দ, গুৱাহাটী শাখাৰ সহযোগত কৃষ্ণাই আৰু বৰবলা বান পীড়িত অঞ্চলৰ চাৰিটা সাহায্য শিবিৰত দুৰ্গত লোক সকলৰ স্বাস্থ্য পৰীক্ষা কৰি বিনামূলীয়া চিকিৎসা সেৱা আগবঢ়ায়।

আল-আমিন জন কল্যাণ সমাজৰ এই অবিৰত যাত্ৰাত আমি সকলোৰে পৰা সহায় সহযোগিতা পাম বুলি আশা ৰাখিলো।

খোদা হাফিজ

স্বাঃ নুৰুল হক<br>
বিত্ত সচিব<br>
আল-আমিন জনকল্যাণ<br>
সমাজ, গুৱাহাটী

# *English Section*

# CONTENT


| | | | |
|---|---|---|---|
| ⵋ Challenges facing the Indian Judiciary | - | Justice Ranjan Gogoi | 101 |
| ⵋ On the Multilayered Concept of Jihad | - | Asghar Ali Engineer | 106 |
| ⵋ What Went Wrong with Muslims? | - | Maulana Wahiduddin Khan | 112 |
| ⵋ Science and Technology of the Golden Age of the Muslim World | - | Dr. Atowar Rahman | 114 |
| ⵋ Concept of Allah | - | Dr. Taufiqur Rahman Borborah | 123 |
| ⵋ Sanitation in the time of Floods | - | Teresa Rehman | 127 |
| ⵋ Imdad Ali - The Country is yet to see another Super Cop Like Him | - | Nurul Islam Laskar | 130 |
| ⵋ Success Against all Odds for Higher Education --- a few case studies | - | Abu Musahid. | 133 |
| ⵋ A Different Perspective | - | Nazida Saleh, | 135 |
| ⵋ Do we have Good Morals ? | - | Sayyid Abul Ala Mawdudi | 138 |
| ⵋ The Daily Race | - | Zeba Hashmi | 140 |
| ⵋ 'Disabled', and Amazingly Able | - | Yoginder Sikand | 141 |
| ⵋ Tribute to my Late Father | - | Rafiqur Rahman Borbora | 143 |

# Challenges facing the Indian Judiciary

**Justice Ranjan Gogoi**
**Judge, Supreme Court of India**

It is a matter of great honour to be invited to deliver this oration on this very contemporaneous topic "Challenges facing the Indian Judiciary". Let me begin by complimenting the family of Justice ShafiqulHaque in taking up the initiative of carrying forward the legacy of late Justice Haque and keeping his memories alive. In particular, the decision to create a website which can be accessed by law researchers and academics with their presentations is commendable.

Let me now come to the topic of today's talk, namely, 'Challenges facing the Indian Judiciary'. It is a well-chosen topic; focused, relevant and as I have already said highly contemporaneous. The topic of the day, indeed, is a fitting tribute to the memory of the man in whose name this oration has been organized. I know a fair section of the august audience present here today is from a non-legal background. I will, therefore, do my best to be understood by you and avoid using legal jargons and expressions.

A free and impartial judiciary is a basic feature of the Constitution. Concomitant with the concept of a free judiciary is an efficient, responsive and result oriented judicial system. On 24th of March, 2015, the Delhi Edition of the two Newspapers Hindu and Indian Express carried two editorial columns on a common event. Of the titles/headings given by the two Newspapers the one in Hindu is more eye-catching. The title of the editorial column is "disquieting injustice". Both the editorial columns goes on to record an incident of 22nd of May, 1987 when the members of the Provincial Assam Constabulary rounded about 50 persons from Hasimpur, a settlement near Meerut in U.P. and allegedly shot 42 of them before dumping their bodies in the nearby canals. Nearly 28 years later, a Sessions Court pronounced no one guilty. The editorial in the Indian Express goes on to recite that it took 9 years to file a charge-sheet in the case and after 15 years the trial was shifted to Delhi. After 19 years of the incident the first prosecution witness was examined and nearly after 3 decades, the Court found insufficient evidence against the accused. The newspaper goes on to ask if those 16 did not murder the men from Hasimpur then who did. The editorial comments have been charitable to the judiciary; the blame is cast on defective



investigation. But to me the implications are obvious.

